জাতিৰ সেৱাত উৎসৰ্গিত ৬২ বছৰ

ND24 newsdaily24.in
সৰ্বশ্ৰেষ্ঠ নহয়, সৰ্বোত্তমৰ দৌৰত

দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

https://dainikasam.in

'দৈনিক অসম' সংগ্ৰহ কৰাৰ ক্ষেত্ৰত সন্মুখীন হোৱা যিকোনো সমস্যাৰ বাবে অনুগ্ৰহ কৰি এই ফোন নম্বৰত যোগাযোগ কৰক— ৭০০২৩ ১৭০৪০

RN-11989/65 । ৬২ বছৰ । ১১০ সংখ্যা, ৮ আঘোণ, বুধবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 62 NO. 110। GUWAHATI, WEDNESDAY, NOVEMBER 25, 2026 । পৃষ্ঠা ১৬ (Pages 16) ৯.০০ টকা (Rs. 9.00)



বিশিষ্ট সাংস্কৃতিক কৰ্মী-শিল্পী চন্দন পাঠকৰ আকস্মিক দেহাৱসান



৫৮ বছৰতে জীৱন নাটৰ সামৰণি, শোকস্তব্ধ ডিব্ৰুগড়বাসী

দৈনিক অসমৰ প্ৰতিনিধি

ডিব্ৰুগড়, ২৪ নৱেম্বৰ ঃ ডিব্ৰুগড়ৰ সামাজিক-সাংস্কৃতিক ক্ষেত্ৰখনত শোকৰ ছাঁ পেলাই আজি শেষ নিশ্বাস ত্যাগ কৰে বিশিষ্ট সাংস্কৃতিক-সামাজিক সংগঠক, জ্যেষ্ঠ শিল্পী তথা দূৰদৰ্শন কেন্দ্ৰৰ অনুষ্ঠান কাৰ্যবাহী চন্দন পাঠকে। হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ অসম *৬ পৃষ্ঠাত চাওক*

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ শোক প্ৰকাশ

শিল্পী পাঠকৰ অৱদান সদায়ে সজীৱ হৈ থাকিব ঃ কিশোৰ বৰা

দৈনিক অসমৰ প্ৰতিনিধি

ডিব্ৰুগড়, ২৪ নৱেম্বৰ ঃ ডিব্ৰুগড়ৰ বিশিষ্ট কণ্ঠশিল্পী, সুৰ সংগঠক তথা সাংস্কৃতিক কৰ্মী চন্দন পাঠকৰ আকস্মিক বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে 'দৈনিক অসম'ৰ পৰিচালন সঞ্চালক কিশোৰ বৰাই। পাঠকৰ বিয়োগ কেৱল ডিব্ৰুগড়ৰ বাবেই নহয়, সমগ্ৰ অসমৰ শিল্পী সমাজ তথা সাংস্কৃতিক জগতৰ বাবেও এক অপূৰণীয় ক্ষতি বুলি অভিহিত কৰি বৰাই *৬ পৃষ্ঠাত চাওক*

বিশ্বক চমক খুৱাই ইউ এ ইৰ বিৰুদ্ধে অবিস্মৰণীয় ইনিংছেৰে ৰচিলে ইতিহাস

বিস্ময় বৈভৱ! ৫২ বলতে দ্বি-শতক

২৮টা বলত বিশ্বৰ দ্ৰুততম চেঞ্চুৰী কোবায়ো গঢ়িলে অভিলেখ ■ সূৰ্যবংশীৰ ইনিংছটোত আছিল ২৮টা ছিক্সাৰ, ৭টা বাউণ্ডেৰী



ডোহা, ২৪ নৱেম্বৰ ঃ 'টী-২০ ক্ৰিকেটত তোমাৰ স্বপ্নৰ লক্ষ্য কি?' যোৱা মে'ত এটা অনুষ্ঠানত ইংলেণ্ডৰ প্ৰাক্তন ক্ৰিকেটাৰ কেভিন পিটাৰছেনে এই প্ৰশ্নটো সোধাত তেওঁ উত্তৰ দিছিল— 'মই ক্ৰিছ গেইলৰ নামত থকা ১৭৫ ৰানৰ অভিলেখ ভংগ কৰি দ্বিশতক অৰ্জন কৰিব বিচাৰোঁ।' প্ৰায় ৫ মাহ পাছত সেই দিনটো আহিল। স্বপ্ন পূৰণৰ। অৱশ্যে টী-২০ত *৬ পৃষ্ঠাত চাওক*

আসনচ্যুত পঞ্চায়ত প্ৰতিনিধিৰ গোচৰত উচ্চতম ন্যায়ালয়


দুটি সন্তানৰ নীতি অপ্ৰাসংগিক

দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত দীক্ষান্ত সমাৰোহত মুখ্যমন্ত্ৰী



এহেজাৰ যুৱক-যুৱতীক লৈ শীঘ্ৰেই হ'ব নতুন বেটেলিয়ন

ফেব্ৰুৱাৰীত অসম আৰক্ষীত ৫,৭৭৪ নিযুক্তি ■ অহা পাঁচ বছৰত অসম আৰক্ষীত হ'ব ২০ হাজাৰ নতুন নিযুক্তি



সাপেখাতীত ৰেৰ হাউছৰ ৬০০ কাৰ্টন সুৰাভৰ্তি ট্ৰাক চুৰি আবকাৰী পৰিদৰ্শকসহ ৭ অভিযুক্তক আটক

দৈনিক অসমৰ প্ৰতিনিধি

সোণাৰি, ২৪ নৱেম্বৰ ঃ আন্তঃৰাজ্যিক সুৰা চুৰি চক্ৰৰ বিৰুদ্ধে *২ পৃষ্ঠাত চাওক*

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ অসমকে ধৰি দেশৰ বহুকেইখন ৰাজ্যত পঞ্চায়ত নিৰ্বাচন আৰু চৰকাৰী চাকৰি-বাকৰিৰ ক্ষেত্ৰত প্ৰযোজ্য হৈ থকা *২ পৃষ্ঠাত চাওক*



উদ্বিগ্ন শীৰ্ষ আদালত ঃ ভাৰতে ভুগিব বিষম পৰিণাম ■ কি হ'ব অসমৰ ২০১৭ৰ আইনৰ

বিধানসভাৰ উপাধ্যক্ষ হাবে টেৰণৰ পৰকীয়া প্ৰেমৰ আখ্যান উদঙালে মহিলাই

পাঁচ বছৰীয়া পুত্ৰৰ ডি এন এ টেষ্টৰ বাবেও সাজু

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ হাবে টেৰণৰ বিৰুদ্ধে বিস্ফোৰক অভিযোগ উত্থাপন হৈছে। *২ পৃষ্ঠাত চাওক*

শিৰচান্দ হাতীবৰুৱা কাণ্ড সন্দৰ্ভত সাংবাদিকৰ আগত মন্তব্য

ধৰা নপৰালৈকে কোনো লোকক অপৰাধী বুলি ক'ব নোৱাৰি ঃ মুখ্যমন্ত্ৰী

কোকৰাঝাৰত দুই শীৰ্ষ আৰক্ষী বিষয়াৰ সংঘাতক ব্যক্তিগত আখ্যা

দৈনিক অসমৰ প্ৰতিনিধি

দেৰগাঁও, ২৪ নৱেম্বৰ ঃ মহাবীৰ লাচিত বৰফুকনৰ স্মৃতি বিজড়িত লাচিত দিৱসৰ গৌৰৱোজ্জ্বল দিনটোত আজি দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত অনুষ্ঠিত হয় অসম আৰক্ষীৰ দীক্ষান্ত সমাৰোহ। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অসম আৰক্ষীৰ আন-আৰ্মড্ শাখাৰ *৬ পৃষ্ঠাত চাওক*



পাটসাঁকোত কেন্দ্ৰীয় অনুষ্ঠানত শিক্ষাবিদ ডঃ বৰগোহাঁই


লাচিত বৰফুকন অসমীয়া জাতিৰ ধমনীৰ স্পন্দন



দিল্লীত আটাছুৰ অনুষ্ঠানত ৰাজদ্বীপ বাইলুং বৰুৱা ঃ লাচিতৰ কথা কৈ কেৱল সংগঠন কৰিলে নহ'ব

দৈনিক অসমৰ প্ৰতিনিধি

মাহমৰা, মৰাণ, ২৪ নৱেম্বৰ ঃ লাচিত বৰফুকন কেৱল এগৰাকী বীৰ বা মহাবীৰেই নহয়, লাচিত বৰফুকন অসমীয়া জাতিৰ ধমনীৰ স্পন্দন। ১৭ বাৰকৈ অসম আক্ৰমণ কৰা শক্তিশালী আহোমক *৬ পৃষ্ঠাত চাওক*



কাঁহুদী



— নাই, খেলখন জমা নাই! কোকৰাঝাৰত লগা দুই আই পি এছ বিষয়াৰ কাজিয়াখনৰ দৰে হ'ব লাগিব!



বৰফুকনৰ নৌ-সামৰিক দক্ষতা, ৰণকৌশল আত্মনিৰ্ভৰ ভাৰতৰ সৈতে প্ৰাসংগিক

বীৰ লাচিতক শ্ৰদ্ধাঞ্জলি মোডী-সোণোৱালৰ

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ লাচিত দিৱসত মহাবীৰ লাচিত বৰফুকনক সশ্ৰদ্ধ স্মৰণ কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে। সামাজিক মাধ্যমৰ জৰিয়তে মোডীয়ে কয় *৬ পৃষ্ঠাত চাওক*

মীমাংসাৰ বাবে কোকৰাঝাৰলৈ আই পি এছ সুৰেন্দ্ৰ কুমাৰ





মাংগলিক অনুষ্ঠানত দুই শীৰ্ষ বিষয়াৰ হতাহতিক লৈ অসম আৰক্ষীত চাঞ্চল্য

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ কোকৰাঝাৰত অনুষ্ঠিত এক ব্যক্তিগত অনুষ্ঠানত দুই জ্যেষ্ঠ আৰক্ষী বিষয়াৰ *৬ পৃষ্ঠাত চাওক*

১৬ ডিচেম্বৰত স্বদেশলৈ কৰিব প্ৰত্যাৱৰ্তন, ঘোষণা কৰিলে শ্বেখ হাছিনাই

আবেদন খাৰিজ কৰি বাংলাদেশ চৰকাৰে ক'লে— হাতকেৰেয়া লগাইহে অনা হ'ব পলাতক অপৰাধীক



ঢাকা, ২৪ নৱেম্বৰ ঃ স্বদেশলৈ প্ৰত্যাৱৰ্তনৰ বাবে উৎসুক হৈ উঠিছে বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাছিনা। দেশখনৰ তথাকথিত ছাত্ৰ বিদ্ৰোহৰ পাছত বাংলাদেশৰ শ্বেখ হাছিনা চৰকাৰৰ পতন হৈছিল আৰু দেশ ত্যাগ কৰি প্ৰাক্তন প্ৰধানমন্ত্ৰী হাছিনাই ভাৰততে আশ্ৰয় গ্ৰহণ কৰি আছে। শেহতীয়াকৈ তেওঁ দেশখনলৈ ঘুৰি যাবলৈ আগ্ৰহ প্ৰকাশ কৰিছে আৰু অহা ১৬ ডিচেম্বৰত নিজৰ দেশলৈ ঘুৰি যাব বুলি সদৰি কৰিছে। ইয়াৰ বাবে *৬ পৃষ্ঠাত চাওক*

জুৰীয়াত নাৰী সৰবৰাহ চক্ৰৰ অভিযুক্ত গ্ৰেপ্তাৰ

দৈনিক অসমৰ প্ৰতিনিধি

ৰূপহীহাট, ২৪ নৱেম্বৰ ঃ নগাঁৱৰ ধিং গেটৰ পৰা জুৰীয়ালৈ আহি ছাত্ৰীসকলক বিভিন্ন প্ৰলোভনেৰে নগাঁৱলৈ নি অনৈতিক কাৰ্যত লিপ্ত কৰোৱাৰ অভিযোগত মাহজা খাতুন নামৰ এগৰাকী মহিলাক গ্ৰেপ্তাৰ কৰিছে জুৰীয়া আৰক্ষীয়ে। এগৰাকী কলেজীয়া ছাত্ৰীৰ অভিভাৱকৰ অভিযোগৰ ভিত্তিত জুৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমীপৰ পৰা গ্ৰেপ্তাৰ কৰে মহিলাগৰাকীক। আৰক্ষীয়ে জব্দ কৰিছে অভিযুক্তৰ এ এছ-০২ এ ৰাই-৭২৮৯ নম্বৰৰ স্কুটীখন আৰু ম'বাইল ফোন। ঘটনাৰ আঁৰত বৃহৎ নাৰী সৰবৰাহ চক্ৰ জড়িত থকাৰ সন্দেহত তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে।

PUBLIC NOTICE

মই, MOSTAB ALI, পিতা Late KHONSA, গাঁও- ক্ষুদ্ৰপলহা, ডাক/থানা-বাইহাটা চাৰিআলি, জিলা-কামৰূপ (অসম)ৰ ৰৱবংশ মৌজাৰ উত্তৰ গুৱাহাটী ৰাজহ চক্ৰৰ অন্তৰ্গত ৰৱপলহা গাঁৱৰ মাটিৰ নথি-পত্ৰত (দাগ নং-৮৫৩, পট্টা নং-১১৬) মোৰ পিতৃৰ নামটো KHENSA SEIKH হৈ আছে। সেয়ে কামৰূপ জিলাৰ আমিনগাঁৱত কৰা ন'টাৰী শপতনামা অনুসৰি ঘোষণা কৰা হয় যে KHONSA আৰু KHENSA SEIKH একেজনে ব্যক্তি।

DA/PN/1630/1

মোৰ প্ৰকৃত নাম হৈছে LAKSHMI PRIYA DAS, কিন্তু ভুলবশত আধাৰ কাৰ্ডত LAKSHI DAA আৰু পান কাৰ্ডত LAKHI PRIYA DAS বুলি লিপিবদ্ধ হৈ আছে। সেয়েহে মই কামৰূপ ন'টাৰীৰ জৰিয়তে মোৰ নামটো শুদ্ধকৈ LAKSHMI PRIYA DAS বুলি উল্লেখ কৰিলোঁ।

NAME : LAKSHMI PRIYA DAS.
নাম ঃ শ্ৰী লক্ষ্মী প্ৰিয়া দাস
গাঁও ঃ শুৱালকুছি, ৰাজগড়, থানা/ডাক-শুৱালকুছি, পিন ঃ ৭৮১১০৩

DA/PN/1631/1

মই গোলাঘাট জিলাৰ ৰোকাখাট ন্যায়িক আদালতত ২৮/১০/২০২৬ তাৰিখে সম্পন্ন কৰা এক শপতনামাৰ জৰিয়তে ঘোষণা কৰো যে মোৰ অসম গ্ৰামীণ বিকাশ বেংকৰ দেইথৰ শাখাত থকা 7422010006922 নম্বৰ বেংক পাছবুকত ভুলবশতঃ মোৰ নাম ALICE TERANGPIৰ পৰিৱৰ্তে ELISH TERANGPI হৈ আছে। ALICE TERANGPI আৰু ELISH TERANGPI একেগৰাকী মহিলা। সেয়ে এই শপতনামাৰ জৰিয়তে ALICE TERANGPI কৰা হ'ল।

ALICE TERANGPI
C/O- SURESH RONGPHAR
VILL- PANJAN RONGPI GAON, P.O.- DEITHOR, P.S.- DEITHOR, DIST-KARBI ANGLONG, ASSAM

DA/PN/1632/1

I, Monjuwara Begum, D/o Moynul Khan, resident of Vill.- Bardiachapari, P.O. Panikhaiti, Dist. Kamrup (Assam), PIN - 781137, hereby declare that my name has been incorrectly mentioned as Manjuwara Parbin in my Aadhaar Card bearing No. 8364 4763 5749. My correct name is Monjuwara Begum. Henceforth, I shall be known as Monjuwara Begum for all official and legal purposes. I request all concerned authorities to take note of this correction. Declared before the judicial magistrate first class, Kamrup (M), Assam, on November 17, 2026.

DA/PN/1633/1

I, Rima Kakati, wife of Ratneswar Kalita, resident of Kendukuchi, P.O.- Bhattapara, P.S.- Azara, Guwahati-781017, District Kamrup (Metro), Assam, declare that my correct name is Rima Kakati, whereas my Assam Gramin Vikash Bank, Dharapur Branch, Account No. 7282010087896, records it as Rima Kalita. Sworn before Notary Public, Kamrup (Metro), Guwahati, on 31.10.2026, for correction thereof.

DA/PN/1634/1

I, Rabin Tayeng, hereby declare that my surname has been wrongly recorded as "TAJENG" instead of "TAYENG" in my Aadhaar Card- 2780 4219 6142. My correct name is RABIN TAYENG. Both names refer to one and the same person. I request the concerned authority to kindly correct my name in the Aadhaar records.
RABIN TAYENG
Village: Kalakhowa Jajimukh Gaon, Dibrugarh, Assam.

DA/PN/1635/1

ৰঙাজানৰ ভয়াৱহ পথ দুৰ্ঘটনাত নিহতৰ পৰিয়ালক আৰ্থিক সাহায্য প্ৰদান

বোকাখাতৰ সুশীল ভূমিজৰ শ্ৰাদ্ধত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা



দৈনিক অসমৰ প্ৰতিনিধি

বোকাখাত, ২৪ নৱেম্বৰ ঃ কাজিৰঙাৰ ৰঙাজানত ১৩ নৱেম্বৰত সংঘটিত ভয়াৱহ পথ দুৰ্ঘটনাত নিহত বোকাখাতৰ সাপজুৰিৰ আৰক্ষী জোৱান সুশীল ভূমিজৰ বাসগৃহত আজি আদ্যশ্ৰাদ্ধ অনুষ্ঠিত হয়। ভূমিজৰ আদ্যশ্ৰাদ্ধ অনুষ্ঠানত বোকাখাত সমজিলা প্ৰশাসন আৰু গোলাঘাট জিলা আৰক্ষী প্ৰশাসনেও সহযোগিতা আগবঢ়ায়। আজি দেৱগাঁও আৰু নুমলীগড় শোধনাগাৰৰ কাৰ্যসূচী সামৰি বিয়লি ৪ বজাত বোকাখাত সমজিলাৰ সাপজুৰিৰ সুশীল ভূমিজৰ বাসগৃহত আয়োজিত আজিৰ এই আদ্যশ্ৰাদ্ধৰ অনুষ্ঠানত উপস্থিত থাকে মুখ্যমন্ত্ৰী ডঃ হিমন্তবিশ্ব শৰ্মা। ভূমিজৰ আদ্যশ্ৰাদ্ধতে মুখ্যমন্ত্ৰীগৰাকীয়ে ৰঙাজানৰ পথ দুৰ্ঘটনাত নিহত লোকসকলৰ পৰিয়ালক সাক্ষাৎ কৰি অসম চৰকাৰৰ এককালীন সাহায্য প্ৰদান কৰে। নিহত মুঠ ১১গৰাকী পুৰুষ, এটি শিশু আৰু ১৪ গৰাকী মহিলাৰ পৰিয়ালক প্ৰধানমন্ত্ৰীৰ সাহায্য পুঁজিৰ ২ লাখ টকা, ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ পৰা দিয়া ৫ লাখ টকা আৰু মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ ২ লাখ টকাকৈ মুঠ ৯ লাখ টকাৰ আৰ্থিক সাহায্য ঘোষণা কৰা হৈছিল। মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ ২ লাখ টকা ইতিমধ্যেই প্ৰদান কৰাৰ পাছত আজি বোকাখাতৰ সাপজুৰিত ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ পৰা দিয়া ৫ লাখ টকাৰ চেক প্ৰদান কৰে মুখ্যমন্ত্ৰীয়ে। উল্লেখ্য যে ১৩ নৱেম্বৰৰ ভয়াৱহ দুৰ্ঘটনাত নিহত ক্ৰমে— ৰঙাজানৰ বেবী কৰ্মকাৰ, দৰ্পনা মাঝি, জ্যোতি মাঝি, পূৰ্ণিমা গোৱালা আৰু অনুৰাগ গোৱালা, ফলঙনিৰ উল্টাজানৰ ৰঞ্জিতা কাটোৱাৰ, বোকাখাত সাপজুৰিৰ সুশীল ভূমিজ, বিহৰা চাহবাগিচাৰ সুজাতা তাঁতী, কাৰ্বি আংলঙৰ লক্ষ্মী মাঝি, কাৰ্বি আংলঙৰ ৰংবংৰে দীপাঞ্জলি ৰংফাৰপী, জখলাবন্ধাৰ ডামিনী ঘাটোৱাল, কুঠৰীৰ গংগা গোৱালা, চামগুৰিৰ ফইজুল ইছলাম, নগাঁও হাৰমতীৰ আব্দুল ৰচিদ আলী, নগাঁৱৰ সুবাস দাস আৰু আব্দুল মজিদ, চামগুৰি কাৰৈমাৰীৰ ফাৰুক আহমেদ, নগাঁও চুলুঙৰ মীনা মিজাৰ, চামগুৰিৰ গোলাপী বেগম, ফৰজানা য়েচমিন, কাজিৰঙা চৰকাৰী আদৰ্শ মহাবিদ্যালয়, নগাঁৱৰ মহমদ আলী, নগাঁও নাৰমাৰীৰ ফাজাকিৰ আলম, নগাঁৱৰ অসীম ফুকন, শোণিতপুৰৰ দীপক গুৰুং, ডিব্ৰুগড়ৰ মৰাণৰ জয়ন্তী ৰবিদাস, বিহাৰৰ মঃ ৰফিক আলীৰ পৰিয়ালৰ লোকক আজিৰ সাপজুৰিৰ শ্ৰাদ্ধৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্তবিশ্ব শৰ্মাই গভীৰ সমবেদনা জনাই আৰ্থিক সাহায্যৰ চেকসমূহ প্ৰদান কৰে। বোকাখাতৰ সাপজুৰিলৈ অহাৰ পূৰ্বে নুমলীগড় শোধনাগাৰত উপস্থিত হয় মুখ্যমন্ত্ৰী শৰ্মা। মুখ্যমন্ত্ৰীগৰাকীয়ে নুমলীগড় শোধনাগাৰৰ পলিপ্ৰপিলিন প্ৰকল্পৰ আৰু সীমিত দায়বদ্ধ অংশীদাৰী প্ৰকল্পৰ ভূমি পূজন কৰাৰ লগতে নুমলীগড় শোধনাগাৰৰ সম্প্ৰসাৰণৰ ক্ৰুড ডিষ্টিলেচন ইউনিট, ভেকুৰাম ডিষ্টিলেচন ইউনিট, ডিজেল হাইড্ৰ'ট্ৰিটাৰ আৰু হাইড্ৰ'জেন জেনেৰেচন ইউনিট প্ৰকল্পৰ ভিতৰ ভাগ পৰিদৰ্শন কৰে। সদৌ অসম আদিবাসী ছাত্ৰ সস্থাৰ বোকাখাত সমজিলা সমিতিয়ে সুশীল ভূমিজৰ বৃদ্ধ পিতৃ-মাতৃৰ ভৰণ-পোষণৰ বাবে পৰিয়ালটোক স্থায়ী সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্মাৰকপত্ৰ প্ৰদান কৰাৰ বিপৰীতে বোকাখাত সাপজুৰিলৈ মুখ্যমন্ত্ৰী আহিব বুলি জানিব পাৰি বোকাখাতৰ ই-ৰিক্সা আৰু ই-মটৰ চালক সস্থাৰ এটা প্ৰতিনিধিৰ দলে ই-ৰিক্সা চলাচলৰ ক্ষেত্ৰত প্ৰশাসনে জাৰি কৰা নিষেধাজ্ঞা আলোচনাৰ মাধ্যমেৰে সমাধান কৰিবলৈ যায় যদিও মুখ্যমন্ত্ৰীক লগ কৰিব নোৱাৰি সমজিলা আয়ুক্তৰ হাততে স্মাৰক পত্ৰ অৰ্পণ কৰে। ইফালে, মুখ্যমন্ত্ৰী ডঃ হিমন্তবিশ্ব শৰ্মা বোকাখাতৰ সাপজুৰিলৈ অহাৰ প্ৰাক্‌ক্ষণত বোকাখাতৰ ৰাজপথত হিমন্তবিশ্ব মুর্দাবাদ, অতুল বৰা মুর্দাবাদ ধ্বনিৰে প্ৰতিবাদ সাব্যস্ত কৰে বোকাখাত ব্লক কংগ্ৰেছে। অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ বিৰুদ্ধে এই প্ৰতিবাদ সাব্যস্ত কৰে কংগ্ৰেছে। বোকাখাত ব্লক কংগ্ৰেছৰ উদ্যোগত গোলাঘাট জিলা কংগ্ৰেছ কমিটীৰ উপস্থিতিত এই প্ৰতিবাদী কাৰ্যসূচীত বোকাখাত মহকুমা অসামৰিক চিকিৎসালয় আৰু কঁহৰা আদৰ্শ চিকিৎসালয়ৰ দুৰৱস্থাৰ বাবে চৰকাৰক সমালোচনা কৰে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ অন্যান্য পিছপৰা জাতি কোষৰ উপ-সভাপতি পৰাণ শইকীয়াই।

বাণিজ্যিক বাহন বন্ধলৈ তিনি পৰিবহন সংগঠনৰ সমৰ্থন

দৈনিক অসমৰ প্ৰতিনিধি

তিনিচুকীয়া, ২৪ নৱেম্বৰ ঃ সদৌ অসম পৰিবহন সস্থাই বিভিন্ন দাবীৰ সমৰ্থনত ২৬ নৱেম্বৰৰ পৰা আহ্বান জনোৱা অনিৰ্দিষ্টকালীন বাণিজ্যিক বাহন বন্ধলৈ সমৰ্থন আগবঢ়াইছে ৰাজ্যৰ তিনিটাকৈ পৰিবহন সংগঠনে। অল ইণ্ডিয়া ৰোড ট্ৰেন্সপৰ্ট ৱৰ্কাৰ্ছ ফেডাৰেচনৰ অসম ৰাজ্যিক সমিতি, মটৰ পৰিবহন সেৱা কৰ্মী সন্মিলিত মঞ্চ (অসম) আৰু সদৌ অসম গাড়ীচালক সস্থাই এক বিবৃতিত এই কথা উল্লেখ কৰিছে। সদৌ অসম পৰিবহন সস্থাই দাবীসমূহ পূৰণৰ বাবে অসম চৰকাৰক অহা ২৫ নৱেম্বৰ শেষ সীমা বান্ধি দিছে। উক্ত সময়সীমাৰ ভিতৰত চৰকাৰে দাবীসমূহ মানি নলৈ ২৬ নৱেম্বৰৰ পৰা সকলো বাণিজ্যিক বাহন অনিৰ্দিষ্ট কাললৈ বন্ধ ৰাখিবলৈ ইতিমধ্যে প্ৰস্তুতি আৰম্ভ কৰিছে। তিনিওটা সংগঠনে এই বন্ধলৈ কেৱল নৈতিক সমৰ্থনেই নহয়, ববং সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব বুলি ঘোষণা কৰিছে। লগতে, বন্ধৰ ফলত ৰাইজৰ হ'ব পৰা সাম্ভাব্য অসুবিধাৰ বাবে চৰকাৰেই সম্পূৰ্ণ দায়ী হ'ব বুলি সকীয়াই দি এক ত্ৰিপাক্ষিক আলোচনাৰ জৰিয়তে দাবীসমূহ শীঘ্ৰে সমাধান কৰি বন্ধ ৰোধ কৰিবলৈ চৰকাৰক আহ্বান জনাইছে। সংগঠনকেইটাই SLD আৰু VLTD যন্ত্ৰ সংস্থাপনৰ নামত পৰিবহন গৰাকীসকলক অযথা হাৰাশাস্তি বন্ধ কৰাৰ দাবী জনাইছে। যন্ত্ৰসমূহ সংস্থাপনৰ দায়িত্ব পৰিবহন বিভাগৰ আৰু বৈজ্ঞানিক ভিত্তিত পৰীক্ষা-নিৰীক্ষা কৰি প্ৰতিখন জিলাতে ইয়াক লগোৱাৰ ব্যৱস্থা কৰিব লাগে। কেৱল তিনি-চাৰিখন জিলা সামৰি কেন্দ্ৰীভূতভাৱে এই কাম কৰাটো মানি লোৱা নহ'ব বুলি বিবৃতিটোত উল্লেখ কৰিছে। আনহাতে চৰকাৰে ঘোষণা কৰা ডিজিটেল ফিটনেছ ছিষ্টেম অতি শীঘ্ৰে প্ৰতিখন জিলাত স্থাপন কৰাৰ দাবী জনাই মাত্ৰ ৩৭টা চেণ্টাৰৰ দ্বাৰা অসমৰ সকলো বাহনৰ ফিটনেছ দিয়াটো অসম্ভৱ বুলিও উল্লেখ কৰিছে। পৰিবহন বিভাগে বাহনৰ ওপৰত আৰোপ কৰা অত্যধিক কৰ হ্ৰাস কৰাৰ লগতে জধে-মধে জৰিমনা বিহা বন্ধ কৰা, পৰিবহনৰ যন্ত্ৰাংশৰ ওপৰত আৰোপ কৰা কৰ হ্ৰাস কৰা, ইন্ধনৰ মূল্য হ্ৰাস কৰাৰ উপৰি টোল গেটৰ মাচুল হ্ৰাস কৰাৰো দাবী জনাইছে সংগঠনকেইটাই।

আজিৰ ৰাশিফল

৮ আষোণ, বুধবাৰ, ২৫ নৱেম্বৰ

মেষ ঃ আমোদ লাভ। ধনাত্মক দৃষ্টিকোণ থাকিব আৰু আত্মবিশ্বাস বৃদ্ধি হ'ব। সামাজিক ক্ষেত্ৰত বা চৰকাৰৰ ফালৰ পৰা আপোনাৰ গুৰুত্বপূৰ্ণ পদপ্ৰাপ্তিৰ যোগ। সৰু-সুৰা যাত্ৰা হ'ব আৰু কঠোৰ পৰিশ্ৰমৰ ফলত সফলতা প্ৰাপ্তি হ'ব। সামাজিক সংস্থাত মন খুলি দান দিব। আকস্মিক যাত্ৰাৰ দ্বাৰা সৌভাগ্য বৃদ্ধিৰ কাৰক।

বৃষ ঃ কৰ্মলাভ। প্ৰতিষ্ঠা বৃদ্ধি হ'ব। পৰিয়ালৰ সকলোৰে ব্যৱহাৰ ভাল হ'ব। সকলো ক্ষেত্ৰত সফলতা লাভ হ'ব। শত্ৰু নাশ আৰু পৰাজিত হ'ব। আকস্মিক যাত্ৰাৰ দ্বাৰা সৌভাগ্য বৃদ্ধিৰ কাৰক। স্বাস্থ্য ভালে যাব। সাধাৰণভাৱে সকলো প্ৰকাৰৰ সুখ ভোগ কৰিব। সৰু-সুৰা বেমাৰ হ'ব পাৰে। প্ৰেম-প্ৰণয়ৰ সম্বন্ধ নিয়ন্ত্ৰণত ৰাখক। বিৰোধী আৰু প্ৰতিদ্বন্দ্বীয়ে ক্ষতি কৰাৰ চেষ্টা কৰিব। ব্যৱসায় বৃদ্ধিৰ যোগ।

মিথুন ঃ কৰ্মত বাধা। ধনহানি হ'ব। পাৰিবাৰিক সদস্যৰ বেমাৰৰ কাৰণে আপোনাৰ মানসিক শান্তি ভংগ হ'ব পাৰে। ব্যয় কৰাৰ প্ৰবৃত্তি বৃদ্ধি হ'ব। অবাঞ্ছিত স্থানত আপুনি নিবাস কৰিব লগীয়া হ'ব পাৰে। এই সময়ত ধাৰ্মিক কাৰ্যত জড়িত থকা অতি প্ৰয়োজন। সাংসাৰিক ক্ষেত্ৰত বিশেষ শুভ নহয়। জীৱনী শক্তি কম হ'ব আৰু আপুনি অশান্তি অনুভৱ কৰিব। অদৰকাৰী কৰ্মত উৰ্জা নষ্ট হ'ব।

কৰ্কট ঃ আত্মবিশ্লেষণ। চৰকাৰৰ ফালৰ পৰা আপোনাৰ গুৰুত্বপূৰ্ণ পদপ্ৰাপ্তি হ'ব। সৰু-সুৰা যাত্ৰাৰ যোগ। কঠোৰ পৰিশ্ৰমৰ ফলত সফলতা প্ৰাপ্তি হ'ব। সামাজিক সংস্থাত আপুনি মন খুলি দান দিব। স্বাস্থ্য আৰু পৰিয়ালত ৰোগ হ'ব পাৰে। জীৱনৰ প্ৰতি ধনাত্মক দৃষ্টিকোণ থাকিব আৰু আত্মবিশ্বাস বৃদ্ধি হ'ব।

সিংহ ঃ শিল্প কৰ্মত উন্নতি। দৈনিক কৰ্মত ব্যস্ত হৈ থাকিব। দূৰ-দূৰণি ঠাইৰ পৰা বা বিদেশৰ পৰা ভাল খবৰ পাব। স্বাস্থ্যৰ প্ৰতি সচেতন হৈ থকাৰ প্ৰয়োজন। সম্পত্তি লাভৰ যোগ। পাৰিবাৰিক জীৱন সন্তোষজনক থাকিব। সহযোগীৰ দ্বাৰা লাভপ্ৰাপ্তি হ'ব। কিবা গুপ্ত কৰ্ম্মৰ কাৰণে খৰচ কৰিব লগীয়া হ'ব পাৰে।

কন্যা ঃ আলহীৰ আগমন। মানসিক চিন্তাৰ দ্বাৰা আক্ৰান্ত হৈ থাকিব। সম্পত্তি সুখ, বাহন সুখ, স্ত্ৰী আৰু মিত্ৰৰ পৰা বঞ্চিত হৈ থাকিব। আৰ্থিক ক্ষেত্ৰত বিশেষ ভাল নহয়। ব্যয় বৃদ্ধি হ'ব। গুপ্ত কৰ্মৰ কাৰণে খৰচ কৰিবলগীয়া হ'ব পাৰে। আকস্মিক হানি হোৱাৰ সম্ভাৱনা আছে। পাৰিবাৰিক জীৱন সন্তোষজনক হৈ থাকিব। সহযোগীৰ দ্বাৰা লাভপ্ৰাপ্তি হ'ব।

তুলা ঃ আত্মীয় বিৰোধ। পাৰিবাৰিক অশান্তি, পতি-পত্নীৰ মাজত মতানৈক্যৰ সৃষ্টি আৰু সম্পদ হানিৰ ভয় থাকিব। দুষ্ট বন্ধুৰে প্ৰতিষ্ঠানৰ ওপৰত বদনাম কৰাৰ চেষ্টা কৰিব। পৰিয়ালৰ কোনোবা সদস্যৰ বেমাৰৰ কাৰণে চিন্তা হৈ থাকিব। কোনো ধৰণৰ যাত্ৰা নকৰাটো ভাল। অবাঞ্ছিত স্থানত আপুনি নিবাস কৰিবলগীয়া হ'ব পাৰে।

বৃশ্চিক ঃ ৰাজনীতিজ্ঞৰ শুভ। উচ্চ শিক্ষাৰ্থীৰ বাবে ৰবিৰ প্ৰভাৱে উন্নতমানৰ শিক্ষা লাভৰ যোগ সূচিত কৰিছে। অংক, বিজ্ঞান, চিকিৎসা, ইঞ্জিনীয়াৰিং গৱেষণামূলক শিক্ষাৰ্থীসকলে সুফল লাভ কৰিব। বক্ৰপথৰে আৰ্থিক উন্নতি ঘটিব। খৰচৰ মাত্ৰা বৃদ্ধি পাব যদিও সম্পদ লাভৰ যোগ সূচিত হয়।

ধনু ঃ অৰ্থ লাভ। শুভ প্ৰভাৱ বিস্তাৰ কৰিব। নিবনুৱাৰ কৰ্মপ্ৰাপ্তি আৰু কৰ্মৰ যোগাযোগ বৃদ্ধি কৰিব। শনিৰ প্ৰভাৱে কল-কাৰখানাৰ চাকৰি, গাড়ী-মটৰ ইণ্ডাষ্ট্ৰীৰ চাকৰি, গৃহ নিৰ্মাণ, বাস্তা ঘাট-পদুলি নিৰ্মাণৰ চাকৰি লাভৰ যোগ উন্নত হ'ব। ব্যৱসায়-বাণিজ্যত নানান খেলিমেলিৰ সৃষ্টি হ'ব যদিও ব্যৱসায়-বাণিজ্য সম্প্ৰসাৰণ কৰিব পাৰিব।

মকৰ ঃ প্ৰিয়জনৰ আগমন। ব্যৱসায়ত উন্নতিৰ লগতে বিবাহোপযুক্ত ব্যক্তিৰ বিবাহৰ যোগাযোগ উন্নত কৰিব, পতি-পত্নীৰ মাজত মিলাপ্ৰীতি বাঢ়িব। সৰু-সুৰা যাত্ৰা হ'ব আৰু কঠোৰ পৰিশ্ৰমৰ ফলত সফলতা প্ৰাপ্তি হ'ব। পাৰিবাৰিক জীৱন সন্তোষজনক হৈ থাকিব। সহযোগীৰ দ্বাৰা লাভপ্ৰাপ্তি হ'ব।

কুম্ভ ঃ আলহীৰ আগমন। আকস্মিক যাত্ৰাৰ দ্বাৰা সৌভাগ্য বৃদ্ধি হ'ব। স্বাস্থ্য ভালেই যাব। সাধাৰণভাৱে আপুনি সকলো প্ৰকাৰৰ সুখ ভোগ কৰিব। দৈনিক কৰ্মত ব্যস্ত হৈ থাকিব। দূৰণি ঠাইৰ পৰা বা বিদেশৰ পৰা ভাল খবৰ পাব। স্বাস্থ্যৰ প্ৰতি সচেতন হৈ থকাৰ প্ৰয়োজন। সম্পত্তি লাভৰ সম্ভাৱনা আছে। পাৰিবাৰিক জীৱন সন্তোষজনক হৈ থাকিব। সহযোগীৰ দ্বাৰা লাভপ্ৰাপ্তি হ'ব।

মীন ঃ অগ্নিভয়। শাৰীৰিকত অস্ত্ৰ, যান-বাহন ভয়, ৰক্তদূষিত কষ্ট, অস্ত্ৰোপচাৰ, অস্ত্ৰাঘাত, পিত্তৰোগ, শৌচ, দাঁতৰ অসুখ আদিৰ দ্বাৰা আমনি পাব। বন্ধুবৰ্গৰ সৈতে বিভেদ, প্ৰেম-প্ৰণয়ত বিচ্ছেদ, মিছা অপবাদ, অৰ্থব্যয় আৰু অংশীদাৰী ব্যৱসায়ত লোকচান ভৰাৰ শংকা অধিক দেখা যায়।

বিজ্ঞাপন সেৱা

'দৈনিক অসম'ত শ্ৰেণীবদ্ধ বিজ্ঞাপন
(**Classified Advertisement**)
প্ৰকাশৰ বাবে কাৰ্যালয়ৰ নিম্নোক্ত ব্যক্তিসকলৰ ফোন নম্বৰত যোগাযোগ কৰিব পাৰে—

97060 21101 (অনুপমা দত্ত, মাৰ্কেটিং হেড)
98642 63627 (লক্ষী দাস, সহকাৰী মেনেজাৰ)
91015 17218 (মানস প্ৰতিম বৰা)

মীন বিভাগত চাকৰি

ধন সংগ্ৰহ কৰা ৰুবুল দাসক গ্ৰেপ্তাৰ

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ ৰাজ্য চৰকাৰৰ মীন বিভাগত চাকৰি দিয়াৰ নামত ধন সংগ্ৰহ আৰু ভুৱা নিযুক্তিপত্ৰ প্ৰদানৰ অভিযোগত মহানগৰীৰ দিছপুৰ আৰক্ষীয়ে অনুসূচিত জাতি যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি ৰুবুল দাসক গ্ৰেপ্তাৰ কৰিছে। মাজনিশা বামুণীমৈদামস্থিত অমূল্য ৰেছিডেন্সী নামৰ বাসগৃহৰ পৰা চানমাৰি আৰক্ষীৰ সহযোগত দিছপুৰ আৰক্ষীয়ে দাসক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে ধৃত দাসে দীৰ্ঘদিনে ঠগ-প্ৰৱঞ্চনাৰে বিভিন্ন লোকক প্ৰতাৰণা কৰি অহাৰ অভিযোগ আছে। আনকি নিজৰ সুৰক্ষাৰ বাবে ২০২১ বৰ্ষত ৰহা বিধানসভা সমষ্টিৰ পৰা ৰাইজৰ দলৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিছিল। তেওঁ মীন বিভাগত চৰকাৰী চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি দি আৰু ভুৱা নিযুক্তিপত্ৰ প্ৰেৰণ কৰি কেইবাজনো চাকৰিপ্ৰত্যাশীৰ পৰা ২১ লাখ টকা লোৱাৰ অভিযোগত তেওঁৰ বিৰুদ্ধে দিছপুৰ আৰক্ষী থানাত ৰুজু হৈছিল ৮৪৮/২০২৬ নম্বৰৰ গোচৰ। ইপিনে আজি আৰক্ষীয়ে ৰুবুল দাসক কামৰূপ মহানগৰ জিলাৰ সত্ৰ ন্যায়াধীশৰ আদালতত হাজিৰ কৰাই ৫ দিনৰ জিম্মাত বিচাৰিছিল যদিও আদালতে দুদিনৰ জিম্মালৈ প্ৰেৰণ কৰে। জানিব পৰা মতে, ভুক্তভোগীয়ে দাখিল কৰা এজাহাৰত এজন যুৱকক মীন বিভাগত চৰকাৰী চাকৰি নিশ্চিত কৰাৰ প্ৰতিশ্ৰুতিৰে ১০ লাখ টকা সংগ্ৰহ কৰিছিল। ধন লাভ কৰাৰ পাছত দাসে চাকৰিপ্ৰত্যাশী যুৱকজনক হোৱাট্ছএপৰ জৰিয়তে নিযুক্তিপত্ৰ দিছিল। যুৱকজনে পাছত কার্যালয়লৈ আহিহে নিশ্চিত হৈছিল যে সেইখন ভুৱা নিযুক্তিপত্ৰ। যুৱকজনৰ এজাহাৰৰ ভিত্তিত দিছপুৰ থানাত এটা গোচৰ ৰুজু কৰি তদন্ত চলাই আছিল আৰক্ষীয়ে। তদন্তৰ মাজত দাসৰ প্ৰৱঞ্চনাৰ কথা নিশ্চিত হৈ নিশাই গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰিবলৈ যোৱাৰ সময়ত আৰক্ষীয়ে দাসৰ বাসগৃহৰ পৰা কেইবাখনো সন্দেহজনক নথি-পত্ৰ, ভুৱা ছীল আৰু ডাকটিকট উদ্ধাৰ কৰে। আনকি ধৃত দাসক জেৰা চলোৱাৰ সময়ত বহু প্ৰৱঞ্চনা, প্ৰতাৰণাৰ কথা পোহৰলৈ অহা বুলি জানিব পৰা গৈছে। আৰক্ষীৰ তদন্তত নগাঁৱৰ জ্যোতি লস্কৰ আৰু কৃষ্ণমণি মেধি নামৰ আন দুজন যুৱকৰ পৰাও চাকৰি দিয়াৰ নামত ধন লোৱাৰ কথা পোহৰলৈ আহিছে। অভিযোগ অনুসৰি ২০২৫ চনত দুয়োজনৰ পৰা নগদ ধন আৰু বেংক লেনদেনৰ জৰিয়তে ৫.৫ লাখ টকাকৈ সংগ্ৰহ কৰিছিল। দুয়োকে আনকি ভুৱা নিযুক্তি পত্ৰ দিছিল বুলিও জানিব পৰা গৈছে। ধৃত দাসৰ লগত এই চক্ৰটোত আৰু লোক জড়িত আছিল নেকি আৰু একেধৰণৰ প্ৰতিশ্ৰুতিৰ জৰিয়তে কিমানজনক প্ৰতাৰণা কৰিছিল তাৰ সঠিক তথ্য বিচাৰি আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে ৰাজ্য জোকাৰি যোৱা ২০২১-২২ বৰ্ষত অসম মীন উন্নয়ন নিগমত সংঘটিত নিযুক্তিত দাসৰ গ্ৰেপ্তাৰে বিশেষ তাৎপৰ্য বহন কৰিব। সেই সময়ত নিযুক্তি প্ৰক্ৰিয়াৰ সময়ত সংঘটিত হোৱা অনিয়মৰ সন্দৰ্ভত আৰক্ষীৰ দুৰ্নীতি নিবাৰক শাখাই অসম অসামৰিক সেৱাৰ এজন বিষয়াসহ নিগমৰ ৭জন কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰিছিল। ধৃত দাসৰ দৰে ধুৰন্ধৰ প্ৰকৃতিৰ মানুহবোৰক জে'লৰ বন্ধ কোঠাতে ৰাখিব লাগে বুলি একাংশ লোকে দাবী উত্থাপন কৰে।

চামগুৰিত বিধ্বংসী অগ্নিকাণ্ডত ভস্মীভূত বাসগৃহ

দৈনিক অসমৰ প্ৰতিনিধি

পুৰণিগুদাম, ২৪ নৱেম্বৰ ঃ নগাঁও জিলাৰ চামগুৰি থানাৰ অন্তৰ্গত বাজিয়াগাঁও অঞ্চলত যোৱা নিশা দুটা ঘৰত অগ্নিকাণ্ড সংঘটিত হৈছে। জানিব পৰা মতে, যোৱা নিশা চামগুৰিৰ বাজিয়াগাঁৱৰ দুই নং ৰাৰ্ড নিৱাসী ইছলাম উদ্দিন আৰু ৰহিম উদ্দিন নামৰ দুজন লোকৰ বাসগৃহত জুইৰ সূত্ৰপাত হয়। পৰৱৰ্তী সময়ত স্থানীয় লোকৰ লগতে চামগুৰি আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনী ঘটনাস্থলীত উপস্থিত হৈ জুই নিৰ্বাপন কৰিবলৈ সক্ষম হয় যদিও ঘৰ দুটা ভস্মীভূত হয় বুলি জানিব পৰা গৈছে। আনহাতে, সেই সময়ত বাসগৃহ দুটাত কোনো লোক নথকাৰ বাবে কোনো লোক হতাহত হোৱা নাই বুলি জানিব পৰা গৈছে। উক্ত অগ্নিকাণ্ড বিদ্যুতৰ বিজুতিৰ ফলত সংঘটিত হোৱা বুলি স্থানীয় লোকে সন্দেহ কৰিছে।

১ পৃষ্ঠাৰ পৰা

দুটি সন্তানৰ নীতি অপ্ৰাসংগিক

দুই সন্তান নীতি তথা আইনৰ সাংবিধানিক বৈধতাৰ অন্ত পৰিব নেকি? শেহতীয়াকৈ উচ্চতম ন্যায়ালয়ে এই সন্দৰ্ভত আগবঢ়োৱা কেতবোৰ পৰ্যবেক্ষণ তথা জাৰি কৰা এক আদেশৰ পৰিপ্ৰেক্ষিতত এই আইনী প্ৰশ্ন উত্থাপন হৈছে। দুটাতকৈ অধিক সন্তান থকা লোকক পঞ্চায়ত তথা স্থানীয় নিকায়ৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা ক

দৈনিক অসম

৬২ বছৰ। ১১০ সংখ্যা, গুৱাহাটী, ৮ আঘোণ, বুধবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 62 NO. 110। GUWAHATI, WEDNESDAY, NOVEMBER 25, 2026

আজিৰ কোষ

ইষ্ট ইণ্ডিয়া কোম্পানী নামৰ সংগীত বেণ্ডটোৰ সৈতে জড়িত অংগৰাগ পাপন মহন্তৰ প্ৰথমটো একক গীতৰ এলবাম ‘জোনাকী ৰাতি’ মুক্তি পাইছিল ২০০৫ চনত। নিয়ৰৰ গধূলি, ধূলিৰ আকাশ— তেওঁৰ দুটা জনপ্ৰিয় এলবাম।

দিনটোৰ তাপমান
ডিগ্ৰী চেলছিয়াছ

	সৰ্বাধিক	সৰ্বনিম্ন
গুৱাহাটী	২৭.২	২০.৩
ডিব্ৰুগড়	২৮.৫	১৭.৮
যোৰহাট	২৫.৯	১৮.২
শ্বিলং	১৮.৭	৯.৩

ঔদ্যোগিক ক্ষেত্ৰত আশাৰ সঞ্চাৰ

মৰঙিত নুমলীগড় ইণ্ডাষ্ট্ৰিজ এল এল পি উদ্যোগৰ ভূমি পূজন মুখ্যমন্ত্ৰীৰ



দৈনিক অসমৰ প্ৰতিনিধি

মৰঙি, ২৪ নৱেম্বৰ ঃ গোলাঘাট জিলাৰ মৰঙি ৰজাবাৰীত নুমলীগড় এল এল পি ঔদ্যোগিক প্ৰতিষ্ঠানে ৭৫০ কোটি টকাৰ পুঁজি ব্যয়েৰে দুটা পৰ্যায়ত বিনিয়োগ কৰি এটা বৃহৎ উদ্যোগ স্থাপন কৰিব। নুমলীগড় শোধনাগাৰৰ কেঁচামাল আৰু অসম পেট্ৰ’কেমিকেলছ লিমিটেডৰ কেঁচামাল ব্যৱহাৰ কৰিব এই এল এল পি উদ্যোগত, য’ৰ পৰা বিশেষ কেমিকেল উৎপাদন কৰিব আৰু পেৰাচিটামল ঔষধৰ বাবে প্ৰয়োজনীয় কেঁচামাল উৎপাদন কৰিব। নুমলীগড় শোধনাগাৰ তথা ৰাজ্যত উৎপাদিত তেল বা খনিজজাত সামগ্ৰীসমূহ এনে উদ্যোগৰ অভাৱত দৈনিক বাহিৰলৈ গুচি গৈছে। কিন্তু আমাৰ অসমত এনেধৰণৰ কেঁচামাল ব্যৱহাৰ হোৱা নাই। যাৰ ফলত ৰাজ্যৰ কেঁচামালসমূহ গুজৰাট, মহাৰাষ্ট্ৰ আদি ৰাজ্যত ব্যৱহাৰ হৈছে। এতিয়া চৰকাৰে আৰম্ভ কৰিবলৈ লৈছে যে নুমলীগড়ত উৎপাদিত হোৱা পেট্ৰ’কেমিকেল সামগ্ৰীসমূহৰ ভেলু এডিছন অসমত ব্যৱহাৰ কৰিবলৈ বিশেষকৈ ঔষধ নিৰ্মাণত ব্যৱহাৰ কৰিবলৈ আজি প্ৰথমটো পদক্ষেপ গ্ৰহণ কৰিছে। এই উদ্যোগটোত যদি সফল হয় তেতিয়া আৰু বহু উদ্যোগ আহিব অসমলৈ।— আজি মৰঙি ৰজাবাৰীত নুমলীগড় ইণ্ডাষ্ট্ৰীজ

১১ পৃষ্ঠাত চাওক

বোকাখাতৰ লিটন ৰাজ গগৈলৈ মহাবাহু ফাউণ্ডেচনৰ ‘বৰ্ষশ্ৰেষ্ঠ শিশু বঁটা’



দৈনিক অসমৰ প্ৰতিনিধি

বোকাখাত, ২৪ নৱেম্বৰ ঃ বোকাখাতৰ লুইত ইণ্টাৰনেচনেল একাডেমীৰ ছাত্ৰ লিটন ৰাজ

১১ পৃষ্ঠাত চাওক

টাইপাৰ লাচিত দিৰসত ৰাণা ৰঞ্জন গগৈ

লাচিতৰ নামত দিৰস পাতিলেই নহ’ব, অসমক বিদেশীমুক্ত কৰি দেখুৱাওক

দৈনিক অসমৰ প্ৰতিনিধি

ডিব্ৰুগড়, ২৪ নৱেম্বৰ ঃ লাচিত ৰবফুকনৰ নামত দিৰস পাতি, বঁটা প্ৰদান কৰি অথবা বিশাল প্ৰতিমূৰ্তি নিৰ্মাণ কৰিলেই অসম আৰু অসমীয়াৰ প্ৰতি দায়িত্ব শেষ নহয়। লাচিতৰ প্ৰকৃত আদৰ্শত বিশ্বাস থাকিলে অসমক বিদেশীমুক্ত কৰি দেখুৱাওক। — অসম চৰকাৰলৈ এই মুকলি প্ৰত্যাহ্বান টাই

১১ পৃষ্ঠাত চাওক





জাতীয় সংগঠনৰ সমৰ্থকক ভোট দিয়াৰ আহ্বান

সোণোৱাল কছাৰী জাতীয় সংগঠনৰ সংবাদমেল

দৈনিক অসমৰ প্ৰতিনিধি

বিহপুৰীয়া, ২৪ নৱেম্বৰ ঃ আগন্তুক ৩০ নৱেম্বৰত অনুষ্ঠিত হ’ব লগা সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ সন্দৰ্ভত আজি বিয়লি বিহপুৰীয়াত সোণোৱাল কছাৰী জাতীয় সংগঠনৰ এখন সংবাদমেল অনুষ্ঠিত কৰে সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য

১১ পৃষ্ঠাত চাওক

শিৰসাগৰ জিলা বন বিভাগৰ সন্মুখেৰেই দৈনিক অহা-যোৱা শ শ ডাম্পাৰৰ

দিখৌ-দিচাঙত পুনৰ বালি খনন



এক্সকেভেটৰ-ফকলেণ্ডৰ শব্দত নদীপৰীয়া ৰাইজে পাৰ কৰিছে বিনিদ্ৰ ৰজনী

দৈনিক অসমৰ প্ৰতিনিধি

শিৰসাগৰ, ২৪ নৱেম্বৰ ঃ চলিত বছৰৰ জুলাই মাহত অকল্পনীয়, অভূতপূৰ্ব বানত উজনিৰ দুখনকৈ জিলাক নিঃশেষ কৰি যোৱাৰ সেই ভয়াৱহ স্মৃতিবোৰ বৰ্তমানেও শিৰসাগৰ আৰু চৰাইদেউ

১১ পৃষ্ঠাত চাওক

চাহ শ্ৰমিকৰ জীৱনৰ সুৰক্ষা ব্যৱস্থা সুনিশ্চিত কৰিবই লাগিব ঃ সুৰজিৎ মৰাণ

বাবলু গড়ৰ মৃত্যুক লৈ আটছাৰ ধৰ্মঘট

দৈনিক অসমৰ প্ৰতিনিধি

ডুমডুমা, ২৪ নৱেম্বৰ ঃ অসম চাহ জনজাতি ছাত্ৰ সস্থা (আটছা)ৰ অনিৰ্দিষ্টকালীন অৱস্থান ধৰ্মঘটে তালাপ টী ইষ্টেট কোম্পানীৰ স্বত্বাধিকাৰ অৰুণ কুমাৰ ৰায়, অজয় কুমাৰ ৰায় আৰু অনুজ কাঞ্চালৰ নিদ্ৰা হৰণ কৰাৰ লগতে শ্ৰমমন্ত্ৰী ৰামেশ্বৰ তেলী আৰু অসম চাহ মজদুৰ সংঘৰ সাধাৰণ সম্পাদক তথা ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালাক বাৰুকৈয়ে ভবাই

১১ পৃষ্ঠাত চাওক



অসম জুনিয়ৰ কলেজ শিক্ষক-কৰ্মচাৰী সন্থাৰ প্ৰতিনিধি সভা সম্পন্ন

পে’ বেণ্ড উন্নত কৰা, অ’ পি এছ ব্যৱস্থা পুনৰ প্ৰৱৰ্তনৰ দাবী



ধেমাজিত পৰৱৰ্তী অধিৱেশন

তামুলপুৰত ধান খেতিত ভয়ংকৰ অগ্নিকাণ্ড

আঘোণৰ পথাৰৰ ২০ বিঘাতকৈও অধিক পকা ধান ভস্মীভূত

দৈনিক অসমৰ প্ৰতিনিধি

তামুলপুৰ, ২৪ নৱেম্বৰ ঃ তামুলপুৰ জিলাৰ সদৰস্থ ভকতপাৰা গাঁৱৰ পথাৰত আজি দুপৰীয়া সংঘটিত হয় এক ভয়ংকৰ অগ্নিকাণ্ড। ফলত বিস্তৰ ক্ষতিসাধন হয় কৃষক ৰাইজৰ। পথাৰত সৰিয়হ খেতিৰ বাবে নৰা জুলাই দিওঁতে অগ্নিকাণ্ডৰ সূত্ৰপাত

১১ পৃষ্ঠাত চাওক



দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ অষ্টম দৰমহা আয়োগৰ ওচৰত দাখিল কৰিবলগীয়া স্মাৰক পত্ৰ আৰু প্ৰশ্নাৱলী চূড়ান্ত কৰি প্ৰবক্তাসকলৰ পে’ বেণ্ড তিনিৰ পৰা পে’ বেণ্ড চাৰিলৈকে উন্নত কৰাৰ দাবী উত্থাপন কৰিছে অসম

১১ পৃষ্ঠাত চাওক

হাউলী পৌৰসভাক এম্বুলেন্স ষ্টেট বেংকৰ



দৈনিক অসমৰ প্ৰতিনিধি

হাউলী, ২৪ নৱেম্বৰ ঃ হাউলী পৌৰসভাৰ স্বাস্থ্যসেৱা ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে ভাৰতীয় ষ্টেট বেংকৰ চি এছ আৰ আঁচনিৰ অধীনত এখন এম্বুলেন্স আগবঢ়োৱা হয়। ষ্টেট বেংকৰ এই পদক্ষেপে হাউলী পৌৰসভাৰ অন্তৰ্গত অঞ্চলৰ ৰাইজক

১১ পৃষ্ঠাত চাওক

পাঠকৰ বাবে বাছকৰনীয়া গ্ৰন্থ সম্ভাৰ লৈ সাজু বিপণী

আজিৰে পৰা নলবাৰীত ১২দিনীয়া অসম গ্ৰন্থমেলা

ৰাস মহোৎসৱৰে সংগতি ৰাখি অসম প্ৰকাশন পৰিষদ আৰু পাব্লিছার্ছ এণ্ড বুক ছেলার্ছ গীল্ড, নৰ্থ-ইষ্টৰ যৌথ উদ্যোগ

দৈনিক অসমৰ প্ৰতিনিধি

পশ্চিম নলবাৰী, ২৪ নৱেম্বৰ ঃ শীতৰ আগমনৰ সমান্তৰালভাৱে ৰাজ্যত আৰম্ভ হৈছে গ্ৰন্থোৎসৱৰ বতৰ। অসম প্ৰকাশন পৰিষদ আৰু পাব্লিছার্ছ এণ্ড বুক ছেলার্ছ গীল্ড, নৰ্থ-ইষ্টৰ যৌথ উদ্যোগত যোৰহাটত ২০২৬-২৭ বৰ্ষৰ প্ৰথমখন ‘অসম গ্ৰন্থমেলা’ৰ সফল সমাপ্তিৰ

১১ পৃষ্ঠাত চাওক



ৰাষ্ট্ৰীয় পৰ্যায়ত মূৰ্তিকলাত উজলিল ক্ষেত্ৰীৰ কংকণা বৈশ্য

দৈনিক অসমৰ প্ৰতিনিধি

সোণাপুৰ, ২৪ নৱেম্বৰ ঃ হাৰিয়ানাৰ কুৰুক্ষেত্ৰত অনুষ্ঠিত অষ্টম অখিল ভাৰতীয় সংস্কৃতি মহোৎসৱত

১১ পৃষ্ঠাত চাওক

বুঢ়ীদিহিঙত মাছ মাৰিবলৈ গৈ নিখোঁজ বৃদ্ধ

দৈনিক অসমৰ প্ৰতিনিধি

চাবুৱা, ২৪ নৱেম্বৰ ঃ লাহে লাহে ৰাৰ দণ্ডৰপথাৰত বুঢ়ীদিহিং নৈত মাছ মাৰিবলৈ গৈ সন্ধানহীন হে

১১ পৃষ্ঠাত চাওক

HDFC BANK

এইচ ডি এফ চি বেংক লিমিটেড

খানাপাৰা শাখা ঃ প্ৰথম মহলা, স্বাগতা এনিভিছন, কৃষি কাৰ্যালয়ৰ বিপৰীতে, জি এছ ৰোড, ছয় মাইল, গুৱাহাটী-৭৮১০২২

ফোন ঃ 0361-7101800 CIN L65920MH1994PLC080618 ৱেবছাইট ঃ www.hdfcbank.com

দখল জাননী

(অচল সম্পত্তিৰ বাবে)

যিহেতু নিম্নস্বাক্ষৰকাৰীজন, **এইচ ডি এফ চি বেংক লিমিটেডৰ** (পূৰ্বৰ এইচ ডি এফ চি লিমিটেড, যি মাননীয় এনচিএলটি, মুম্বাইৰ ১৭ মাৰ্চ, ২০২৩ তাৰিখৰ আদেশযোগে অনুমোদিত একত্ৰীকৰণ আঁচনি অনুসৰি এইচ ডি এফ চি বেংক লিমিটেডৰ সৈতে একত্ৰিত হৈছে) (**এইচ ডি এফ চি**) অনুমোদিত বিষয়া হিচাপে, বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্গঠন আৰু প্ৰতিভূতি স্বাৰ্থ বলবৎকৰণ আইন, ২০০২ (উক্ত আইন)ৰ অধীনত আৰু ধাৰা ১৩(১২)ৰ সৈতে প্ৰতিভূতি স্বাৰ্থ (বলবৎকৰণ) বিধি, ২০০২ৰ বিধি ৩ অনুসৰি প্ৰদান কৰা ক্ষমতা কাৰ্যকৰী কৰি উক্ত আইনখনৰ ধাৰা ১৩(২)ৰ অধীনত দাবী জাননী জাৰি কৰি তলত উল্লিখিত ঋণগ্ৰাহক/আইনী উত্তৰাধিকাৰী/আইনী প্ৰতিনিধিসকলক উক্ত জাননীসমূহত উল্লেখ কৰা প্ৰযোজ্য হাৰত সুত, আনুষংগিক ব্যয়, খৰচ, মাচুল আদি পৰিশোধৰ তাৰিখ অথবা আদায়ৰ তাৰিখলৈকে দিবলগীয়া ধনৰাশিসহ উক্ত জাননী জাৰি হোৱাৰ তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত পৰিশোধ কৰিবলৈ আহ্বান জনোৱা হৈছিল।

ক্ৰমিক নং	ঋণগ্ৰাহকৰ নাম(সমূহ) /	পৰিশোধযোগ্য বকেয়া ধনৰাশি	দাবী জাননীৰ তাৰিখ	দখলৰ তাৰিখ	অচল সম্পত্তি (সমূহ)/সুৰক্ষিত সম্পত্তি(সমূহ)ৰ বিৱৰণ
১	শ্ৰী কংকন দাস শ্ৰীমতী অনিমা নাথ	৩০.০৬.২০২৬ তাৰিখলৈকে বকেয়া ধনৰাশি ৩৪,৭০,৬১৪/- টকা।	২৮-জুলাই-২০২৬	১৮-নৱেম্বৰ-২০২৬ (প্ৰতীকী)	প্ৰায় ১১৬৯ বৰ্গফুট পৰিমাণৰ ‘ছোনিয়া এনক্লেভ’ৰ পঞ্চম মহলাত অবস্থিত আৰাসিক ফ্লেট নং ৫এ আৰু বেছমেণ্টত থকা এটা গাড়ী ৰখাৰ স্থানসহ, লগতে কামৰূপ (মহানগৰ) জিলাৰ অসম ৰাজ্যৰ গুৱাহাটীৰ বেলতলা মৌজাৰ ২ নং হেঙেৰাবাৰী ৰাজহ গাঁৱৰ দাগ নং- ৩৮০ (নতুন)/৫৬ (পুৰণি), পট্টা নং- ১৩২ (নতুন)/২৬ (পুৰণি)-ৰ অন্তৰ্ভুক্ত ০.৩৭ আৰ পৰিমাণৰ ভূমিৰ অবিভক্ত আনুপাতিক অংশসহ, যাৰ চাৰিসীমা- উত্তৰে ঃ ডাঃ তৰুণ ৰৱাৰ ভূমি/ছোনিয়া এনক্লেভ সম্পত্তিসাবিত ব্লক, দক্ষিণে ঃ পথ, পূবে ঃ প্ৰয়াত ডি.পি. ৰৱা আৰু প্ৰয়াত ডি.এন. ৰৱাৰ ভূমি, পশ্চিমে ঃ শ্ৰীমতী লক্ষ্মী ৰৱাৰ বাসগৃহ; ইয়াৰ ওপৰত বৰ্তমান আৰু ভবিষ্যতে নিৰ্মাণ কৰা নিৰ্মাণকাৰ্যসহ।
২	শ্ৰী দীপৰঞ্জন ৰৱা শ্ৰী মুখেশ্বৰ ৰৱা শ্ৰীমতী ইমা দত্ত	৩১.০৭.২০২৬ তাৰিখলৈকে বকেয়া ধনৰাশি ৩৪,২৯,৮২৪/- টকা।	১৮-আগষ্ট-২০২৬	২৪-নৱেম্বৰ-২০২৬ (প্ৰতীকী)	অসমৰ গোলাঘাট জিলাৰ দেৰগাঁও ৰাজহ চক্ৰৰ অধীনস্থ, গোলাঘাট উপ-পঞ্জীয়কৰ কাৰ্যালয়ৰ অন্তৰ্গত, মিছামৰা মৌজাৰ ৰাজাবাহাৰ গাঁৱৰ পি.এছ. দেৰগাঁৱত অৱস্থিত পি.পি. নং- ৩৩-ৰ অধীনৰ দাগ নং- ১৬২৩-ৰ অন্তৰ্ভুক্ত ২ (দুই) কঠা পৰিমাণৰ এডোখৰ ভূমি। ভূমিৰ শ্ৰেণী- বাম বালিয়া। চাৰিসীমা- উত্তৰে ঃ প্ৰণৱ ফুকনৰ ভূমি, দক্ষিণে ঃ এছ. কটকীৰ ভূমি, পূবে ঃ ধৰ্মেশ্বৰ ফুকনৰ ভূমি, পশ্চিমে ঃ মালিকৰ ভূমি। ইয়াৰ ওপৰত বৰ্তমান আৰু ভবিষ্যতে নিৰ্মাণ কৰা নিৰ্মাণকাৰ্যসহ।

* সকলো প্ৰযোজ্য হাৰত পৰৱৰ্তী সুত, আনুষংগিক ব্যয়, খৰচ, মাচুল আদি পৰিশোধ অথবা আদায়ৰ তাৰিখলৈকে যোগ হ’ব।

কিন্তু, যিহেতু ওপৰত উল্লিখিত ঋণগ্ৰাহকসকলে পৰিশোধযোগ্য ধনৰাশি পৰিশোধ কৰাত ব্যৰ্থ হৈছে, সেয়ে ওপৰত উল্লিখিত ঋণগ্ৰাহকসকলক বিশেষভাৱে আৰু সাধাৰণ জনসাধাৰণক এই জাননীৰ জৰিয়তে জনোৱা হৈছে যে, অনুমোদিত বিষয়াই উক্ত আইনৰ ধাৰা ১৩(৪)ৰ সৈতে প্ৰতিভূতি স্বাৰ্থ (বলবৎকৰণ) বিধি, ২০০২ৰ বিধি ৮ অনুসৰি প্ৰদত্ত ক্ষমতাবলত ওপৰত উল্লিখিত তাৰিখসমূহত উল্লিখিত অচল সম্পত্তি/সুৰক্ষিত সম্পত্তিসমূহৰ প্ৰতীকী দখল গ্ৰহণ কৰিছে।

ওপৰত উল্লিখিত ঋণগ্ৰাহকসকল আৰু সাধাৰণ জনসাধাৰণক সতৰ্ক কৰা হৈছে যে, উল্লিখিত অচল সম্পত্তি/সুৰক্ষিত সম্পত্তিসমূহৰ সৈতে কোনো ধৰণৰ লেনদেন নকৰিব। উক্ত অচল সম্পত্তি/সুৰক্ষিত সম্পত্তিসমূহৰ সৈতে যিকোনো লেনদেন এইচ ডি এফ চিৰ বন্ধকী স্বাৰ্থৰ অধীনত হ’ব।

ঋণগ্ৰাহকসকলৰ দৃষ্টি উক্ত আইনৰ ধাৰা ১৩ৰ উপ-ধাৰা (৮)ৰ বিধানসমূহলৈ আকৰ্ষণ কৰা হৈছে, য’ত সুৰক্ষিত সম্পত্তি উদ্ধাৰৰ বাবে উপলব্ধ সময়সীমাৰ বিষয়ে উল্লেখ আছে।

প্ৰস্তুত কৰা পঞ্চনামাৰ প্ৰতিলিপি নিম্নস্বাক্ষৰকাৰীৰ ওচৰত উপলব্ধ আছে আৰু সংশ্লিষ্ট ঋণগ্ৰাহকসকলক সাধাৰণ কাৰ্যালয়ৰ সময়ত যিকোনো কৰ্মদিৰসত নিম্নস্বাক্ষৰকাৰীৰ পৰা নিজ নিজ প্ৰতিলিপি সংগ্ৰহ কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

এইচ ডি এফ চি বেংক লিমিটেডৰ হৈ
স্বা/- অভিষেক আগৰৱাল
অনুমোদিত বিষয়া

স্থান ঃ গুৱাহাটী
তাৰিখ ঃ ২৫.১১.২০২৬

পঞ্জীয়নকৃত কাৰ্যালয় ঃ এইচ ডি এফ চি বেংক হাউচ, সেনাপতি বাপত মাৰ্গ, ল’ৰাৰ পাৰেল (ৱেষ্ট), মুম্বাই-৪০০০১৩

নাগৰিক সমবায় বেংক লিমিটেড

প্ৰধান কাৰ্যালয়, এছকাৰ্ড বেংক ভৱন, আশ্ৰম ৰোড, উলুবাৰী, গুৱাহাটী- ৭৮১০০৭

ই-মেইলঃ headoffice@nagarikbank.co.in. ৱেবছাইটঃ www.nagarikbank.info

বিক্ৰীৰ বাবে ৰাজহুৱা জাননী/মুকলি নিলাম

নিৰাপত্তা স্বাৰ্থ (বলবৎকৰণ) বিধি, ২০০২-ৰ বিধি ৮(৬)-ৰ সৈতে পঢ়িবলগীয়া পৰিশিষ্ট ৪-ক অনুসৰি

বিত্তীয় সম্পত্তিৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্গঠন তথা নিৰাপত্তা স্বাৰ্থ বলবৎকৰণ আইন, ২০০২ (ছাৰফেইচি আইন, ২০০২)-ৰ অধীনত স্থাৱৰ সম্পত্তি বিক্ৰীৰ বাবে মুকলি নিলামৰ বিত্ৰয়ী জাননী, নিৰাপত্তা স্বাৰ্থ (বলবৎকৰণ) বিধি, ২০০২-ৰ বিধি ৮(৬)-ৰ চৰ্তাংশ আৰু বিধি ৯-ৰ সৈতে পঢ়িবলগীয়া।

ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজক আৰু বিশেষকৈ ঋণী অৰ্থাৎ **শ্ৰী মৃগেন সূত্ৰধৰ** আৰু জামিনদাৰ(সকল) অৰ্থাৎ **জিণ্টু গোহাঁই** আৰু **অনুপম তালুকদাৰক** জনোৱা হৈছে যে তলত বৰ্ণনা কৰা স্থাৱৰ সম্পত্তিসমূহ (মৃগেন সূত্ৰধৰৰ নামত থকা), যিবোৰ সুৰক্ষিত পাওনাদাৰ নাগৰিক সমবায় বেংক লিমিটেডৰ ওচৰত বন্ধকী/দায়বদ্ধ কৰা হৈছে আৰু যাৰ ভৌতিক দখল নাগৰিক সমবায় বেংক লিমিটেডৰ (সুৰক্ষিত পাওনাদাৰ) অনুমোদিত বিষয়াই গ্ৰহণ কৰিছে, সেই সম্পত্তিসমূহ **“য’ত আছে ত’তে” ভিত্তি, “যি আছে সেই” ভিত্তি, “যেনে আছে তেনে” ভিত্তি আৰু “কোনো প্ৰতিকাৰ অবিহনে”** ভিত্তিত **২০২৬ চনৰ ০১ ডিচেম্বৰ** তাৰিখে পুৱা **১১ বজাৰ পৰা দুপৰীয়া ১ বজালৈ** বিক্ৰী কৰা হ’ব। মুখ্য ঋণী শ্ৰী মৃগেন সূত্ৰধৰ আৰু জিণ্টু গোহাঁই আৰু অনুপম তালুকদাৰ (জামিনদাৰ/বন্ধকদাতা)ৰ পৰা ঋণগ্ৰহণকাৰীয়ে লাভ কৰা বিভিন্ন ঋণ সুবিধাৰ বাবদ সুৰক্ষিত পাওনাদাৰক আদায় দিবলগীয়া **৩১.১০.২০২৬** তাৰিখলৈকে **২,১১,৯৫,৪৫৯.২৩ টকা (দুই কোটি এঘাৰ লাখ পঁচানব্বৈ হাজাৰ চাৰিশ ঊনষাঠি টকা আৰু তেইছ পইচা মাত্ৰ)** আৰু ইয়াৰ ওপৰত পৰিশোধৰ তাৰিখলৈকে চুক্তিবদ্ধ সুতৰ হাৰত পৰৱৰ্তী সুত, আনুষংগিক ব্যয়, অন্যান্য মাচুল, খৰচ আদি আদায়ৰ উদ্দেশ্যে উক্ত সম্পত্তিসমূহ বিক্ৰী কৰা হ’ব।

স্থাৱৰ সম্পত্তিসমূহৰ সংৰক্ষিত মূল্য আৰু জমা দিবলগীয়া আমানত ধনৰ বিৱৰণ তলত দিয়া হ’ল।

সম্পত্তিৰ বিৱৰণ	সংৰক্ষিত মূল্য (টকাত)	জমা দিবলগীয়া আমানত ধন (ইএমডি)
কামৰূপ (মহানগৰ) জিলাৰ অন্তৰ্গত বেলতলা মৌজাৰ হেঙেৰাবাৰী ৰাজহ গাঁৱত অৱস্থিত দাগ নং- ১৬২৫, পট্টা নং- ২৪৯৫-ৰ অন্তৰ্ভুক্ত ১ কঠা ২ লেচা (২.৯৪ আৰ) পৰিমাণৰ ভূমিৰ সমগ্ৰ অংশ আৰু তাত নিৰ্মিত এটা অসম আৰ্হিৰ অট্টালিকাকে ধৰি, বিশেষকৈ ঘৰ নং ১৩, বিষ্ণু পথ, দাৰকা নগৰ, গুৱাহাটী- ৭৮১০০৬-ত অৱস্থিত সম্পত্তিৰ সমগ্ৰ অংশ।	৭৫,০০,০০০.০০	৭,৫০,০০০.০০

জিলা দণ্ডাধীশ, কামৰূপ (মহানগৰ)ৰ দ্বাৰা ২০০২ চনৰ ছাৰফেইচি আইনৰ ১৪ নং ধাৰাৰ অধীনত গৃহীত আদেশ অনুসৰি **৩১.০৫.২০২৪** তাৰিখে উক্ত সম্পত্তিৰ ভৌতিক দখল গ্ৰহণ কৰা হৈছিল আৰু নাগৰিক সমবায় বেংক লিমিটেডৰ অনুমোদিত বিষয়াক উক্ত সম্পত্তিৰ ভৌতিক দখল হস্তান্তৰ কৰা হৈছিল।

নিবিদা দাখিল আৰু জমা দিবলগীয়া আমানত ধন প্ৰেৰণৰ অন্তিম তাৰিখ	ডিডি / পে-অৰ্ডাৰ . ডিডি / পে-অৰ্ডাৰ **“নাগৰিক সমবায় বেংক লিমিটেড”**-ৰ নামত প্ৰস্তুত কৰিব লাগিব আৰু গুৱাহাটীত পৰিশোধযোগ্য হ’ব। **অথবা** যিসকল নিবিদাকাৰীয়ে আৰ-টি-জি-এছৰ জৰিয়তে ধন পৰিশোধ কৰিবলৈ ইচ্ছুক, তেওঁলোকে আৰটিজিএছ এনইএফটি ফাণ্ডিং একাউণ্ট, **একাউণ্ট নং ০০০০৩৬৭০০০০০০০১, আই-এফ-এছ-চি কোডঃ YESB0NSMBL1, নাগৰিক সমবায় বেংক লিমিটেডৰ** নামত ধনৰাশি প্ৰেৰণ কৰিব পাৰিব। তলত উল্লেখ কৰা ঠিকনাত, নাগৰিক সমবায় বেংক লিমিটেডৰ প্ৰধান কাৰ্যালয়, আশ্ৰম ৰোড (দক্ষিণ শৰণীয়া ৰোড), উলুবাৰী, গুৱাহাটী- ৭৮১০০৭-ত **২৭ নৱেম্বৰ ২০২৬** তাৰিখে বিয়লি ৪.০০ বজাৰ ভিতৰত জমা দিব লাগিব।
সম্পত্তি পৰিদৰ্শন	**২৬ নৱেম্বৰ ২০২৬** তাৰিখে পুৱা **১১.০০** বজাৰ পৰা দুপৰীয়া **২.০০** বজাৰ ভিতৰত, পৰিদৰ্শনৰ সুবিধা প্ৰদান কৰিবলৈ উক্ত স্থানত উপলব্ধ অনুমোদিত বিষয়াৰ প্ৰতিনিধিৰ উপস্থিতিত সম্পত্তি পৰিদৰ্শন কৰিব পাৰিব।
মুকলি নিবিদাৰ দিন	মুকলি নিলাম **০১.১২.২০২৬** তাৰিখে পুৱা **১১.০০** বজাৰ পৰা দুপৰীয়া **১.০০** বজালৈ **নাগৰিক সমবায় বেংক লিমিটেডৰ** প্ৰধান কাৰ্যালয়, আশ্ৰম ৰোড (দক্ষিণ শৰণীয়া ৰোড), উলুবাৰী, গুৱাহাটী- ৭৮১০০৭-ত অনুষ্ঠিত হ’ব।
নিবিদাৰ পৰিমাণ বৃদ্ধিৰ ধন	**১০,০০০/- টকা (দহ হাজাৰ টকা মাত্ৰ)-ৰ গুণিতকত।**

বিক্ৰীৰ বিতং চর্ত আৰু নিয়মাৱলীৰ বাবে অনুগ্ৰহ কৰি ***www.nagarikbank.info***-ত প্ৰদান কৰা সংযোগ চাওক।

তাৰিখঃ ২৫.১১.২০২৬
স্থানঃ গুৱাহাটী

(প্ৰভাকৰ শৰ্মা)
অনুমোদিত বিষয়া, নাগৰিক সমবায় বেংক লিমিটেড

পাৰিবাৰ | **পঞ্জাব নেছনেল বেংক** punjab national bank ...the name you can BANK upon! ...भरोसे का प्रतीक !

অস্থাবৰ সম্পত্তিৰ বিক্ৰীৰ বাবে
ই-নিলাম
বিক্ৰী জাননী

সম্পত্তি পুনৰুদ্ধাৰ ব্যৱস্থাপনা শাখা, গুৱাহাটী, হেম বৰুৱা পথ, পানবজাৰ, গুৱাহাটী, অসম- ৭৮১০০১, ই-মেইলঃ **cs8231@pnb.co.in**

বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ বলবৎকৰণ আইন, ২০০২ৰ সৈতে আমানত সুদ (বলবৎকৰণ) নিয়মাবলী ২০০২ৰ নিয়ম ৮(৬)ৰ অধীনত স্থাৱৰ সম্পত্তিৰ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী।

ইয়াৰ দ্বাৰা জনসাধাৰণক সাধাৰণভাৱে আৰু বিশেষকৈ ঋণী (সকলক) আৰু জামিনদাৰ (সকলক)/বন্ধকদাৰ(সকলক) জাননী দিয়া হৈছে যে চিকিউৰ্ড ক্ৰেডীটৰ ওচৰত বন্ধকীকৃত/নিৰিখিত নিম্ন উল্লিখিত স্থাৱৰ সম্পত্তিসমূহৰ বেংক/চিকিউৰ্ড ক্ৰেডীটৰৰ অনুমোদিত বিষয়াৰ দ্বাৰা নিৰ্মাণমূলক/কায়িক/প্ৰতীকী অধিগ্ৰহণ কৰা হৈছে আৰু সংশ্লিষ্ট ঋণী (সকল) আৰু জামিনদাৰ (সকল)ৰ পৰা বেংক/চিকিউৰ্ড ক্ৰেডীটৰৰ বকেয়া ধন পুনৰ আদায়ৰ বাবে “য’ত আছে তেতে”, “যি আছে সেই” আৰু “যেনে আছে তেনেহ” নিম্ন তালিকাত উল্লিখিত তাৰিখত বিক্ৰী কৰা হ’ব। প্ৰতিটো সম্পত্তিৰ বাবে সংৰক্ষিত মূল্য আৰু আমানত ধন জমাৰ পৰিমাণ তলত উল্লেখ কৰা তালিকা মতে হ’ব।

সুৰক্ষিত সম্পদসমূহৰ সূচী

| শাখাৰ নাম
একাউন্টৰ নাম
ঋণী আৰু জামিনদাৰৰ নাম আৰু ঠিকনা | বন্ধকী থকা স্থাৱৰ সম্পত্তিৰ বিৱৰণ/গৰাকীৰ নাম (সম্পত্তি সমূহৰ বন্ধকদাতা) | ক) চাৰফেইচী (SARFAESI) আইন ২০০২ৰ ধাৰা ১৩(২) ৰ অধীনত দাবী জাননীৰ তাৰিখ
খ) পাৱলগীয়া ধন
গ) চাৰফেইচী (SARFAESI) আইন ২০০২ৰ ধাৰা ১৩(৪) ৰ অধীনত দখলীকৰণৰ তাৰিখ
ঘ)দখলীকৰণৰ ধৰণ
প্ৰতীকী/কায়িক/নিৰ্

স ম্পা দ কী য়

৮ আঘোণ, বুধবাৰ, ১৯৪৮ শক

উদ্বেগজনক সত্য

বহিঃৰাষ্ট্ৰৰ পৰা হোৱা সামৰিক আগ্ৰাসন, সন্ত্ৰাসবাদ, ড্ৰাগ্‌ছৰ ভয়াৱহ প্ৰচলন, জালনোটৰ সৰবৰাহ আদিৰ দৰে সংকটে ভাৰতৰ সন্মুখত সময়ে সময়ে কিদৰে ভয়াৱহ প্ৰত্যাহ্বান সৃষ্টি কৰি আহিছে, সেই তথ্য সবিস্তাৰে প্ৰকাশ হৈ আহিছে। এনে ধৰণৰ আগ্ৰাসন আৰু ষড়যন্ত্ৰৰ সৈতে নিৰন্তৰভাৱে চলি থকা যুঁজখনৰ লগতে আন এক ভয়াৱহ সংকটে ভাৰতক ব্যতিব্যস্ত কৰি আহিছে দীৰ্ঘ সময় ধৰি। সেই সমস্যা হৈছে অনুপ্ৰৱেশৰ সমস্যা। চুবুৰীয়া চীনৰ সামৰিক আগ্ৰাসন বা পাকিস্তানৰ দৰে দেশৰ পৰা চলি থকা সন্ত্ৰাসবাদমূলক কাম-কাজ ভাৰতৰ বাবে যিমান ভয়ংকৰ হিচাপে চিহ্নিত হৈছে, তাৰ সমান্তৰালভাৱে আন এখন চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ পৰা চলি থকা অনুপ্ৰৱেশো ভাৰতৰ জনগাঁথনি আৰু অৰ্থনৈতিক-সামাজিক পৰিকাঠামোৰ বাবে সমানে প্ৰত্যাহ্বানপূৰ্ণ হিচাপে চিহ্নিত হৈ আহিছে। মন কৰিবলগীয়া যে অসম, পশ্চিমবংগৰ দৰে ৰাজ্য বাংলাদেশৰ পৰা হোৱা অনুপ্ৰৱেশৰ দ্বাৰা আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে। অসমত বাংলাদেশী অনুপ্ৰৱেশকাৰীয়ে বিগত সময়ছোৱাত কিমান ভয়াৱহ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক সংকটৰ সৃষ্টি কৰিছে, সেয়া নতুনকৈ কোৱাৰ প্ৰয়োজন নাই। ছবছৰীয়া অসম আন্দোলনৰ মূল বিষয় আছিল অবৈধ বিদেশীক চিনাক্ত তথা বহিষ্কাৰ কৰা আৰু খিলঞ্জীয়াৰ মাটি-ভেটি, ভাষা-সংস্কৃতি সুৰক্ষিত কৰা। এই দাবীৰে ৰূপায়ণ হৈছিল অসম চুক্তিৰ দৰে ঐতিহাসিক দলিল। এনে বিষয় বা প্ৰসংগৰ ব্যাখ্যা নকৰাকৈয়ে এটা কথা ক'ব পাৰি যে বিদেশী অনুপ্ৰৱেশকাৰী সমস্যা অসমৰ দৰে ৰাজ্যৰ বাবে আজিও জ্বলন্ত সমস্যা হিচাপেই চিহ্নিত হৈ ৰৈছে। অনুৰূপ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে চুবুৰীয়া পশ্চিমবংগও। পশ্চিমবংগৰ শেহতীয়া বিধানসভা নিৰ্বাচনত কেন্দ্ৰৰ শাসকীয় বিজেপি দলে ৰাজ্যখনৰ পৰা সকলো অবৈধ বিদেশীক চিনাক্ত কৰা, বহিষ্কাৰ কৰা আৰু ভাৰতৰ সকলো চৰকাৰী নথি-পত্ৰৰ পৰা তেওঁলোকৰ নাম মচি পেলোৱাৰ প্ৰতিশ্ৰুতি দিছিল। ডিটেক্ট ডিলিট ৰিপৰ্ট— এই শ্লগানেৰে ব্যাপক ৰাজনৈতিক প্ৰচাৰ চলিছিল পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ সময়ত। এই বিষয়ৰ প্ৰতি সৰ্বসাধাৰণ ৰাইজৰ সমৰ্থন থকাটো স্পষ্ট হৈছিল বিজেপিয়ে অভূতপূৰ্ব সাফল্যৰে প্ৰথমবাৰলৈ ৰাজ্যখনত ক্ষমতা দখল কৰাৰ পাছত। আশা কৰা হৈছিল যে পশ্চিমবংগত বিজেপিয়ে চৰকাৰ গঠন কৰাৰ পাছতে অনুপ্ৰৱেশৰ দৰে সমস্যা সমাধানৰ পথো মুকলি হ'ব। বিভিন্ন সূত্ৰ আৰু তথ্যই দিয়া ইংগিত অনুসৰি সম্প্ৰতি পশ্চিমবংগৰ বিজেপি চৰকাৰখনৰ কঠোৰ স্থিতি আৰু বিভিন্ন প্ৰতিৰোধমূলক পদক্ষেপৰ বাবে পশ্চিমবংগত অনুপ্ৰৱেশকাৰীৰ দপ্‌দপনি কিছু হ'লেও হ্ৰাস হৈছে। কিন্তু এই সমস্যাৰ পৰা মুক্ত হোৱাটো যেন এতিয়াও সুদূৰপৰাহত। এনে ধৰণৰ আশংকা স্পষ্ট কৰি তুলিছে এটা ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ শেহতীয়া বাতৰিয়ে। অলপতে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ সাংবাদিকে ষ্টিং অপাৰেচনৰ জৰিয়তে পশ্চিমবংগলৈ বাংলাদেশৰ পৰা চলি থকা অবৈধ প্ৰব্ৰজনৰ ভয়ংকৰ ছবিখন পোহৰলৈ আনিছে। বাংলাদেশ আৰু ভাৰতৰ একাংশ এজেণ্ট চক্ৰৰ সহযোগত অবাধে চুবুৰীয়া ৰাষ্ট্ৰখনৰ পৰা ভাৰতলৈ আহি আছে অবৈধ বাংলাদেশী নাগৰিক। ২০ৰ পৰা ৪০ হাজাৰ টকা পৰ্যন্ত আদায় দি এজেণ্টৰ জৰিয়তে ভাৰতলৈ ৰাতিৰ আন্ধাৰত বাংলাদেশী নাগৰিক প্ৰৱেশ কৰাৰ এনে সত্যই অনুপ্ৰৱেশ সমস্যা সমাধানৰ বাস্তৱ ছবিখন উদঙাই দিছে। ষ্টিং অপাৰেচনটোত সাংবাদিকে ভাৰতলৈ অনুপ্ৰৱেশ কৰা অবৈধ বাংলাদেশী, তেওঁলোকক লৈ অহা এজেণ্ট, আনকি নিৰাপত্তা বাহিনীৰ লোকৰ সৈতেও কথা পাতি সবিস্তাৰে প্ৰতিবেদন প্ৰকাশ কৰিছে, য'ত কোৱা হৈছে যে পূৰ্বে তিনিশ-চাৰিশ টকাতে সীমান্ত পাৰ হৈ ভাৰতলৈ অহা লোকসকলে এতিয়া ৩০-৪০ হাজাৰ টকা আদায় দিও ভাৰতলৈ আহি আছে। অৰ্থাৎ অনুপ্ৰৱেশ কঠিন হৈছে পূৰ্বৰ তুলনাত। কিন্তু ই বন্ধ হোৱা নাই। পশ্চিমবংগ সীমান্তৰ আটাইতকৈ গুৰুতৰ সমস্যা হৈছে ইয়াৰ সুদীৰ্ঘ সীমান্ত এতিয়াও উন্মুক্ত হৈয়ে আছে। কাঁইটীয়া তাঁৰৰ বেৰ নথকা আৰু নিৰাপত্তা বাহিনীৰ টহলদাৰীৰ মাজতো সুৰুঙা উলিওৱাত সিদ্ধহস্ত হোৱা বাবেই অনুপ্ৰৱেশকাৰীয়ে বাৰে বাৰে সুযোগ ল'বলৈ সক্ষম হৈছে। তদুপৰি পশ্চিমবংগৰ ভাৰত-বাংলাদেশ সীমান্তৰ দীঘলীয়া অংশ নদীয়ে আগুৰি ৰখাৰ ফলত নদীপথেৰে অনুপ্ৰৱেশ সহজ হৈ আছে অবৈধ বিদেশীসকলৰ কাৰণে। অসমতো এই ছবিখন বিশেষ উৎসাহজনক নহয়। অনুপ্ৰৱেশৰ হাৰ পূৰ্বৰ তুলনাত হ্ৰাস হ'লেও এতিয়াও উল্লেখনীয় হাৰত অনুপ্ৰৱেশকাৰীক বিতাড়নৰ ব্যৱস্থা কৰিব পৰা হোৱা নাই। অলপতে গুৱাহাটী উচ্চ ন্যায়ালয়ে ১,১৬,৯৪৬জন ঘোষিত বিদেশীক আৰক্ষী-প্ৰশাসনে আটক তথা বিতাড়ন কৰিব নোৱাৰাক লৈ উদ্বেগ প্ৰকাশ কৰিছিল। উচ্চ ন্যায়ালয়ৰ এই স্থিতিয়ে অবৈধ বিদেশীৰ কাৰচাজি যে ৰাজ্যত অব্যাহত আছে, সেয়া স্পষ্ট কৰি তোলে। এনে পৰিপ্ৰেক্ষিতত অবৈধ প্ৰব্ৰজনৰ দৰে জ্বলন্ত সমস্যা সমাধানৰ বাবে অধিক কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰাটো জৰুৰী বুলি বিবেচিত হৈছে।

সময়ৰ শৰ



উন্মুক্ত সীমান্তৰে বাংলাদেশীৰ অবাধ প্ৰৱেশ।

তাৰমানে অনাগত দিনতো বহুতৰ বাবে এইটোৰেই হ'ব নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ অন্যতম মূল ইস্যু!

❖ ❖ ❖

তিব্বতত যুদ্ধৰ ক্ষিপ্ততাৰে বিশ্বৰ সৰ্ববৃহৎ বান্ধ নিৰ্মাণত নামিছে চীন ঃ অসম-অৰুণাচললৈ বিপদঘণ্টা।

'কাকনো বুলিবা ককা, সকলোৰে দাঢ়ি-চুলি পকা' বুলি এনেয়ে নকয়!

❖ ❖ ❖

এবছৰতে ১,৩৯০ কোটিৰ কৃষি ঋণ হ্ৰাস ঃ পুঁজিপতিক ১২ লাখ কোটি টকাৰ ঋণ বেহাই।

নিৰ্বাচনৰ সময়ত দিয়াসকলৰ কথা এতিয়াই চিন্তা নকৰিলে পৰৱৰ্তী নিৰ্বাচনত কি হ'ব, সেয়া জনাসকলে ভালদৰেই জানে বাবেই যে চৰকাৰৰ এই পদক্ষেপ, সেয়াও নিশ্চয় মনত ৰখা ভাল!

❖ ❖ ❖

দুৰ্নীতিগ্ৰস্ত এ চি এছ নূপুৰ বৰাৰ ভূমিকে ধৰি ৭০ লাখ টকাৰ সম্পত্তি জব্দ।

'একালৰ বৃন্দাৱন, একালত পৰে ছন' বুলিও কথা এযাৰ নাই জানো!

❖ ❖ ❖

সাংসদ দেৱাশিস শৰ্মালৈ প্ৰত্যাহ্বান ঃ উপ-নিৰ্বাচনক লৈ গোচৰ শিৰামণি বৰাৰ।

সেইটো বুজিলোঁ, কিন্তু ন্যায়ালয়ে চূড়ান্ত ৰায় আগন্তুক ৫ বছৰৰ ভিতৰতে দিয়ে নে নিদিয়ে, সেইটোহে নুবুজিলোঁ!

❖ ❖ ❖

১৩ দফীয়া দাবী ঃ কলেজ শিক্ষকৰ প্ৰতিবাদত উত্তাল ৰাজ্য।

'আদাক দেখি উঠিল গা, কেঁতুৰিয়ে বোলে মোকো খা' বুলিও অৱশ্যে কথা এযাৰ নথকা নহয়!

ন্যায় প্ৰদানৰ এই প্ৰহসনমূলক অসহনীয় বিলম্বিত ছবিখনৰ বাবে দায়ী কোন? এই লেহেম ন্যায়িক ব্যৱস্থাটো বৃটিছেই ভাৰতত অনাগত ১০০ বছৰলৈ মূৰ দাঙিব নোৱাৰাকৈ প্ৰতিষ্ঠা **কৰি থৈ গ'ল। বৃটিছ গ'ল,** কিন্তু বৃটিছে **ভাৰতীয়ক শাসন কৰিবলৈ প্ৰৱৰ্তন কৰা পদ্ধতিটো** আজিকোপতি থাকি গ'ল। স্বৰাজোত্তৰ ভাৰতত ন্যায়িক ব্যৱস্থাৰ কোনো **সংশোধনীমূলক কাৰ্যব্যৱস্থা আজিলৈকে লোৱা নহ'ল।**



ন্যায়, অন্যায় আৰু এনকাউণ্টাৰ



প ৰি ক্ৰ মা

তপন দত্ত

(১)

টেলিভিছ্চাৰ পৰ্দাত উত্তেজিত স্বৰেৰে এটা বাতৰি পৰিৱেশন কৰাৰ চলন্ত দৃশ্য। এজাক সাংবাদিকৰ হাতে হাতে প্ৰাতিষ্ঠানিক ধ্বজাবাহী একো একোটা উদ্যত বুম। নেপথ্যৰ বাতৰি পৰিৱেশনকাৰীৰ ভাব-ভাষাত তুমুল উত্তেজনা। বুজিব পাৰি— কেমেৰাৰ ফ'কাছ, এটা বুমত নিবদ্ধ। বিক্ষিপ্ত দৌৰা-দৌৰি, কথা-বতৰা (অস্পষ্ট) আৰু শব্দ সংযোজনেৰে কেইটামান জাম্প-কাট। বুজিব পাৰি— কিছু পৰিমাণে হেতা-ওপৰা, লক্ষ্যবস্তুৰ ওচৰ চাপিবলৈ কৰা যেন এক প্ৰতিযোগিতা। ইয়াৰ পাছতহে দৃশ্যটো কিছু স্পষ্ট হৈছে যে পুলিচৰ বেষ্টনীৰ মাজত যুৱক এজনৰ হাতত হেণ্ডকাফ। সমদলটো কিছু দূৰৈত অপেক্ষাৰত পুলিচৰ গাড়ী এখনৰ ফালে অগ্ৰসৰ হ'বলৈ ধৰিছে। সেই সুযোগতে চেনেলবোৰৰ উদ্যত বুমবোৰ তড়িৎ গতিত আগলৈ আহি উপর্যুপৰি প্ৰশ্নৰে সৈতে সক্ৰিয় হৈ উঠিছে। — আপুনি হত্যা কৰিছে? কিয় কৰিলে? কিয় হত্যা কৰিলে? যুৱকৰ নিৰ্লিপ্ত মুখ। বীৰোচিত বেপৰোৱা চাৱনি। কোনো উত্তৰ নাই। ভিৰ ঠেলি সি আগবাঢ়িছে মাথোঁ, যেন সি এটা হিৰ'!

ইতিমধ্যে স্পষ্ট হৈছে—নিজৰ শোৱনি-কোঠাত পত্নীক এখন দাৰে ঘপিয়াই শিৰশ্ছেদ কৰি নিথৰ দেহটো এটা ৰাতি সন্মুখত লৈ পৰৱৰ্তী সময়ত ৰামানুজ নামৰ যুৱকজনৰ পুলিচৰ ওচৰত আত্মসমৰ্পণ। পৰ্দাত বাতৰিটো দেখি মই চমকি উঠিছোঁ। মোৰ সমগ্ৰ সত্তাৰ ফ'কাছ এই ৰামানুজ নামৰ অচিন যুৱকজনৰ ওপৰত কেন্দ্ৰীভূত। কি উত্তৰ দিব সি? পৰ্দাত দেখা উদ্বিগ্ন সাংবাদিকসকলৰ সৈতে ময়ো সমানেই উদ্বিগ্ন। কি হ'ব এতিয়া তাৰ?

(২)

আত্মকেন্দ্ৰিক ৰুক্ষ মহানগৰী এখনৰ বুকুত প্ৰায় হেৰাই যোৱাৰ নিচিনাই চেহেৰাৰ, কৰ্মহীন এজন যুৱক 'জেচেক', পোলেণ্ডৰ ৰাজধানী ৰাৰ্শ্বৰ ৰাজপথত উদ্দেশ্যহীনভাৱে ঘূৰি ফুৰিছে। জীৱন্ত মহানগৰী এখনৰ ব্যস্ততাৰে পূৰ্ণ দিনবোৰ সততে জেচেকৰ দৰে এই শ্ৰেণীটোৰ প্ৰতি উদাসীন। ৰাষ্ট্ৰযন্ত্ৰৰ এনে নিৰ্বিকাৰ ভূমিকাৰ ছত্ৰছায়াত সামাজিক উদাসীনতাৰ মাজেৰে লালিত-পালিত হোৱা এই যুৱচামক কৰ্মহীনতা আৰু লক্ষ্যহীনতাই লৈ যায় শিপাৰ সৈতে বিচ্ছিন্ন অৱস্থানলৈ। তেওঁলোকো নিৰ্বিকাৰ। বেপৰোৱা। মুক্ত। যি খুচি তাকে কৰি পেলোৱা স্বাধীনতাৰ উন্মাদনাৰে সিক্ত। টেক্সি এখনত উদ্দেশ্যহীনভাৱে চহৰৰ বাটে-ঘাটে, ইফালে-সিফালে ঘূৰি ফুৰি এটা সময়ত ৰাজপথৰ পৰা নামি যোৱা কোনো এক আওহতীয়া নিৰ্জন অৱস্থানত জেচেকে কোনো কাৰণ নোহোৱাকৈ অতি নিষ্ঠুৰভাৱে টেক্সি চালকজনক হত্যা কৰে। অনুশোচনাবিহীন যুৱকজনে যেন একো হোৱা নাই, এই ভাবত আকৌ ঘূৰি ফুৰিবলৈ ধৰে। এয়া বহুদিনৰ আগতে চোৱা পোলিচ পৰিচালক ক্ৰীষ্টভ কিচিঅ'লস্কি নিৰ্মিত বিশ্ববিখ্যাত ডেকালগ ছিৰিজৰ অন্তৰ্গত এখন চলচ্চিত্ৰ 'এ ছৰ্ট ফিল্ম এবাউট কিলিং'(১৯৮৮ চনত নিৰ্মিত)। স্মৰ্তব্য যে এইজন পৰিচালকৰে আন এখন বিখ্যাত চলচ্চিত্ৰ 'এ ছৰ্ট ফিল্ম এবাউট লাভ'ৰ অনুকৰণত একে নামতে আমাৰ ইয়াত এখন হিন্দী চিনেমাও নিৰ্মিত হৈছিল। অৱধাৰিতভাৱে জেচেক পুলিচৰ হাতত ধৰা পৰিল। ন্যায়িক বিচাৰ আৰম্ভ হ'ল আৰু অৱশেষত যুৱকজনৰ ফাঁচিৰ হুকুম হয়। এই ফাঁচিৰ দৃশ্যটো ৰূপায়ণ কৰোঁতে জন্তু এটাক বধ্যভূমিলৈ টানি নিয়াৰ দৰে গ্ৰাফিক ডিটেইলছত আনুষ্ঠানিক নিয়ম-কানুন নিৰ্বিকাৰভাৱে অনুসৰণ কৰি এনেকৈ প্ৰতিষ্ঠা কৰা হৈছে যে দৰ্শকৰ মনত স্পষ্ট হৈ যায়— যুৱকজনে কৰা ব্যক্তিগত হত্যা আৰু ৰাষ্ট্ৰযন্ত্ৰই একে পৰিমাণৰ নিষ্ঠুৰতাৰে কৰা আন এক প্ৰাতিষ্ঠানিক আভিজাত্যৰে ভৰা ৰাজহুৱা হত্যাৰ সমান্তৰাল উপস্থিতি। তুলনামূলক বিচাৰত দুয়োটাই মূলতঃ হত্যা। যুৱকজনে দেখাত (যদিও অন্তৰ্স্থলত সামাজিক কাৰকবোৰৰ চাপ আছে) অকাৰণতে, উদ্দেশ্যহীনভাৱে অতি নিষ্ঠুৰভাৱে টেক্সিচালকজনক হত্যা কৰিছে। হয়তো সি নিজেই নাজানে সি কি কৰিছে। তাৰ বিপৰীতে ন্যায় প্ৰদানৰ নামত ৰাষ্ট্ৰযন্ত্ৰই কৰা হত্যাটো সজ্ঞানে, জুখি-মাখি ৰাজহুৱা সম্পদ ব্যৱহাৰ কৰি কৰা কাৰ্য, গতিকে নৈতিক বিচাৰত ই ব্যক্তিগত হত্যাকাণ্ডটোতকৈ বেছি বৰ্বৰ আৰু নিষ্ঠুৰ হৈ পৰিছে। এয়া ন্যায় প্ৰদান হোৱাতকৈ হৈ পৰিছে আন এটা নিখুঁত হত্যা। সামাজিক উদাসীনতাৰ বলি যুৱকজনৰ কাৰ্যৰ অন্তৰালত থকা মানসিকতাক যিবোৰ সামাজিক কাৰকে গঢ় দিছে সেইবোৰৰ প্ৰতি ৰাষ্ট্ৰযন্ত্ৰৰ কোনো ভ্ৰূক্ষেপ নাই। কিন্তু ন্যায় প্ৰদানৰ নামত বিচাৰ ব্যৱস্থাটো সংশোধনমূলক হোৱাৰ পৰিৱৰ্তে ই প্ৰতিহিংসামূলক প্ৰত্যুত্তৰ দিয়াৰ ক্ষেত্ৰতহে তৎপৰ হৈ পৰিছে। কেপিটেল পানিছমেণ্টৰ বিৰুদ্ধে থকা ছবিখনৰ কেন্দ্ৰীয় দৰ্শনৰ আলমত সেই দেশত তেতিয়া আৰম্ভ হৈছিল এক প্ৰবল ৰাজহুৱা বিতৰ্ক। এই বিতৰ্কৰ ফল হিচাপে সেই দেশৰ চৰকাৰে পাছত ন্যায় সংহিতাৰ তালিকাৰ পৰা মৃত্যুদণ্ড দিয়া প্ৰথাৰ বিলুপ্তি ঘটায়।

(৩)

ঠিক 'জেচেক' নামৰ যুৱকজনৰ উদাহৰণৰ দৰেই আমাৰ ইয়াতো এতিয়া চলিছে ৰাষ্ট্ৰযন্ত্ৰৰ প্ৰত্যক্ষ সহযোগত একেই ঘটনা কিছু অন্য ৰূপত, যাৰ নাম এনকাউণ্টাৰ সংস্কৃতি। এয়া ন্যায়ৰ নামত প্ৰদান কৰা এক অন্যায়। এয়া চলিছে তাৎক্ষণিক ন্যায় প্ৰদানৰ নামত। আজিকালি সততেই টেলিভিছনৰ পৰ্দাত ভাহি আহে কিছুমান উত্তেজিত খবৰ— পুৱতি নিশা ক্ৰাইম ছ্নি ৰিক্ৰিয়েচনৰ বাবে পুলিচে অপৰাধীক ঘটনা সংঘটিত হোৱা স্থানলৈ লৈ যোৱা অৱস্থাতে পুলিচৰ অস্ত্ৰ কাঢ়ি পলাবলৈ চেষ্টা কৰোঁতে হোৱা গুলীয়াগুলীৰ ঘটনাত অপৰাধীৰ (ৰামানুজনৰ) মৃত্যু। সাম্প্ৰতিক সময়ত এইটো সঘনাই দেখি অহা একেখন চিত্ৰনাট্যৰেই পুনৰাবৃত্তি। একেই ভাষা, একেকেইটা শব্দ আৰু একেই নাট্যচয়ন। মাথোঁ স্থান, সময় আৰু অভিনেতাকেইজন বেলেগ। ২০২১ চনৰ পৰা ২০২৬ চনলৈ অসমত ১৭৫টা এনে ঘটনাৰ পুনৰাবৃত্তি সংঘটিত হৈছে বুলি পৰিসংখ্যা বাহিৰ হৈছে। দেখেদেখকৈ এয়া সজ্ঞানে Rule of Law-ৰ প্ৰতি অংগুষ্ঠ প্ৰদৰ্শন কৰি ৰাষ্ট্ৰযন্ত্ৰই সমাপন কৰা আন এক নিষ্ঠুৰ প্ৰতিহত্যা। আইনৰ শাসন হৈছে মানৱ সভ্যতাৰ এক উন্নত গণতান্ত্ৰিক ব্যৱস্থাৰ স্বৰূপ। আমাৰ দৰে এখন দেশৰ কাঠামো, বৰ্তমান আৰু ভৰিষ্যৎ আইনৰ শাসনৰ বিচক্ষণতাৰ ওপৰতেই বৰ্তি থাকে। এতিয়া লাখটকীয়া প্ৰশ্নটো হৈছে— শাসন ব্যৱস্থাৰ মেৰুদণ্ডসদৃশ এই মূল স্তম্ভটোতে এতিয়া ঘুণে খাবলৈ লৈছে নেকি?

(৪)

প্ৰশ্ন— আমাৰ দেশৰ প্ৰচলিত ন্যায়িক ব্যৱস্থাত এটা হত্যাকাণ্ডৰ গোচৰ নিষ্পত্তি হ'বলৈ কিমান সময় লাগে? উত্তৰ— মোটামুটি ২০ বছৰ। এই ২০ বছৰত বহু কিবা কিবি হ'ব পাৰে। গুচৰীয়াৰ মৃত্যু হ'ব পাৰে, সাক্ষী-বাদীৰ ভাস্য সলনি হ'ব পাৰে, জীয়াইও নাথাকিব পাৰে, চাৰ্জশ্বীটত অজস্ৰ সুৰুঙা থাকিব পাৰে, যিবোৰৰ খুঁটি-নাটি মাৰি কৰা পৰ্যৱেক্ষণৰ সহায়ত ডিফেন্স উকীলৰ প্ৰমাণ কৰিবলৈ অসুবিধা নহয় যে গুচৰীয়া পক্ষই দাখিল কৰা মূল হত্যাৰ অভিযোগটোৰ অন্তৰালত কোনো বিশ্বাসযোগ্য মটিভ নাই ইত্যাদি। বলাৎকাৰজনিত গোচৰসমূহ আদালতত প্ৰমাণ সাব্যস্ত কৰা সাধাৰণতে অতি জটিল। এইবোৰ কেছত বেছিভাগ অপৰাধীয়েই খালাচ পোৱা দেখা যায়। স্মৰ্তব্য যে সম্প্ৰতি এনকাউণ্টাৰ বনাম আইনী ন্যায় শীৰ্ষক বিষয়বস্তু সম্বলিত এখন চিনেমা, 'দায়ৰে' নেটফ্লিক্সত জনপ্ৰিয় হৈছে। অন্ধ্ৰপ্ৰদেশৰ বলাৎকাৰ কেছ এটাৰ অপৰাধী চাৰিজনৰ এনকাউণ্টাৰ ডেথ হোৱা সত্য ঘটনা এটাৰ ওপৰত আধাৰিত এই চিনেমাখন।

আইন ৰক্ষকৰ ভূমিকা ন্যস্ত থকা আৰক্ষী বিষয়াসকলৰ কেছ এটাত জড়িত গুচৰীয়া পক্ষৰ আৰেগ-অনুভূতি, ন্যায়প্ৰাপ্তিৰ বাবে থকা স্বাভাৰিক তাড়নাৰ সৈতে কোনো আৰেগিক ঐক্য নাথাকে। থাকে মাথোঁ চাকৰি বৰ্তাই ৰখাৰ যান্ত্ৰিক দায়িত্ব। গতিকে প্ৰণালীবদ্ধ আৰু বৈজ্ঞানিকভাৱে শুদ্ধ এখন চাৰ্জশ্বীট তৈয়াৰ কৰা কামটোত ভুল থাকি যায়। তদুপৰি হত্যাকাণ্ডৰ দৰে গোচৰ এটাত ২০ বছৰ ধৰি যন্ত্ৰৰ দৰে আইন-আদালত কৰি থাকিবলৈ তেওঁলোকৰ ধৈর্য, সময়, আগ্ৰহ নথকাটোও স্বাভাৰিক। ৰাজহুৱা মনস্তত্ত্বৰ পৰাটো ২০ বছৰৰ আগতে হোৱা হত্যাকাণ্ড এটাৰ সবিশেষ মনৰ পৰাই একেবাৰে নোহোৱা হৈ যায়। ন্যায়প্ৰাপ্তি আৰু ন্যায় প্ৰদানৰ নামত মাথোঁ কেইজনমান উকীল, পুলিচ বিষয়া আৰু গুচৰীয়া পক্ষৰ নিকট কোনোবা আত্মীয়জনে অভ্যাসবশতঃ আদালতলৈ দৌৰা-দৌৰি কৰি প্ৰক্ৰিয়াটো চলাই ৰাখিবলগীয়া হয়। '১০০জন দোষী সাৰি গ'লেও এজনো নিৰ্দোষী অযথা হাৰাশাস্তিৰ সন্মুখীন হ'ব নালাগিব'— এই আপ্তবাক্যশাৰী হৈছে আমাৰ আইনী ব্যৱস্থাৰ নীতি। ফলত অযথা, উকীল সৰ্বস্ব অনাহক যুক্তি-তৰ্ক, সাক্ষী-বাদীৰ ভিৰত লেহেম হৈ পৰা আমাৰ ন্যায়িক ব্যৱস্থাটোৰ এনেবোৰ কথা-কাণ্ডৰ বাবেই ক্ৰমাৎ তাৎক্ষণিক ন্যায় প্ৰদানৰ দাবী জনসাধাৰণৰ মাজত সম্প্ৰতি গা কৰি উঠা দেখা গৈছে। 'তাৰিখ পে তাৰিখ'ৰ পাছত দৌৰি থাকিবলৈ আৰু কাৰো ধৈর্য নোহোৱা হৈছে। ন'চাৰ্জশ্বীট-ন'ক'ৰ্টকেছ-ডাইৰেক্ট একচন— এয়া হিন্দী চিনেমাৰ ডায়লগ হ'ব পাৰে, কিন্তু ই এতিয়া জনগণৰ মনে মনে চলি থকা এষাৰি আপোন বাক্য। ইয়াৰে সুযোগ লৈছে ক্ষমতাৰ চকীত বহি থকাসকলে। উদ্দেশ্য, তাৎক্ষণিক ন্যায়প্ৰদানৰ বিনিময়ত জনপ্ৰিয়তা অৰ্জন। জনসাধাৰণ খুচ মানেই চৰকাৰো খুচ। কিমঅধিকমইতি।

ন্যায় প্ৰদানৰ এই প্ৰহসনমূলক অসহনীয় বিলম্বিত ছবিখনৰ বাবে দায়ী কোন? এই লেহেম ন্যায়িক ব্যৱস্থাটো বৃটিছেই ভাৰতত অনাগত ১০০ বছৰলৈ মূৰ দাঙিব নোৱাৰাকৈ প্ৰতিষ্ঠা কৰি থৈ গ'ল। বৃটিছ গ'ল, কিন্তু বৃটিছে ভাৰতীয়ক শাসন কৰিবলৈ প্ৰৱৰ্তন কৰা পদ্ধতিটো আজিকোপতি থাকি গ'ল। স্বৰাজোত্তৰ ভাৰতত ন্যায়িক ব্যৱস্থাৰ কোনো সংশোধনীমূলক কাৰ্যব্যৱস্থা আজিলৈকে লোৱা নহ'ল। সমীক্ষা অনুযায়ী আমাৰ দেশৰ বিচাৰাধীন গোচৰৰ সংখ্য হতাশাজনকভাৱে ৫.৫ কোটিতকৈও অধিক। উচ্চতম ন্যায়ালয়ত এই সংখ্যা ৯০,৮৯৭ৰ ওপৰত। আনহাতে দেশৰ ২৫খন উচ্চ ন্যায়ালয়ত বিচাৰাধীন গোচৰৰ সংখ্যা ৬৩,৬৩,৪০৬। সেইদৰে নিম্ন আদালতসমূহত এনে গোচৰৰ সংখ্যা ৪,৮৪,৫৭,৩৪৩ (এবছৰ আগৰ সমীক্ষা)। এই বিপুলসংখ্যক গোচৰ হয়তো আমাৰ জীৱন কালত সম্পন্ন হোৱাৰ আশা নাই।

ফোন ঃ ৯৮৬৪০৭৫১৯২



চিৰসেউজ এটি নাম, এটি আ�ৱেগ

বহুদিন হ'ল নতুনকৈ জুবিন গার্গৰ গান এটা শুনা নাই। বহুদিন হ'ল কোনো বিতর্কৰ মাজত তেওঁৰ নামটো চর্চালৈ অহা নাই। সেই শেষ নিশালৈ মঞ্চত উপস্থিতি, সংগীতানুষ্ঠান আৰু হাজাৰ হাজাৰ অনু�ৰাগীৰ সৈতে তেওঁৰ অনন্য সংযোগ প্ৰত্যক্ষ কৰা নাই। ষ্টুডিঅ'ত একেৰাহে ব্যস্ত থকা, নতুন সু�ৰৰ সন্ধানত উজাগৰে ৰাতি কটোৱা, সৃষ্টিৰ মাজত নিজকে হেৰুৱাই পেলোৱা জুবিন গার্গক যেন বহুদিন দেখা নাই। আনকি নতুন চিনেমাৰ পৰিকল্পনা, নতুন কাহিনী অথবা নতুন চিন্তাৰ কথাবোৰো তেওঁৰ মুখত শুনিবলৈ পোৱা নাই।

জুবিন গার্গ অসমৰ মানুহৰ আ�ৱেগ, অনুভূতি, অভিমান তথা সাংস্কৃতিক পৰিচয়ৰ সৈতে গভীৰভাৱে জড়িত এক বিশাল সত্তা। তেওঁৰ কণ্ঠত আমি কেতিয়াবা প্ৰেমৰ অনুভূতি বিচাৰি পাইছোঁ, কেতিয়াবা বিৰহৰ বেদনা, কেতিয়াবা জীৱনৰ কঠিন বাস্তৱ, আকৌ কেতিয়াবা সমাজৰ প্ৰতি থকা দায়বদ্ধতা। তেওঁৰ সৃষ্টিশীল পৃথিৱীখনৰ প্ৰতি মানুহৰ আগ্ৰহৰ কোনো সীমা নাছিল। তেওঁ পৰৱৰ্তী সময়ত কি গান গাব, কেনে ধৰণৰ সু�ৰ দিব, কোনটো নতুন বিষয়ক লৈ চিনেমা নির্মাণ কৰিব অথবা সমাজৰ কোনটো দিশক লৈ নিজৰ মত প্ৰকাশ কৰিব— এই প্ৰশ্নবোৰৰ উত্তৰ পাবলৈ অনু�ৰাগীসকল উৎসুক আছিল। তেওঁৰ পৰা মানুহে প্ৰতিবাৰেই আশা কৰিছিল নতুন চিন্তা, নতুন সুৰ আৰু সৃষ্টিৰ জগতলৈ নতুন কিবা এটা সংযোজন।

সেইবাবেই আজিও মনত কিছুমান প্ৰশ্নই নীৰৱে উকমুকাই থাকে। আকৌ কেতিয়াবা শুনিবলৈ পামনে তেওঁৰ কণ্ঠত নতুন গান? মঞ্চত তেওঁৰ সেই উপস্থিতিৰে আকৌ কেতিয়াবা প্ৰাণৱন্ত হৈ উঠিবনে সংগীতৰ পৰিৱেশ? আকৌ কেতিয়া জানিবলৈ পাম তেওঁৰ নতুন চিনেমাৰ কথা? তেওঁৰ আধৰুৱা সৃষ্টিৰ পৰিকল্পনাবোৰৰ বিষয়ে আৰু কিমান কথা জানিবলৈ বাকী থাকিল? এই প্ৰশ্নবোৰৰ উত্তৰ হয়তো সকলোৱে জানে! তথাপি এটা কথা নিশ্চিত যে জুবিন গার্গৰ প্ৰতি মানুহৰ আগ্ৰহ আৰু তেওঁৰ সৈতে জড়িত স্মৃতিবোৰ চিৰসেউজ।

আচলতে এতিয়া অপেক্ষা কেৱল নতুন গানৰ বাবে নহয়; অপেক্ষা সেই সৃষ্টিশীল উন্মাদনা, ব্যতিক্ৰমী কৰ্মব্যস্ততা আৰু সৃষ্টিৰ প্ৰতি থকা দুর্বাৰ হেঁপাহখিনিৰ বাবেও, যিবোৰে জুবিন গার্গক আন সকলোৱে পৰা সুকীয়া কৰি তুলিছিল। তেওঁৰ অনুপস্থিতিয়ে সৃষ্টি কৰা শূন্যতা হয়তো কোনোদিনেই সম্পূর্ণৰূপে পূৰণ নহ'ব। তথাপি তেওঁৰ গান, চিনেমা আৰু স

দৈনিক অসম

গুৱাহাটী, বুধবাৰ, ২৫ নৱেম্বৰ, ২০২৬ | Guwahati, Wednesday, November 25, 2026

৫









সম্প্ৰীতি-সমন্বয়ৰ বাৰ্তাৰে ৰাজ্যজুৰি আৰম্ভ ৰাসোৎসৱ

■ ১৫ দিনীয়া কাৰ্যসূচীৰে ঐতিহাসিক ৰাজহাউলীৰ ৰাস ■ দৰঙৰ দীঘিৰপাৰত ৰাসোৎসৱ মুকলি মন্ত্ৰী জয়ন্তমল্লৰ ■ অনাতাঁৰ শিল্পী ৰুমী শইকীয়াক গোলাঘাটৰ ৰাসত 'লোক-সংস্কৃতিৰ সাধক বঁটা' প্ৰদান ■ নলবাৰীৰ হৰিমন্দিৰৰ ১৩ দিনীয়া ৰাস ■ শুৰালকুছিৰ ৰাসত বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা ■ দুধনৈ-লেহুগাঁৰতোৰাসআৰম্ভ

দৈনিক অসমৰ প্ৰতিনিধি

হাউলী, ২৪ নৱেম্বৰ ঃ বৰপেটা জিলাৰ ঐতিহ্যমণ্ডিত ৰজা চণ্ডী বৰুৱাৰ ৰাজহাউলীত আজি ধৰ্মধ্বজা উত্তোলনেৰে শুভাৰম্ভ হয় ৯৯ সংখ্যক হাউলী ৰাস মহোৎসৱৰ। পোন্ধৰদিনীয়াকৈ অনুষ্ঠিতব্য ৰাস মহোৎসৱক কেন্দ্ৰ কৰি সমগ্ৰ হাউলী অঞ্চলত সৃষ্টি হৈছে এক উৎসৱমুখৰ পৰিৱেশৰ। বৰপেটা সত্ৰৰ বুঢ়াভকত হেমেন দাসে ধৰ্মধ্বজা উত্তোলন কৰি মহোৎসৱৰ আনুষ্ঠানিক শুভাৰম্ভ কৰে। ধৰ্মধ্বজা উত্তোলনৰ পাছতে পৰম্পৰাগত ৰীতি-নীতি অনুসৰি পুৰাৰ পানীতোলা কাৰ্যসূচী সম্পন্ন কৰা হয়। ইয়াৰ পাছতে হেমেন দাসে ৯৯ সংখ্যক হাউলী ৰাস মহোৎসৱৰ পতাকা *১৩ পৃষ্ঠাত চাওক*

পাঠশালা-কমলপুৰত ৰাসোৎসৱ উদ্বোধন ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ

■ ৰবি শস্যৰ খেতি কৰিবলৈ গৈও থমকিবলগীয়া হৈছে কৃষক ■

মাধমাৰ ঃ ছমাহত দুগুণ বৃদ্ধি সাৰৰ দাম

ডিগবৈত পানী যোগান প্ৰকল্প পৰিদৰ্শন বিধায়ক সুৰেন ফুকনৰ

অচিৰেই খোৱাপানী লাভ কৰাৰ আশ্বাস

দৈনিক অসমৰ প্ৰতিনিধি

ডিগবৈ, ২৪ নৱেম্বৰ ঃ স্বাধীনতাৰ পাছৰে পৰা খোৱাপানীৰ সমস্যাত ভুগি থকা ডিগবৈ চহৰবাসীক সকাহ দিয়াৰ উদ্দেশ্যৰে বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰে ৪১ কোটি ৬৮ লাখ ৮০ হাজাৰ টকাৰ ডিগবৈ পানী যোগান প্ৰকল্পটো পলমকৈ হ'লেও পুনৰ ক্ষিপ্ৰগতিত নিৰ্মাণৰ কাম আৰম্ভ কৰিছে। বিশুদ্ধ খোৱাপানী লাভ কৰাৰ সপোন এতিয়া বাস্তৱায়িত হোৱাৰ পথত। অসম নগৰ পানী যোগান আৰু নল-নৰ্দমা ব'ৰ্ডৰ অধীনত ডিগবৈত *১৩ পৃষ্ঠাত চাওক*



ভৰানীপুৰত ঊৰ্দ্ধমুখী ৰাসায়নিক সাৰৰ দাম

দৈনিক অসমৰ প্ৰতিনিধি

সৰুপেটা, ২৪ নৱেম্বৰ ঃ ৰাজ্যত ইতিমধ্যে ৰবিশস্যৰ খেতিৰ বতৰ আৰম্ভ হৈছে। আনহাতে, শালিধান খেতিত আশানুৰূপ উৎপাদন লভিবলৈ সক্ষম নোহোৱা বৃহত্তৰ ভৰানীপুৰৰ পাৰ্শ্ববৰ্তী অঞ্চলসমূহৰ কৃষক ৰাইজে সচৰাচৰ কৰি অহাৰ দৰে এইবেলি ৰবিশস্যৰ খেতিৰে শালি খেতিৰ ক্ষতিপূৰণৰ সপোন দেখিলেও ৰাসায়নিক সাৰৰ অত্যধিক দামবৃদ্ধিয়ে কৃষকসকলৰ সপোন চুৰমাৰ কৰাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। *১৩ পৃষ্ঠাত চাওক*

ৰূপহীহাটত গৰু চুৰিত ব্যৱহৃত বাহন জব্দ

দৈনিক অসমৰ প্ৰতিনিধি

ৰূপহীহাট, ২৪ নৱেম্বৰ ঃ ৰূপহীহাটৰ কাঠপাৰাত গৰু চুৰিকাৰ্যত ব্যৱহৃত এখন বিলাসী বাহন জব্দ কৰে আমবাগান আৰক্ষীয়ে। এ এছ ১১ আৰ ৬৮৫৮ নম্বৰৰ বাহনখন ব্যৱহাৰ কৰি নিশাৰ ভাগত বিভিন্ন অঞ্চলৰ গৃহস্থৰ গোহালিৰ পৰা গৰু চুৰ কৰি সৰবৰাহ কৰি অহাৰ সন্দেহ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। জানিব পৰা মতে, গৰু নমাই বাহনখন নলাৰ কাষত ধুবলৈ অনাৰ সময়তে আমবাগান আৰক্ষীয়ে বাহনখন জব্দ কৰে। আৰক্ষীৰ উমান পাই বাহনখন এৰি ঘটনাস্থলীৰ পৰা পলায়ন কৰে চোৰৰ দলটোৱে। *১৩ পৃষ্ঠাত চাওক*





জোনাইৰ ৰাজপথত গজৰাজৰ আগভেটা

কথমপি প্ৰাণৰক্ষা পৰিল মহিলাসহ বাইক আৰোহীৰ

৫১৫ নং ফ'ৰলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত ডিভাইডাৰৰ বেৰিকেড আঁতৰোৱাৰ দাবী টি এম পি কেৰ ঃ মৰঙিত অব্যাহত বন্যহস্তীৰ সন্ত্ৰাস

দৈনিক অসমৰ প্ৰতিনিধি

জোনাই, ২৪ নৱেম্বৰ ঃ জোনাইত বন্যহস্তীৰ বিচৰণে পুনৰ আতংকৰ সৃষ্টি কৰিছে। প্ৰস্তাৰিত পৰা বন্যপ্ৰাণী অভয়াৰণ্যৰ লেকু বিটৰ সমীপত *১৩ পৃষ্ঠাত চাওক*



পাঠশালা প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠা দিৱসত ডঃ মৃণাল কলিতা

আমি দৈনিক ৩০ মিনিট সময় কিতাপৰ নামত দিয়া উচিত



দৈনিক অসমৰ প্ৰতিনিধি

ৰজালী, ২৪ নৱেম্বৰ ঃ 'সত্যনাথ ৰৱাই কৈছিল যে গ্ৰন্থ অধ্যয়নৰ জৰিয়তে দূৰৈৰ মাণিক হাততে পোৱা যায়। সাম্প্ৰতিক সময়ত গ্ৰন্থ অধ্যয়নৰ তাৎপৰ্য বিশ্লেষণ কৰিবলৈ হ'লে, এই *১৩ পৃষ্ঠাত চাওক*



প্ৰাক্তন সেনা জোৱান দিগন্ত লইঙৰ মৃত্যু

মহুৰামুখত শোকৰ ছাঁ

দৈনিক অসমৰ প্ৰতিনিধি

মহুৰামুখ, ২৪ নৱেম্বৰ ঃ বোকাখাত সমজিলাৰ কমাৰগাঁও থানাৰ অন্তৰ্গত নামটেমেৰা গাঁৱৰ ৰবিন লইং আৰু পঞ্চৱতী লইঙৰ পঞ্চম পুত্ৰ তথা প্ৰাক্তন সেনা জোৱান দিগন্ত লইঙ (৪০)ৰ মৃত্যু হয়। জানিব পৰা মতে, লইং কেইবাদিনো ধৰি জটিল ৰোগত আক্ৰান্ত হৈ *১৩ পৃষ্ঠাত চাওক*

ডিগবৈত উদ্ধাৰ পশ্চিমবংগৰ নিৰুদ্দিষ্ট যুৱক

দৈনিক অসমৰ প্ৰতিনিধি

ডিগবৈ, ২৪ নৱেম্বৰ ঃ ছবছৰ ধৰি পশ্চিমবংগৰ পৰা নিখোঁজ হৈ থকা এজন যুৱক অৱশেষত ডিগবৈত উদ্ধাৰ হৈছে। মহামাৰী কোভিড-১৯ৰ লক্‌ডাউনৰ সময়ৰে পৰা চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ পুৰুলীয়া জিলাৰ বঘুনাথপুৰ থানা এলেকাৰ অন্তৰ্গত *১৩ পৃষ্ঠাত চাওক*

কমলপুৰত শোক

যুৱ ব্যৱসায়ী ৰাহুল আমিনৰ অকাল বিয়োগ



দৈনিক অসমৰ প্ৰতিনিধি

কমলপুৰ, ২৪ নৱেম্বৰ ঃ এসময়ত বৃহত্তৰ কমলপুৰ অঞ্চলক নেতৃত্ব দি অহা এগৰাকী উচ্চ শিক্ষিত যুৱক ৰাহুল আমিনৰ অকাল বিয়োগত অঞ্চলজুৰি শোকৰ ছাঁ পৰে। এগৰাকী বলিষ্ঠ কণ্ঠৰ অধিকাৰী, ইংৰাজী বিষয়ৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী, কটন বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ৰাহুল আমিন এগৰাকী বহুমুখী প্ৰতিভাৰ *১৩ পৃষ্ঠাত চাওক*

চৰাইদেউ জিলা ভিত্তিত আন্তঃশিক্ষানুষ্ঠান কুইজ

দৈনিক অসমৰ প্ৰতিনিধি

মাহমৰা, ২৪ নৱেম্বৰ ঃ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ চৰাইদেউ জিলা সমিতিৰ উদ্যোগত চুকাফা দিৱসৰ লগত সংগতি ৰাখি ২ ডিচেম্বৰত দিনৰ ১.৩০ বজাৰ পৰা সোণাৰিৰ ভগৰতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰ প্ৰাংগনত চৰাইদেউ জিলাভিত্তিত আন্তঃশিক্ষানুষ্ঠান *১৩ পৃষ্ঠাত চাওক*

■ শিখ ধৰ্মীয় ভক্তিমূলক গীতেৰে জীপাল গুৰুদ্বাৰ ■

নগাঁও-যোৰহাটত গুৰু নানকৰ ৫৫৭ সংখ্যক জয়ন্তী পালন



দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

নগাঁও, ২৪ নৱেম্বৰ ঃ শিখ ধৰ্মৰ প্ৰৱৰ্তক গুৰু নানকৰ ৫৫৭ সংখ্যক জয়ন্তী আজি বৰকলা গাঁৱৰ শিখ ধৰ্মাৱলম্বী লোকসকলে উলহ-মালহেৰে কেন্দ্ৰীয় গুৰুদ্বাৰত উদ্‌যাপন কৰে। তদুপলক্ষে বৰকলাৰ কেন্দ্ৰীয় গুৰুদ্বাৰত 'গ্ৰন্থ চাহেবজী'ৰ অখণ্ড পাঠৰ লগতে যোৱা এসপ্তাহ ধৰি পুৱা প্ৰভাত ফেৰী কৰা *১৩ পৃষ্ঠাত চাওক*

পৰম্পৰা জীয়াই ৰখাৰ প্ৰয়াস ৰক ফোৰ্ড একাডেমীৰ

বৰভাগত মহোহো উৎসৱ পালন

দৈনিক অসমৰ প্ৰতিনিধি

বৰভাগ, ২৪ নৱেম্বৰ ঃ নলবাৰী জিলাৰ বৰভাগৰ ৰক ফোৰ্ড একাডেমীৰ উদ্যোগত নামনি অসমৰ লোক-উৎসৱ মহোহো পালন কৰা হয়। ব্যতিক্ৰমি পদক্ষেপেৰে তামোল-পাণ আৰু শৰাই লৈ জ্যেষ্ঠজনক শ্ৰদ্ধাৰে সেৱা লোৱা, লগতে মহোহো (মহ খেদা)ৰ দৰে পৰম্পৰাগত হেৰাই যাবলৈ ধৰা অসমীয়া *১৩ পৃষ্ঠাত চাওক*



পঞ্জাব নেছানেল বেংক punjab national bank ...the name you can BANK upon!
...भरोसे का प्रतीक !

চক্ৰ কাৰ্যালয়, গুৱাহাটী (ডি.নং ৩৭৯৬০০), নীলগিৰি মেনচন, প্ৰথম মহলা, ভঙাগড়, জি.এছ. ৰোড, গুৱাহাটী- ৭৮১০০৫। ই-মেইলঃ coguwsamd@pnb.co.in

নিলামৰ প্ৰসংগ নংঃ CO-SAM /AUCTION/Q3/07/2026-2027 | দিনাংক ঃ ২৪.১১.২০২৬

স্থাবৰ/অস্থাবৰ সম্পত্তিৰ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী

বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ বলবৎকৰণ আইন, ২০০২ৰ সৈতে আমানত সুদ (বলবৎকৰণ) নিয়মাবলী ২০০২ৰ নিয়ম ৮(৬)ৰ অধীনত স্থাবৰ সম্পত্তিৰ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী।

ইয়াৰ দ্বাৰা জনসাধাৰণক সাধাৰণভাৰে আৰু বিশেষকৈ ঋণী (সকলক)/অংশীদাৰ(সকলক)/স্বত্বাধিকাৰী(সকলক)/বন্ধকদাৰ(সকলক) আৰু জামিনদাৰ(সকলক) জাননী দিয়া হৈছে যে ছিকিউৰ্ড ক্ৰেডীটৰ ওচৰত বন্ধকীকৃত/নিৰিখিত নিম্ন উল্লিখিত স্থাবৰ সম্পত্তিসমূহৰ বেংক/ছিকিউৰ্ড ক্ৰেডীটৰৰ অনুমোদিত বিষয়াৰ দ্বাৰা নিৰ্মাণমূলক/কায়িক/প্ৰতীকী অধিগ্ৰহণ কৰা হৈছে আৰু সংশ্লিষ্ট ঋণী (সকল) আৰু জামিনদাৰ (সকল)ৰ পৰা বেংক/ছিকিউৰ্ড ক্ৰেডীটৰৰ বকেয়া ধন পুনৰ আদায়ৰ বাবে "য'ত আছে ততে", "যি আছে সেই" আৰু "যেনে আছে তেনেই" নিম্ন তালিকাত উল্লিখিত তাৰিখত বিক্ৰী কৰা হ'ব। প্ৰতিটো সম্পত্তিৰ বাবে সংৰক্ষিত মূল্য আৰু আমানত ধন জমাৰ পৰিমাণ তলত উল্লেখ কৰা তালিকা মতে হ'ব।

সুৰক্ষিত সম্পদসমূহৰ সূচী

ক্ৰ নং	শাখাৰ নাম / একাউন্টৰ নাম / ঋণী আৰু জামিনদাৰৰ নাম আৰু ঠিকনা	বন্ধকী থকা স্থাবৰ সম্পত্তিৰ বিবৰণ/গৰাকীৰ নাম (সম্পত্তি সমূহৰ বন্ধকদাতা)	ক) চাৰফেইচী (SARFAESI) আইন ২০০২ৰ ধাৰা ১৩(২) ৰ অধীনত দাবী জাননীৰ তাৰিখ খ) পাবলগীয়া ধন গ) চাৰফেইচী (SARFAESI) আইন ২০০২ৰ ধাৰা ১৩(৪) ৰ অধীনত দখলীকৰণৰ তাৰিখ ঘ)দখলীকৰণৰ ধৰণ প্ৰতীকী/কায়িক/নিৰ্মাণমূলক	ক) সংৰক্ষিত মূল্য (টকা লাখত) খ) ই এম ডি (ইএমডি জমা দিয়াৰ শেষ তাৰিখ) গ) ডাক বৃদ্ধিৰ পৰিমাণ	ই-নিলামৰ তাৰিখ/সময়	চিকিউৰ্ড ক্ৰেডিটৰৰ জ্ঞাত দায়বদ্ধতাৰ বিবৰণ
১	শাখা কাৰ্যালয় ঃ বেলতলা (৪৫৯০০০) আৰু শাখা কাৰ্যালয় ঃ জু ৰোড (১৯০৭০০) মেছাৰ্ছ অসম মেঘালয় ৰোড ছাৰ্ভিচেছ (স্বত্বাধিকাৰী শ্ৰী প্ৰিন্স সিঙৰ জৰিয়তে) (ঋণী), বাসস্থান ঃ মাৰফং নিৰ্মল সিং, কালী মন্দিৰ পথ, ইণ্টাৰনেচেনেল স্কুলৰ ওচৰত, নলাপাৰা সাউকুচি, কামৰূপ (মহানগৰ), অসম-৭৮১০৪০, জিলা ঃ কামৰূপ (মহানগৰ), অসম। আৰু শ্ৰীমতী ৰমিন্দৰ কৌৰ (জামিনদাৰ), বাসস্থান ঃ মাৰফং নিৰ্মল সিং, কালী মন্দিৰ পথ, ইণ্টাৰনেচেনেল স্কুলৰ ওচৰত, নলাপাৰা সাউকুচি, কামৰূপ (মহানগৰ), অসম-৭৮১০৪০, জিলা ঃ কামৰূপ (মহানগৰ), অসম।	শ্ৰীমতী ৰমিন্দৰ কৌৰ নামত থকা গুৱাহাটীৰ সৰুসজাই, কালী মন্দিৰ ৰোড, ইণ্টাৰনেচেনেল স্কুলৰ ওচৰত অবস্থিত ০৫ কঠা ১৯.৯ লেচা পৰিমাণৰ বাণিজ্যিক সম্পত্তিৰ সমতা বন্ধক, যাৰ পট্টা নং- ৫৩৫, দাগ নং- ২৩৯ আৰু চাৰিসীমা ঃ উত্তৰে ঃ বাই লেণ্ডৰ পিছত ইণ্টাৰনেচেনেল স্কুল, দক্ষিণে ঃ মেজৰ সিং আৰু অন্যান্যৰ ভূমি, পূবে ঃ কালী মন্দিৰ ৰোড, পশ্চিমে ঃ অন্যান্যৰ ভূমি। উপৰোক্ত সম্পত্তিটো মেছাৰ্ছ অসম মেঘালয় ৰোড ছাৰ্ভিচেছৰ অনাদায়ী ঋণ (এনপিএ) হিচাপসমূহৰ বিপৰীতে ৯,০০,৪০,০৮৭.৫৮ টকা (ন কোটি চল্লিশ হাজাৰ সাতাশী টকা আৰু আঠাৰৱ পইচা মাত্ৰ) পৰৱৰ্তী সুত/মাচুল আদি সুৰক্ষিত কৰাৰ বাবে বন্ধক ৰখা হৈছে, যিটো ২৮.০৮.২০২৬ তাৰিখে পৃথকে জাৰি কৰা দাবী জাননী অনুসৰি প্ৰযোজ্য। একে সম্পত্তিটো বন্ধকৰ সম্প্ৰসাৰণৰ জৰিয়তে শ্ৰীমতী ৰমিন্দৰ কৌৰৰ ঋণ হিচাপৰ বিপৰীতেও বন্ধক ৰখা হৈছে। যিহেতু দুয়োটা ঋণ হিচাপৰ বাবে একেটা সম্পত্তি বন্ধক ৰখা হৈছে, সেয়েহে এই বিক্ৰী জাননীত সংৰক্ষিত মূল্য আৰু সম্পত্তিৰ বিৱৰণ একে।	ক) ৯,১৪,৯৫,৬২৫.০০ টকা খ) ৯১,৪৯,৫৬,২৫০/- টকা (২৮.১২.২০২৬ তাৰিখে বিয়লি ৪ বজালৈকে) গ) ০.৫০ লাখ টকা	দিনাংক ঃ ২৯.১২.২০২৬ সময় ঃ পুৱা ১১:০০ বজাৰ পৰা সন্ধিয়া ০৪.০০ বজালৈ	বেংকৰ জ্ঞাত নহয়
২	শাখা কাৰ্যালয় ঃ বেলতলা (৪৫৯০০০) শ্ৰীমতী ৰমিন্দৰ কৌৰ (ঋণী), বাসস্থান ঃ মাৰফং নিৰ্মল সিং, কালী মন্দিৰ পথ, ইণ্টাৰনেচেনেল স্কুলৰ ওচৰত, নলাপাৰা সাউকুচি, কামৰূপ (মহানগৰ), অসম-৭৮১০৪০, জিলা ঃ কামৰূপ (মহানগৰ), অসম।		ক) ০৭.০৯.২০২৬ খ) ২৯.০৮.২০২৬ তাৰিখলৈকে ২১,৯২,২৭৩.০৩ টকা আৰু ৩০.০৮.২০২৬ তাৰিখৰ পৰা পৰৱৰ্তী সুত আৰু ইয়াৰ ওপৰত অন্যান্য মাচুল প্ৰযোজ্য। গ) ১০.১১.২০২৬ ঘ) প্ৰতীকী দখল।			

ই-নিলাম বিক্ৰীৰ নিয়ম আৰু চৰ্তাবলী

বিক্ৰী প্ৰতিভূতি স্বাৰ্থ (বলবৎকৰণ) নিয়মাবলী, ২০০২ অধীনত উল্লিখিত নিয়মসমূহ আৰু তলত দিয়া অতিৰিক্ত চৰ্তাবলীসমূহৰ ওপৰত ভিত্তি কৰি কৰা হ'বঃ

১. সম্পত্তিসমূহ "য'ত আছে ততে", "যি আছে সেই" আৰু "যেনে আছে তেনে" এই ভিত্তিত বিক্ৰী কৰা হ'ব।

২. ওপৰত উল্লেখিত অনুসূচীত দিয়া সুৰক্ষিত সম্পত্তিসমূহৰ বিৱৰণ অনুমোদিত বিষয়াজনে তেওঁৰ উপলব্ধ সৰ্বোচ্চ তথ্যৰ আধাৰত উল্লেখ কৰিছে, কিন্তু এই ঘোষণা বা প্ৰচাৰণাত কোনো ভুল, ভুল বিৱৰণ বা কোনো তথ্য বাদ পৰিলে তাৰ বাবে অনুমোদিত বিষয়াজন দায়ী নহ'ব।

৩. বিক্ৰীটো নিম্নস্বাক্ষৰকাৰীৰ দ্বাৰা **https://baanknet.com** ৰেবছাইটত উপলব্ধ ই-নিলাম প্লেটফৰ্মৰ মাধ্যমেৰে ২৯.১২.২০২৬ তাৰিখে লট নং ১ আৰু ২ ৰ বাবে পুৱা ১১.০০ বজাৰ পৰা বিয়লি ০৪.০০ বজালৈ সম্পন্ন কৰা হ'ব।

৪. বিক্ৰী সংক্ৰান্তীয় বিস্তৃত নিয়ম আৰু চৰ্তাবলীসমূহ জানিবলৈ অনুগ্ৰহ কৰি **https://baanknet.com** ৰেবছাইটটো চাওক।

৫. অনুমোদিত বিষয়াজন বা বেংকে সম্পত্তি (ই-নিলাম)ৰ ক্ষেত্ৰত বেংকৰ অজ্ঞাত যিকোনো চৰকাৰী দাবী, কৰ, লিয়েন, বন্ধক, দায়বদ্ধতা বা আন কোনো পাওনা ধনৰ বাবে দায়ী নহ'ব। নিলামত অংশগ্ৰহণ কৰিব ইচ্ছুক বিডাৰসকলক সম্পত্তিৰ ওপৰত থকা সম্ভাব্য সকলো দায়বদ্ধতা, ৰৈধ বকেয়া, সম্পত্তি কৰ, বিদ্যুৎ মাচুল আদি সম্পৰ্কে নিজাববীয়াকৈ অনুসন্ধান কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

৬. অনুমোদিত বিষয়াজনে যিকোনো বিড গ্ৰহণ বা সকলো বিড প্ৰত্যাখ্যান কৰাৰ, যদি সেয়া গ্ৰহণযোগ্য নহয়, অথবা কোনো কাৰণ উল্লেখ নকৰাকৈ যিকোনো সময়তে নিলাম স্থগিত, বাতিল, মুলতুবি, বন্ধ বা নিলামৰ চৰ্তাবলী সংশোধন/পৰিবৰ্তন কৰাৰ সম্পূৰ্ণ অধিকাৰ সংৰক্ষণ কৰে আৰু এই সম্পৰ্কে তেওঁৰ সিদ্ধান্ত চূড়ান্ত হ'ব।

৭. বিড দাখিল কৰাৰ পূৰ্বে সম্পত্তিখনৰ অৱস্থা আৰু বিৱৰণ সম্পৰ্কে নিজে পৰিদৰ্শন কৰি সম্পূৰ্ণ সন্তুষ্ট হোৱাটো বিডাৰসকলৰ দায়িত্ব হ'ব। আগ্ৰহী বিডাৰে প্ৰদান কৰা বিৱৰণ অনুসৰি দায়িত্বপ্ৰাপ্ত বেংক বিষয়াৰ সৈতে যোগাযোগ কৰি সম্পত্তি পৰিদৰ্শন কৰিব পাৰিব।

৮. ওপৰত উল্লেখিত অনুসূচীত দিয়া সুৰক্ষিত সম্পত্তিসমূহৰ বিৱৰণ অনুমোদিত বিষয়াজনে তেওঁৰ উপলব্ধ সৰ্বোচ্চ তথ্যৰ আধাৰত উল্লেখ কৰিছে, কিন্তু এই ঘোষণা/প্ৰচাৰণাত কোনো ভুল, ভুল বিৱৰণ বা কোনো তথ্য বাদ পৰিলে তাৰ বাবে অনুমোদিত বিষয়াজন দায়ী নহ'ব।

তাৰিখ ঃ ২৪.১১.২০২৬
স্থান ঃ গুৱাহাটী

অনুমোদিত বিষয়া,
পাঞ্জাব নেচনেল বেংক, ছিকিউৰ্ড ক্ৰেডিটৰ

ধৰা নপৰালৈকে কোনো

নৱনিযুক্ত কনিষ্টবল আৰু যোগাযোগ শাখাৰ কেডেট উপ-পৰিদৰ্শকসকলৰ দীক্ষান্ত সমাৱোহৰ প্ৰশিক্ষার্থীসকলৰ পেৰেডৰ অভিবাদন গ্ৰহণ কৰে। দীক্ষান্ত সমাৱোহত অংশগ্ৰহণ কৰি সংবাদ মাধ্যমৰ সন্মুখত কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায় ডঃ শৰ্মাই। কোকৰাঝাৰত কালি দুগৰাকী জ্যেষ্ঠ আৰক্ষী বিষয়াৰ মাজত সংঘটিত কাজিয়া সন্দৰ্ভতো প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে বিষয়টোক ব্যক্তিগত বিবাদ বুলি অভিহিত কৰে। ব্যক্তিগত বিবাদত চৰকাৰে হস্তক্ষেপ নকৰে বুলিও তেওঁ উল্লেখ কৰে। আনহাতে এছ আই আৰ আৰু শুদ্ধ এন আৰ চিৰ বাবে পোষকতা মুখ্যমন্ত্ৰীৰ। অসমৰ ভৱিষ্যৎ সুৰক্ষাৰ স্বাৰ্থত এছ আই আৰ আৰু এখন শুদ্ধ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এন আৰ চি)ৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে মুখ্যমন্ত্ৰীয়ে। এইক্ষেত্ৰত বিজেপি আৰু আছুৰ মাজত কোনো পাৰ্থক্য নাই বুলিও তেওঁ মন্তব্য কৰে। যোৰহাটৰ জিলা পৰিবহন বিষয়াক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিতৰ্ক সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয় যে বিষয়াগৰাকীয়ে নিজৰ দায়িত্ব পালন কৰিছে। প্ৰশাসনৰ লোকসকলে দায়িত্ব পালন কৰোঁতে সাৱধানতা অৱলম্বন কৰিব লাগিব। কোনো বিষয়াক কাম কৰিবলৈ যাওঁতে নিলম্বন কৰিলে আন বিষয়াসকলৰ মাজতো কাম কৰাৰ ক্ষেত্ৰত অনীহা সৃষ্টি হ'ব পাৰে বুলি তেওঁ মন্তব্য কৰে। বিষয়টোক লৈ সৈন্যবাহিনীৰ ওচৰত দুখ প্ৰকাশ কৰা হৈছে আৰু ইয়াৰ পৰিসমাপ্তি ঘটিছে বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। আনহাতে, শিৰচান্দ হাতীবৰুৱা সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয় যে কোনো ব্যক্তিয়ে অপৰাধ কৰিলে তাৰ বাবে সমগ্ৰ ৰাজনৈতিক দলটোক জগৰীয়া কৰিব নোৱাৰি। অপৰাধী বুলি প্ৰমাণিত নোহোৱালৈকে কাৰোবাক অপৰাধী বুলি কোৱাটো উচিত নহয়। আৰক্ষীয়ে গ্ৰহণ কৰা ব্যৱস্থাসমূহ ৰাইজে প্ৰত্যক্ষ কৰি আছে বুলিও তেওঁ মন্তব্য কৰে। শিৰচান্দ হাতীবৰুৱা প্ৰায়বোৰ বিহুতেই মুখ্য অতিথি আছিল। ইপিনে বিজেপি নেতাৰ লগত তেওঁ ফটো উঠা সম্পৰ্কত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়— 'মোৰ লগতে দিনটোত এহেজাৰ ফটো উঠে। বিজেপি এটা পুলিচ পাৰ্টী নহয়। ধৰা নপৰালৈকে কোনো ব্যক্তিক অপৰাধী বুলি ক'ব নোৱাৰি।' সমাৱোহত মুখ্যমন্ত্ৰীয়ে নৱনিযুক্ত আৰক্ষীসকলক নিষ্ঠা, সাহস, সততা আৰু সেৱাৰ মনোভাৱেৰে দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। নতুন নিযুক্তি, আধুনিক প্ৰশিক্ষণ আৰু অত্যাধুনিক অভিযানকাৰী গোটৰ সংযোজনে অসম আৰক্ষীক অধিক শক্তিশালী কৰাৰ লগতে ৰাজ্যবাসীৰ নিৰাপত্তা সুনিশ্চিত কৰাত বিশেষ ভূমিকা পালন কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। আনহাতে মিচিং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত দেৰগাঁও সমষ্টিৰ বিধায়ক মৃদুল দত্তই বিশেষ এগৰাকী ব্যক্তিৰ হৈ নিৰ্বাচনী প্ৰচাৰ কৰা বুলি টি এম পিকেই অভিযোগ কৰা সন্দৰ্ভত মুখ্যমন্ত্ৰী কয় যে স্বাধীন দেশত প্ৰতিজন ব্যক্তিয়ে নিৰ্বাচনী প্ৰচাৰ চলাব পাৰে। বিধায়কজনেও পাৰে, কিয়নো ইয়াত কোনো প্ৰতীক চিহ্ন নাই।

১৬ ডিচেম্বৰত স্বদেশলৈ কৰিব

তেওঁ দেশখনৰ তাৰিক ৰহমান নেতৃত্বৰ বৰ্তমানৰ চৰকাৰক বিমান প্ৰেৰণৰ বাবে দাবী জনাইছে। সংবাদ প্ৰতিষ্ঠান 'ৰয়টার্ছ'ৰ বাতৰি অনুসৰি হাছিনাৰ মুখপাত্ৰ চৈয়দ মোজাম্মিল আলীয়ে আজি সদৰি কৰে যে হাছিনাই চৰকাৰী এয়াৰলাইনৰ বিমানৰ জৰিয়তে ঢাকালৈ উভতিব বাচিবিছে। উল্লেখ্য যে ১৬ ডিচেম্বৰৰ দিনটো বাংলাদেশৰ বাবে বিশেষভাৱে তাৎপৰ্যপূৰ্ণ। ১৯৭১ চনৰ ১৬ ডিচেম্বৰত বাংলাদেশে পাকিস্তানৰ বিৰুদ্ধে মুক্তি সংগ্ৰামত বিজয়ী হৈছিল। পাকিস্তানৰ সেনাই ভাৰতীয় সেনা আৰু মুক্তি বাহিনীৰ সন্মুখত আত্মসমৰ্পণ কৰিছিল। সেই দিনটোতে হাছিনাই স্বদেশলৈ প্ৰত্যাৱৰ্তনৰ ইচ্ছা ব্যক্ত কৰাটো তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে। হাছিনাৰ মুখপাত্ৰ চৈয়দ মোজাম্মিল আলীয়ে লগতে কয় যে ২০২৪ চনৰ ৫ আগষ্টত যিখন বিমানেৰে হাছিনাক ভাৰতলৈ লৈ অহা হৈছিল, সেইদৰে চৰকাৰী বিমানৰ জৰিয়তে তেওঁক স্বদেশলৈ ঘু�ৰাই লৈ যোৱা উচিত। হাছিনাক সংবিধানৰ বিৰুদ্ধে গৈ দেশৰ বাহিৰলৈ পঠিয়াই দিয়া বুলি অভিযোগ কৰি তেওঁ কয় যে অনুৰূপ ধৰণে তেওঁক স্বদেশলৈ ঘু�ৰাই নিয়াটো চৰকাৰৰ দায়িত্ব। ইফালে, হাছিনাৰ প্ৰত্যাৱৰ্তনৰ চৰ্চাক লৈ উত্তাল হৈ পৰিছে সমগ্ৰ বাংলাদেশ। চৰকাৰে ইতিমধ্যে শ্বেখ হাছিনা নেতৃত্বৰ আৱামী লীগৰ বিৰুদ্ধে বিভিন্ন নিষেধাজ্ঞা আৰোপ কৰিছে আৰু দলটোক নিষিদ্ধ সন্ত্ৰাসবাদী দল হিচাপে ঘোষণা কৰিছে। ইফালে, আৱামী লীগে আহ্বান জনোৱা দেশজোৰা লক্‌ডাউনক কেন্দ্ৰ কৰি সমগ্ৰ বাংলাদেশত ব্যাপক হিংসা আৰু উত্তেজনা বিৰাজ কৰিছে। ইফালে, বাংলাদেশৰ বৰ্তমান চৰকাৰে হাছিনাৰ প্ৰত্যাৱৰ্তনক স্বীকাৰ কৰা নাই। চৰকাৰে তেওঁ ১৬ ডিচেম্বৰত ঘুৰি যোৱাৰ বাবে কৰা আবেদন খাৰিজ কৰিছে। চৰকাৰে কৈছে যে ভাৰতে প্ৰত্যৰ্পণ কৰাৰ পাছত হাতকেৰেয়া লগাইহে তেওঁক ঘুৰাই অনাটো সম্ভৱ। দেশখনৰ বিদেশ মন্ত্ৰণালয়ৰ ৰাজ্যমন্ত্ৰী হুমায়ুন কবীৰে সংবাদ মাধ্যমৰ আগত কয় যে হাছিনা পলাতক সন্ত্ৰাসবাদী আৰু দোষী অপৰাধী। তেওঁ কয়— বাংলাদেশৰ জনগণে সন্ত্ৰাসবাদক এটা ৰূপতেই চিনি পায়, সেয়া হৈছে শ্বেখ হাছিনাৰ পৃষ্ঠপোষকতাত গঢ় লৈ উঠা আৱামী সন্ত্ৰাসবাদ। ইফালে, হাছিনাক আশ্ৰয় দিয়াক কেন্দ্ৰ কৰি ভাৰতৰ বিৰুদ্ধেও সৰৱ হৈ উঠিছে দেশখনৰ একাংশ নেতা। বাংলাদেশৰ নেচনেল চিটীজেন পাৰ্টীৰ মুৰব্বী তথা সাংসদ নাহিদ ইছলামে হাছিনাক আশ্ৰয় দিয়াৰ বাবে ভাৰতৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। তেওঁ কয় যে ভাৰতে এগৰাকী হত্যাকাৰীক নিজৰ ভূমিত আশ্ৰয় দিছে আৰু ভাৰতৰ ভূমিৰ পৰা বাংলাদেশবিৰোধী কাম-কাজ চলাই থকা হৈছে। তেওঁ অভিযোগ কৰে যে ভাৰতত থকা প্ৰাক্তন প্ৰধানমন্ত্ৰী হাছিনাক ৰাজনৈতিক গতি-বিধি অব্যাহত ৰখাৰ সুযোগ দিয়া হৈছে। তেওঁ ভাৰতৰ বিৰুদ্ধে ৰাজনৈতিক দলসমূহক একত্ৰিত হ'বলৈও আহ্বান জনায়। মন কৰিবলগীয়া যে ২০২৪ চনৰ ৫ আগষ্টত গণঅভ্যুত্থানৰ ৰোষৰ পৰা ৰক্ষা পৰিবলৈ ভাৰততে আশ্ৰয় লৈছিল প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে। তেওঁৰ বিৰুদ্ধে ইতিমধ্যে দেশখনত ১৫০টাৰো অধিক গোচৰ ৰুজু কৰা হৈছে আৰু তেওঁক মৃত্যুদণ্ডও বিহিছে দেশখনৰ আদালতে। এনে পৰিপ্ৰেক্ষিতত দেশলৈ প্ৰত্যাৱৰ্তনৰ পাছত শ্বেখ হাছিনাৰ ভৱিষ্যৎ কি হ'ব, সেয়া অনিশ্চিত হৈ পৰিছে।

মাংগলিক অনুষ্ঠানত দুই শীৰ্ষ

মাজত হোৱা হতাহতিৰ ঘটনাই আৰক্ষী মহলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, যোৱা শনিবাৰৰ মাজনিশা সংঘটিত এই হতাহতিত উপ-আৰক্ষী মহাপৰিদৰ্শক ৰাই টি গেটছুৰ প্ৰহাৰত আঘাতপ্ৰাপ্ত হৈছে জ্যেষ্ঠ আৰক্ষী অধীক্ষক অক্ষত গাৰ্গ। ঘটনাৰ বিৱৰণি অনুসৰি কোকৰাঝাৰ জিলাৰ চৰাইখোলাস্থিত সপ্তম আৰক্ষী বেটেলিয়নৰ ছাউনীত জ্যেষ্ঠ আৰক্ষী অধীক্ষক অক্ষত গাৰ্গে এক বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছিল। গাৰ্গৰ পত্নীৰ 'গোড ভৰাই' অনুষ্ঠান উপলক্ষে আয়োজন কৰা এই কাৰ্যসূচীলৈ বহুসংখ্যক উচ্চপদস্থ আৰক্ষী বিষয়াক আমন্ত্ৰণ জনোৱা হৈছিল। সেইমৰ্মেই উক্ত অনুষ্ঠানত উপস্থিত হৈছিল উপ-আৰক্ষী মহাপৰিদৰ্শক ৰাই টি গেটছু। মাজনিশা অনুষ্ঠানৰ মাজতে হঠাৎ গেটছু আৰু গাৰ্গৰ মাজত কোনো বিষয়ক লৈ মতানৈক্য ঘটে আৰু পৰৱৰ্তী সময়ত এই সংঘাত হতাহতিত পৰিণত হয়। ডি আই জি গেটছুৰ প্ৰহাৰত আহত হয় জ্যেষ্ঠ আৰক্ষী অধীক্ষক অক্ষত গাৰ্গ। অভিযোগ অনুসৰি এই ঘটনাৰ সময়ত সু�ৰাৰ ৰাগীত মাতাল হৈ আছিল উপ-মহাপৰিদৰ্শক ৰাই টি গেটছু। শনিবাৰে নিশা সংঘটিত হোৱা এই ঘটনাই আৰক্ষী বেটেলিয়নৰ ছাউনীত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। দুয়োগৰাকী জ্যেষ্ঠ আৰক্ষী বিষয়াৰ মাজত হোৱা এই সংঘাতৰ বিষয়ে নিশাই আৰক্ষীৰ শীৰ্ষ মহল অৱগত হয়। অৱশ্যে ঘটনা সংক্ৰান্তত বিভাগীয় তদন্তৰ নিৰ্দেশ দিয়াৰ পৰিৱৰ্তে আৰক্ষীৰ শীৰ্ষ মহলে দুই বিষয়াৰ মতানৈক্য দূৰ কৰাৰ বাবে আই পি এছ বিষয়া সুৰেন্দ্ৰ কুমাৰক সেই স্থানলৈ প্ৰেৰণ কৰে। অৱশ্যে শনিবাৰে মাজনিশা কি কাৰণে দুয়োগৰাকী বিষয়াৰ মাজত সংঘাতৰ সৃষ্টি হয় সেয়া এতিয়াও ৰাজহুৱা কৰা হোৱা নাই। লক্ষণীয় যে ৰাজহুৱা স্থানত আৰক্ষীৰ তলৰ পৰ্যায়ৰ কৰ্মচাৰীসকলৰ এনে ধৰণৰ ঘটনা পোহৰলৈ আহিলেই বিভাগীয় তদন্তকে ধৰি বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হৈ আহিছে। তেনে পৰিপ্ৰেক্ষিতত দুগৰাকী শীৰ্ষ আৰক্ষী বিষয়াৰ এনে কাণ্ডক অসম আৰক্ষীৰ শীৰ্ষ মহলে কিধৰণে গ্ৰহণ কৰে, সেয়া লক্ষণীয় হ'ব। অৱশ্যে দুই আৰক্ষী বিষয়াৰ মাজত হোৱা এই ঘটনাক এখন সম্পূৰ্ণ ব্যক্তিগত কাজিয়া বুলি অভিহিত কৰিছে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। আজি এটা অনুষ্ঠানত অংশগ্ৰহণৰ পাছত সংবাদ মাধ্যমৰ সন্মুখত এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ডঃ শৰ্মাই কয় যে এয়া এক সম্পূৰ্ণ ব্যক্তিগত কাজিয়া। আৰক্ষীৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। এটা ব্যক্তিগত অনুষ্ঠানত দুজন মানুহৰ মাজত কাজিয়া হৈছে। আমাৰ ক'বলগীয়া, কৰিবলগীয়া একো নাই। আমাৰো কেতিয়াবা কাজিয়া-পেচাল হৈ থাকে। কৰ্তব্যত থকাৰ সময়ত হ'লহেঁতেন আমি কিবা ক'লোঁহেঁতেন, কিন্তু এয়াতো ব্যক্তিগত আৰু ঘৰুৱা কাজিয়া, তাত মোৰ একো মন্তব্য নাই।

বীৰ লাচিত শ্ৰদ্ধাঞ্জলি মোডী-সোণোৱালৰ

যে লাচিত বৰফুকনৰ জীৱনাদৰ্শই অসমৰ শক্তি, সাহস আৰু স্বাভিমানৰ কথা সোঁৱৰাই দিয়ে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, 'লাচিত দিৱসৰ পৱিত্ৰ ক্ষণত আমি মহান বীৰ লাচিত বৰফুকনক শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ। যাৰ সাহস আৰু দৃঢ় সংকল্পই অসমক সুৰক্ষিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁৰ অসাধাৰণ নেতৃত্ব আৰু জনসাধাৰণৰ প্ৰতি থকা একনিষ্ঠ সেৱাৰ মনোভাৱে আজিও প্ৰজন্মৰ পাছত প্ৰজন্মক অনুপ্ৰাণিত কৰি আহিছে। একেদৰে তেওঁৰ জীৱনাদৰ্শই আমাক অসমৰ শক্তি, সাহস আৰু স্বাভিমানৰ কথাও সোঁৱৰাই দিয়ে।'

বৰফুকনৰ নৌ-সামৰিক দক্ষতা, ৰণকৌশল আত্মনিৰ্ভৰ ভাৰতৰ সৈতে প্ৰাসংগিক ঃ সোণোৱাল

নতুন দিল্লীৰ বাতৰি ঃ মহাবীৰ লাচিত বৰফুকনৰ অদম্য সাহস, বীৰত্ব, অতুলনীয় ৰণকৌশল আৰু দেশপ্ৰেমক স্মৰণ কৰি আজি নতুন দিল্লীৰ চৰকাৰী বাসভৱনত মহান আহোম সেনাপতিগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। তদুপলক্ষে সোণোৱালে কয় যে মহাবীৰ লাচিত বৰফুকন কেৱল অসমৰেই নহয়, সমগ্ৰ ভাৰতবৰ্ষৰ গৌৰৱ। ১৬৭১ চনৰ ঐতিহাসিক শৰাইঘাটৰ ৰণত মোগল বাহিনীৰ বিৰুদ্ধে তেওঁ প্ৰদৰ্শন কৰা অতুলনীয় সামৰিক নেতৃত্ব, অসীম সাহস আৰু দেশপ্ৰেম ভাৰতৰ ইতিহাসৰ এক সোণালী অধ্যায়। লাচিতৰ বীৰত্ব আৰু মাতৃভূমিৰ প্ৰতি থকা অকৃত্ৰিম সমৰ্পণে প্ৰজন্মৰ পাছত প্ৰজন্মক দেশৰ প্ৰতি নিষ্ঠা আৰু কৰ্তব্যবোধেৰে আগবাঢ়িবলৈ অনুপ্ৰাণিত কৰি আহিছে। সোণোৱালে লগতে কয় যে থলুৱা শক্তি, স্থানীয় সম্পদ, নৌ-সামৰিক দক্ষতা আৰু নিজস্ব ৰণকৌশলৰ সঠিক প্ৰয়োগেৰে লাচিত বৰফুকনে যিদৰে শত্ৰুৰ বিৰুদ্ধে এক শক্তিশালী প্ৰতিৰোধ গঢ়ি তুলিছিল, সেয়া বৰ্তমানৰ আত্মনিৰ্ভৰ ভাৰতৰ সংকল্পৰ সৈতেও গভীৰভাৱে প্ৰয়োজনীয়। নিজৰ শক্তি, সামথ্য আৰু সম্পদৰ ওপৰত নিৰ্ভৰ কৰি ৰাষ্ট্ৰীয় স্বাৰ্থ সুৰক্ষিত কৰা এই আদৰ্শ আজিও সমানেই প্ৰাসংগিক। অসমৰ ইতিহাসত মহান ব্যক্তিত্বক ৰাষ্ট্ৰীয় পৰ্যায়ত যথোচিত স্বীকৃতি প্ৰদানৰ ক্ষেত্ৰত বিজেপি নেতৃত্বাধীন চৰকাৰসমূহৰ পদক্ষেপৰ কথা উল্লেখ কৰি সোণোৱালে কয় যে প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ী নেতৃত্বাধীন এনডিএ চৰকাৰৰ দিনত ১৯৯৯ চনত ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমীত (NDA) লাচিত বৰফুকন স্বৰ্ণপদক প্ৰৱৰ্তন কৰা হৈছিল। পৰৱৰ্তী সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত ২০২২ চনত মহাবীৰ লাচিত বৰফুকনৰ ৪০০ সংখ্যক জয়ন্তী ৰাষ্ট্ৰীয় পৰ্যায়ত উদ্‌যাপন কৰা হয়। নতুন দিল্লীত অনুষ্ঠিত এই বিশেষ কাৰ্যসূচীত প্ৰধানমন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণ কৰাৰ লগতে স্মাৰক গ্ৰন্থও উন্মোচন কৰিছিল। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ দূৰদৰ্শী নেতৃত্বত ভাৰতৰ প্ৰতিটো অঞ্চলৰ মহান ব্যক্তিত্ব আৰু বীৰত্বৰ গাথাই ৰাষ্ট্ৰীয় পৰিচিতি লাভ কৰিছে। অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ গৌৰৱোজ্জ্বল ইতিহাসক ৰাষ্ট্ৰীয় চেতনাৰ অবিচ্ছেদ্য অংগ হিচাপে প্ৰতিষ্ঠা কৰাৰ এই প্ৰচেষ্টা দেশৰ ঐতিহ্য আৰু সভ্যতা-সংস্কৃতিৰ শিপাৰ প্ৰতি থকা সন্মানৰ প্ৰতিফলন। এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অসম চৰকাৰৰ মন্ত্ৰী বিমল বড়া, অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰ, চৈয়দ মমিনুল আৱাল, অসমীয়া সমাজ আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

লাচিত বৰফুকন অসমীয়া জাতিৰ ধমনীৰ স্পন্দন

পৰাস্ত কৰি লাচিত বৰফুকনে অসমীয়া জাতি ৰক্ষাৰ বাবে যি অদমনীয় মৰণপণ যুঁজ কৰিলে সেয়া অসমৰ ইতিহাসৰ এক নজহা-নপমা অধ্যায়। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত চৰাইদেউ জিলা প্ৰশাসনৰ সহযোগত আৰু পাটসাঁকোবাসীৰ আতিথ্যত আজি চৰাইদেউ জিলাৰ মাহমৰাৰ ঐতিহাসিক পাটসাঁকোত লাচিত বৰফুকনৰ ৪০৪ সংখ্যক জয়ন্তী উপলক্ষে দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন কৰা লাচিত দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত নিৰ্দিষ্ট বক্তা হিচাপে অংশ লৈ পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা চুকাফা সমন্বয় ক্ষেত্ৰৰ উপাধ্যক্ষ, শিক্ষাবিদ ডঃ দয়ানন্দ বৰগোহাঁয়ে এনেদৰে কয়। বৰগোহাঁয়ে ভাষণত আৰু কয় যে বৰ্তমানে অসমীয়া জাতি এক সন্ধিক্ষণত উপনীত হৈছে। অসমৰ থলুৱা জাতি-জনগোষ্ঠীৰ প্ৰতি গভীৰ সংকট নামি আহিছে। কোনো জাতিয়ে এতিয়া অসমত সুৰক্ষিত নহয়। এনে পৰিপ্ৰেক্ষিতত মহাবীৰ লাচিত বৰফুকনৰ আদৰ্শ আৰু কৰ্মৰাজিৰ প্ৰাসংগিকতা বৃদ্ধি পাইছে। লাচিত বৰফুকনৰ বীৰত্ব আৰু দেশপ্ৰেম সমগ্ৰ দেশৰ মাজতে প্ৰচাৰ হ'ব লাগিব। নতুন প্ৰজন্মৰ মাজত লাচিতৰ চৰ্চা হ'ব লাগিব। অসমৰ প্ৰতিজন ডেকা-গাভৰু লাচিতৰ দেশপ্ৰেমৰ দ্বাৰা উদ্বুদ্ধ হ'ব লাগিব বুলি মন্তব্য কৰি তেওঁ কয় যে বিভিন্ন দল-সংগঠনৰ লগতে চৰকাৰীভাৱে মহাবীৰ লাচিত বৰফুকনৰ আদৰ্শ-বীৰত্বৰ প্ৰতি সন্মান জনাই তেওঁক স্মৰণ কৰাটো বৰ সুখকৰ কথা। পূৰ্বৰ কোনো এখন চৰকাৰে লাচিত বৰফুকনৰ বীৰত্ব আৰু আদৰ্শৰ বিষয়ে ৰাষ্ট্ৰীয় পৰ্যায়ত তুলি ধৰিবলৈ চেষ্টা কৰা নাছিল যদিও মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই দায়িত্বভাৰ লৈয়ে লাচিত বৰফুকনক ৰাষ্ট্ৰীয় পৰ্যায়ত তুলি ধৰিবৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰাটো অসমীয়া জাতিৰ বাবে ইতিবাচক বুলি তেওঁ মন্তব্য কৰে। লাচিত বৰফুকনকে ধৰি আহোম জনগোষ্ঠীৰ বিভিন্ন বীৰ-বীৰাংগনাসকলৰ আদৰ্শ-বীৰত্বৰ প্ৰচাৰ-প্ৰসাৰ, আহোম যুগৰ ঐতিহাসিক সমলসমূহৰ সংৰক্ষণ-সংবৰ্দ্ধন আদি বিষয়ত সকলোৱে সমস্বৰে মাত মতাটো অতি প্ৰয়োজন বুলিও তেওঁ কয়। এইক্ষেত্ৰত আহোম জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা জনপ্ৰতিনিধিসকলৰো ভূমিকা অপৰিসীম বুলি তেওঁ আঙুলিয়াই দিয়ে। মাহমৰা সমষ্টিৰ বিধায়ক সুৰুজ দিহিঙীয়াই আদৰণী ভাষণ দিয়া সভাখন উদ্বোধন কৰে চৰাইদেউ জিলাৰ আয়ুক্ত ডঃ নেহা যাদৰে। সভাত মন্ত্ৰীদ্বয় বিশ্বজিৎ দৈমাৰী, মন্ত্ৰী সুশান্ত বৰগোহাঁই, বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, ময়ূৰ বৰগোহাঁই, চৰাইদেউ জিলা আৰক্ষী অধীক্ষক সুৰজিৎ সিং পানেসৰ, পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ সভাপতি অতুল ফুকন, প্ৰাক্তন সাংসদ তপন গগৈৰ উপস্থিতিত লাচিত দিৱস উপলক্ষে প্ৰকাশিত 'লাচিত' উন্মোচন কৰে গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সব্যসাচী মহন্তই। উক্ত সভাতে টাই পণ্ডিত মলুং তিলেশ্বৰ মহন, জীৰেশ্বৰ ফুকন,পাটসাঁকোৰ বীৰ লাচিত বৰফুকন স্মৃতি সংৰক্ষণ সমিতিৰ সভাপতি মিনাৰাম বৰুৱা আৰু বুৰঞ্জীবিদ নবীন বুঢ়াগোহাঁইক বিশেষভাৱে সম্বৰ্দ্ধনা জনোৱা হয়। আনহাতে, পুৱা পতাকা উত্তোলন কৰে মাহমৰা সমষ্টিৰ বিধায়ক তথা অভ্যৰ্থনা সমিতিৰ সভাপতি সুৰুজ দিহিঙীয়াই। মাহমৰা সমজিলা আয়ুক্ত দিনচেংফা বৰুৱাই মৈদাম তৰ্পণ কৰাৰ পাছতে লাচিত বৰফুকনৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰে কেন্দ্ৰীয় টাই একাডেমীৰ অধ্যক্ষ বাবুল ফুকনে।

দিল্লীত আটাছুৰ অনুষ্ঠানত ৰাজদ্বীপ বাইলুং

বৰুৱা ঃ লাচিতৰ কথা কৈ কেৱল সংগঠন কৰিলে নহ'ব

নতুন দিল্লীৰ দৈনিক অসমৰ বাতৰি ঃ নতুন দিল্লীৰ এন ডি এম চি হলত আজি আটাছুৰ উদ্যোগত অনুষ্ঠিত হয় কেন্দ্ৰীয় লাচিত দিৱস। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে কেন্দ্ৰীয় ৰাজ্যিক শিক্ষামন্ত্ৰী সুকান্ত মজুমদাৰ, কেন্দ্ৰীয় ৰাজ্যিক বৈদেশিক পৰিক্ৰমা মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী পীযূষ হাজৰিকা, এন ডি২৪ৰ মুখ্য সম্পাদক ৰাজদ্বীপ বাইলুং বৰুৱা আৰু অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰ। সকলো অতিথিক আদৰণি জনাই সম্বৰ্দ্ধনা জনায় আটাছুৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি বসন্ত গগৈয়ে। অনুষ্ঠানত দিল্লী বিশ্ববিদ্যালয়ত অধ্যয়ন কৰা বহু ছাত্ৰ-ছাত্ৰীও উপস্থিত থাকে। ভাষণত ৰাজদ্বীপ বাইলুং বৰুৱাই লাচিত বৰফুকনৰ সাহসৰ কথা স্মৰণ কৰি কয় যে লাচিত বৰফুকনৰ কথা কৈ কেৱল সংগঠন কৰিলেই নহ'ব।

বিস্ময় বৈভৱ! ৫২ বলতে

নহয়, এদিনীয়া মেচত তেওঁ ৫৩টা বলত ২০৪ ৰানৰ বিস্ফোৰক ইনিংছেৰে গঢ়িলে বিশ্ব অভিলেখ। অবিশ্বাস্য, অসাধাৰণ ইনিংছ। বিস্ময় বৈভৱ! ডোহাত অনুষ্ঠিত এ চি চি পুৰুষৰ এছিয়া কাপ ৰাইজিং ষ্টাৰ্ছত আজি ভাৰত 'এ' দলৰ মেচ আছিল ইউ এ ইৰ বিৰুদ্ধে। টছত জয়ী হৈ ইউ এ ইয়ে প্ৰথমে বেটিং কৰি ৫০ অভাৰত ৮ উইকেটত ২৪৯ ৰান কৰে। প্ৰত্যুত্তৰত তিলক বাৰ্মা নেতৃত্বাধীন দলটোৰে ২৫০ ৰানৰ লক্ষ্য যে ১৪.২ অভাৰতে অতিক্ৰম কৰিব পাৰিব সেয়া হয়তো কোনেও সপোনতো ভবা নাছিল। এই স্মৰণীয় জয়ৰ নায়ক হৈ উজলি উঠিল টী-২০ত দ্বিশতক অৰ্জনৰ সপোন দেখা সেই ১৫ বছৰীয়া নৱোদিত তাৰকাজন। নাম তেওঁৰ বৈভৱ সূৰ্যবংশী। মাত্ৰ ২৮টা বলত আজি তেওঁ সম্পূৰ্ণ কৰে চেঞ্চুৰী। এনেদৰে লিষ্ট এ ক্ৰিকেটত দ্ৰুততম চেঞ্চুৰীৰ বিশ্ব অভিলেখ গঢ়ে বৈভৱে। এইক্ষেত্ৰত তেওঁ ভংগ কৰে জেক ফ্ৰেজাৰ-মেক গুৰ্কৰ নামত থকা অভিলেখ। ২০২৩ চনত দক্ষিণ অষ্ট্ৰেলিয়াৰ হৈ খেলি জেকে ২৯টা বলত চেঞ্চুৰী অৰ্জন কৰিছিল। বৈভৱৰ বাবে এয়া আজি আ�ৰম্ভণিহে আছিল। ২৮টা বলত চেঞ্চুৰী অৰ্জনৰ পাছত পৰৱৰ্তী ২৪টা বলত তেওঁ আৰু ১০০ ৰান সংগ্ৰহ কৰে। এনেদৰে ৫২টা বলত তেওঁ অৰ্জন কৰে দ্বিশতক। অকল্পনীয় ইনিংছ! লিষ্ট এ ক্ৰিকেটত দ্ৰুততম দ্বিশতকৰ ক্ষেত্ৰত কেণ্টাৰবুৰীৰ হৈ খেলা চাদ বয়েছৰ নামত ১০৩টা বলত পূৰ্বতে আছিল অভিলেখ। আৰু আজি মাত্ৰ ৫২টা বলতে ক্ৰিকেট ইতিহাসৰ পৃষ্ঠাত সোণালী আখৰেৰে নিজৰ নাম লিপিবদ্ধ কৰিলে বৈভৱে। এই দ্বিশতকীয় ইনিংছটো খেলাৰ পথত তেওঁ মাত্ৰ ৪০টা বলতে ১৫০ ৰান সম্পূৰ্ণ কৰিও অভিলেখ গঢ়ে। ১৫ বছৰ ২৪২ দিন বয়সতে দ্ৰুততম দ্বিশতক অৰ্জন কৰা বৈভৱ এই অভিলেখ গঢ়া সৰ্বকনিষ্ঠ খেলুৰে ৰূপেও পৰিগণিত হয়। তদুপৰি আজিৰ ইনিংছটোত তেওঁ ২৮টাকৈ অভাৰ বাউণ্ডেৰী আৰু ৭টা বাউণ্ডেৰী কোবায়। ষ্ট্ৰাইক ৰেট ৩৮৪.৯১। আজিৰ দিনটো যেন বৈভৱৰ নামতেই আছিল। লিষ্ট 'এ' ক্ৰিকেটত অষ্ট্ৰেলিয়াৰ ডিআৰ্কে শ্

জীৱৰ বাসোপযোগী ঠাই

জীৱ মণ্ডল

...পৃথিৱীক ঘেৰি থকা শিলামণ্ডল, **জলমণ্ডল বায়ুমণ্ডলৰ স্তৰক** লৈয়েই জীৱৰ মণ্ডলটো আৰু তাৰ ঊর্দ্ধত জীৱৰ কোনো স্থিতি নাই। সেয়ে, **জীৱমণ্ডলত জীৱৰ জলজ,** স্থলজ আৰু বৃক্ষবাসী— এই **তিনি মুখ্য ধৰণৰ** আৱাসস্থল গঢ়ি উঠিছে...



ডঃ লোহিত শইকীয়া

জীৱক ধৰি ৰখা প্ৰাকৃতিক স্তৰটো হৈছে জীৱমণ্ডল। সেই স্তৰটোত প্ৰতিটো জীৱৰ শ্বাস-নিশ্বাস, গছৰ প্ৰতিটো পাতৰ হেন্দোলনি আৰু মানুহৰো হৃদযন্ত্ৰৰ স্পন্দনে পাৰস্পৰিক তাল-মান মিলাইহে চলি থাকে। এই স্তৰটো পৃথিৱী নামৰ গোলকটোৰ গাতে লাগি থকা এটা পাতল অসমান জৈৱিক আৱৰণ। মহাদেশীয়, মহাসাগৰীয় আৰু বায়ুমণ্ডলীয়— এই তিনিওটা খণ্ডৰে অংশ মিলি জীৱমণ্ডলটো হৈছে আৰু সেয়ে ভূপৃষ্ঠৰ পৰা তিনিওটা খণ্ডত জীৱমণ্ডলৰ পৃথক পৃথক ঘনত্ব। ভূপৃষ্ঠৰ পৰা গড়ে ৮-১০ কিঃমিঃ উচ্চতাত জীৱমণ্ডলৰ গড় ঘনত্ব প্ৰায় ২০ কিঃমিঃ। পৃথিৱীক ঘেৰি থকা শিলামণ্ডল, জলমণ্ডল বায়ুমণ্ডলৰ স্তৰক লৈয়েই জীৱৰ মণ্ডলটো আৰু তাৰ ঊর্দ্ধত জীৱৰ কোনো স্থিতি নাই। সেয়ে, জীৱমণ্ডলত জীৱৰ জলজ, স্থলজ আৰু বৃক্ষবাসী— এই তিনি মুখ্য ধৰণৰ আৱাসস্থল গঢ়ি উঠিছে।

ইউনেস্কে'ই জীৱমণ্ডল বা বায়'স্ফেয়াৰৰ দুই ধৰণৰ সংজ্ঞা দিছে ঃ সাধাৰণ বৈজ্ঞানিক সংজ্ঞা মতে, ই পৃথিৱীৰ লগতে তাৰ ওপৰত থকা জীৱস্তৰক ধৰি থকা এটা প্ৰাকৃতিক স্তৰ। আন এক ধৰণে, ৰাষ্ট্ৰীয় উদ্যানবোৰৰ চৌপাশ ঘেৰি থকা তাতকৈ বৃহত্তৰ পৰিৱেশতন্ত্ৰকো জীৱমণ্ডল বুলিছে। ইউনেস্কে'ৰ 'Man and the Biosphere (MAB) কৰ্মসূচী, ১৯৭১'ৰ মতে এয়া কোৱা হৈছে। জীৱমণ্ডল শব্দটো বুজাবলৈ যোৱাৰ আগতে অৰণ্য, সংৰক্ষিত অৰণ্য, অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যানৰ বিষয়ে সম্যক ধাৰণা থকাটো উচিত। অৰণ্যৰ



জীৱমণ্ডল কৰ্মসূচী মতে, তিনিটা আন্ত-সম্পৰ্কিত অঞ্চল থাকে। তাৰে সম্পূৰ্ণ কেন্দ্ৰৰ শাহ হৈছে পৰিৱেশতন্ত্ৰ। পৰিৱেশতন্ত্ৰ, জীৱৰ প্ৰজাতি, বংশানুক্ৰমিক বিচিত্ৰতা সুৰক্ষা দিয়াই যাৰ লক্ষ্য। নিৰপেক্ষ অঞ্চল— এটা পাৰিপাৰ্শ্বিকতা সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি সামাজিক-সাংস্কৃতিক আৰু পাৰিৱেশিক বহনক্ষম সামঞ্জস্যপূৰ্ণ মনুষ্যোচিত কাৰ্যসাধনৰ যোগেদি উন্নয়নৰ স্বাৰ্থত লোৱা সংৰক্ষিত অঞ্চল আৰু অৱস্থান্তৰ

এইখিনি হৈছে কাল আৰু স্থানভিত্তিক অনুক্ৰম।


অৰণ্য ঃ ৰাষ্ট্ৰসংঘৰ পাৰিৱেশিক কৰ্মসূচী, ২০০১ৰ মতে, অৰণ্য একোখন হৈছে ০.৫ হেক্টৰতকৈ ডাঙৰ এক ভূখণ্ড, যিটো ভূখণ্ডৰ ১০ শতাংশতকৈ অধিক অংশত অ-কৃষিজাত বা আন বিশেষ ৰোপণ উদ্ভিদ চাহ, কফি, ৰবৰ আদিহে থাকে। নতুন বননি বা অৰণ্যৰ কথা পৃথক। দেখাত কেতিয়াবা উদ্ভিজ আৱৰণ নথকা যেন লাগিব পাৰে। কিন্তু, সেয়া অৰণ্য ধ্বংসপ্ৰাপ্তিৰ অস্থায়ী পৰিণতি বা সুপ্ত বা অৱদমিত বননি বুলিব পাৰি আৰু আনকি পৰৱৰ্তী সময়ত উদ্ভিদ আৱৰণৰ উচ্চতাই উৎপত্তিস্থলতে সম্ভাব্য উচ্চতা চুবগৈ পাৰে। সেয়া ৰাষ্ট্ৰসংঘৰ খাদ্য আৰু কৃষি সংস্থা আৰু ৰাষ্ট্ৰসংঘৰে পৰিৱেশ কৰ্মসূচীৰ তথ্য।

জীৱমণ্ডলবোৰ স্থলজ, সামুদ্ৰিক আৰু উপকূলীয় হিচাপেও কেতিয়াবা ভাগ কৰি চোৱা যায়। প্ৰতিটো মণ্ডলৰ নিজস্ব বহন ক্ষমতা থাকে। বহন ক্ষমতাৰ ভিতৰত পাৰিৱেশিক ভাৰসাম্যতা স্বয়ংক্ৰিয়ভাৱেই চলি থাকে। জৈৱ-বিচিত্ৰতাও অক্ষুণ্ণ থাকে। ইউনেস্কে'ৰ অঞ্চল হৈছে ৰূপান্তৰৰ পৰিৱৰ্তনশীল অঞ্চল। য'ত আন জীৱ-মানুহৰ মাজত পাৰস্পৰিক কৰ্ম-কাণ্ডবোৰ সংঘটিত হয়। উল্লেখ্য যে শাহ অঞ্চল, নিৰপেক্ষ অঞ্চল আৰু ৰূপান্তৰ অঞ্চল— এই তিনিওটা উপাংশ হয় শাহটোক কেন্দ্ৰ কৰি থকা বিশেষ সংগতিপূৰ্ণ ঐককেন্দ্ৰিক বৃত্তাকাৰ বলয়।

সংৰক্ষিত জীৱাঞ্চল, ৰাষ্ট্ৰীয় উদ্যান, বন্যপ্ৰাণী অৰণ্য আৰু বন্যপ্ৰাণী সংৰক্ষিত জীৱাঞ্চল—এইকেইটা হৈছে ঊর্দ্ধক্ৰম অনুযায়ী ভিন্ন জীৱাঞ্চল। জীৱাঞ্চল একোটাৰ আকাৰ ভাৰতত গড়ে প্ৰায় ৫,০০০ বৰ্গকিঃমিঃ হয়। একাধিক ৰাষ্ট্ৰীয় উদ্যান বা অভয়াৰণ্যও ইয়াৰ অন্তৰ্ভুক্তও হয়। ভাৰতত ৰাষ্ট্ৰীয় উদ্যানবোৰৰ পৰিসৰ গড়ে ১০০ৰ পৰা ৫০০ বৰ্গকিঃমিঃ পৰ্যন্ত দেখা যায়। জীৱমণ্ডলবোৰো অতি সংৰক্ষিত এলেকা। জীৱৰ প্ৰজাতিবোৰকেই নহয়, ই সমগ্ৰ

পৃথিৱীৰ আকাশত নতুন জোন!

পৃথিৱীৰ আকাশত এটা নতুন জোন দেখা গৈছে। জোনৰ দৰে এটা নতুন ক্ষুদ্ৰ মহাজাগতিক পদাৰ্থ বা গ্ৰহাণু পৃথিৱীৰ আকাশত দৃশ্যমান হৈ থাকিব কেইমাহমান। জ্যোতিৰ্বিজ্ঞানী ক্ৰিষ্টিয়ান চাৰ্নেক'জীয়ে ২০২৬ চনৰ আগষ্টত প্ৰথমে এই মহাজাগতিক পদাৰ্থ চিনাক্ত কৰিছিল। পৰৱৰ্তী সময়ত যোৱা অক্টোবৰ মাহত ইণ্টাৰনেচেনেল এষ্ট্ৰ'ন'মিকেল ইউনিয়নৰ মাইনৰ প্লেনেট চেণ্টাৰে এই মহাজাগতিক পদাৰ্থৰ উপস্থিতি নিশ্চিত কৰে। ৩ৰ পৰা ৪ফুট ব্যাসাৰ্দ্ধৰ এই মহাজাগতিক পদাৰ্থ ডিচেম্বৰৰ পৰা জানুৱাৰী পৰ্যন্ত আকাশত থাকি পৃথিৱীক প্ৰদক্ষিণ কৰিব। জ্যোতিৰ্বিজ্ঞানী চাৰ্নেক'জীয়ে মহাকাশ নিৰীক্ষণত প্ৰত্যক্ষ কৰা এই পদাৰ্থ অৱশ্যে পৃথিৱীৰ বাবে ক্ষতিকাৰক নহয়। এই মহাজাগতিক পদাৰ্থক 2026 QQ8 বুলি নামকৰণ কৰা হৈছে। পৃথিৱীৰ মধ্যাকৰ্ষণ শক্তিয়ে কিছুদিনৰ বাবে এই পদাৰ্থখণ্ডক নিজৰ ওচৰতে ৰাখিবলৈ সক্ষম হ'ব।



পৰিৱেশতন্ত্ৰক ৰক্ষা কৰাই তাৰ লক্ষ্য। লগতে জীৱমণ্ডলটোৰ বহনক্ষম উন্নয়নৰ কথাও তাত জড়িত থাকে। ১৯৭৯ত বন্যপ্ৰাণী সুৰক্ষা আইন, ১৯৭২ৰ অধীনত নিৰ্দ্ধাৰিত সংজ্ঞাৰ আধাৰত দিয়া ৰাষ্ট্ৰীয় উদ্যান ধাৰণাৰ ভিত্তিত ভাৰত চৰকাৰে বন্যপ্ৰাণী অঞ্চল কিছুমানক জীৱমণ্ডল হিচাপে জাননীভুক্ত কৰে। অসমৰ মুঠ ৮খন ৰাষ্ট্ৰীয় উদ্যান— কাজিৰঙা, মানস, ডিব্ৰু-ছেখোৱা, নামেৰী, ওৰাং ,দিহিং পাটকাই, ৰাইমনা, শিখ্না জাহ্ ৰালাও। তাৰে দুখনক সংৰক্ষিত জীৱমণ্ডলৰূপে জাননীভুক্ত কৰা হৈছে। উল্লেখ্য যে ভাৰতৰ মুঠ ১৮খন জীৱমণ্ডলৰ ভিতৰৰ অসমতে দুখন সংৰক্ষিত জীৱমণ্ডল থকাটো আমাৰ বাবে গৌৰৱৰ বতৰা। দুয়োখনেই অনন্য জীৱ বৈশিষ্ট্যৰ অধিকাৰী। দুয়োটাৰে চমু আলেখ-লেখ।

মানস আৰু ডিব্ৰু ছেখোৱা জীৱ মণ্ডল ঃ প্ৰাকৃতিক ৰাষ্ট্ৰীয় উদ্যান একোখনত মাথোঁ বন্য জন্তুকেইটাই সমল নহয়। তাৰ জলবায়ু, মাটি, অৰণ্য, প্ৰাণী বিশেষকৈ মানুহৰ মাজত পাৰস্পৰিক সম্পৰ্ক বিনে সেইখন বন্যপ্ৰাণী বিশেষ উদ্যান হিচাপে তিষ্ঠি থকিব নোৱাৰে বুলি এখন প্ৰৱাহ চিত্ৰৰ সহায়ত বিজ্ঞানীসকলে দেখুৱাইছে। যিকোনো প্ৰাকৃতিক পৰিৱেশতন্ত্ৰ একোটাত জলবায়ু হয় প্ৰধান নিয়ন্ত্ৰক। তন্ত্ৰটোত জলবায়ু হৈছে প্ৰধান নিয়ন্ত্ৰক। জলবায়ু (উষ্ণতা, ৰৱষুণ, আৰ্দ্ৰতা আদি)য়ে প্ৰক্ৰিয়াকৰণ বা বিচূৰ্ণীকৰণৰ জৰিয়তে মাটি গঠন নিয়ন্ত্ৰণ কৰে আৰু উদ্ভিদৰ প্ৰকাৰ নিৰ্দ্ধাৰণ কৰে। যেনে— প্ৰচুৰ ৰৱষুণ আৰু উচ্চ উষ্ণতাত হয় চিৰসেউজ অৰণ্য। দুয়োৰে মিশ্ৰিত ফল হয় লেটেৰাইট মাটি। শীতল,সিক্ত জলবায়ু আৰু সৱলবৰ্গীয় অৰণ্যৰ ফল হয় পদজল মাটি। ষ্টেপ্ছ/প্ৰেইৰী/সাভানা তৃণভূমিত উষ্ণ মৰুজ/অৰ্দ্ধ মৰুজ জলবায়ুৱে দিয়ে ক'লা মাটি। মাটিয়েহে গছ গজা কাৰ্য সম্ভৱ কৰে। মাটিয়ে উদ্ভিদক প্ৰয়োজনীয় পুষ্টি আৰু পানী যোগান ধৰি জীয়াই ৰাখে। ইয়াৰ বিপৰীতে উদ্ভিদে সৰা পাতৰ পৰা হিউমাচ (জৈৱিক সাৰ) সৃষ্টি কৰি মাটিক সাৰুৱা কৰি তোলে। উদ্ভিদে প্ৰাণীকুলক খাদ্য আৰু বাসস্থান/আশ্ৰয় প্ৰদান কৰে। প্ৰাণীকুলে আকৌ পৰাগযোগ আৰু বীজৰ বিস্তাৰণৰ জৰিয়তে উদ্ভিদৰ বৃদ্ধিত সহায় কৰে।

মাটিৰ অণুজীৱসমূহে মৰা-পচা অংশ আৰু মল-মূত্ৰৰ জৰিয়তে প্ৰাকৃতিক সাৰ যোগ কৰি উৰ্বৰতা বৃদ্ধি কৰে। জলবায়ু, মাটি, অৰণ্য, প্ৰাণী— এই চাৰিওটা প্ৰধান কাৰকৰ ঊর্দ্ধত থাকে মানুহ। মাটিৰ ওপৰতে খেৰ-খৰি কাঠৰ বাবে উদ্ভিদৰ সৃষ্টিকাৰক মানুহেই। মানুহেই কৃষক বা পালক। প্ৰাণীকুলৰ ৰক্ষক আৰু ভক্ষক মানুহেই আৰু আধুনিক জনবসতি স্থাপন মানুহেই কৰে। যিকোনো ভূমিদৃশ্যৰ পৰিৱৰ্তনৰ চাবিকাঠী মানুহৰ হাততে। ইফালে,জলবায়ু অঞ্চল ভেদে ভিন্ন পৰিদৃশ্য। গতিকে, ক'বই লাগিব যে মানুহেই জীৱৰ অতিৰিক্ত ত্ৰাণকৰ্তা। মাটিৰ পৰিৱৰ্তন ঘটায় ৰাসায়নিক সাৰ, কীটনাশক জলসিঞ্চন আদি মানুহেই কৰে আৰু ভূমিস্খলন আদিৰ লগতে নিৰ্বনীকৰণ আদিৰ বাবেও মানুহ জগৰীয়া।


মানুহে প্ৰাণীকুলৰ পৰিৱৰ্তন ঘটায় ঃ চিকাৰ কৰা আৰু বন্যপ্ৰাণীবোৰৰ সংৰক্ষণ কৰা-নকৰাটো মানুহৰে কাম। মানুহে পৰোক্ষভাৱে জলবায়ুৰ পৰিৱৰ্তন ঘটায় ঃ প্ৰদূষণ আৰু গোলকীয় উষ্ণতা বৃদ্ধিৰ গুৰিত মানুহেই আছে। এই আটাইবোৰ উপাদানৰ সমন্বয়তহে পৰিস্থিতিতন্ত্ৰ/জীৱমণ্ডলে গঢ় লয়, য'ত যিকোনো এটা উপাদানৰ পৰিৱৰ্তনে বাকী আটাইবোৰৰে ভাৰসাম্য বিঘ্নিত কৰিব পাৰে।

ফোন ঃ ৯৪৩৫৩-৩১৫০৩

মানুহৰ দেহত ৩৭.২ ট্ৰিলিয়ন কোষ থাকে। প্ৰাপ্তবয়স্ক মানৱ শৰীৰ এটা সুস্থভাৱে চলি থাকিবলৈ এই কোষসমূহ ভালে থকাটো জৰুৰী। মানুহৰ শাৰীৰিক সমস্যা বা কৰ্কটৰ দৰে জটিল ৰোগৰ পৰা সকাহ দিয়াৰ বাবে কোষৰ ওপৰত গৱেষণা অব্যাহত ৰাখিছে বিজ্ঞানীসকলে। মানুহৰ দেহত থকা ৩৭.২ ট্ৰিলিয়ন কোষ আকৌ ভিন্ন ধৰণৰ। প্ৰাপ্তবয়স্ক মানুহৰ দেহত থকা এই কোষসমূহৰো মৃত্যু ঘটে। বিজ্ঞানীসকলে কোৱা মতে প্ৰতি ছেকেণ্ডত মানুহৰ দেহৰ প্ৰায় দহ লাখ কোষৰ মৃত্যু হয়। সেই স্থানত আকৌ নতুনকৈ সৃষ্টি হয় কোষৰ। এক আশ্চৰ্যকৰ কথা হৈছে যে আমাৰ

ৰিপ্ৰিণ্ট

প্ৰতি ছেকেণ্ডত মৃত্যু ঘটে দহ লাখ কোষৰ




হাতীপটিত ১০০-৪০০ বিলিয়ন তৰা আছে। হাতীপটিত থকা তৰাৰ তুলনাত ১০০ গুণ অধিক কোষ থাকে মানুহৰ শৰীৰত। প্ৰতিনিয়ত মৃত্যু ঘটি থকা এই কোষসমূহৰ ভিতৰত আটাইতকৈ ডাঙৰ কোষটো হৈছে অ'ভামৰ কোষ। একেদৰে আমাৰ তেজৰ লোহিত ৰক্তকণিকাত থকা কোষসমূহৰ জীৱন হৈছে প্ৰায় তিনি মাহ। এই তিনি মাহত সিৰা-উপসিৰাত কোষসমূহে অতি কমেও ৩০০ মাইল যাত্ৰা কৰে। কোষসমূহৰ ভিতৰত আমাৰ মগজুত থকা নিউৰনসমূহ আজীৱন সক্ৰিয় অৱস্থাত থাকে। জন্মৰ পাছৰে পৰা এই নিউৰনসমূহ সক্ৰিয় হৈ থকাটো এক গুৰুত্বপূৰ্ণ বিষয়। প্ৰতি মুহূৰ্তত লাখ লাখ কোষৰ মৃত্যু ঘটা মানুহৰ শৰীৰত একেদৰে জন্মও হৈ থাকে লাখ লাখ কোষৰ। জীৱনচক্ৰ এটা ভালদৰে চলি থাকিবলৈ কোষৰ জন্ম-মৃত্যু এক অৱধাৰিত প্ৰক্ৰিয়া।

এই মহাবিশ্বৰ প্ৰকৃতিয়ে প্ৰতিটো মুহূৰ্ততে মানুহৰ সম্মুখত এনে কিছুমান বিস্ময়কৰ দৃশ্য আৰু ঘটনা উন্মোচন কৰি আহিছে, যিবোৰে বিজ্ঞানৰ প্ৰতিষ্ঠিত ধাৰণাকো নতুনকৈ পৰীক্ষা কৰিবলৈ বাধ্য কৰে। স্থলভাগৰ পৰ্বত-পাহাৰ, অৰণ্য, নদ-নদী আৰু আকাশৰ দৰে বিশাল জলৰাশিৰ গভীৰতাতো লুকাই আছে অসংখ্য ৰহস্য। বিশেষকৈ মহাসাগৰৰ গভীৰতাত এনে বহু জীৱৰ অস্তিত্ব আছে, যিবোৰৰ বিষয়ে মানুহৰ জ্ঞান এতিয়াও সীমিত। শেহতীয়াকৈ প্ৰশান্ত মহাসাগৰৰ গভীৰতাত সম্পূৰ্ণ স্বচ্ছ মূৰৰ এক বিৰল প্ৰজাতিৰ মাছৰ সন্ধান লাভে পুনৰবাৰ এই কথাকে প্ৰমাণ কৰিছে যে প্ৰকৃতিৰ সৃষ্টিশীলতাৰ কোনো সীমা নাই।

বিজ্ঞানীসকলে সন্ধান লাভ কৰা এই আশ্চৰ্যকৰ মাছবিধৰ নাম 'ৰেৰেলআই' (Barreleye)। ইয়াৰ বৈজ্ঞানিক নাম Macropinna microstoma। মাছবিধৰ আটাইতকৈ উল্লেখযোগ্য বৈশিষ্ট্য হৈছে ইয়াৰ মূৰটো সম্পূৰ্ণ স্বচ্ছ। স্বচ্ছ মূৰৰ আৱ�ৰণৰ ভিতৰেদি ইয়াৰ সেউজীয়া চকুযুৰি বাহিৰৰ পৰাই স্পষ্টকৈ দেখিবলৈ পোৱা যায়। সাধাৰণতে মাছৰ চকু মূৰৰ বাহিৰৰ ফালে থাকে যদিও এই মাছবিধৰ চকুৰ গঠন আৰু অৱস্থান যথেষ্ট ব্যতিক্ৰমী। স্বচ্ছ মূৰৰ ভিতৰত থকা চকুযুৰিয়ে ইয়াক গভীৰ সাগৰৰ পৰিৱেশত খাদ্য বিচৰা আৰু পৰিৱেশৰ পৰিৱৰ্তন নিৰীক্ষণ কৰাত সহায় কৰে।

Monterey Bay Aquarium Research Institute (MBARI) গৱেষকসকলে শেহতীয়াকৈ চলোৱা এক সামুদ্ৰিক অভিযানত মাছবিধৰ সন্ধান লাভ কৰে। গৱেষকৰ দলটোৱে 'ডেভিড পেকার্ড' নামৰ এখন গৱেষণা জাহাজেৰে



মণ্টেৰে কেনিয়নৰ পৰা প্ৰায় ৫৫ মাইল দূৰৈত সাগৰৰ গভীৰতাত অনুসন্ধান চলাইছিল। গভীৰ সাগৰৰ জীৱ-জন্তুসমূহ পৰ্যৱেক্ষণ কৰাৰ বাবে তেওঁলোকে 'ডক ৰিকেটছ' নামৰ দূৰনিয়ন্ত্ৰিত পানীৰ তলৰ যান ব্যৱহাৰ কৰিছিল। প্ৰায় ১,৯৭০ ফুট গভীৰতাত এই বিৰল প্ৰজাতিৰ মাছবিধ তেওঁলোকৰ দৃষ্টিগোচৰ হয়। প্ৰায় ২০ মিনিট ধৰি মাছবিধৰ চাল-চলন আৰু স্বচ্ছ মূৰৰ গঠন কেমেৰাত বন্দী কৰিবলৈ সক্ষম হয় গৱেষকৰ দলটোৱে।

কেমেৰাত বন্দী হোৱা দৃশ্যই বিজ্ঞানীসকলক বিশেষভাৱে আকৰ্ষিত কৰে। পানীৰ গভীৰতাত মাছবিধক অনায়াসে ভাহি থকা দেখিবলৈ পোৱা গৈছিল। ইয়াৰ স্বচ্ছ মূৰৰ ভিতৰত থকা সেউজীয়া চকুযুৰি স্পষ্টকৈ দৃশ্যমান হৈছিল। মাছবিধৰ এনে অস্বাভাৱিক গঠনে সামুদ্ৰিক জীৱবিজ্ঞানৰ ক্ষেত্ৰত নতুনকৈ কৌতূহলৰ সৃষ্টি কৰিছে। এই মাছবিধৰ

পৃথিৱীৰ প্ৰতিটো জীৱৰ অস্তিত্বৰ আঁৰত একো একোটা প্ৰাকৃতিক কাৰণ আৰু পৰিৱেশগত ভূমিকা নিহিত হৈ থাকে। সৰু বা ডাঙৰ, দৃশ্যমান বা অদৃশ্য— প্ৰতিটো জীৱই প্ৰকৃতিৰ সামগ্ৰিক ভাৰসাম্য ৰক্ষাত কোনো নহয় কোনো ভূমিকা পালন কৰে।

দৈর্ঘ্য সাধাৰণতে প্ৰায় ছয় ইঞ্চি। ই সাধাৰণতে সাগৰপৃষ্ঠৰ পৰা প্ৰায় ২,০০০ৰ পৰা ২,৬০০ ফুট গভীৰতাত বাস কৰে। এই অঞ্চলক সামুদ্ৰিক বিজ্ঞানত গোধূলি অঞ্চল (Twilight Zone) আৰু ইয়াৰ তলৰ অধিক অন্ধকাৰ অঞ্চলৰ সৈতে সম্পৰ্কিত পৰিৱেশ হিচাপে গণ্য কৰা হয়। সূৰ্যৰ পোহৰ ক্ৰমাৎ ক্ষীণ হৈ অহা এনে গভীৰতাত জীৱন ধাৰণ কৰাটো সহজ নহয়। খাদ্যৰ অভাৱ, অত্যধিক জলচাপ, নিম্ন তাপমাত্ৰা আৰু পোহৰৰ সীমাবদ্ধতাৰ মাজতো বিভিন্ন জীৱই নিজৰ শৰীৰৰ গঠন আৰু জীৱন-প্ৰণালী পৰিৱেশৰ সৈতে খাপ খুৱাই বিকশিত কৰিছে। বেৰেলআই মাছ ইয়াৰ এক উল্লেখযোগ্য উদাহৰণ।



বেৰেলআই

অজিত বৰুৱা

মাছবিধৰ বিষয়ে অধিক আশ্চৰ্যকৰ তথ্যটো হ'ল যে ইয়াৰ দুটা চকুৰ গঠন আৰু কাৰ্যপদ্ধতি। প্ৰথম দৃষ্টিত ইয়াৰ সেউজীয়া চকুযুৰি মূৰৰ ভিতৰত ওপৰমুৱাকৈ থকা যেন লাগে। এই চকুযুৰিয়ে ওপৰৰ পৰা অহা পোহৰ আৰু খাদ্যৰ সন্ধানত সহায় কৰে। আনহাতে ইয়াৰ মূৰৰ সন্মুখৰ ফালে দেখা পোৱা দুটা সৰু অংশক বহু সময়ত চকু বুলি ভুল কৰা হয়। প্ৰকৃততে সেইবোৰ হৈছে ঘ্ৰাণেন্দ্ৰিয়ৰ সৈতে জড়িত গঠন। এই বিশেষ শাৰীৰিক বৈশিষ্ট্যই মাছবিধক আন বহু সামুদ্ৰিক প্ৰাণীৰ পৰা পৃথক কৰি তুলিছে।

MBARI ৰ জ্যেষ্ঠ বিজ্ঞানী ষ্টিভেন হেডকে মাছবিধক প্ৰকৃতিৰ এক অবিস্মৰণীয় সৃষ্টি বুলি অভিহিত কৰিছে। তেওঁৰ মতে মাছবিধক দেখিলে এনে লাগে যেন কোনো কল্পনাপ্ৰৱণ শিশুৱেহে ইয়াৰ শৰীৰৰ আৰ্হি প্ৰস্তুত কৰিছে। তেওঁ লগতে উল্লেখ কৰিছে যে অতীতত মাছ ধৰাৰ জালত এনে মাছ আবদ্ধ হ'লে ইয়াৰ স্বচ্ছ মূৰৰ অংশটো অক্ষত অৱস্থাত নথকাৰ বাবে ইয়াৰ প্ৰকৃত ৰূপ বুজি পোৱাটো কঠিন হৈছিল। ফলত পূৰ্বে অংকন কৰা ছবিসমূহত মাছবিধৰ স্বচ্ছ মূৰৰ বৈশিষ্ট্য প্ৰতিফলিত হোৱা নাছিল। সেয়েহে জীৱন্ত অৱস্থাত স্বচ্ছ মূৰসহ মাছবিধক প্ৰত্যক্ষ আৰু কেমেৰাত বন্দী কৰিব পৰাটো গৱেষকসকলৰ বাবে এক বিশেষ সফলতা।

আন এটা উল্লেখযোগ্য দিশ হ'ল MBARIৰ গৱেষকসকলে প্ৰায় ৪০ বছৰ ধৰি সাগৰৰ গভীৰতাত বিভিন্ন ধৰণৰ গৱেষণা চলাই আহিছে। কিন্তু এই সুদীৰ্ঘ সময়ছোৱাত তেওঁলোকে মাত্ৰ প্ৰায় ১০বাৰহে এই বিৰল প্ৰজাতিৰ মাছবিধৰ সন্ধান লাভ কৰিবলৈ সক্ষম হৈছে। এই পৰিসংখ্যাই গভীৰ সাগৰৰ জীৱজগত কিমান বিশাল আৰু মানুহৰ বাবে কিমান অজ্ঞাত হৈ আছে, তাৰ এক স্পষ্ট ইংগিত বহন কৰে।

বিজ্ঞানৰ দৃষ্টিকোণৰ পৰা এই আৱিষ্কাৰৰ গুৰুত্ব কেৱল এটা অদ্ভুত মাছৰ সন্ধান লাভ কৰাতে সীমাবদ্ধ নহয়। বৰং জীৱই নিজৰ বাসস্থানৰ পৰিৱেশৰ সৈতে কেনেদৰে অভিযোজন ঘটায়, তাৰ এক উৎকৃষ্ট উদাহৰণ এই মাছবিধ। গভীৰ সাগৰত পোহৰৰ অভাৱৰ মাজতো জীৱন ধাৰণ কৰিবলৈ ইয়াৰ চকুৰ গঠন আৰু স্বচ্ছ মূৰৰ বিশেষ ব্যৱস্থা বিকশিত হৈছে। এনে অভিযোজনৰ অধ্যয়নে জীৱবিৱৰ্তন, সামুদ্ৰিক পৰিস্থিতিতন্ত্ৰ আৰু জৈৱ-বৈচিত্ৰ্য বিকাশ সম্পৰ্কে বিজ্ঞানীসকলক নতুন তথ্য প্ৰদান কৰিব পাৰে।

বৰ্তমান পৃথিৱীৰ প্ৰায় ৭১ শতাংশ অংশ মহাসাগৰে আৱৰি ৰাখিছে। তথাপি মহাসাগৰৰ গভীৰ অঞ্চলসমূহৰ বহু অংশ এতিয়াও বিজ্ঞানৰ বাবে অজ্ঞাত। মানুহে মহাকাশৰ দূৰৱৰ্তী গ্ৰহ-উপগ্ৰহৰ বিষয়ে গৱেষণা চলোৱাৰ সমান্তৰালকৈ নিজৰ পৃথিৱীৰ গভীৰ সাগৰৰ বিষয়ে জানিবলৈও অবিৰতভাৱে প্ৰচেষ্টা চলাই আছে। প্ৰকৃততে মহাসাগৰৰ তলিত থকা জীৱজগতৰ বৈচিত্ৰ্য, ভূ-প্ৰাকৃতিক গঠন, খনিজ সম্পদ আৰু পৰিৱেশগত সম্পৰ্কৰ বিষয়ে সম্পূৰ্ণ জ্ঞান লাভ কৰাটো এতিয়াও এক বৃহৎ বৈজ্ঞানিক প্ৰত্যাহ্বান।

... ইয়াৰ স্বচ্ছ মূৰৰ ভিতৰত থকা সেউজীয়া চকুযুৰি স্পষ্টকৈ দৃশ্যমান হৈছিল। মাছবিধৰ এনে অস্বাভাৱিক গঠনে সামুদ্ৰিক জীৱবিজ্ঞানৰ ক্ষেত্ৰত নতুনকৈ কৌতূহলৰ সৃষ্টি কৰিছে...

গভীৰ সাগৰৰ এনে আৱিষ্কাৰসমূহে মানুহক প্ৰকৃতিৰ প্ৰতি অধিক সংবেদনশীল হ'বলৈও শিক্ষা দিয়ে। আধুনিক সভ্যতাৰ অগ্ৰগতিৰ নামত মানুহে বনাঞ্চল ধ্বংস, নদী প্ৰদূষণ, বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধি আৰু সামুদ্ৰিক পৰিৱেশৰ ক্ষতি কৰি আহিছে। বিশেষকৈ প্লাষ্টিক প্ৰদূষণ, অত্যধিক মাছ ধৰা আৰু জলবায়ু পৰিৱৰ্তনে সামুদ্ৰিক জৈৱ-বৈচিত্ৰ্যৰ প্ৰতি গভীৰ ভাবুকি সৃষ্টি কৰিছে। গভীৰ সাগৰৰ বহু জীৱৰ অস্তিত্ব আৰু জীৱন-প্ৰণালী সম্পৰ্কে এতিয়াও পৰ্যাপ্ত তথ্য সংগ্ৰহ কৰিব পৰা হোৱা নাই। এনে অৱস্থাত সিহঁতৰ বাসস্থানৰ ক্ষতি হ'লে তাৰ সুদূৰপ্ৰসাৰী পৰিণাম কি হ'ব পাৰে, সেই বিষয়েও আমাৰ জ্ঞান সীমিত।

'ৰেৰেলআই' মাছৰ আৱিষ্কাৰে সেয়েহে কেৱল বিজ্ঞানৰ নতুন কৌতূহলৰ দুৱাৰ মুকলি কৰা নাই, ই সামুদ্ৰিক পৰিৱেশ সংৰক্ষণৰ প্ৰয়োজনীয়তাকো পুনৰ উজ্জ্বল কৰি তুলিছে। পৃথিৱীৰ প্ৰতিটো জীৱৰ অস্তিত্ব আঁৰত একো একোটা প্ৰাকৃতিক কাৰণ আৰু পৰিৱেশগত ভূমিকা নিহিত হৈ থাকে। সৰু বা ডাঙৰ, দৃশ্যমান বা অদৃশ্য— প্ৰতিটো জীৱই প্ৰকৃতিৰ সামগ্ৰিক ভাৰসাম্য ৰক্ষাত কোনো নহয় কোনো ভূমিকা পালন কৰে।

সামগ্ৰিকভাৱে ক'বলৈ গ'লে, প্ৰশান্ত মহাসাগৰৰ গভীৰতাত স্বচ্ছ মূৰৰ ৰেৰেলআই মাছৰ সন্ধান লাভ আধুনিক সামুদ্ৰিক গৱেষণাৰ এক আকৰ্ষণীয় ঘটনা হিচাপে বিবেচিত হৈছে। ই মানুহৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰাৰ লগতে প্ৰকৃতিৰ অপাৰ সৃষ্টিশীলতাৰ প্ৰতিও আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে। বিজ্ঞানৰ প্ৰকৃত সাৰ্থকতা কেৱল নতুন তথ্য আৱিষ্কাৰ কৰাতে নহয়, সেই জ্ঞানৰ জৰিয়তে পৃথিৱী আৰু ইয়াৰ জীৱজগতক অধিক ভালদৰে বুজি পোৱা আৰু সংৰক্ষণৰ পথ প্ৰশস্ত কৰাতহে নিহিত হৈ আছে। সাগৰৰ অন্ধকাৰ গভীৰতাত ভাহি থকা এই স্বচ্ছ মূৰৰ সৰু মাছটোৱে যেন মানৱজাতিক পুনৰ সোঁৱৰাই দিছে— আমি যিখন পৃথিৱীক সম্পূৰ্ণকৈ চিনি পাওঁ বুলি ভাবোঁ, সেই পৃথিৱীৰ বুকুত এতিয়াও অগণন অজানা বিস্ময় লুকাই আছে।

ফোন ঃ ৭০০২৭-০৭৭২৬

**বিস্ময়কৰ আ

কুম্ভকর্ণ নিদ্রাত ৰাজ্যৰ লোকনির্মাণ বিভাগ ■ ৰাইজৰ আবেদনৰ প্রতি নাই গুৰুত্ব

জৰাজীর্ণ পথে জীয়াতু ভোগাইছে বাঁহজানীৰ ৰাইজক



দৈনিক অসমৰ প্রতিনিধি

বাঁহজানী, ২৪ নৱেম্বৰ ঃ নলবাৰী বিধানসভা সমষ্টিৰ অন্তর্গত চ'কবজাৰৰ পৰা বৃহত্তৰ বাঁহজানীৰ মাজেৰে চান্দকুছি ঘিল্লাচ'ক হৈ মিলন বজাৰ-পুব কালাকুছিলৈ সংযোগ কৰা লোকনির্মাণ বিভাগৰ ব্যস্ত আৰু গুৰুত্বপূর্ণ পথটো সম্প্রতি সম্পূর্ণৰূপে বিধ্বস্ত হৈ পৰিছে। পথটোৰ এনে শোচনীয় অৱস্থাৰ পাছতো আজিলৈকে বিভাগীয় কর্তৃপক্ষই মেৰামতি বা পুনৰ নির্মাণৰ কোনো ব্যৱস্থা গ্রহণ নকৰাত তীব্র ক্ষোভ প্রকাশ কৰিছে অঞ্চলটোৰ ৰাইজে। পথটোৰ বিভিন্ন স্থানত সৃষ্টি হৈছে বৃহৎ গাঁত। এজাক বৰষুণতে এই গাঁতসমূহ পানীৰে ভৰি পুখুৰীসদৃশ ৰূপ ধা�ৰণ কৰে। ফলত পথটোৰে যাতায়াত কৰাটো বিপজ্জনক হৈ পৰিছে। ইতিমধ্যে পথটোৰ দুৰৱস্থাৰ বাবে বহু লোক দুর্ঘটনাত পতিত হৈ আঘাতপ্রাপ্ত হোৱাৰ অভিযোগ উত্থাপন হৈছে। বিশেষকৈ এই পথটোৰ দিনৰ চ'কৰ পকী দলংখনৰ বিভিন্ন স্থানত ভাঙি ওলাই থকা ৰডে পথচাৰীৰ বাবে ভয়ংকৰ বিপদৰ সৃষ্টি কৰিছে। এই দলংখনৰ ওলাই থকা ৰডৰ আঘাতত কেইবাজনো লোক আহত হোৱা বুলি স্থানীয় ৰাইজে জানিবলৈ দিছে। তথাপি নলবাৰী লোকনির্মাণ বিভাগৰ কর্তৃপক্ষৰ এই ক্ষেত্রত কোনো দৃশ্যমান তৎপৰতা পৰিলক্ষিত হোৱা নাই। উল্লেখ্য যে বৃহত্তৰ দক্ষিণ বাঁহজানী, ঘোগা, লাওতোলা, কুৰাবহি, লোহাৰকাঠা, মাদলাবৰী আৰু ডাঙৰদিককে ধৰি বৃহত্তৰ অঞ্চলৰ হাজাৰ হাজাৰ লোকে দৈনিক যাতায়াতৰ বাবে এই পথছোৱাৰ ওপৰতে নির্ভৰ কৰি চলিব লাগে। তদুপৰি বিদ্যালয়-মহাবিদ্যালয়লৈ অহা-যোৱা কৰা শিক্ষার্থীসকলেও পথটোৰ দুৰৱস্থাৰ বাবে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আহিছে। আনহাতে বিভাগীয় কর্তৃপক্ষৰ পৰা কোনো ব্যৱস্থা গ্রহণ নকৰাত অঞ্চলটোৰ একাংশ সচেতন লোকে নিজাবীয়াকৈ পথৰ গাঁতসমূহত মাটি পেলাই যাতায়াতৰ সাময়িক সুবিধা কৰি লোৱাৰ চেষ্টা চলাই আহিছে। কিন্তু বৰষুণ দিলেই সেই মাটি উটি যোৱাত পুনৰ পূর্বৰ অৱস্থাৰ সৃষ্টি হয়। তাৎপর্যপূর্ণ বিষয়টো হ'ল— বাঁহজানীৰ সন্তান তথা নলবাৰীৰ বিধায়ক আৰু অসম চৰকাৰৰ বিত্তমন্ত্রী জয়ন্তমল্ল বৰুৱাৰ বাঁহজানীৰ চান্দকুছিত থকা নিজ বাসগৃহৰ সন্মুখেৰেই এই বিধ্বস্ত পথছোৱা পাৰ হৈ গৈছে। এগৰাকী জনপ্রতিনিধি তথা ৰাজ্য চৰকাৰৰ গুৰুত্বপূর্ণ মন্ত্রীৰ নিজা অঞ্চলৰ পথৰ এনে দুৰৱস্থাই অঞ্চলটোৰ উন্নয়ন আৰু ৰাইজৰ যাতায়াতৰ সুবিধাৰ প্রতি সংশ্লিষ্ট কর্তৃপক্ষৰ দায়িত্ববোধক লৈ বিভিন্ন প্রশ্নৰ অৱতাৰণা কৰিছে। বাৰে বাৰে আবেদন-নিবেদন জনোৱাৰ পাছতো পথটো মেৰামতিৰ ক্ষেত্রত কোনো পদক্ষেপ গ্রহণ নকৰাত ক্ষুব্ধ হৈ পৰিছে স্থানীয় ৰাইজ। এতিয়া নলবাৰী লোকনির্মাণ বিভাগৰ কুম্ভকর্ণৰ নিদ্রা কেতিয়া ভাঙিব আৰু কেতিয়া এই গুৰুত্বপূর্ণ পথছোৱা পুনৰ নির্মাণ কৰা হ'ব, সেয়াই অঞ্চলবাসীৰ প্রধান প্রশ্ন।

সৰভোগৰ ৰৰনগৰ ছোৱালী উঃমাঃ বিদ্যালয়ৰ মহাৰজত জয়ন্তী

দৈনিক অসমৰ প্রতিনিধি

সৰভোগ, ২৪ নৱেম্বৰ ঃ ঐতিহাসিক নগৰী সৰভোগৰ একমাত্র কন্যা শিক্ষানুষ্ঠান ৰৰনগৰ ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী ২০২৭ চনত বর্ণাঢ্য কার্যসূচীৰে উদ্যাপনৰ প্রস্তুতি চলিছে। এই উপলক্ষে কালি দুপৰীয়া ২ বজাত বিদ্যালয়খনৰ মহাৰজত জয়ন্তী উদযাপন সম্পর্কীয় দ্বিতীয়খন কার্যনির্বাহক সভা অনুষ্ঠিত হয়। কালি অনুষ্ঠিত কার্যনির্বাহক সভাত সর্বসম্মতিক্রমে ২০২৭ চনৰ ৯ এপ্রিলৰ পৰা ১১ এপ্রিললৈ তিনিদিনীয়া বর্ণাঢ্য কার্যসূচীৰে মহাৰজত জয়ন্তী উদযাপনৰ সিদ্ধান্ত গ্রহণ কৰা হয়। স্মৃতিগ্রন্থৰ সম্পাদক প্রাণজিৎ দাসে (কাব্যনীল) প্রকাশ পাবলগীয়া স্মৃতিগ্রন্থখনত বিদ্যালয় খনৰ গৌৰৱোজ্জ্বল সফলতা, যাত্রাপথৰ ঘাত-প্রতিঘাত, ইতিহাস আদি বিষয়তইচ্ছুকসকলে pranjitdas0101@gmail.comত লেখা প্রেৰণ কৰিব পাৰিব।

মেস্বৰৰঘাটত দুর্ঘটনাত আহত যুৱক

দৈনিক অসমৰ প্রতিনিধি

বজালী, ২৪ নৱেম্বৰ ঃ বজালী জিলাৰ অন্তর্গত বামাখাটা কর্দেঙুৰি গড় কাম্পানী পহুমাৰা নৈৰ মেস্বৰৰঘাট দলঙৰ সমীপত ২২ নৱেম্বৰৰ নিশা সংঘটিত এক পথ দুর্ঘটনাত এগৰাকী যুৱক গুৰুতৰভাৱে আঘাতপ্রাপ্ত হয়। জানিব পৰা মতে নিশা নিজ কর্মস্থলী পাঠশালাৰ পৰা বাইকেৰে গৃহাভিমুখে গৈ থকা অৱস্থাত পহুমাৰা নৈৰ দলঙৰ সমীপত দুর্ঘটনাত পতিত হৈ পথটোত ছিটিকি পৰি গুৰুতৰভাৱে আঘাতপ্রাপ্ত হয়। ঘটনা সংঘটিত হোৱাৰ পাছতে ওচৰ-চুবুৰীয়াৰ লগতে পথচাৰীসকলে ১০৮ক খবৰ দিয়াৰ লগতে ঘটনাস্থলীত পাঠশালা আৰক্ষী উপস্থিত হৈ আঘাতপ্রাপ্ত যুৱকজনক চিকিৎসালয়লৈ নিয়াৰ ব্যৱস্থা কৰে।পাঠশালাৰ এক ব্যৱসায়িক প্রতিষ্ঠানত কাম কৰা যুৱকজনক বাক্সা জিলাৰ সৰুগাতি নিৱাসী শ্যাম দাস বুলি জানিব পৰা গৈছে।

বিলাসীপাৰাত জনস্বাস্থ্যৰ বিধি উলংঘাৰে খোৱাপানীৰ ব্যৱসায় চলোৱাৰ অভিযোগ

দৈনিক অসমৰ প্রতিনিধি

বিলাসীপাৰা, ২৪ নৱেম্বৰ ঃ বিশুদ্ধ খোৱাপানী স্বাস্থ্যৰ বাবে অত্যন্ত প্রয়োজন। বিভিন্ন ৰোগৰ পৰা হাত সাৰিবলৈ বর্তমান স্বাস্থ্য সচেতন লোকসকলে খোৱাপানীৰ বিশুদ্ধতাৰ ক্ষেত্রত বিশেষ গুৰুত্ব আৰোপ কৰা পৰিলক্ষিত হৈছে। কিন্তু জনসাধাৰণক পর্যাপ্ত পৰিমাণে বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ ক্ষেত্রত সংশ্লিষ্ট কর্তৃপক্ষৰ ব্যর্থতা আৰু খোৱাপানীৰ বর্দ্ধিত চাহিদাৰ সুযোগ লৈ একাংশ ব্যৱসায়ীয়ে বিলাসীপাৰাত অবাধে চলাই গৈছে খোৱাপানীৰ ব্যৱসায়। অভিযোগ অনুসৰি এই ব্যৱসায়ৰ ক্ষেত্রত চৰকাৰী নীতি-নিয়মৰ যথাযথ প্রয়োগ আৰু তদাৰকৰ অভাৱ পৰিলক্ষিত হৈছে। সমজিলাখনত খাদ্য সুৰক্ষা, অসামৰিক যোগান আৰু গ্রাহক পৰিক্রমা বিভাগ থকা সত্ত্বেও খোৱাপানীৰ ব্যৱসায়ৰ ক্ষেত্রত সংশ্লিষ্ট বিভাগসমূহৰ ভূমিকাক লৈ প্রশ্ন উত্থাপন হৈছে। বজাৰত প্রচলিত ২০ লিটাৰ পানীৰ বহু ঝাৰত প্রস্তুত প্রতিষ্ঠানৰ লেবেল দেখা যায় যদিও বহু ক্ষেত্রত উৎপাদনৰ তাৰিখ, ব্যৱহাৰৰ সময়সীমা আৰু প্রস্তুতকর্তাৰ ঠিকনাৰ দৰে গুৰুত্বপূর্ণ তথ্য স্পষ্টকৈ উল্লেখ কৰা নাথাকে বুলি অভিযোগ উত্থাপন হৈছে। আনহাতে বহু ঝাৰ লেতেৰা আৰু পুৰণি অৱস্থাত ব্যৱহাৰ কৰা দেখা যায়। এনে ঝাৰসমূহ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু পুনৰ ব্যৱহাৰৰ উপযোগিতাৰ ক্ষেত্রত উদ্বেগৰ কাৰণ হৈ পৰিছে। নিয়ম অনুসৰি পেকেটজাত খোৱাপানীৰ পেকেট বা ঝাৰত প্রয়োজনীয় পৰিচয়মূলক তথ্য, উৎপাদন আৰু ব্যৱহাৰৰ সময়সীমা, নির্মাতাৰ বিবৰণ তথা সংশ্লিষ্ট অনুমোদন বা প্রমাণীকৰণৰ তথ্য উল্লেখ থকাটো নিশ্চিত কৰিব লাগে। কিন্তু বিলাসীপাৰাৰ একাংশ পানী যোগানকাৰীয়ে এই নিয়মসমূহ যথাযথভাৱে পালন কৰিছে নে নাই, তাক লৈ প্রশ্ন উত্থাপন হৈছে। এনে পৰিস্থিতিত খাদ্য সুৰক্ষা বিভাগ আৰু সংশ্লিষ্ট প্রশাসনে বিষয়টো গুৰুত্বসহকাৰে পৰীক্ষা কৰি পানীৰ গুণাগুণ, ঝাৰৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা, অনুজ্ঞাপত্র আৰু লেবেলিং ব্যৱস্থা পৰিদর্শন কৰাটো প্রয়োজন হৈ পৰিছে। জনস্বাস্থ্যৰ সৈতে জড়িত এই গুৰুত্বপূর্ণ বিষয়টোত সংশ্লিষ্ট কর্তৃপক্ষই শীঘ্রে ব্যৱস্থা গ্রহণ কৰি নিয়ম উলংঘা কৰা প্রতিষ্ঠানৰ বিৰুদ্ধে প্রযোজ্য আইন অনুসৰি ব্যৱস্থা গ্রহণ কৰিবনে, সেয়া এতিয়া লক্ষণীয় হ'ব।

ফাতেমাবাদ চাহ বাগিচাত স্বাস্থ্য শিবিৰ

দৈনিক অসমৰ প্রতিনিধি

শালবাৰী, ২৪ নৱেম্বৰ ঃ বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তর্গত ফাতেমাবাদ চাহ বাগিচাত ২২ নৱেম্বৰত বিশ্ব মধুমেহ দিৱস উপলক্ষে দিনজোৰাকৈ প্রথম স্পর্শ এনজিঅ' আৰু ৰৰপেটা মেডিকেল কলেজ হস্পতালৰ চিকিৎসক ডাঃ গৌৰৱ সিঙৰ উদ্যোগত লগতে ৪০টা ঔষধ কোম্পানীৰ সহযোগত এটা বিনামূলীয়া স্বাস্থ্যসেৱা শিবিৰ অনুষ্ঠিত কৰা হয়। এই স্বাস্থ্যসেৱা শিবিৰৰ জৰিয়তে মধুমেহ ৰোগৰ লগতে কেইবাটাও ভিন্ন ৰোগৰ ৰোগীক স্বাস্থ্য পৰীক্ষা কৰাৰ সমান্তৰালভাৱে স্বাস্থ্যসেৱা আগবঢ়োৱা হয়। চাৰিজন অভিজ্ঞ চিকিৎসকৰ জৰিয়তে ৰোগীসকলক স্বাস্থ্যসেৱা আগবঢ়োৱা হয়। পিছ পৰা অঞ্চলত মধুমেহ ৰোগৰ ভয়াৱহতা সম্পর্কে সজাগতা অনাৰ উদ্দেশ্যে এই স্বাস্থ্যসেৱা শিবিৰৰ আয়োজন কৰা হৈছে। শিবিৰৰ লগতে যোগ অভ্যাস, ভলীবল খেল আদিৰো ব্যৱস্থা কৰা হৈছে। স্বাস্থ্যসেৱা শিবিৰত অঞ্চলটোৰ দুই শতাধিক ৰোগীয়ে অংশগ্রহণ কৰে।

বাইহাটাত ১৩টা পথ নির্মাণৰ শুভাৰম্ভণি

দৈনিক অসমৰ প্রতিনিধি

কমলপুৰ, ২৪ নৱেম্বৰ ঃ কমলপুৰত কালি ১২.৫ কোটি টকা ব্যয় সাপেক্ষে ১৩টা পথ নির্মাণৰ শুভাৰম্ভণি হয়। কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাৰ উপস্থিতিত দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ কমলপুৰ সমষ্টিৰ ৯টা আৰু বঙিয়া সমষ্টিৰ ৪টা পথৰ নির্মাণকার্যৰ শুভাৰম্ভণি কৰে। নির্মাণকার্য শুভাৰম্ভণি কৰা পথসমূহ হ'ল এন এইচ ৫২ বাথান গাঁও পথৰ পৰা এন এইচ ৫২ বাথান নামঘৰ নদী পাৰ চুৰা পথ, গোগ চুবাৰ পৰা বাইহাটা চাৰিআলি-গোৰেশ্বৰ পথ, সোণালীশাল বালিকুচিৰ পৰা মহিপালকুছি পথ, ইচ্ছাকেম্পৰ পৰা সুতাৰগাঁও পথ, ভেটেনেৰীৰ পৰা ডালমা পাম্প পথ, কেন্দুৰা ৰৰপুখুৰীৰ পৰা দেৰাহগুৰি মন্দিৰ পথ, বাইহাটা চাৰিআলি-গাছবাৰী পথৰ পৰা মাজুতোলা চুবা হৈ বিহদিয়া-জয়ন্তীপুৰ পথ, চাংসাৰি-চেঁচা পথৰ পৰা ৰাইপাট গৰখীয়া সত্র পথ আৰু মহাজনপাৰা হেম ৰৰুৱা হাইস্কুলৰ পৰা চেপ্তীপাৰা পথৰ। উক্ত অনুষ্ঠানত উপস্থিত থাকে লোকনির্মাণ বিভাগৰ কার্যবাহী অভিযন্তা কুশল কাকতি, লোকনির্মাণ বিভাগৰ সহকাৰী কার্যবাহী অভিযন্তা কমলপুৰ ক্ষেত্রৰ প্রাণজিৎ তালুকদাৰ, কামৰূপ জিলা পৰিষদৰ সভাপতি নিপন ভূঞা, বিজেপিৰ উত্তৰ কামৰূপ জিলাৰ সভাপতি ভাস্কৰজ্যোতি কলিতা, জিলা পৰিষদৰ সদস্য উমেশ ডেকা আদি।

এমাহলৈ মন্দিৰ চৌহদ নহ'ল পৰিষ্কাৰ, শীঘ্রে জিলা প্রশাসনক ব্যৱস্থা গ্রহণৰ আহ্বান ৰাইজৰ



ধনশ্রীঘাটৰ লক্ষ্মী পূজাৰ হিচাপ ৰাজহুৰাভাৱে দাখিল কৰাৰ আহ্বান

দৈনিক অসমৰ প্রতিনিধি

ওৱাং, ২৪ নৱেম্বৰ ঃ ধনশ্রীঘাটত উলহ-মালহেৰে অনুষ্ঠিত হৈ অহা ঐতিহ্যমণ্ডিত লক্ষ্মী পূজা এইবেলিও ২৫ অক্টোবৰৰ পৰা ছয়দিনীয়া কার্যসূচীৰে অনুষ্ঠিত কৰে আয়োজক সমিতিৰ লগতে মন্দিৰ পৰিচালনা সমিতিয়ে। স্থানীয় ৰাইজে কাহানিও ভু নাপায় লক্ষ্মী পূজাৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত বৃহৎ মেলাৰ আয়-ব্যয়ৰ হিচাপ। পূজাৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত হৈ অহা মেলাৰ ভূমি অধিগ্রহণৰ সময়ত প্রতিখন ব্যৱসায়িক প্রতিষ্ঠানে প্রতিদিনে এক ফুট মাটিৰ হিচাপত ৩০ টকাকৈ দিব লাগে। এই বৃহৎ এলেকাত মেলাৰ বাবে কিমান মাটি অধিগ্রহণ হয় তাৰ কোনো হিচাপ নাই। মেলা উপভোগ কৰিবলৈ অহা বাইক আৰোহীসকলে ১০০ টকা, সৰুগাড়ীৰ বাবদ ১৫০ টকা, ই-ৰিক্সাৰ বাবদ ১০০ টকা হিচাপত আদায় লয় পার্কিঙৰ নামত। পূজাস্থলীত মিনাবজাৰৰ পৰাও আয় হয় বৃহৎ পৰিমাণৰ ধন। উল্লেখ কৰিব পাৰি যে এজন সাধাৰণ বাদাম ব্যৱসায়ীয়ে প্রতিদিনৰ হিচাপত ১০০ টকা সমিতিক আদায় দিব লাগে। এনেদেৰে সুদীর্ঘকাল পূজা অনুষ্ঠিত হৈ আহিছে যদিও মন্দিৰ উন্নয়নো নোহোৱাত দুয়োখন সমিতিৰ প্রতি ক্ষুব্ধ হৈ আছে ৰাইজ। তদুপৰি এইবাৰ লক্ষ্মী মন্দিৰ উন্নয়নৰ বাবে উপহাৰ কুপনৰ ১০০টকীয়া খেল এখনো অনুষ্ঠিত হৈছিল যদিও ইয়াৰ জৰিয়তে মন্দিৰৰ কি উন্নতি হ'ব, ৰাইজৰ সন্দেহ হয়। পূজাৰ লগতে মেলাৰ নামত সংগ্রহ কৰা ধনৰ হিচাপ অভিজ্ঞ পৰীক্ষকৰ জৰিয়তে পৰীক্ষা কৰি ৰাজহুৰাভাৱে হিচাপ দাখিলৰ আহ্বান জনায় স্থানীয় ৰাইজে। লক্ষ্মী পূজা-মেলা সামৰণি পৰা এমাহ হ'ল যদিও চৌদিশ লেতেৰা হৈয়েই থাকিল। ৰাইজে ওদালগুৰি জিলা প্রশাসনক শীঘ্রে সুব্যৱস্থা কৰি দিয়াৰ আহ্বান জনায়।

গাখীৰ উৎপাদন কল্যাণ সমিতিৰ গো-পালকৰ প্রতিবাদ



কলগাছিয়া ৰাজহ চক্র বিষয়াৰ জৰিয়তে মুখ্যমন্ত্রীলৈ স্মাৰকপত্র

দৈনিক অসমৰ প্রতিনিধি

কলগাছিয়া, ২৪ নৱেম্বৰ ঃ সম্প্রতি সময়ত সমগ্র ৰাজ্যৰ লগতে বৰপেটা জিলাৰ দুগ্ধ উৎপাদকসকল তীব্র সংকটত পৰা বুলি জানিব পৰা গৈছে। বজাৰত পশুখাদ্য আৰু ঔষধৰ অত্যধিক দামবৃদ্ধিয়ে কঁকাল ভাঙি পেলাইছে গো-পালকসকলৰ। তাৰ বিপৰীতে গাখীৰৰ ফেট আৰু এছ এন এফৰ মূল্য হ্রাস পোৱাত এতিয়া মূৰে-কপালে হাত দিব লগা হৈছে কলগাছিয়াৰ হাজাৰ হাজাৰ দুগ্ধ উৎপাদকে। আনহাতে একোজনী গাইৰ মৃত্যু হ'লে এজন গো-পালকৰ ১ লাখৰ পৰা ২ লাখ টকালৈকে লোকচান হয় যদিও বীমাৰ নামত মাত্র ৩০-৪০ হাজাৰ টকাহে ধার্য কৰা হয়। তথাপি আইনী জটিলতাৰ বাবে সেইখিনি ধনৰ পৰাও বঞ্চিত হৈছে কৃষকসকল। কালি কলগাছিয়া ৰাজহ চক্র বিষয়াৰ জৰিয়তে অসমৰ প্রভাৱশালী মুখ্যমন্ত্রী ডঃ হিমন্ত বিশ্ব শর্মালৈ প্রেৰণ কৰা স্মাৰকপত্রত ৭দফীয়া দাবী উত্থাপন কৰে। দাবীসমূহৰ ভিতৰত আছে গাখীৰৰ ফেট আৰু এছ এন এফৰ দাম বৃদ্ধি কৰা, সুলভ মূল্যৰ পশুখাদ্য যোগান ধৰা, বিনামূলীয়াকৈ উন্নত মানৰ কৃত্রিম প্রজনন বীজ, ভেকচিন আৰু ঔষধ যোগান ধৰা, পর্যাপ্ত পশু চিকিৎসক আৰু ক্ষেত্রকর্মী নিয়োগ কৰা, গৰুৰ বীমাৰ জটিলতা আঁতৰাই বিনামূলীয়া বীমা আৰম্ভ কৰা, গো-পালকক বেংকৰ জৰিয়তে সুদবিহীন ঋণ প্রদান কৰা আৰু চৰকাৰী সাহায্য প্রতি লিটাৰত ৫ টকাৰ পৰা ১০ টকালৈ বৃদ্ধি কৰা। যদি চৰকাৰে শীঘ্রে এই দাবীসমূহ পূৰণ নকৰে তেন্তে জানুৱাৰীৰ প্রথম সপ্তাহত হাজাৰ হাজাৰ গো-পালকে ৰাজহ চক্র কার্যালয়ত তলা লগাই তীব্র আন্দোলন গঢ়ি তুলিব বুলি সকীয়াই দিছে সমিতিখনে।

তামুলপুৰত প্রাথমিক শিক্ষক সন্মিলনীৰ প্রতিষ্ঠা দিৱস পালন

দৈনিক অসমৰ প্রতিনিধি

তামুলপুৰ, ২৪ নৱেম্বৰ ঃ শিক্ষকৰ চাকৰিটো কেৱল ডিউটী নহয়, ই এক গুৰুত্বপূর্ণ দায়িত্ব। শিক্ষকসকলে সকলো সময়তে ছাত্র-ছাত্রীৰ কল্যাণৰ হকে কাম কৰিব লাগিব। শিক্ষকসকল সমাজৰ সম্পদ আৰু তেওঁলোকৰ কর্মৰাজি সমাজৰ মংগলৰ সৈতে জড়িত। কিন্তু একাংশ শিক্ষকৰ কু-কর্মৰ বাবে সমগ্র শিক্ষক সমাজকে একে দৃষ্টিৰে চাব নোৱাৰি। শিক্ষকসকলে নিজৰ মর্যাদা নিজেই অক্ষুণ্ণ ৰাখিব লাগিব। —এই মন্তব্য বিশিষ্ট নিবন্ধকাৰ ডঃ প্রদ্যুন্ন গোস্বামীৰ। কালি তামুলপুৰৰ শ্রীমন্ত শংকৰদেৱ প্রেক্ষাগৃহত বি টি এ ডি প্রাথমিক শিক্ষক সন্মিলনীৰ আতিথ্যত অসম ৰাজ্যিক প্রাথমিক শিক্ষক সন্মিলনীৰ ৭৮ সংখ্যক প্রতিষ্ঠা দিৱস উপলক্ষে অনুষ্ঠিত মুকলি সভাত উপস্থিত থাকে ডঃ গোস্বামীয়ে শিক্ষা ব্যৱস্থাৰ আধুনিকীকৰণত গুৰুত্ব আৰোপ কৰে। অসম ৰাজ্যিক প্রাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ৰাতুল চন্দ্র গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত



সভাখনত অসম হাইস্কুল শিক্ষক সস্থাৰ সভাপতি সুনন্দ কলিতা উপস্থিত থাকি প্রাথমিক বিদ্যালয়ৰ শিক্ষকসকলৰ অৱদানৰ কথা উল্লেখ কৰে। সভাত বি টি এ ডি প্রাথমিক শিক্ষক সন্মিলনীৰ সভাপতি মহেশ্বৰ ৰাভাই আদৰণী ভাষণ প্রদান কৰে আৰু তামুলপুৰ জিলাৰ অতিৰিক্ত আয়ুক্ত বিদিশা বৰাই আনুষ্ঠানিকভাৱে সভাখন উদ্বোধন কৰে। অনুষ্ঠানত অসম ৰাজ্যিক প্রাথমিক শিক্ষক সন্মিলনীৰ প্রধান সম্পাদক শৈলেন্দ্র কলিতা, তামুলপুৰ জিলাৰ বিদ্যালয়সমূহৰ উপ-পৰিদর্শক ৰুবী ভাৰতী, তামুলপুৰ খণ্ড প্রাথমিক শিক্ষা বিষয়া অৰুঞ্জয় খুংগুৰ ব্রহ্ম, বি টি এ ডি প্রাথমিক শিক্ষক সন্মিলনীৰ সাধাৰণ সম্পাদক বিকাশ চুবেদীসহ সন্মিলনীৰ বিভিন্ন কর্মকর্তাসকল উপস্থিত থাকে। ইপিনে পুৰাৰ ভাগত অসম ৰাজ্যিক প্রাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ৰাতুল চন্দ্র গোস্বামীয়ে সন্মিলনীৰ পতাকা উত্তোলন কৰে। প্রাক্তন উপ-সভাপতি সুব্রত ধৰে স্মৃতি তর্পণ কৰাৰ বিপৰীতে শ্বহীদ পুত্র উদ্ধৰ ডেকাই শ্বহীদ তর্পণ কৰে। প্রয়াত শিল্পী জুবিন গার্গৰ স্মৃতিত অনুষ্ঠিত 'পঢ়িবলৈ শিকোঁ আহা' কার্যসূচীৰ সামৰণী অনুষ্ঠানত ৰৰবেলবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক দ্বিজেন কুমাৰ দাসে সামৰণী বক্তৃতা প্রদান কৰে। লগতে সন্মিলনীৰ কর্মৰাজি সম্পর্কীয় এখন তথ্যচিত্রও প্রদর্শন কৰা হয়।

শব্দৰ ধেমালি ঃ ৪০৯



পথালিকৈ

১। ক্রিকেটত ব্যৱহৃত শব্দ (৩)
৪। এখন বিখ্যাত যুদ্ধ (৩)
৭। জনপ্রিয় কাব্যগ্রন্থ (৬)
৯। পেণ্ডেল (২)
১১। এবিধ জলপান (২)
১২। সাগৰ পৃষ্ঠ (৫)
১৩। খোজৰ চিন (৪)
১৫। ভিক্ষা কৰি খোৱা ব্যক্তি (৪)
১৬। মাছৰ নামেৰে এখন গাঁও (৫)
১৯। হিপ হিপ... (২)
২০। এবিধ কচু (২)
২১। অসমীয়া কৃষ্টি (৬)
২৩। সেৱেঙাকৈ বোৱা বাঁহৰ বেৰা (৩)
২৪। উদং (৩)

থিয়কৈ

১। উপাধি (২)
৩। একেলগে খোৱা খানা (৪)
৪। কাজিয়া বিশেষ (৫)
৫। প্রসিদ্ধ ক্রিকেটাৰৰ নাম (২)
৬। আস্থা (৩)
৮। বিয়লি (৩)
১০। দুখে-ভাগৰে (৬)
১১। বিধানসভা সমষ্টি (৬)
১৪। কাপোৰত ছাঁ পেলাই দেখুওৱা অভিনয় (৫)
১৫। তাঁতশালৰ সঁজুলি (৩)
১৭। মুখ্য ৰাস্তা (৪)
১৮। আঁৰি ৰখা (৩)

শব্দৰ ধেমালি ঃ ৪০৮ৰ উত্তৰ

■	বি	নী	তা	■	■	■	স	পো	ন
ফ	■	■	ল	হ	ক	ৰ	■	■	জ
ল	■	চ	ফা	■	■	স	খা	■	ন
ক	ন	ক	ল	তা	■	ৰা	জ	ধা	নী
■	ত	■	■	■	■	ই	■	ৰ	■
■	শি	■	ধ	■	■	■	■	মা	■
জি	ৰ	জি	ৰ	■	বা	লি	খ	ন	ন
ৰা	■	ভা	তী	■	■	য়া	ক	■	জ
ফ	■	■	লা	ই	শা	ক	■	■	ৰ
■	যু	গ	ল	■	■	ত	স্ক	ৰ	■

© যশ

কাছাৰত পহৰাৰত অৱস্থাত নিৰুদ্দেশ বি এছ এফ জোৱান

দৈনিক অসমৰ প্রতিনিধি

শিলচৰ, ২৪ নৱেম্বৰ ঃ কাছাৰ জিলাৰ ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্রীয় সীমাত নিশা পহৰাত সীমান্তৰক্ষী জোৱান এজন হঠাতে সন্ধানহীন হৈ পৰা ঘটনাই তীব্র চাঞ্চল্যৰ সৃষ্টি কৰিছে। জোৱানজন সময়মতে শিবিৰলৈ উভতি নহাত ৰহস্যৰ সৃষ্টি হৈছে। দেওবাৰে নিশা সীমান্ত নিৰাপত্তাৰ দায়িত্ব পালন কৰি থকা অৱস্থাত ৰহস্যজনকভাৱে সন্ধানহীন হয় ৭৫ নং বেটেলিয়নৰ বি এছ এফ জোৱানজন। নিৰুদ্দিষ্ট জোৱানজনৰ নাম কে ভেনু। বয়স ৩০ বছৰ। এই ঘটনাত বাংলাদেশৰ সীমান্তৰক্ষীৰো সহযোগিতা বিচাৰিছে বি এছ এফে। ঘটনাটোৰে কাটিগড়ৰ সীমান্তৰর্তী অঞ্চলত চাঞ্চল্যৰ সৃষ্টি কৰিছে। বি এছ এফে নিজাববীয়া পদক্ষেপ লোৱাৰ সমান্তৰালকৈ কাটিগড়া আৰক্ষী আৰু এছ ডি আৰ এফৰ যৌথ উদ্যোগত তীব্র অনুসন্ধান আৰম্ভ কৰা হৈছে। প্রাপ্ত তথ্য অনুসৰি, দেওবাৰে নিশা ৭৫ নং বেটেলিয়নৰ জোৱান কে ভেনু আন্তর্জাতিক সীমান্ত পহৰা দিবলৈ গৈছিল। কিন্তু নিশাৰ কর্তব্যৰ পাছত সময়মতে শিবিৰলৈ উভতি নাহিল জোৱানজন। প্রথম অৱস্থাত বিষয়টো বিএছএফৰ দৃষ্টিগোচৰ হৈছিল যদিও নিশা পোহৰ হোৱাৰ পাছত জোৱানজনৰ নিৰুদ্দেশৰ খবৰ চৌদিশে বিয়পি পৰে। পাছত হৰিনগৰ বি এছ এফ কর্তৃপক্ষই কাটিগড়া থানাত এই বিষয়ে অৱগত কৰে। এই খবৰ পোৱাৰ লগে লগে কাটিগৰা আৰক্ষীয়ে এছ ডি আৰ এফৰ এটা দলৰ সৈতে উদ্ধাৰ অভিযান চলাবলৈ সেই স্থানত উপস্থিত হয়। তেতিয়াৰ পৰাই নদীখনৰ লগতে কাষৰীয়া অঞ্চলত তালাচী অভিযান আৰম্ভ হৈছে। বিশেষকৈ বৰাক, সুৰমা আৰু কুচিয়াৰা নদী ব্যৱস্থা আৰু ইয়াৰ আশে-পাশে সংযোগী জলপথত নিৰুদ্দেশ হোৱা জোৱানৰ সন্ধানত অভিযান চলোৱা হৈছে। কিন্তু এই বাতৰি লিখাৰ সময়লৈকে তেওঁৰ কোনো শুংসূত্র পোৱা নাই।

স্মৃতি তর্পণ

চন্দন গোস্বামী

আহোম স্বর্গদেউ ৰুদ্র সিংহৰ ৰাজত্ব কালত ব্রহ্মোত্তৰ হিচাপে ভূমি দান কৰা নহিৰা সত্রৰ এটা আঢ্যৰন্ত গোসাঁই পৰিয়ালৰ বর্তমান প্রজন্মৰ সন্তান চন্দন গোস্বামীৰ ১৫ নৱেম্বৰত অকাল মৃত্যু হয়। পিতৃ প্রয়াত উপেন্দ্র গোস্বামী (সগৰ) আৰু মাতৃ শশীপ্রভা গোস্বামীৰ সন্তান চন্দনে নহিৰা গুইমাৰা উচ্চমাধ্যমিক বিদ্যালয়ৰ পৰা মেট্রিক উত্তীর্ণ হ

সদৌ অসম সত্ৰ মহাসভাৰ ‘সত্ৰ আৰু নামঘৰ সমাৱেহ’ৰ সামৰণী অনুষ্ঠানত ৰাজ্যপাল আচার্য

সত্ৰ-নামঘৰে আধ্যাত্মিক পৰিৱেশ গঢ়ি তুলিছে

দৈনিক অসমৰ প্ৰতিনিধি

পুৰণিগুদাম, ২৪ নৱেম্বৰ ঃ সদৌ অসম সত্ৰ মহাসভাৰ উদ্যোগত যোৱা ২০ নৱেম্বৰৰ পৰা পুৰণিগুদাম ভীমৰগাঁও বৰনামঘৰ প্ৰাঙ্গণ আৰু পুৰণিগুদামৰ ডঃ ভবেন্দ্ৰ নাথ শইকীয়া প্ৰেক্ষাগৃহত অনুষ্ঠিত সদৌ অসম সত্ৰ আৰু নামঘৰ সমাৱেহৰ কালি সামৰণি পৰে। মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচার্যই। কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, সদৌ অসম সত্ৰ মহাসভাৰ সভাপতি সত্ৰাধিকাৰ জনার্দ্দন গোস্বামী, প্ৰধান সম্পাদক সত্ৰাধিকাৰ প্ৰান্তিক গোস্বামী, উপ-সভাপতি সত্ৰাধিকাৰ মুনমুন গোস্বামী উপস্থিত থকা মুকলি সভাত সত্ৰাধিকাৰ, সাংবাদিক আৰু সমাজৰ বিভিন্ন দিশত অৱিহণা আগবঢ়োৱা আঠগৰাকী ব্যক্তিক বিভিন্ন বঁটাৰে সন্মানিত কৰা হয়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচার্যই প্ৰদান কৰা এই বঁটাত গামোচা, চেলেং, স্মাৰক, জাপি, সম্বৰ্দ্ধনা-পত্ৰ আৰু শৰাই প্ৰদান কৰা হয়। সত্ৰীয়া সংস্কৃতিৰ বিকাশত বিশেষ অৱিহণা আগবঢ়োৱা নগাঁও জিলাৰ উৰিয়াগাঁৱৰ তেলীয়াপহুকটাৰ শ্ৰীশ্ৰী ব্ৰহ্মচাৰী সত্ৰৰ সত্ৰাধিকাৰ, বিশিষ্ট সত্ৰীয়া কলা-সংস্কৃতিৰ সাধক, শিক্ষাবিদ, অৱসৰপ্ৰাপ্ত অধ্যক্ষ শৈলেন্দ্ৰ গোস্বামীক জীৱনজোৱা সাধনা বঁটা, মৰিগাঁও জিলাৰ আঁহতগুৰিৰ সিধাবাৰী শ্ৰীশ্ৰী ডিফলু সত্ৰৰ সত্ৰাধিকাৰ বিশ্বজিৎ গোস্বামী, শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিৰ শ্ৰীশ্ৰী সাউদকুছি সত্ৰৰ ডেকা সত্ৰীয়া কমলজ্যোতি গোস্বামীক সত্ৰজ্যোতি বঁটা, তেজপুৰৰ ডিপোটাৰ শ্ৰীশ্ৰী চিপহা সত্ৰৰ ডেকা সত্ৰাধিকাৰ অৰূপ মহন্ত আৰু শিৱসাগৰ জিলাৰ হোলাপাৰ কালুগাঁৱৰ বিশিষ্ট বায়ন নৰজ্যোতি বৰাক সত্ৰীয়া সংস্কৃতি বঁটা প্ৰদান কৰাৰ উপৰি ‘আমাৰ অসম’ কাকতৰ গুৱাহাটীস্থ কার্যালয়ৰ জ্যেষ্ঠ উপ-সম্পাদক ৰবীন ভূঞা আৰু ‘অসমীয়া প্ৰতিদিন’ কাকতৰ নগাঁও জিলাৰ জ্যেষ্ঠ সাংবাদিক দেৱজিৎ হাজৰিকাক সংবাদজ্যোতি বঁটা, স্মৃতি কলিতাক কাব্যজ্যোতি বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে উক্ত সভাতে বিশিষ্ট সাহিত্যিক, নগাঁও জিলাৰ শ্ৰীশ্ৰী জগৰাল সত্ৰৰ সত্ৰাধিকাৰ প্ৰান্তিক গোস্বামীক ‘সদৌ অসম নামঘৰ মহাসভা’ই ‘সাহিত্য সৌৰভ’ বঁটা প্ৰদান কৰে। মুকলি সভাখনত ৰাজ্যপালগৰাকীয়ে শংকৰদেৱৰ পুণ্যভূমি নগাঁও জিলাত ‘সদৌ অসম সত্ৰ মহাসভা’ই সদৌ অসম ভিত্তিত ‘সত্ৰ আৰু নামঘৰ সমাৱেহ’ অনুষ্ঠিত কৰাৰ বাবে সদৌ অসম সত্ৰ মহাসভাক প্ৰশংসা কৰি ভাষণ প্ৰসংগত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচার্যই কয়— সদৌ অসম সত্ৰ মহাসভাই সমাজৰ উন্নতিৰ বাবে আৰু শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ গুৰু দুজনাৰ সৃষ্টি, আদর্শ আৰু কর্মৰাজিক আৰু সত্ৰীয়া কলা-সংস্কৃতিক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাৰ সংকল্পৰে সদায় কাম কৰি আহিছে। সকলো অনুষ্ঠানৰ আৰম্ভণি হোৱাৰ আগত যি বৰগীত গোৱা হয় সেই বৰগীত কেতিয়াও মনোৰঞ্জন নহয়, ই এক সকলো সংস্কৃতিকে এক কৰাৰ মাধ্যম বুলি ৰাজ্যপালগৰাকীয়ে উল্লেখ কৰে। তেওঁ সকলোকে নিচামুক্ত এখন সুস্থ সমাজ গঢ়িবলৈ আহ্বান জনায়। সভাত শ্ৰীশ্ৰী জগৰাল সত্ৰৰ সত্ৰাধিকাৰ প্ৰান্তিক গোস্বামীৰ সম্পাদনাত প্ৰকাশিত তথা শ্ৰীশ্ৰী জগৰাল সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ নৰেন্দ্ৰ নাথ গোস্বামী আৰু বিনু গোস্বামীৰ নামত উৎসর্গিত স্মৃতিগ্ৰন্থ ‘মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ ঃ সত্ৰ আৰু নামঘৰ’ উন্মোচন কৰে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচার্যই। উক্ত সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে ভাষণত নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ পুৰণিগুদামত সদৌ অসম সত্ৰ মহাসভাৰ উদ্যোগত অনুষ্ঠিত সদৌ অসম সত্ৰ আৰু নামঘৰ সমাৱেহত ৰাজ্যপালগৰাকীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। সভাত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই ভাষণ প্ৰসংগত কয় যে শ্ৰীমন্ত শংকৰদেৱৰ পুণ্যভূমিত সদৌ অসম সত্ৰ মহাসভাই সত্ৰীয়া কলা-সংস্কৃতিৰ অবিৰতভাৱে চর্চা কৰি আহিছে।





দোকনীয়া গ্ৰেজিং ৰিজাৰ্ভ পৰিদৰ্শন বিধায়কৰ

দৈনিক অসমৰ প্ৰতিনিধি

হাজো, ২৪ নৱেম্বৰ ঃ অসমৰ পি জি আৰ আৰু ভি জি আৰ ভূমি বেদখলমুক্ত কৰিবলৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শর্মাই ঘোষণা কৰাৰ পাছতে হাজো ৰাজহ চক্ৰৰ অন্তর্গত বৃহৎ এলেকাৰ চৰকাৰী ভূমি বেদখলকাৰীৰ কৱলৰ পৰা উদ্ধাৰ কৰিবলৈ প্ৰশাসনে তৎপৰতা আৰম্ভ কৰিছে। এই পদক্ষেপৰ অংশ হিচাপে কালি পুৱাৰে পৰা হাজো-শুৰালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে হাজো ৰাজহ চক্ৰৰ চক্ৰ বিষয়া নিতুল খাটনিয়াৰক লগত লৈ বেদখলকাৰীৰ কৱলত থকা দোকনীয়া গ্ৰেজিং ৰিজাৰ্ভ পৰিদৰ্শন কৰে। কেইবাহাজাৰ বিঘাজুৰি থকা এই সংৰক্ষিত ভূমি পৰিদৰ্শন কৰি বিধায়ককগৰাকীয়ে বেদখলৰ বর্তমানৰ স্থিতিৰ বুজ লয়। পৰিদর্শনৰ অন্তত সংবাদ মাধ্যমৰ আগত বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে কয় যে চৰকাৰী তথা গ্ৰেজিং ৰিজাৰ্ভৰ ভূমি বেদখলমুক্ত কৰাৰ ক্ষেত্ৰত চৰকাৰ কঠোৰ স্থিতিত অটল আছে। জাতি-ধর্ম নির্বিশেষে অবৈধভাৱে দখল কৰি থকা সকলো ভূমি বেদখলমুক্ত কৰা হ’ব বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে উচ্ছেদ অভিযানৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ’ব।



ৰঙিয়াত মহাপুৰুষীয়া সত্ৰ সমাজৰ অধিৱেশন

■ লাইখুঁটা স্থাপন ■

দৈনিক অসমৰ প্ৰতিনিধি

ৰঙিয়া, ২৪ নৱেম্বৰ ঃ মহাপুৰুষীয়া সত্ৰ সমাজ, অসমৰ ৪০ সংখ্যক ত্ৰিবার্ষিক ৰাজ্যিক অধিৱেশনখন আগন্তুক বর্ষৰ ২৯ জানুৱাৰীৰ পৰা তিনিদিনীয়াকৈ ৰঙিয়াত অনুষ্ঠিত হ’ব। ৰঙিয়াৰ তৰণীস্থিত ঐতিহ্যমণ্ডিত বুনা সত্ৰস্থিত লেচাকোণীয়া গোবিন্দ আতৈ সমন্বয় ক্ষেত্ৰত অধিৱেশনখনৰ বাবে আয়োজক সমিতিয়ে দিনে-নিশাই প্ৰস্তুতি চলাই আছে। ৰঙিয়া জিলা সত্ৰ সমাজৰ আতিথ্যত অনুষ্ঠিত হ’বলগীয়া এই অধিৱেশনৰ কালি লাইখুঁটা স্থাপন কার্যসূচী সম্পন্ন কৰা হয়। হৰিনাম কীর্তনেৰে মুখৰ আধ্যাত্মিক পৰিৱেশত লাইখুঁটা স্থাপন কৰে মহাপুৰুষীয়া সত্ৰ সমাজ, অসমৰ সভাপতি মনহৰি ৰাজবংশীয়ে। কার্যসূচীত সহযোগ কৰে প্ৰধান সম্পাদক জীৱন চন্দ্ৰ ৰৰাই। অনুষ্ঠানত বিভিন্ন প্ৰান্তৰ পৰা অহা মহাপুৰুষীয়া সত্ৰ সমাজৰ ভক্তিপ্ৰাণ লোকসকল উপস্থিত থাকে।

বিপিএফৰ কেন্দ্ৰীয় সমিতিৰ সদস্য কুলেন বড়োৰ মৃত্যু



দল-সংগঠনৰ শোক প্ৰকাশ

দৈনিক অসমৰ প্ৰতিনিধি

টংলা, ২৪ নৱেম্বৰ ঃ বিপিএফৰ কেন্দ্ৰীয় কার্যকৰী সদস্য ওদালগুৰি জিলাৰ টংলাৰ বৰজলাহ লিচুতল নিৱাসী কুলেন বড়োৰ কালি ৭৫ বছৰ বয়সত মৃত্যু হয়। তেওঁ প্ৰায় এবছৰ ধৰি নানান শাৰীৰিক অসুস্থতাত ভুগি আছিল। গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত এমাহ ধৰি চিকিৎসাধীন হৈ থকাৰ পাছত ঘৰলৈ অনাৰ পাছতে তেওঁ মৃত্যুমুখত পৰে। কুলেন বড়ো অসম চৰকাৰৰ ভূমি সংৰক্ষণ বিভাগৰ এজন অৱসৰপ্ৰাপ্ত কর্মচাৰী আছিল। তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে যথেষ্টসংখ্যক গুণমুগ্ধই আহি তেওঁৰ জন্মস্থান ছৈবাৰীস্থিত বাসগৃহত ভিৰ কৰেহি। বিটিচিৰ প্ৰাক্তন কার্যবাহী সদস্য তথা বিপিএফৰ খালিংদুৱাৰ ব্লক সমিতিৰ সভাপতি বনজাৰ দৈমাৰী আৰু দলীয় সতীর্থসকলে কেন্দ্ৰীয় নেতাগৰাকীৰ নশ্বৰ দেহত পুষ্পমালা আৰু দলৰ পতাকা অর্পণ কৰি অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁৰ মৃত্যুত টংলা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকা, বিটিচিৰ খালিংদুৱাৰ সমষ্টিৰ পাৰিষদ অর্জুন দৈমাৰী, খালিংদুৱাৰ ব্লক বিপিএফৰ সভাপতি ডঃ বনজাৰ দৈমাৰী, বিপিএফৰ কেন্দ্ৰীয় সম্পাদক ডঃ জয়ন্ত কুমাৰ ভট্টাচার্য, বনগাঁও ভিচিডিচিৰ অধ্যক্ষ হৰেশ্বৰ ডেকা, ছৈবাৰী বিদ্যাপীঠ হাইস্কুল, ওদালগুৰি জিলা সাহিত্য সভা, টংলা সাহিত্য সভা, টংলা শিল্পী সমাজ, পুব টংলা আঞ্চলিক সাংস্কৃতিক যুৱ মঞ্চ, টংলা প্ৰেছ ক্লাব, ব্ৰহ্মাহিত সাধিনী সাহিত্য কানন, পুৱন্দিয়া সাহিত্য সভা, ছৈবাৰী আঞ্চলিক ৰঙালী বিহু সম্মিলনী আদিয়ে শোক প্ৰকাশ কৰিছে। আজি ছৈবাৰীত তেওঁৰ অন্তিম সৎকাৰ কৰা হয়। মৃত্যুৰ সময়ত তেওঁ দুজন পুত্ৰ আৰু দুগৰাকী কন্যাসহ পৰিয়াল-পৰিজন আৰু অগণন গুণমুগ্ধক এৰি থৈ যায়।

উৎসৱৰ নামত পথত বাঁহৰ হেঙাৰ দি ধন সংগ্ৰহ নিষিদ্ধ কলিয়াবৰত

দৈনিক অসমৰ প্ৰতিনিধি

কলিয়াবৰ, ২৪ নৱেম্বৰ ঃ বিভিন্ন উৎসৱ-পার্বণৰ নামত ৰাজহুৱা পথত বাঁহৰ হেঙাৰ দি যান-বাহন আৰু পথচাৰীৰ পৰা জো�ৰ-জুলুমকৈ ধন সংগ্ৰহ কৰা কার্যৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰিছে কলিয়াবৰ সমজিলা প্ৰশাসনে। কালি এটা বিবৃতিত প্ৰশাসনে সমজিলাৰ অন্তর্গত সকলো ৰাজহুৱা পথত এনেধৰণৰ অবৈধ ধন সংগ্ৰহ সম্পূর্ণৰূপে নিষিদ্ধ ঘোষণা কৰিছে। উল্লেখ্য যে কলিয়াবৰ সমজিলাৰ শিলঘাট, লাঙিচুক, কুঁৱৰীটোল, ভলাগুৰি আদি অঞ্চলৰ সংযোগী পথসমূহৰ লগতে আন কিছুমান আভ্যন্তৰীণ গ্ৰাম্য পথত একাংশ ব্যক্তি তথা দল-সংগঠনে বাঁহৰ হেঙাৰ দি যাতায়াতকাৰী লোকক বাধা প্ৰদান কৰি আহিছে। এইদৰে পথ অৱৰোধ কৰি বিভিন্ন উৎসৱ-পার্বণ পালনৰ নামত ৰাইজৰ পৰা ধন দাবী কৰা কার্য সম্পূর্ণ অবৈধ আৰু আইন অনুসৰি শাস্তিযোগ্য অপৰাধ বুলি প্ৰশাসনে স্পষ্ট কৰি দিছে। বিবৃতিটোত উল্লেখ কৰা মতে, যদি কোনো ব্যক্তি, দল বা সংগঠনে অবৈধ ধন সংগ্ৰহৰ উদ্দেশ্যে কোনো পথচাৰীক পথত বাধা প্ৰদান কৰে, তেন্তে ভুক্তভোগী লোকসকলে লগে লগে নিকটৱর্তী আৰক্ষী থানাত অভিযোগ দাখিল কৰিব পাৰিব। এনে অপৰাধমূলক কার্যৰ বিৰুদ্ধে আৰক্ষীয়ে কঠোৰ তথা প্ৰয়োজনীয় আইনী ব্যৱস্থা গ্ৰহণ কৰিব বুলি প্ৰশাসনে সকীয়াই দিছে। লগতে, ৰাজহুৱা পথত অবৈধ বাধাৰ সৃষ্টি কৰা বা বলপূর্বকভাৱে ধন সংগ্ৰহ কৰাৰ দৰে কার্যৰ পৰা সকলোকে বিৰত থাকিবলৈ কলিয়াবৰ সমজিলা প্ৰশাসনে আহ্বান জনাইছে।

হোজাইত দোকানত চোৰৰ লুটপাত

দৈনিক অসমৰ প্ৰতিনিধি

হোজাই, ২৪ নৱেম্বৰ ঃ হোজাইৰ শিৱবাৰী ৰোডৰ বিকি দাসৰ গেলামাল দোকানত ২২ নৱেম্বৰৰ নিশা সংঘটিত হয় এক চুৰিকাণ্ড। আটাইতকৈ আশ্চর্যজনক কথাটো হ’ল, হোজাই আৰক্ষী থানাৰ পৰা মাত্ৰ এশ মিটাৰ নিলগত সংঘটিত হৈছে এই চুৰিৰ ঘটনা। দোকানখনৰ চিলিং কাটি ভিতৰত প্ৰৱেশ কৰা চোৰে দোকানখনৰ পৰা নগদ ধনৰ লগতে প্ৰায় চাৰি লাখ টকাৰ সামগ্ৰী লুটি লৈ যায়। আৰক্ষী থানাৰ নিচেই কাষতে সংঘটিত হোৱা এই চুৰিকাণ্ডই হোজাইৰ ব্যৱসায়ী মহলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইফালে চুৰিকাণ্ডৰ সকলো দৃশ্য বন্দী হৈ ৰৈছে চিচি কেমেৰাত।



মানাহ ৰাষ্ট্ৰীয় উদ্যানত দেশী-বিদেশী পর্যটক-বনভোজ দলৰ ভিৰ

পূর্বৰ তুলনাত বৃদ্ধি পাইছে পর্যটকৰ সংখ্যা

দৈনিক অসমৰ প্ৰতিনিধি

শালবাৰী, ২৪ নৱেম্বৰ ঃ বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যান আৰু ইয়াৰ পার্শ্ববর্তী অঞ্চলত বর্তমান অগণন দেশী-বিদেশী পর্যটকৰ লগতে বনভোজকাৰী দলৰ ভিৰ পৰিলক্ষিত হৈছে। শীতৰ আগমনৰ লগে লগেই এইবাৰ আগতীয়াকৈ মানাহ বনভোজস্থলীত বনভোজকাৰী দলসমূহৰ আগমন ঘটিছে, যাৰ ফলত অঞ্চলটোত এক উখল-মাখল তথা আনন্দময় পৰিৱেশে বিৰাজ কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, মানাহৰ বেঁকী নৈৰ পাৰত ৰাজ্যৰ ভিন্নপ্ৰান্তৰ পৰা অহা বনভোজৰ দলসমূহে ভিৰ কৰিছে। আনহাতে, মানাহ ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণলৈ অহা দেশী-বিদেশী পর্যটকৰ সংখ্যাও পূর্বৰ তুলনাত বৃদ্ধি পাইছে। প্ৰতিদিনে ২০০খন জীপছীৰ জৰিয়তে পর্যটকসকলে জীপ ছাফাৰী উপভোগ কৰিছে। মানাহৰ নয়নাভিৰাম প্ৰাকৃতিক সৌন্দর্য উপভোগ কৰাৰ সমান্তৰালভাৱে পর্যটকসকলে বাঘ, হাতী, গঁড়, বনগৰুৰ লগতে বিভিন্ন প্ৰজাতিৰ চৰাই-চিৰিকটিকে ধৰি ভিন্ন বন্যপ্ৰাণীৰ বিচৰণ নিচেই কাষৰ পৰাই প্ৰত্যক্ষ কৰি আপ্লুত হৈ পৰিছে। উল্লেখযোগ্য যে মানাহ ৰাষ্ট্ৰীয় উদ্যানত পূর্বৰ তুলনাত জীৱ-জন্তুৰ সংখ্যাও বৃদ্ধি পাইছে।

বাগানপাৰাত নৱনির্বাচিত ইউপিপিএলৰ কেন্দ্ৰীয় সমিতিৰ শপতগ্ৰহণ

দৈনিক অসমৰ প্ৰতিনিধি

মুছলপুৰ, ২৪ নৱেম্বৰ ঃ ইউপিপিএলৰ নৱনির্বাচিত কেন্দ্ৰীয় সমিতিৰ শপত গ্ৰহণ অনুষ্ঠান কালি বাক্সা জিলাৰ বাগানপাৰাত শ্ৱহীদ সুজিত নার্জাৰী সোঁৱৰণী প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অনুষ্ঠানটোত ইউপিপিএলৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি প্ৰমোদ বড়োৰ লগতে দলৰ কেন্দ্ৰীয় নেতৃত্ব উপস্থিত থাকে। ১৬৯জনীয়া নৱনির্বাচিত ইউপিপিএলৰ কর্মকর্তাসকলৰ সৈতে পুনৰ সভাপতি হিচাপে শপত গ্ৰহণ কৰে প্ৰাক্তন বিটিচি চীফ প্ৰমোদ বড়োৱে। আগন্তুক দিনত বিটিচি অঞ্চলৰ আর্থিক, সামাজিক, শৈক্ষিক আদি দিশসমূহ উন্নত কৰাৰ লগতে জাতি-জনগোষ্ঠীসমূহৰ মাজত শান্তি-সম্প্ৰীতিৰ বাবে দলে কাম কৰি যাব বুলি মন্তব্য আগবঢ়ায় প্ৰমোদ বড়োৱে। ইফালে বিটিচিত হ’বলগীয়া উপ-নির্বাচনত ইউপিপিএল দলে আন ৰাজনৈতিক দলৰ লগত মিত্ৰতা সম্পর্কত কোনো চিন্তা কৰা নাই বুলি মন্তব্য কৰি কয় যে ইউপিপিএলে অকলেই নির্বাচন খেলিব। ইউপিপিএল নেতৃত্বাধীন পৰিষদৰ কার্যকালত হোৱা তৃতীয় আৰু চতুর্থ বর্গৰ নিযুক্তি বিপিএফ চৰকাৰে বাতিল কৰা সন্দর্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰে প্ৰমোদ বড়োৱে। হাগ্ৰামা মহিলাৰীয়ে



ইউপিপিএল পৰিষদে বন আৰু পঞ্চায়তত দিয়া নিযুক্তি বাতিল কৰিম বুলি ক’লেও তৃতীয় আৰু চতুর্থ বর্গৰ চাকৰি নিযুক্তি বাতিল কৰিব নোৱাৰে বুলি মন্তব্য কৰে প্ৰমোদ বড়োৱে।

ৰূপহীহাটত বিদ্যুৎস্পৃষ্ট হৈ শিক্ষকৰ মৃত্যু

দৈনিক অসমৰ প্ৰতিনিধি

ৰূপহীহাট, ২৪ নৱেম্বৰ ঃ ৰূপহীহাটৰ কাঞ্চাপুৰত বিদ্যুৎস্পৃষ্ট হৈ এগৰাকী শিক্ষকৰ মৃত্যু হোৱা ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। মৃত শিক্ষকগৰাকী কাঞ্চাপুৰ গাঁও পঞ্চায়তৰ ৫নং ৱার্ডৰ অমৰ চন্দ্ৰ সৰকাৰ বুলি জানিব পৰা গৈছে। তেওঁ জয়গুৰু এইচ এছ স্কুলৰ সহকাৰী হিন্দী শিক্ষক হিচাপে কর্মৰত আছিল। প্ৰাপ্ত তথ্য অনুসৰি, ২২ নৱেম্বৰৰ দিনৰ প্ৰায় ১.৩০ বজাত পানীৰ মটৰৰ ছুইচ দিবলৈ যাওঁতেই তেওঁ বিদ্যুৎস্পৃষ্ট হয়। এই ঘটনাত শিক্ষকগৰাকীৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। সৰকাৰৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

জটিল ৰোগত আক্ৰান্ত নলবাৰীৰ অভিনেতা ৰূপম শর্মা

উন্নত চিকিৎসাৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰী-বিত্তমন্ত্ৰীক অনুৰোধ



দৈনিক অসমৰ প্ৰতিনিধি

পশ্চিম নলবাৰী, ২৪ নৱেম্বৰ ঃ নলবাৰীৰ সু-সন্তান তথা প্ৰতিভাৱান অভিনেতা ৰূপম শর্মা। নলবাৰীৰ দীঘেলীত জন্মগ্ৰহণ কৰা ৰূপমে সৰুৰে পৰাই অভিনয়ৰ জগতখনৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ নিজৰ অভিনয় প্ৰতিভা আৰু দক্ষতাৰে অসমীয়া সাংস্কৃতিক জগতখনত এক সুকীয়া পৰিচয় গঢ়িবলৈ সক্ষম হৈছে। ধাৰাবাহিক, চিনেমা, ভ্ৰাম্যমাণ থিয়েটাৰ, মডেলিং আদি বিভিন্ন ক্ষেত্ৰত নিজৰ প্ৰতিভাৰ পৰিচয় দি তেওঁ দর্শকৰ হৃদয়ত বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছে। সময়ৰ লগে লগে নিজৰ প্ৰতিভা, একাগ্ৰতা আৰু কঠোৰ পৰিশ্ৰমেৰে অসমৰ বিভিন্ন প্ৰান্তৰ দর্শকৰ মাজতো নিজৰ এক সুকীয়া স্থান গঢ়ি তুলিছে তেওঁ। ৰূপম শর্মা বহুদিন ধৰি জটিল ৰোগত আক্ৰান্ত হৈ আছে আৰু কিছুদিন পূর্বে হঠাৎ বেছি অসুস্থ হোৱা হেতুকে পৰিয়ালৰ লোকে গুৱাহাটীৰ নেমকেয়াৰ হাস্পতালত ভর্তি কৰাইছিল। তাত কিছুদিন চিকিৎসাধীন হৈ আছিল। কিন্তু অর্থৰ অভাৱত তেওঁ উন্নত চিকিৎসাৰ পৰা বঞ্চিত হৈ আছে। মধ্যবিত্ত পৰিয়ালটো এতিয়া আর্থিকভাৱে বহুত দুর্বল হৈ পৰিছে, যাৰ বাবে উন্নত চিকিৎসাৰ বাবে ৰাজ্যৰ বাহিৰলৈ নিয়াৰ পৰিকল্পনা কৰিও পিছু�ৱাই থাকিব লগা হৈছে। ৰূপম শর্মাৰ অসুস্থতাৰ খবৰ সামাজিক মাধ্যম আৰু ইলেক্ট্ৰ’নিক মাধ্যমত প্ৰকাশ পোৱাৰ পাছত মানৱদৰদীসকলৰ লগতে চলচ্চিত্ৰ বিত্ত আৰু উন্নয়ন নিগমৰ তৰফৰ পৰাও আর্থিক সাহায্য প্ৰদান কৰিছে যদিও সেইখিনিয়েই যথেষ্ট নহয়। উন্নত চিকিৎসাৰ বাবে এতিয়াও বহুখিনি অর্থৰ প্ৰয়োজন। নলবাৰীৰ এইগৰাকী প্ৰতিভাসম্পন্ন অভিনেতাৰ উন্নত চিকিৎসাৰ সু-ব্যৱস্থা কৰি দিবলৈ নলবাৰী সমষ্টিৰ বিধায়ক তথা বিত্তমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ লগতে কর্মদক্ষ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শর্মালৈ ৰূপমৰ পৰিয়ালৰ লগতে স্থানীয় ৰাইজেও অনুৰোধ জনাইছে।

নিষিদ্ধ ড্ৰাগ্‌ছৰ ঘাটী উৎখাত, গ্ৰেপ্তাৰ ৫ সৰবৰাহকাৰী

■ গোপন তথ্যৰ ভিত্তিত ধুবুৰী আৰক্ষীৰ অভিযান ■

দৈনিক অসমৰ প্ৰতিনিধি

ধুবুৰী, ২৪ নৱেম্বৰ ঃ নিষিদ্ধ ড্ৰাগ্‌ছৰ বিৰুদ্ধে অভিযান চলাই কালি ধুবুৰী আৰক্ষীয়ে বুজন পৰিমাণৰ নিষিদ্ধ ড্ৰাগ্‌ছসহ পাঁচজনকৈ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। প্ৰাপ্ত তথ্য অনুসৰি, কালি সন্ধিয়াৰ ভাগত ধুবুৰী জিলা আৰক্ষীৰ অপৰাধ শাখাই লাভ কৰা এক গোপন তথ্যৰ ভিত্তিত ধুবুৰী চহৰৰ নিউঘাট মাদ্ৰাছা মোৰ অঞ্চলৰ ছাইফুল ইছলাম নামৰ এজন লোকৰ বাসগৃহত থকা এটা ড্ৰাগ্‌ছৰ ঘাটীত অভিযান চলায়। আৰক্ষীৰ অভিযানত ড্ৰাগ্‌ছৰ ঘাটী উচ্ছেদ কৰাৰ লগতে যাৱা টেবলেট, হেৰ’ইন আৰু কফ ছিৰাপসহ বুজন পৰিমাণৰ নিষিদ্ধ ড্ৰাগ্‌ছসহ পাঁচজনকৈ ড্ৰাগ্‌ছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগ্‌ছ সৰবৰাহকাৰীকেইজন ক্ৰমে ছাইফুল ইছলাম, ইউছুফ আলী খান, মুকুল হুছেইন প্ৰামাণিক, আনিছুৰ ৰহমান আৰু ফিৰাজুল হক। ধৃত আটাইকেইজনৰ ঘৰ নিউঘাটৰ মাদ্ৰাছা মোৰ অঞ্চলত। অভিযোগ মতে, ধৃত ড্ৰাগ্‌ছ সৰবৰাহকাৰী ছাইফুল ইছলামে দীর্ঘদিন ধৰি নিজৰ ঘৰতে ড্ৰাগ্‌ছৰ ঘাটী পাতি নিষিদ্ধ ড্ৰাগ্‌ছৰ ক’লা বেহা চলাই গৈছিল। অৱশ্যে দীর্ঘদিনীয়া এক অভিযোগৰ ভিত্তিত আৰক্ষীয়ে লাভ কৰা গোপন তথ্যৰ ভিত্তিত অৱশেষত ড্ৰাগ্‌ছৰ ঘাটী উচ্ছেদ কৰিবলৈ সক্ষম হয়।



ৰাজ্যৰ প্ৰথমখন ‘স্বচ্ছ-সেউজীয়া গাঁও’ আজিও অৱহেলিত

দৈনিক অসমৰ প্ৰতিনিধি

বজালী, ২৪ নৱেম্বৰ ঃ পৰিৱেশ সংৰক্ষণ, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু প্লাষ্টিক প্ৰদূষণ ৰোধৰ ক্ষেত্ৰত সামূহিক প্ৰচেষ্টাৰে ৰাষ্ট্ৰীয় পর্যায়ত স্বীকৃতি লাভ কৰা বজালী জিলাৰ পাঠশালাৰ সমীপৰ বেলনা গাঁওখনে আজিও উন্নয়নৰ মুখ দেখা নাই। ২০১৯ চনতে অসমৰ প্ৰথমখন ‘স্বচ্ছ আৰু সেউজীয়া গাঁও’ হিচাপে পৰিচিতি লাভ কৰা গাঁওখনৰ আন্তঃগাঁথনিৰ উন্নয়ন আৰু পর্যটনস্থলী হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত চৰকাৰে পদক্ষেপ নোলোৱাত ক্ষোভ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। উল্লেখ্য যে গাঁওবাসীৰ ঐক্যবদ্ধ প্ৰচেষ্টাৰে প্লাষ্টিক প্ৰদূষণৰ বিৰুদ্ধে গ্ৰহণ কৰা পদক্ষেপ আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা অভিযানৰ বাবে ২০১৯ চনত বেলনা গাঁওখনে দেশজুৰি চর্চা লাভ কৰিছিল। সেই সময়ৰ ৰাজ্যৰ মুখ্যমন্ত্ৰী সর্বানন্দ সোণোৱালে সামাজিক মাধ্যমযোগে গাঁওবাসীৰ এই প্ৰচেষ্টাক প্ৰশংসা কৰাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও এক্স হেণ্ডেলযোগে এই সামূহিক পদক্ষেপৰ শলাগ লৈছিল। প্ৰধানমন্ত্ৰীগ

নাৰায়ণপুৰৰ শিমলুগুৰিত বিধ্বস্ত পথ নিৰ্মাণৰ দাবী

ৰাজপথত উন্নয়ন মঞ্চৰ প্ৰতিবাদ

দৈনিক অসমৰ প্ৰতিনিধি

নাৰায়ণপুৰ, ২৪ নৱেম্বৰ ঃ লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ অসম-অৰুণাচল সীমাৱৰ্তী শিমলুগুৰিত এটা বিধ্বস্ত পথ নিৰ্মাণৰ দাবীত কালি ৰাজপথলৈ ওলাই আহি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিলে ৰাইজ, সচেতন যুৱ উন্নয়ন মঞ্চই। শিমলুগুৰি চেণ্টাৰৰ পৰা কমলপুৰ হৈ ৰাজগড় সংযোগী লোক নিৰ্মাণ বিভাগৰ পথটোৱে বিগত বহুৰ বহুৰ ধৰি যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভোগাই আহিছে বৃহত্তৰ অঞ্চলটোৰ ৰাইজক। প্ৰায় ৯ কিলোমিটাৰ দৈর্ঘ্যৰ পথটিৰ বাবে অঞ্চলটোৰ ৰাইজে বহুৰ বহুৰ ধৰি হাৰাশাস্তিৰ সন্মুখীন হৈ আহিছে। এককথাত ক'বলৈ গ'লে মৰণফান্দত পৰিণত হৈছে সদাব্যস্ত পথটো। পথৰ ওপৰত সৃষ্টি হৈছে প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ। পথছোৱাৰে গাড়ী, মটৰচাইকেল চলাই



যোৱাতো দূৰৰে কথা, সৰ্বসাধাৰণ ৰাইজে খোজ কাঢ়ি যাতায়াত কৰাৰ ক্ষেত্ৰতো ভীষণ সমস্যাৰ সন্মুখীন হৈ আহিছে। স্থানীয় ৰাইজে বিপদসংকুলভাৱে ছাত্ৰ-ছাত্ৰী, ৰোগী আদিক বিদ্যালয় আৰু চিকিৎসালয়লৈ নিবলগীয়া হয়। বিগত সময়ত বিভাগীয় কৰ্তৃপক্ষৰ লগতে জনপ্ৰতিনিধিক বহুবাৰ আবেদন-নিবেদন কৰিছিল যদিও আজিকোপতি কোনো সুফল লাভ নকৰিলে অঞ্চলটোৰ ৰাইজে। সামান্য এজাক ৰৱষুণ দিলেই প্ৰকাণ্ড প্ৰকাণ্ড গাঁতসমূহ পানীৰে উপচি পৰাৰ ফলত বিভিন্ন সময়ত সংঘটিত হৈ আহিছে ইটোৰ পাছত সিটো সৰু-বৰ দুৰ্ঘটনা। পথছোৱা শীঘ্ৰে পুনৰ্নিৰ্মাণ নকৰিলে ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা প্ৰকাশ কৰিছে স্থানীয় ৰাইজৰ লগতে প্ৰতিবাদকাৰী সংগঠনটোৱে। ৰাজপথলৈ ওলাই অহা সচেতন যুৱ উন্নয়ন মঞ্চৰ প্ৰতিবাদকাৰীসকলে বিভিন্ন শ্লোগানেৰে সমগ্ৰ পৰিৱেশ কালি উত্তাল কৰি তোলাৰ লগতে শীঘ্ৰে পথটো নিৰ্মাণ নকৰিলে আগন্তুক দিনত ইয়াতকৈও ভয়ংকৰ আন্দোলন গঢ়ি তোলাৰো হুংকাৰ দিয়ে। উল্লেখ্য, অসম মালাৰ অধীনত উক্ত পথটি নিৰ্মাণ হোৱাৰ কথা আছিল যদিও আজিলৈকে একো অগ্ৰগতি নোহোৱাত ক্ষুব্ধ হৈ পৰিছে সংগঠনটো। সংগঠনটোৰ বিষয়ববীয়াসকলে শীঘ্ৰে পথটো মেৰামতি কৰি যাতায়াতৰ সুচল কৰি তোলাৰ দাবী জনাইছে।

গড়মূৰ ইকৰাজান প্ৰাথমিক বিদ্যালয়

পথ নিৰ্মাণৰ কাম উদ্বোধন মন্ত্ৰী বৰাৰ



দৈনিক অসমৰ প্ৰতিনিধি

বোকাখাত, ২৪ নৱেম্বৰ ঃ বোকাখাতত থকা গোলাঘাট পশ্চিম উন্নয়ন খণ্ডৰ এলেকাধীন গড়মূৰ ইকৰাজান প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গণত আয়োজিত সীমাৰ বেৰা আৰু পথ নিৰ্মাণৰ উদ্বোধনী অনুষ্ঠান কালি অনুষ্ঠিত হয়। অনুষ্ঠানত গোলাঘাট পশ্চিম উন্নয়ন খণ্ডৰ অন্তৰ্গত বোকাখাত গাঁও পঞ্চায়তত বিকশিত ভাৰত-নিয়োগ আৰু জীৱিকা নিশ্চয়তা অভিযান আঁচনি আৰু পঞ্চদশ বিত্ত আয়োগৰ অধীনত নিৰ্মাণ কৰা গড়মূৰ ইকৰাজান প্ৰাথমিক বিদ্যালয়ৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে চৌহদৰ বেৰা আৰু চি চি ব্লকেৰে প্ৰৱেশপথ নিৰ্মাণৰ কাম আনুষ্ঠানিকভাৱে উদ্বোধন কৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, আবকাৰী বিভাগৰ মন্ত্ৰী অতুল বৰাই। এই অনুষ্ঠানত বোকাখাত সমজিলাৰ আয়ুক্ত সুজাতা গগৈ, অন্যান্য পিছপৰা জনজাতি পৰিষদৰ উপ-সভাপতি দেৱপ্ৰদীপ বৰা, গোলাঘাট জিলা পৰিষদৰ সভানেত্ৰী পূৰ্ণিমা দাস, বোকাখাত আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী জয়ন্তী লইং, নীপ্‌কোৰ স্বতন্ত্ৰ সঞ্চালক অনিমেষ শইকীয়া, গোলাঘাট পশ্চিম উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া বিহংগী ভাগৱতী দাস, বোকাখাত পৌৰসভাৰ পৌৰপতি ৰত্নেশ্বৰ বৰুৱা, বোকাখাত সমজিলাৰ সহকাৰী আয়ুক্ত অংকিতা বৰুৱা, তথ্য আৰু জনসংযোগ বিষয়া ডঃ বৰ্ণালী দত্ত আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

সৰুপথাৰত চুকাফা দিৱসৰ আয়োজন

দৈনিক অসমৰ প্ৰতিনিধি

ধনশিৰি, ২৪ নৱেম্বৰ ঃ সদৌ অসম টাই আহোম ছাত্ৰ সস্থা, চমুকৈ আটাছুৰ সৰুপথাৰ সমজিলা সমিতিৰ উদ্যোগত, টাই আহোম যুৱ পৰিষদ (অসম)ৰ ধনশিৰি মহকুমা সমিতি, জনগোষ্ঠীটোৰ বিভিন্ন সংগঠন আৰু সৰুপথাৰৰ ৰাইজৰ সহযোগত কেন্দ্ৰীয় চুকাফা দিৱসৰ আয়োজন কৰা হৈছে। সৰুপথাৰ নগৰত থকা ৰামধেনু মুকলি মঞ্চ আৰু চুকাফা শিশু উদ্যানত অহা ১ আৰু ২ ডিচেম্বৰত দুদিনীয়াকৈ বিভিন্ন কাৰ্যসূচীৰে এই দিৱস অনুষ্ঠিত হ'ব। প্ৰথমদিনা পুৱা পতাকা উত্তোলনৰ পাছত চিত্ৰাংকণ আৰু সদৌ অসম ভিত্তি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দ্বিতীয়দিনা পুৱা মৈদাম তৰ্পণ আৰু চুকাফাৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণৰ পাছত সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। দুপৰীয়া ১ বজাৰ পৰা মুকলি সভা অনুষ্ঠিত হ'ব।

অসম আন্দোলনৰ নেতা ৰতিকান্ত বৰাৰ বিয়োগ



দৈনিক অসমৰ প্ৰতিনিধি

জয়সাগৰ/মৰাণ, ২৪ নৱেম্বৰ ঃ শিৱসাগৰ জিলাৰ দৰিকাপাৰ খাটপথাৰ গাঁৱৰ নিৱাসী বিশিষ্ট সাহিত্যিক, নিবন্ধকাৰ, নাট্যকাৰ, সমাজকৰ্মী তথা অসম আন্দোলনৰ অগ্ৰণী নেতা ৰতিকান্ত বৰাৰ বিয়োগত গ্ৰাম্য সাংবাদিক সংস্থা, অসমে গভীৰ শোক প্ৰকাশ কৰিছে। ৮৫ বছৰ বয়সত দীৰ্ঘদিনীয়া বাৰ্দ্ধক্যজনিত অসুস্থতাত ভুগি থকা বৰাই কালি নিশা ১০ বজাত ডিব্রুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। গ্ৰাম্য সাংবাদিক সংস্থা, অসমৰ সভাপতি ত্ৰৈলোক্য চেতিয়া আৰু সম্পাদক ৰূপজ্যোতি সন্দিকৈয়ে তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰি কয় যে সংস্থাটোৰ জন্মলগ্নৰে পৰা ৰতিকান্তবৰাই বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। অসমৰ গ্ৰামাঞ্চলত বিভিন্ন প্ৰত্যাহ্বানৰ মাজতো সংবাদ সেৱা আগবঢ়াই অহা সাংবাদিকসকলক একত্ৰিত কৰি এখন উমৈহতীয়া মঞ্চ গঢ়ি তোলাৰ ক্ষেত্ৰত তেওঁ বিশেষ তৎপৰতা গ্ৰহণ কৰিছিল। তেওঁৰ লগতে কেইবাগৰাকীও জ্যেষ্ঠ সাংবাদিকৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলত গ্ৰাম্য সাংবাদিক সংস্থা, অসমৰ জন্ম হৈছিল। বিভিন্ন কাকত-আলোচনী প্ৰকাশ আৰু সম্পাদনাৰ জৰিয়তে ৰতিকান্ত বৰাই শিৱসাগৰ জিলাৰ লগতে অসমৰ সাহিত্য জগতলৈও উল্লেখযোগ্য অৱদান আগবঢ়াই গৈছে। মৃত্যুৰ সময়ত বৰাই পত্নী, তিনিগৰাকী কন্যা, তিনিগৰাকী জোঁৱাই আৰু নাতি-নাতিনীক এৰি গৈছে। তেওঁৰ বিয়োগত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

ডিগবৈ আৰক্ষী প্ৰশাসনৰ তালাচী অভিযান

নিয়ম নমনা চালকৰ বিৰুদ্ধে কঠোৰ স্থিতি

দৈনিক অসমৰ প্ৰতিনিধি

ডিগবৈ, ২৪ নৱেম্বৰ ঃ ডিগবৈ আৰক্ষী-প্ৰশাসনে নগৰখনৰ বিভিন্ন প্ৰান্তত কালি ব্যাপক তালাচী চলায়। ডিগবৈ-দুলীয়াজান পথৰ ৰাষ্ট্ৰীয় বিদ্যালয়ৰ সন্মুখত চাৰিচকীয়া আৰু দুচকীয়া যান-বাহনৰ যাৰতীয় নথি-পত্ৰ পৰীক্ষা কৰে। তদুপৰি টিংৰাই বজাৰ, পাৰৈ বজাৰ আৰু এ অ' ডি স্কুলৰ সমীপৰ অটোৰিক্সা ষ্টেণ্ডত ডিগবৈ সমজিলা আৰক্ষী অধীক্ষক হিমাংশু গোহাঁইৰ নেতৃত্বত ডিগবৈ আৰক্ষী থানাৰ অ'চি প্ৰাঞ্জল চেতিয়াসহ আৰক্ষীৰ বৃহৎ দলে অটোৰিক্সা চালক আৰু পৰিচালকসকলক বিভিন্ন যান-বাহন চলাচলৰ নিয়ম, মটৰ ভেহিকল এক্টৰ বিধান আৰু সংশ্লিষ্ট আইনগত বিষয়সমূহৰ বিষয়ে অৱগত কৰি সজাগ কৰে। বিশেষকৈ অটোৰিক্সা চালকসকলক মটৰ ভেহিকল এক্টৰ বিষয়ে বিশদভাৱে বৰ্ণনা কৰি যান-বাহন চলাচলৰ নিয়ম উলংঘা কৰা যিকোনো ব্যক্তিৰ বিৰুদ্ধে আইন অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি স্পষ্ট কৰি দি সকলোকে যান-বাহন আইন মানি চলিবলৈ আহ্বান জনায়। বিগত কিছুদিন ধৰি ডিগবৈ সমজিলা



আৰক্ষী-প্ৰশাসনে দৈনিক যান-বাহনৰ নথি-পত্ৰ তালাচী চলাই অহাত নগৰখনৰ সকলো লোকে হেলমেট পিন্ধি দুচকীয়া বাহন চলোৱা পৰিলক্ষিত হৈছে। নিয়মীয়া তালাচী অভিযানত ডিগবৈ আৰক্ষীয়ে যাৰতীয় নথি-পত্ৰ আৰু অনুজ্ঞাপত্ৰবিহীন চালকসকলৰ বিৰুদ্ধে জৰিমনা বিহা হয়।

ধেমাজিত ঠেঙাল কছাৰী ছাত্ৰ সস্থাৰ প্ৰতিষ্ঠা দিৱস

দৈনিক অসমৰ প্ৰতিনিধি

গোগামুখ, ২৪ নৱেম্বৰ ঃ সদৌ অসম ঠেঙাল কছাৰী ছাত্ৰ সস্থাৰ ২৯ সংখ্যক প্ৰতিষ্ঠা দিৱস কালি ধেমাজি জিলা সমিতিৰ উদ্যোগত গোগামুখৰ কৃষ্ণপুৰ হৰি মন্দিৰ প্ৰাংগণত উলহ-মালহেৰে অনুষ্ঠিত হয়। ছাত্ৰ সংগঠনটোৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে পুৱাৰে পৰা অনুষ্ঠিত বিভিন্ন কাৰ্যসূচীত সংগঠনটোৰ বিষয়ববীয়া, কৰ্মকৰ্তা আৰু জাতীয় সংগঠনৰ প্ৰতিনিধিসকলৰ লগতে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। কাৰ্যসূচীৰ আৰম্ভণিতে পুৱা গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কাৰ্যসূচীৰ শুভাৰম্ভ কৰে সদৌ অসম ঠেঙাল কছাৰী ছাত্ৰ সস্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক অভিজিৎ বড়াই। শ্ৰদ্ধীদ তৰ্পণ কৰে ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ প্ৰাক্তন সাধাৰণ সদস্য তথা সমাজসেৱক মৃদুপৱন বড়াই। ছাত্ৰ সস্থাৰ পতাকা উত্তোলন কৰে ধেমাজি জিলা সমিতিৰ সভাপতি বিপ্লৱ বড়াই। দুপৰীয়া প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি সস্থাৰ সাংগঠনিক দিশ আৰু জাতিটোৰ ভৱিষ্যৎ কৰ্মপন্থা সম্পৰ্কে এখন



গুৰুত্বপূৰ্ণ আলোচনাচক্ৰ অনুষ্ঠিত হৈ যায়। আলোচনাচক্ৰৰ আঁত ধৰে সদৌ অসম ঠেঙাল কছাৰী ছাত্ৰ সস্থাৰ সাংগঠনিক সম্পাদক অনন্ত শইকীয়াই। অনুষ্ঠানত অংশগ্ৰহণ কৰে ধেমাজি জিলা ঠেঙাল কছাৰী ছাত্ৰ সস্থাৰ উপদেষ্টা অনন্ত শইকীয়া, ৰমাকান্ত বড়াৰ লগতে ঠেঙাল কছাৰী জাতীয় সংগঠনৰ নেতাই।

বিতৰ্কিত বন বিষয়া অংকুৰ মহন্তক বদলি

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

গোলাঘাট, ২৪ নৱেম্বৰ ঃ গোলাঘাটৰ সাংবাদিকক অভব্য আচৰণ কৰা আৰু দুৰ্নীতি, অনিয়মৰ অভিযোগত অভিযুক্ত গোলাঘাটৰ ডেপুটী ৰেঞ্জাৰ অংকুৰ মহন্তক অৱশেষত চাকৰিৰ বদলি কৰা হৈছে। গোলাঘাটৰ নাওজান বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়লৈ বদলি কৰা হৈছে বিতৰ্কিত বন বিষয়াগৰাকীক। গোলাঘাট জিলা বনাঞ্চলিক বিষয়া মুকুট চন্দ্ৰ দাসে তাৎক্ষণিকভাৱে এই বদলিৰ নিৰ্দেশ জাৰি কৰিছে। উল্লেখ্য যে বিভিন্ন দুৰ্নীতি-অনিয়মৰ অভিযোগ উত্থাপন হৈ অহা অংকুৰ মহন্তই গোলাঘাটৰ সাংবাদিক দেৱাশিস সাহাক বনাঞ্চলিক কাৰ্যালয়ত কৰ্তব্যৰত অৱস্থাত কেমেৰা ভঙাৰ চেষ্টা কৰাৰ লগতে অভব্য আচৰণ কৰিছিল।

তিনিচুকীয়া জিলা আপকুৰ অধিৱেশন

এঞ্জেলা চাংমাইক প্ৰদান কৰা হ'ব 'কিৰণজ্যোতি হাজৰিকা সোঁৱৰণী বঁটা'

দৈনিক অসমৰ প্ৰতিনিধি

ফিল'বাৰী, ২৪ নৱেম্বৰ ঃ আসাম প্ৰেছ ক'ৱেছপণ্ডেণ্টছ ইউনিয়ন (আপকু)ৰ তিনিচুকীয়া জিলা সমিতিৰ ষষ্ঠ দ্বি-বাৰ্ষিক অধিৱেশনত যুৱ সাংবাদিক এঞ্জেলা চাংমাইক 'কিৰণজ্যোতি হাজৰিকা সোঁৱৰণী যুৱ সাংবাদিকতা বঁটা' প্ৰদান কৰা হ'ব। অহা ১৯ আৰু ২০ ডিচেম্বৰত তিনিচুকীয়া জিলাৰ পেঙেৰী-ফিল'বাৰী অঞ্চলৰ ১ নং নলনী ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া এই অধিৱেশনৰ মুকলি সভাত এই বঁটা প্ৰদান কৰা হ'ব বুলি আপকুৰে জনাইছে। উল্লেখ্য যে ফিল'বাৰীৰ ৰৱৰগুৰি সোণোৱাল গাঁৱৰ বাসিন্দা তথা সমাজকৰ্মী বিমল হাজৰিকাৰ পুত্ৰ তথা প্ৰতিভাধৰ চিত্ৰশিল্পী, কবি তথা সাংবাদিক কিৰণজ্যোতি হাজৰিকাই ২০১৭ চনৰ ২ জুলাইত অকালতে হৃদৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰিছিল। তেওঁৰ স্মৃতিত এই বঁটা প্ৰদান কৰা হয়। সমাজৰ প্ৰতিটো কামতে জড়িত হৈ থকা এইগৰাকী কবি-শিল্পীয়ে ২০১৩ বৰ্ষত হীৰুদাৰ মৃত্যু দিৱসটোক 'কাব্যস্নেহ দিৱস' নামেৰে পালন কৰিছিল। কালি আপকুৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি ৰবীন মৰাণ আৰু সম্পাদক ঘনশ্যাম চেত্ৰীয়ে জনোৱা মতে, 'কিৰণজ্যোতি হাজৰিকা সোঁৱৰণী যুৱ সাংবাদিকতা বঁটা' ইতিপূৰ্বে যুৱ সাংবাদিক ঋতুস্মিন শৰ্মাক প্ৰদান কৰা হৈছিল। কিন্তু বিশেষ কাৰণত বন্ধ ৰখা এই বঁটাটো এইবাৰ পুনৰ আৰম্ভ কৰি যুৱ সাংবাদিক এঞ্জেলা চাংমাইক প্ৰদান কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই বঁটাৰ বাবে এঞ্জেলা চাংমাইক আপকুৰ তিনিচুকীয়া জিলা সমিতিয়ে অভিনন্দন জ্ঞাপন কৰিছে।

দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত অভিনেতা-লোকশিল্পী অমৃত গগৈৰ মৃত্যু

দৈনিক অসমৰ প্ৰতিনিধি

জাঁজী, ২৪ নৱেম্বৰ ঃ শিৱসাগৰ জিলাৰ জাঁজী নগাআলি হালোৱা-হাতীমূৰীয়া গাঁও নিৱাসী অভিনেতা তথা অৱসৰপ্ৰাপ্ত শিক্ষক অমৃত গগৈৰ কালি মৃত্যু হয়। যোৱা ২২ অক্টোবৰত জাঁজী জামুগুৰিত সংঘটিত এক পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ চিকিৎসাধীন হৈ থকা অমৃত গগৈৰ কালি গুৱাহাটীৰ এপলো চিকিৎসালয়ত মৃত্যু হয়। টকৌবাৰী চতাইজান মধ্য ইংৰাজী বিদ্যালয়ৰ পৰা যোৱা ২৪ অক্টোবৰত শিক্ষকতাৰ পৰা অৱসৰ গ্ৰহণ কৰা অমৃত গগৈ এজন বলিষ্ঠ অভিনেতা আছিল। বিশেষকৈ ভাওনা সংস্কৃতিৰ লগত জড়িত



থকা তেওঁ ফুলপানীছিগা, হাফলুটিং, ৰৱতল আদি কবি বিভিন্ন ৰাস মহোৎসৱত কংসৰ ভাও লৈ শত-সহস্ৰ দৰ্শকক মোহাচ্ছন্ন কৰিছিল। মহাপুৰুষীয়া বিভিন্ন ভাওনা নাটৰ মূল অভিনেতা হিচাপে অভিনয় কৰি জিলাখনতে জনপ্ৰিয় হৈ পৰিছিল। এক আধ্যাত্মিক অনুষ্ঠানত যোগদান কৰিবৰ বাবে তেওঁ পত্নীসহ মটৰচাইকেলেৰে শিৱসাগৰ দিশে যোৱা ২২ অক্টোবৰত আহি থাকোঁতে জামুগুৰিত একে দিশেৰে আহি থকা এখন গাড়ীৰ লগত সংঘৰ্ষ হৈ দুয়ো স্বামী-স্ত্ৰী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছিল। তেওঁৰ পত্নী জৰাবাৰী উচ্চমাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী জিনুমা গগৈ কেইবাদিনো চিকিৎসাধীন হোৱাৰ পাছত কিছু সুস্থ হৈছে যদিও দুৰ্ঘটনাৰ পাছত ডিব্রুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা অমৃত গগৈক গুৱাহাটীলৈ উন্নত চিকিৎসাৰ কাৰণে লৈ যোৱা হৈছিল যদিও তেওঁৰ মৃত্যু ঘটে। মৃত্যুৰ সময়ত তেওঁ পত্নী, তিনিগৰাকী বিবাহিতা জীয়াৰী, দুজন ভায়েক, দুজন বিবাহিতা ভগ্নী আদি কবি বহু আত্মীয়ক এৰি গৈছে। টকৌবাৰী চতাইজান মধ্য ইংৰাজী বিদ্যালয়, হালোৱা হাতীমূৰীয়া গাঁৱৰ নামঘৰ সমাজ আৰু বিভিন্ন শিক্ষানুষ্ঠান, ৰতনপুৰীয়া গাঁৱৰ ৰাইজ, জাঁজী প্ৰেছ ক্লাব, জাঁজী শাখা সাহিত্য সভা, ম'ৰাবজাৰ শাখা সাহিত্য সভা, জাঁজী শাখা লেখিকা সংস্থা, ফুলপানীছিগা আঞ্চলিক ৰাসোৎসৱ উদ্‌যাপন সমিতি, জাঁজী আঞ্চলিক ছাত্ৰ সস্থা, জাঁজী আঞ্চলিক টাই আহোম ছাত্ৰ সস্থা আদি বিভিন্ন অনুষ্ঠানে শোক প্ৰকাশ কৰিছে।

৫-৬ ডিচেম্বৰত বৰ্ণাঢ্য কাৰ্যসূচী

মেৰাপানীত গোৰ্খা সন্মিলনৰ অধিৱেশন

দৈনিক অসমৰ প্ৰতিনিধি

মেৰাপানী, ২৪ নৱেম্বৰ ঃ অসম-নগালেণ্ড সীমাৰ দৈয়াং উপত্যকাৰ মেৰাপানী পদুমপথাৰত অনুষ্ঠিত হ'ব অসম গোৰ্খা সন্মিলনৰ গোলাঘাট জিলা সমিতিৰ অষ্টম ত্ৰি-বাৰ্ষিক অধিৱেশন। অহা ৫ আৰু ৬ ডিচেম্বৰত মেৰাপানীৰ পদুমপথাৰ আদৰ্শ গাঁৱৰ শ্ৰদ্ধীদ বৈজয়ন্তীদেৱী স্মাৰক ক্ষেত্ৰত অনুষ্ঠিত হ'বলগীয়া এই অধিৱেশনক লৈ ইতিমধ্যে ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে। অসম গোৰ্খা সন্মিলনৰ গোলাঘাট জিলা সমিতি আৰু অভ্যৰ্থনা সমিতিৰ উদ্যোগত আয়োজিত এই অধিৱেশনৰ জৰিয়তে অসমৰ গোৰ্খা সমাজৰ অধিকাৰ, সুৰক্ষা, আত্মসন্মান, পৰিচয় আৰু সাংগঠনিক ভেটি অধিক শক্তিশালী কৰাৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত ঐক্য, সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ বাৰ্তা প্ৰেৰণৰ লক্ষ্য গ্ৰহণ কৰা হৈছে। অধিৱেশনৰ প্ৰথমদিনা পুৱা স্বচ্ছতা অভিযান, শ্ৰদ্ধীদ বৈজয়ন্তীদেৱীৰ স্মাৰক ক্ষেত্ৰৰ মুখ্য দ্বাৰ উদ্বোধন, স্বেচ্ছাসেৱক দলৰ প্ৰস্তুতি, পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে কাৰ্যালয় উদ্বোধন, ভোজনালয় আৰু বিপণী উদ্বোধন, মুখ্য মঞ্চ উদ্বোধন, সাহিত্য অনুষ্ঠান, মহিলা প্ৰকোষ্ঠৰ কৰ্মশালা, কৃষি বিভাগৰ সমল ব্যক্তিৰ উপস্থিতিত ৰাজ্যিক পৰ্যায়ৰ কৃষক কৰ্মশালা, শৈক্ষিক অভিনন্দন অনুষ্ঠান আৰু গোৰ্খা সমাজৰ সাংবিধানিক অধিকাৰ সম্পৰ্কীয় মন্থন চক্ৰ অনুষ্ঠিত হ'ব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানেৰে প্ৰথম দিনাৰ কাৰ্যসূচীৰ সামৰণি পৰিব। দ্বিতীয়দিনা পুৱা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাৰে আৰম্ভ হ'ব অধিৱেশনৰ মূল কাৰ্যসূচী। ইয়াৰ পাছতে বিভিন্ন জাতি-জনগোষ্ঠীৰ নৃত্য প্ৰদৰ্শন, মুকলি সভা আৰু অন্যান্য সাংগঠনিক কাৰ্যসূচী অনুষ্ঠিত হ'ব। দ্বিতীয়দিনাৰ মুকলি সভাত অসম চৰকাৰৰ মন্ত্ৰী অজন্তা নেওগ, মন্ত্ৰী অতুল বৰা, কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক বিশ্বজিৎ ফুকন আৰু পশ্চিমবংগৰ প্ৰাক্তন বিধায়ক ডঃ হৰক বাহাদুৰ চেত্ৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা। অসম গোৰ্খা সন্মিলনৰ সভাপতি কৃষ্ণ ভূজেলৰ লগতে মুখ্য সাধাৰণ সম্পাদক লক্ষ্মী চৌধুৰীয়েও সভাত অংশগ্ৰহণ কৰিব।

'গহপুৰ সৌৰভ' বঁটা প্ৰদান-'ৰচনা সমগ্ৰ' উন্মোচন

গহপুৰৰ প্ৰবীণ সাংবাদিক, সাহিত্যিক নগেন কোঞৰৰ ওপজা দিন উদ্‌যাপন

দৈনিক অসমৰ প্ৰতিনিধি

গহপুৰ, ২৪ নৱেম্বৰ ঃ গহপুৰৰ প্ৰবীণ সাংবাদিক তথা বিশিষ্ট সাহিত্যিক নগেন কোঞৰৰ ৮৪ সংখ্যক ওপজা দিনটো কালি ৰাজহুৱাভাৱে উদ্‌যাপন কৰাৰ লগতে তেওঁক 'গহপুৰ সৌৰভ-২৬' বঁটা প্ৰদান কৰা হয়। তদুপৰি প্ৰবীণ সাহিত্যিকগৰাকীৰ 'ৰচনা সমগ্ৰ' আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। এই উপলক্ষে গহপুৰৰ স্বেচ্ছাসেৱী সংগঠন 'মহাৰথী' আৰু গহপুৰ মহকুমা সাংবাদিক সস্থাৰ উদ্যোগত তথা নিমিষা কিট্‌চেনৰ আতিথ্যত আজি গহপুৰ নগৰৰ শ্ৰদ্ধীদ কমকলতা ভৱনত এখন বিশেষ সভা অনুষ্ঠিত হয়। সভাখনত আদৰণী ভাষণ প্ৰদান কৰে গহপুৰ মহকুমা সাংবাদিক সস্থাৰ সম্পাদক বিপ্লৱ নেওগে। ইয়াৰ পাছতে এটা কেক কাটি নগেন কোঞৰক সমুহীয়াভাৱে উপস্থিত সকলোৱে ৮৪ সংখ্যক ওপজা দিনৰ শুভেচ্ছা জ্ঞাপন কৰি তেওঁৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। ইয়াৰ পাছতে বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে নগেন কোঞৰক ওপজা দিনৰ ওলগ আৰু শুভেচ্ছা জ্ঞাপন কৰে। শুভেচ্ছা জ্ঞাপনৰ পাছতে গহপুৰৰ সংবাদ সেৱা, সাহিত্য তথা সামাজিক ক্ষেত্ৰলৈ সুদীৰ্ঘ বছৰ ধৰি নিস্বাৰ্থভাৱে নিৰলস সেৱা আগবঢ়াই অহাৰ বাবে মহাৰথীৰ তৰফৰ পৰা নগেন কোঞৰক আনুষ্ঠানিকভাৱে 'গহপুৰ সৌৰভ-২০২৬' বঁটা প্ৰদান কৰা হয়। উক্ত বঁটাত আছে এটি স্মাৰক, সম্বৰ্দ্ধনা-পত্ৰ, গ্ৰন্থৰ টোপোলা, শৰাই আৰু নগদ ধন। পৰৱৰ্তী কাৰ্যসূচী অনুসৰি সৃষ্টি প্ৰকাশৰ তৰফৰ পৰা ছয়দুৰাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ অঞ্জন কুমাৰ ওজাৰ মুখ্য সম্পাদনাত



প্ৰকাশ কৰি উলিওৱা 'নগেন কোঞৰৰ ৰচনা সমগ্ৰ' গ্ৰন্থখন মঞ্চত উপস্থিত বিশিষ্ট ব্যক্তিসকলে সমুহীয়াভাৱে উন্মোচন কৰে। নগেন কোঞৰৰ জীৱন আৰু সৃষ্টিৰাজিৰ আলোকপাত কৰি শিশু-সাহিত্যিক দিলীপ কুমাৰ বৰুৱা, ডঃ অঞ্জন কুমাৰ ওজা, সাহিত্য অকাডেমি বঁটাপ্ৰাপক কবি জ্ঞান পূজাৰী, ছয়দুৰাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ দিগন্ত গোহাঞি, কবি নৰহৰি চুতীয়া আৰু গহপুৰ সমজিলাৰ আয়ুক্ত ৰামানুজ হাজৰিকাই মনোগ্ৰাহী বক্তব্য প্ৰদানেৰে প্ৰবীণ সাংবাদিক তথা সাহিত্যিকগৰাকীৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে।

আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সমাৰোহ সম্পন্ন

■ যোৰহাটৰ পৰা ৯জন ৰাজ্যিক পৰ্যায়লৈ ■



দৈনিক অসমৰ প্ৰতিনিধি

যোৰহাট, ২৪ নৱেম্বৰ ঃ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ যোৰহাট জিলাৰ বাৰ্ষিক বিজ্ঞান সমাৰোহ কালি সম্পন্ন হয়। যোৰহাট জিলা মুক্তিযুঁজাৰু ভৱনত অনুষ্

উত্তৰ প্ৰদেশত বিৰোধীৰ আসন বুজাবুজিত পয়মাল ঃ অখিলেশৰ প্ৰস্তাৱত নাৰাজ কংগ্ৰেছ

কংগ্ৰেছে বিচাৰিছে ১৩০, দিছে মাত্ৰ ২৩



লক্ষ্ণৌ, ২৪ নৱেম্বৰ ঃ আসন্ন উত্তৰ প্ৰদেশ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ মাজতে আসন বুজাবুজিক লৈ পয়মাল লাগিছে। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ বাবে কংগ্ৰেছে ৰাজ্যখনৰ প্ৰধান বিৰোধী দল সমাজবাদী পাৰ্টীৰ পৰা ১৩০খন আসন দাবী কৰিছিল। কিন্তু সাংসদ অখিলেশ যাদৱ নেতৃত্বাধীন দলটোৱে কংগ্ৰেছলৈ মাত্ৰ ২৬খন আসনৰহে প্ৰস্তাৱ দিছে। ইয়াকে লৈ নাৰাজ হৈছে দেশৰ প্ৰধান বিৰোধী দলটো। যাৰ বাবে ২০২৭ বৰ্ষৰ প্ৰথমভাগতে অনুষ্ঠিত হ'বলগীয়া উত্তৰ প্ৰদেশ বিধানসভা নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছ আৰু সমাজবাদী পাৰ্টীৰ মিত্ৰতাক লৈ অনিশ্চয়তাই দেখা দিছে। উত্তৰ প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি ইমৰান মাছুদে ক্ষোভ প্ৰকাশ কৰি কৈছে যে দলটোৱে কাৰো পৰা ভিক্ষা বিচৰা নাই। জানিব পৰা মতে, সমাজবাদী পাৰ্টীয়ে যি ২৬টা সমষ্টিৰ প্ৰস্তাৱ দিছে তাতো কংগ্ৰেছ প্ৰাৰ্থীৰ জয়ৰ নিশ্চয়তা নাই। ২০২২ চনৰ বিধানসভা নিৰ্বাচনত সেই ২৬টা সমষ্টিৰ মাত্ৰ দুটা ক্ৰমে ৰামপুৰ খাচ আৰু ফ�ৰেন্দাৰ পৰাহে দলটোৰ প্ৰাৰ্থী বিজয়ী হৈছিল। অন্য ২৪টা সমষ্টিত জয়ী হৈছিল বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী। চাৰিটা সমষ্টি ক্ৰমে মথুৰা, কেৰাগড়, জগদীশপুৰ আৰু কিদৱাইত কংগ্ৰেছ প্ৰাৰ্থী দ্বিতীয় স্থানত আছিল। অন্য ২০টা সমষ্টিৰ মাত্ৰ তিনিটা ক্ৰমে বিলগ্ৰাম-মল্লাৰাং, গোৰিন্দনগৰ আৰু পিশ্ৰৱাতহে কংগ্ৰেছপ্ৰাৰ্থীয়ে ১০ শতাংশৰ অধিক ভোট লাভ কৰিবলৈ সক্ষম হৈছিল। ২৬টা সমষ্টিৰ ১০টাত যোৱা বিধানসভা নিৰ্বাচনত সমাজবাদী পাৰ্টীয়ে প্ৰাৰ্থী প্ৰক্ষেপ কৰা নাছিল। গতিকে এই সমষ্টিসমূহত কংগ্ৰেছৰ বিশেষ ভোটবেংক নাই। কিন্তু সমাজবাদী পাৰ্টীয়ে এনে আসনহে এৰি দিব বিচৰাত অসন্তুষ্ট হৈ পৰিছে কংগ্ৰেছ নেতৃত্ব। তথ্য অনুসৰি সমাজবাদী পাৰ্টীয়ে কংগ্ৰেছক এৰি দিব বিচৰা ২৬টা সমষ্টিৰ ৫টাত মুছলমান, ৫টাত দলিত, ৩টাত জাট, ৪টাত ব্ৰাহ্মণ আৰু ৯টাত অন্য জাতিৰ লোকে নিৰ্ণায়ক ভূমিকা লয়। কংগ্ৰেছৰ অসন্তুষ্টিৰ মাজতে সমাজবাদী পাৰ্টীয়ে কৈছে যে দলৰ সুদৃঢ় স্থিতি থকা আসনো এৰি দিয়া হৈছে। বিপৰীতে কংগ্ৰেছে কৈছে যে শাসনত থকাৰ সময়তো ২০১৭ চনত সমাজবাদী পাৰ্টীয়ে ১০৫খন আসন এৰি দিছিল। এইবাৰো তাতকৈ কম আসন লোৱা নহ'ব। এনে পৰিস্থিতিত কংগ্ৰেছৰ দাবী সমাজবাদী পাৰ্টীয়ে মানি লয় নে নাই তাৰ ওপৰতে নিৰ্ভৰ কৰিছে দল দুটাৰ নিৰ্বাচনী মিত্ৰতাৰ প্ৰসংগ।



পাকিস্তান পুনৰ্গঠনৰ বিৰোধিতা দল-সংগঠনৰ

পাক সেনাৰ মুৰব্বী মুনীৰৰ বিৰুদ্ধে ৰাজপথত প্ৰতিবাদ

ইছলামাবাদ, ২৪ নৱেম্বৰ ঃ পাকিস্তান সেনাবাহিনীৰ মুৰব্বী আছিম মুনীৰে পাকিস্তানৰ পুনৰ্গঠনৰ প্ৰস্তাৱক লৈ দেশখনত তুমুল বিতৰ্ক আৰম্ভ হৈছে। মুনীৰে বিশেষকৈ সিন্ধ প্ৰদেশক বিভাজন কৰি এক নতুন পাকিস্তানৰ মানচিত্ৰৰ বাবে যি পৰিকল্পনা কৰিছে তাৰ বিৰুদ্ধে আজি কৰাচীত হাজাৰ হাজাৰ লোক ৰাজপথলৈ ওলাই আহি প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে পাকিস্তানৰ বৰ্তমানৰ চাৰিখন প্ৰধান প্ৰদেশ পঞ্জাব, সিন্ধ, খাইবাৰ পাখতুনখোৱা আৰু বেলুচিস্তানক ভংগ কৰি ১২খনৰ পৰা ১৫খন প্ৰদেশ সৃষ্টি কৰিব বিচাৰিছে। এই পৰিকল্পনাৰ সৈতে সেনাপ্ৰধান আছিম মুনীৰৰ নাম জড়িত হৈ পৰিছে। কিয়নো, এই প্ৰস্তাৱ আগবঢ়াইছিল মুনীৰৰ অতি ঘনিষ্ঠ পাকিস্তানৰ গৃহমন্ত্ৰী মহছিন নাকভীয়ে। এই কথা পোহৰলৈ অহাৰ পাছতে পাকিস্তানৰ একাংশ লোক মুনীৰৰ ওপৰত ক্ষুব্ধ হৈ পৰিছে। আজি জিয়ে সিন্ধ বহুবাৰ কমিটী নামৰ এক সংগঠনৰ উদ্যোগত কৰাচীত এক বৃহৎ প্ৰতিবাদী সমদল উলিওৱা হয়। প্ৰতিবাদকাৰীসকলৰ অধিকাংশই পৰম্পৰাগত সিন্ধ সাজ-পোছাক পৰিধান কৰি এই সমদলত অংশ লয়। একেদৰে দেশখনৰ বহু সংগঠনৰ নেতা, অধিবক্তা, নাগৰিক সমাজৰ প্ৰতিনিধিয়েও এই প্ৰতিবাদত অংশগ্ৰহণ কৰি স্পষ্ট কৰি দিয়ে যে সিন্ধ প্ৰদেশৰ ভৌগোলিক অখণ্ডতা আৰু ঐতিহাসিক পৰিচয়ৰ সৈতে কোনোধৰণৰ আপোচ কৰা নহ'ব।

■ এক পা�ৰিবাৰিক আলোচনাত বিস্ফোৰক অভিযোগ ৰাহুল গান্ধীৰ ■

পিতৃৰ নিৰাপত্তা ইচ্ছাকৃতভাৱে প্ৰত্যাহাৰ কৰিছিল



নতুন দিল্লী, ২৪ নৱেম্বৰ ঃ প্ৰয়াত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ নিৰাপত্তা সম্পৰ্কীয় বিতৰ্ক পুনৰ আৰম্ভ হৈছে। এক পাৰিবাৰিক আলোচনাত লোকসভাৰ বিৰোধী দলপতি ৰাহুলা গান্ধীয়ে অভিযোগ কৰে যে তেওঁৰ পিতৃ ৰাজীৱ গান্ধীৰ নিৰাপত্তা ব্যৱস্থা আকস্মিকভাৱে প্ৰত্যাহাৰ কৰা হোৱা নাছিল। পৰিকল্পিতভাৱে এই নিৰাপত্তা ব্যৱস্থা কৰ্তন কৰা হৈছিল। যাৰ বাবে ৰাজীৱ গান্ধীক হত্যা কৰিব পৰাকৈ এক পৰিৱেশ সৃষ্টি কৰা হৈছিল। মাতৃ ছোনিয়া গান্ধী আৰু ভগ্নী প্ৰিয়ংকা গান্ধীৰ সৈতে হোৱা এক আলোচনাত এই মন্তব্য কৰিছে ৰাহুলে। উল্লেখ্য যে ছোনিয়াৰ শেহতীয়াকৈ প্ৰকাশিত আত্মজীৱনীখনক কেন্দ্ৰ কৰি তেওঁলোকৰ মাজত হোৱা আলোচনাৰ এটা ২৩ মিনিটৰ ভিডিঅ' শেহতীয়াকৈ সামাজিক মাধ্যমত আপলোড কৰিছে গান্ধী পৰিয়ালে। এই আলোচনাত ছোনিয়া গান্ধীয়ে ১৯৯১ চনত ৰাজীৱ গান্ধীৰ বিহাৰ ভ্ৰমণৰ এক ভয়ংকৰ অভিজ্ঞতাৰ কথা স্মৰণ কৰে। সেই সময়ত ৰাজীৱ গান্ধী আছিল বিৰোধী দলৰ নেতা। বিহাৰলৈ যোৱাৰ সময়ত তেওঁৰ খোলা জীপখনক লক্ষ্য কৰি একাংশই শিলগুটি নিক্ষেপ কৰিছিল। ৰাহুলে কয় যে বিহাৰ ভ্ৰমণৰ সময়ত দেখা পৰিস্থিতিয়ে তেওঁক অধিক শংকিত কৰি তুলিছিল। তেওঁ এতিয়াও বিশ্বাস কৰে যে পৰিকল্পিতভাৱে নিৰাপত্তা আঁতৰাই পিতৃ ৰাজীৱ গান্ধীক হত্যাৰ মাজলৈ ঠেলি দিয়া হ'ল। উল্লেখ্য যে ৰাজীৱ গান্ধীৰ নিৰাপত্তা প্ৰত্যাহাৰৰ সিদ্ধান্তক লৈ মাজে-সময়ে বিভিন্ন প্ৰশ্নৰ উদ্ৰেক হৈ আহিছে। ১৯৮৯ চনত ভি পি সিং নেতৃত্বাধীন চৰকাৰ ক্ষমতালৈ অহাৰ পাছত ৰাজীৱ গান্ধীৰ এছ পি জি নিৰাপত্তা প্ৰত্যাহাৰ কৰা হৈছিল।

পঞ্জাবত নিৰ্বাচনী সমীকৰণ সলনি

পুনৰ এন ডি এৰ সৈতে চামিল হ'ল অকালী দল



নতুন দিল্লী, ২৪ নৱেম্বৰ ঃ পঞ্জাব বিধানসভা নিৰ্বাচনৰ সমীকৰণ সলনি কৰি পুনৰ এন ডি এত চামিল হ'ল অকালী দল। আজি নতুন দিল্লীস্থ বিজেপিৰ কেন্দ্ৰীয় কাৰ্যালয়ত দলটোৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু অকালী দলৰ সভাপতি সুখবীৰ সিং বাদলে দল দুটাৰ মিত্ৰতা ঘোষণা কৰিছে। অহাবৰ্ষৰ প্ৰথম ভাগতে অনুষ্ঠিত হ'বলগীয়া পঞ্জাব বিধানসভা নিৰ্বাচনৰ পূৰ্বে এই মিত্ৰতা গুৰুত্বপূৰ্ণ ৰূপে বিবেচিত হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ঘোষণা কৰিছে যে আসন্ন বিধানসভা নিৰ্বাচনত বিজেপি আৰু আকালী দলে ঐক্যবদ্ধভাৱে প্ৰতিদ্বন্দ্বিতা কৰিব। আনহাতে ৰাজ্যখনত এন ডি এৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী হ'ব সুখবীৰ সিং বাদল। বিজেপি আৰু অকালী দলৰ মিত্ৰতাক শিখ আৰু হিন্দুৰ ভাতৃত্ববোধৰ উদাহৰণ আখ্যা দিছে নীতিন নবীনে। তথ্য অনুসৰি পঞ্জাবত শিখ সম্প্ৰদায়ৰ লোকৰ হাৰ ৫৮ শতাংশ। আনহাতে ৰাজ্যখনৰ মুঠ জনসংখ্যাৰ ৩৮ শতাংশ হিন্দু। কেন্দ্ৰীয় চৰকাৰৰ বিতৰ্কিত কৃষি আইনক লৈ তীব্ৰ মতানৈক্যৰ পাছত দল দুটাৰ মিত্ৰতা ভংগ হৈছিল। তেতিয়াৰে পৰা পঞ্জাবৰ ৰাজনীতিত প্ৰতিটো খোজতে উজুটি খাইছে দুয়োটা দলে। ২০১৭ চনৰ বিধানসভা নিৰ্বাচনত বিজেপি আৰু অকালী দল মিত্ৰতাৰে অৱতীৰ্ণ হৈছিল। তেতিয়া নিৰ্বাচনত অকালী দলে ২৫.৪২ শতাংশ ভোট লাভ কৰিছিল। দলটোৰ দখললৈ গৈছিল ১৫খন আসন। আনহাতে ৫.৪৩ শতাংশ ভোটসহ বিজেপি প্ৰাৰ্থী জয়ী হৈছিল তিনিটা সমষ্টিত। সেই বাৰ বিজেপি মিত্ৰজোঁটে ক্ষমতা হেৰুৱালেও এক সন্মানজনক স্থিতিত আছিল। কিন্তু মিত্ৰতা ভংগৰ পাছত ২০২২ চনৰ বিধানসভা নিৰ্বাচনত আকালী দলে ৩৭টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰি ১৮.৫২ শতাংশ ভোটসহ মাত্ৰ তিনিটাতহে জয়ী হয়। বিজেপিৰ হিন্দু ভোট লাভ নকৰাত কেইবাটাও সমষ্টি হেৰুৱাবলগীয়া হয় দলটো। ৰাজ্যখনৰ ৫৮ শতাংশ শিখ ভোটাৰৰ এক বৃহৎ অংশ অকালী দলৰ লগত আৰু ৩৮ শতাংশ হিন্দু ভোটাৰৰ বৃহৎ অংশ বিজেপিৰ লগত আছে। মিত্ৰতাৰ ফলত দুয়োটা দলৰ শিখ আৰু হিন্দু ভোট বিভাজিত নহ'লে সলনি হ'ব ৰাজ্যখনৰ নিৰ্বাচনী সমীকৰণ। অৱশ্যে দল দুটাৰ আসন বুজাবুজি এতিয়ালৈ চূড়ান্ত হোৱা নাই। কিন্তু বিজেপিয়ে প্ৰকাশ কৰা মতে, পঞ্জাব বিধানসভা নিৰ্বাচনত অকালী দলে জ্যেষ্ঠ ভাতৃৰ ভূমিকা গ্ৰহণ কৰিব। দলটোৰ সূত্ৰই প্ৰকাশ কৰা মতে, ৰাজ্যখনৰ মুঠ ১১৭টা বিধানসভা সমষ্টিৰ ৩৯টাত বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে। বিপৰীতে অকালী দলে ৭৮টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰাৰ সম্ভাৱনা আছে।

প্ৰতি বছৰে বিশ্বৰ ভিন্ন প্ৰান্তৰ ২৬ কোটি যাত্ৰীয়ে ল'ব পাৰিব যাত্ৰাৰ সুবিধা

ডুবাইত নিৰ্মাণ হৈ আছে বিশ্বৰ সৰ্ববৃহৎ বিমানবন্দৰ

ডুবাই, ২৪ নৱেম্বৰ ঃ ইউ এ ই'ৰ চহৰ ডুবাইত নিৰ্মাণ হৈ আছে বিশ্বৰ সৰ্ববৃহৎ বিমানবন্দৰ। 'আল মকতুম আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ' নাম দিয়া এই বিমানবন্দৰটো ইমানেই বিশাল হ'ব যে তাৰ পৰা বছৰি ২৬ কোটি যাত্ৰীয়ে গন্তব্য স্থানলৈ যাত্ৰা কৰিব পাৰিব। বিমানৰ এখন চহৰলৈ ৰূপান্তৰিত হ'ব বিমানবন্দৰটো। বিমানবন্দৰটো নিৰ্মাণত ব্যয় হ'ব ১২৮ আৰব ডিৰহাম বা প্ৰায় ৩৫ আৰব ডলাৰ। ভাৰতীয় মুদ্ৰাৰ হিচাপত এই পৰিমাণ হ'ব প্ৰায় ৩ লাখ ২৫ হাজাৰ কোটি টকা। ২০০৫ চনৰ পৰাই কেইবাটাও পৰ্যায়ত আল মকতুম আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ নিৰ্মাণৰ কাম চলি আছে। ২০২৫ বৰ্ষত ডুবাই আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ পৰা ৯ কোটি ৫২ লাখ যাত্ৰীয়ে যাতায়াত কৰিছিল। ২০১৩ চনৰ পৰা নিৰ্মীয়মাণ বিমানবন্দৰটোৰ পৰা যাত্ৰীবাহী বিমানৰ সেৱা আৰম্ভ হৈছে। বিমানবন্দৰটো সম্প্ৰসাৰণৰ বাবে ২০২৪ চনত ইউ এ ই চৰকাৰে প্ৰায় ৩ লাখ ২৫ হাজাৰ কোটি টকাৰ প্ৰকল্পত অনুমোদন জনাইছে। ইয়াৰ প্ৰথম পৰ্যায়ৰ কাম ২০৩২ চনত আৰম্ভ হ'ব। প্ৰথম পৰ্যায়ত বছৰি ১৫ কোটি যাত্ৰীক বিমানসেৱাৰ সুবিধা প্ৰদানৰ লক্ষ্য লোৱা হৈছে। প্ৰকল্পৰ কাম সম্পূৰ্ণ হোৱাৰ পাছত ২৬ কোটি যাত্ৰীয়ে বিমানবন্দৰটোৰ পৰা যাত্ৰাৰ সুবিধা ল'ব পাৰিব। বিমানবন্দৰটোৰ মুঠ ক্ষেত্ৰফল হ'ব প্ৰায় ৭০ বৰ্গ কিলোমিটাৰ। বৰ্তমানৰ ডুবাই আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰতকৈ ইয়াৰ আকাৰ প্ৰায় ৫ গুণ অধিক হ'ব। ভাৰতৰ হাওৰা চহৰতকৈও ডাঙৰ হ'ব বিমানবন্দৰটোৰ পৰিসৰ। আনহাতে, বিমানবন্দৰটোৰ ভূগৰ্ভত থাকিব ৰে'লৰ সেৱা। বিমানবন্দৰটোৰ তলত ১৪টা ৰে'লৰে ষ্টেচন থাকিব। সেই ষ্টেচনসমূহৰ পৰা স্বয়ংক্ৰিয় ৰে'ল চলাচল কৰিব। ইয়াৰ জৰিয়তে যাত্ৰীসকলে সহজে নিজৰ বিমান থকা স্থানলৈ যাব পাৰিব।



হিজাব পৰিধান নকৰাকৈ সহযোগীৰ সৈতে গীত পৰিৱেশন

ইৰানৰ মহিলা কণ্ঠশিল্পীক চাবুকেৰে প্ৰহাৰ



তেহৰান, ২৪ নৱেম্বৰ ঃ হিজাব পৰিধান নকৰাকৈ সংগীত পৰিৱেশন কৰাৰ অপৰাধত ইৰানৰ এগৰাকী মহিলা কণ্ঠশিল্পীক ৭৪ বাৰ চাবুকেৰে প্ৰহাৰ কৰা হৈছে। উল্লেখ্য যে হিজাব পৰিধান কৰাটো ইৰানত বাধ্যতামূলক। কিন্তু পাৰস্তো আহমাদী নামৰ এইগৰাকী ২৯ বৰ্ষীয়ী গায়িকাই আন চাৰিজন সহযোগীক লৈ এটা সংগীতৰ ভিডিঅ' প্ৰস্তুত কৰিছিল। ২০২৪ চনৰ ডিচেম্বৰ মাহত তেওঁ মূৰত হিজাব পৰিধান নকৰাকৈ আৰু হাতবিহীন পোছাক বা এটা শ্লিপলেছ পোছাক পৰিধান কৰি উক্ত গানটোৰ ভিডিঅ' ৰেকৰ্ডিং কৰিছিল। উক্ত ভিডিঅ'ত তেওঁৰ সৈতে আছিল চাৰিজন পুৰুষ বাদ্যযন্ত্ৰী। ভিডিঅ'টোৱে সামাজিক মাধ্যমত ব্যাপক জনপ্ৰিয়তা অৰ্জন কৰে। ইয়াৰ পাছতে এই ভিডিঅ'টো ইৰান প্ৰশাসনৰ দৃষ্টিগোচৰ হয়। প্ৰচলিত নিয়ম অমান্য কৰাৰ অভিযোগত তেওঁৰ বিৰুদ্ধে আৰু তেওঁৰ সৈতে বাদ্যযন্ত্ৰ সংগত কৰা চাৰিজনৰ বিৰুদ্ধে এক গোচৰ ৰুজু কৰা হয়। এই গোচৰত ইৰানৰ এখন আদালতে তেওঁলোকৰ বিৰুদ্ধে ৰাজহুৱা শালীনতা ভংগ কৰা, অনলাইন মাধ্যমত অশালীন ভিডিঅ' প্ৰস্তুত কৰাৰ অভিযোগত দোষী সাব্যস্ত কৰে। পৰৱৰ্তী সময়ত তেওঁলোকে এই ৰায়ৰ বিৰুদ্ধে উচ্চ আদালতত আবেদন দাখিল কৰিছিল। কিন্তু উচ্চ আদালতেও এই ৰায় বাহাল ৰাখিলে। উল্লেখ্য যে ইৰানত ১৯৭৯ চনত ইছলামিক বিপ্লৱ হোৱাৰ পাছৰে পৰা দেশখনত ৰাজহুৱা স্থানত মহিলাৰ বাবে হিজাব পৰিধান কৰাটো বাধ্যতামূলক।

ইজৰাইলৰ আক্ৰমণত নিহত হামাছৰ আভ্যন্তৰীণ নিৰাপত্তাৰ মুৰব্বী



নাইম আবু নাহালৰ মৃত্যুৰ কথা ঘোষণা নেতান্যাহুৰ

জেৰুজালেম, ২৪ নৱেম্বৰ ঃ গাজা সংঘৰ্ষত হামাছৰ ওপৰত আন এক মোক্ষম আঘাত হানিছে ইজৰাইলে। দেশখনে হামাছৰ আভ্যন্তৰীণ নিৰাপত্তা বিভাগৰ মুৰব্বী নাইম আবু নাহাল নিহত হোৱাৰ দাবী কৰিছে। দেশখনে দাবী কৰা মতে গাজাত হামাছক প্ৰভাৱশালী কৰি ৰখাত নাইম আবু নাহালে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। হামাছৰ শীৰ্ষনেতাজনৰ মৃত্যু হোৱাৰ কথা ঘোষণা কৰিছে ইজৰাইলৰ ভাৰপ্ৰাপ্ত প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহু আৰু প্ৰতিৰক্ষা মন্ত্ৰী কাট্‌জে। ইজৰাইলী প্ৰতিৰক্ষা বাহিনী (আই ডি এফ)ৰ সূত্ৰৰ উদ্ধৃতিৰে এখন প্ৰতিবেদনত প্ৰকাশ পোৱা মতে গাজাত নাইম আবু নাহালে হামাছৰ চোৰাংচোৱা চক্ৰক পৰিচালনা কৰিছিল। তেওঁৰ মৃত্যু হামাছৰ আভ্যন্তৰীণ সামৰিক গোটৰ বাবে মোক্ষম আঘাত। এক যুটীয়া বিবৃতিযোগে ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহু আৰু প্ৰতিৰক্ষা মন্ত্ৰী কাট্‌জে কৈছে যে হামাছৰ কোনো সন্ত্ৰাসবাদী ইজৰাইলৰ হাতৰ পৰা ৰক্ষা নপৰিব। অৱশ্যে নাইম আবু নাহালক ক'ত কেনেকৈ হত্যা কৰা হৈছে সেই সম্পৰ্কত কোনো তথ্য ৰাজহুৱা কৰা নাই ইজৰাইলে। ইয়াৰ পূৰ্বৰ হামাছৰ আভ্যন্তৰীণ নিৰাপত্তা বিভাগৰ মুৰব্বীগৰাকীক তিনি মাহ আগতে জালত পেলাইছিল ইজৰাইলে। নাইম আবু নাহালৰ ওপৰত আক্ৰমণ চলাই ইজৰাইলে স্পষ্ট কৰি দিছে যে হামাছৰ বিৰুদ্ধে দেশখনৰ সামৰিক অভিযান এতিয়াও অব্যাহত আছে। গাজাৰ সশস্ত্ৰ সংগঠনটোৰ শীৰ্ষ কমাণ্ডাৰসকলক হত্যা কৰাৰ পাছত এতিয়া ইজৰাইলী প্ৰতিৰক্ষা বাহিনীয়ে লক্ষ্য কৰি লৈছে সংগঠনটোৰ দ্বিতীয় পৰ্যায়ৰ কমাণ্ডাৰসকলক।

ইংলেণ্ডৰ ৰাজকুমাৰ প্ৰিন্স উইলিয়ামছৰ বাসগৃহত চুৰিকাণ্ড

দুজনক আটক কৰি জেৰা অব্যাহত



লণ্ডন, ২৪ নৱেম্বৰ ঃ ব্ৰিটিছ ৰাজপৰিয়ালৰ অন্যতম সদস্য প্ৰিন্স উইলিয়ামছৰ বাসগৃহও হৈ পৰিল চোৰৰ লক্ষ্য। দেশখনৰ সংবাদ মাধ্যমে প্ৰকাশ কৰা বাতৰি অনুসৰি প্ৰিন্স উইলিয়ামছ আৰু তেওঁৰ পত্নী কেট মিডলটনে বাস কৰা বাসগৃহটোত চুৰিকাণ্ড সংঘটিত হৈছে। ব্ৰিটিছ আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি সোমবাৰে নিশা পূব ইংণ্ডেলৰ নৰফ'ক অঞ্চলত অৱস্থিত ৰাজপৰিয়ালৰ ছেন্ড্ৰিংহামত সন্দেহজনক লোকৰ উপস্থিতি প্ৰত্যক্ষ কৰা হয়। ইয়াৰ পাছতে আৰক্ষীক খবৰ দিয়া হয়। আৰক্ষীয়ে প্ৰকাশ কৰা মতে ৰাজপৰিয়ালৰ এই সম্পত্তিৰ ভিতৰত থকা 'আনমাৰ হল' নামৰ বাসগৃহটোত প্ৰৱেশ কৰিছিল চোৰে। চোৰৰ সন্ধানত আৰক্ষীয়ে ব্যাপক অভিযান আৰম্ভ কৰিছে। ইতিমধ্যে চোৰৰ সন্দেহত দুজন লোকক আটক কৰা হৈছে। সম্প্ৰতি তেওঁলোকক জেৰা কৰি থকা হৈছে। উক্ত সময়ত বাসগৃহটোত কোনো লোক নাছিল। উল্লেখ্য যে আনমাৰ হল হৈছে প্ৰায় ১০টা শোৱনিকোঠা থকা এটা ৰাজকীয় ঘৰ। ২০১১ চনত প্ৰিন্স উইলিয়াম আৰু কেট মিডলটনক বিবাহৰ পাছত এইঘৰটো উপহাৰ হিচাপে দিছিল ৰাণী দ্বিতীয় এলিজাবেথে। সাধাৰণতে ছুটী আৰু সপ্তাহৰ শেষৰ দিনকেইটাত পৰিয়ালৰ সৈতে এই বাসগৃহলৈ আহে প্ৰিন্স উইলিয়ামছ।

আত্মজীৱনীত লিখা বিতৰ্কিত মন্তব্যৰ বাবে ১৫ দিনৰ ভিতৰত ক্ষমা খোজাৰ দাবী

ছোনিয়ালৈ আইনী জাননী ছাভাৰকাৰৰ ভতিজাকৰ

নতুন দিল্লী, ২৪ নৱেম্বৰ ঃ ছোনিয়া গান্ধীৰ শেহতীয়াকৈ প্ৰকাশিত আত্মজীৱনী 'বিলংগিং ঃ এ জাৰ্নী অব লাভ'ত হিন্দুত্ববাদী নেতা বিনায়ক দামোদৰ ছাভাৰকাৰক লৈ কৰা কিছু মন্তব্যত জাঙুৰ খাই উঠিছে ছাভাৰকাৰৰ পৰিয়াল। যাৰ বাবে ছাভাৰকাৰৰ নাতিৰ ভতিজাক সত্যকী ছাভাৰকাৰে অধিবক্তাৰ জৰিয়তে ছোনিয়া গান্ধীলৈ আইনী জাননী প্ৰেৰণ কৰিছে। উল্লেখ্য যে গ্ৰন্থখনৰ ২০১ আৰু ৪৪৩ নম্বৰ পৃষ্ঠাত ছোনিয়াই ছাভাৰকাৰ সন্দৰ্ভত কেইটামান মন্তব্য কৰিছিল। তেওঁ লিখিছিল যে ব্ৰিটিছ শাসকৰ বিৰুদ্ধাচৰণ কৰি যি সময়ত কংগ্ৰেছ নেতাসকলে চৰম নিৰ্যাতনৰ সন্মুখীন হৈছিল, সেই সময়ত ছাভাৰকাৰে ব্ৰিটিছ চৰকাৰলৈ ক্ষমা বিচাৰি আবেদন কৰিছিল। আনকি সেই সময়ত তেওঁ ব্ৰিটিছ চৰকাৰক স্বাধীনতা সংগ্ৰাম সম্পৰ্কীয় বিভিন্ন তথ্য যোগান ধৰিছিল। আন এটা পৃষ্ঠাত ছোনিয়াই মন্তব্য কৰিছিল যে ছাভাৰকাৰে ভাৰতক এখন হিন্দুপ্ৰধান ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰিব বিচাৰে। ইফালে, ছাভাৰকাৰৰ নাতিৰ ভতিজাকে এই কথাত তীব্ৰ আপত্তি দৰ্শাই কয় যে এই মন্তব্যসমূহ বিভ্ৰান্তিকৰ আৰু ছাভাৰকাৰৰ জীৱন-দৰ্শনক এনে মন্তব্যই বিকৃতভাৱে উপস্থাপন কৰিছে। সেয়ে ১৫ দিনৰ ভিতৰত তেওঁ উক্ত মন্তব্যৰ বাবে ছোনিয়া গান্ধীক ক্ষমা খোজাৰ দাবী কৰিছে।

উত্তৰ-পূৰ্বাঞ্চলে আনিছে দেশৰ মীনপালনলৈ আশাৰ বতৰা

নতুন দিল্লী, ২৪ নৱেম্বৰ ঃ অসম আৰু উত্তৰ-পূৰ্বাঞ্চলত মীনপালন খণ্ডই নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব পাৰে। অঞ্চলটোৱে উন্নত মানৰ মাছৰ উৎপাদন, মাছৰ খাদ্য নিৰ্মাতা, বিতৰক আৰু প্ৰযুক্তি প্ৰদানকাৰীসকলৰ বাবে আশাৰ বতৰা কঢ়িয়াই আনিছে। চলিত বছৰৰ 'বিশ্ব মীন দিৱস' উপলক্ষে প্ৰকাশ কৰা প্ৰতিবেদন অনুসৰি ২০১৩-১৪ বিত্তীয় বৰ্ষত ভাৰতৰ মাছৰ উৎপাদন ৯৫.৭৯ লাখ টন আছিল আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত ই দুগুণতকৈও অধিক বৃদ্ধি হৈ ১৯৭.৭৫ লাখ টন হৈছে। এইক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। অৱশ্যে দেশৰ মীনপালন খণ্ডৰ পৰৱৰ্তী পৰ্যায়ৰ বিকাশ সম্পদৰ সঠিক ব্যৱহাৰ, উন্নত মানৰ মাছ উৎপাদন আৰু মীনপালকসকলৰ অধিক লাভৰ ওপৰত নিৰ্ভৰ কৰিব।

ভাৰতত মাছৰ উৎপাদন দুগুণ বৃদ্ধি

প্ৰতিবেদনখনত উল্লেখ কৰা মতে মীনপালনৰ মুঠ পৰিচালনা ব্যয়ৰ প্ৰায় ৪০-৬০ শতাংশই মাছৰ খাদ্যত খৰচ হয়। মাছৰ খাদ্যব্যয়ৰ হিচাপ 'ফীড কনভাৰ্চন ৰেচিঅ' (এফ চি আৰ) ১.৮ৰ পৰা ১.৫লৈ হ্ৰাস কৰিব পাৰিলে প্ৰতিটন মাছ উৎপাদনত ৩০০ কিলোগ্ৰাম খাদ্য ৰাহি কৰিব পাৰি। যাৰ ফলত মীনপালনৰ অৰ্থনৈতিক দিশটো যথেষ্ট উন্নত হ'ব। উৎপাদনশীলতা বৃদ্ধি আৰু পাৰিপাৰ্শ্বিক প্ৰভাৱ হ্ৰাস কৰাৰ বাবে বৈজ্ঞানিকভাৱে প্ৰস্তুত কৰা প্ৰজাতি-নিৰ্দিষ্ট খাদ্য, সুষম পুষ্টি, সঠিক সময়সূচী অনুসৰি খাদ্য প্ৰদান, পুখুৰীৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু ডিজিটেল পৰামৰ্শ সেৱাৰ ওপৰত প্ৰতিবেদনখনত গুৰুত্ব আৰোপ কৰা হৈছে। প্ৰতিবেদনখনৰ সন্দৰ্ভত মাছৰ খাদ্য উৎপাদক দেশৰ অগ্ৰণী কোম্পানী গড্ৰেজ এগ্ৰ'ভেটৰ এনিমেল নিউট্ৰিচন বিজনেছ শাখাৰ মুখ্য কাৰ্যবাহী বিষয়া কেপ্টেইন এ ৰাই ৰাজেন্দ্ৰই কয় যে বহনক্ষম বিকাশ নিশ্চিত কৰিবলৈ ভাৰতৰ মীন খণ্ডই কেৱল উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰাতকৈ উৎপাদনশীলতা আৰু খাদ্যৰ দক্ষতা উন্নত কৰাত অধিক গুৰুত্ব দিব লাগিব।



তৃতীয় পৃষ্ঠাৰ পৰা

লাচিতৰ নামত দিৱস

আহোম যুৱ পৰিষদ, অসমৰ কেন্দ্ৰীয় সভাপতি ৰাণা ৰঞ্জন গগৈৰ। ডিব্ৰুগড়ৰ টাইপাৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত ৪০৪ সংখ্যক মহাবীৰ লাচিত দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি চৰকাৰক সমালোচনা কৰাৰ লগতে আহোমৰ সুকীয়া জনজাতিকৰণৰ দাবীক লৈ বিজেপি আৰু আৰ এছ এছৰ বিৰুদ্ধে ৰাজনৈতিক চক্ৰান্তৰ অভিযোগো উত্থাপন কৰে। টাই আহোম যুৱ পৰিষদ, অসমৰ কেন্দ্ৰীয় সমিতিৰ আহ্বানত ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত উদ্‌যাপন কৰা হয় ৪০৪ সংখ্যক মহাবীৰ লাচিত দিৱস। অনুষ্ঠানত টাইপাৰ সভাপতি ৰাণা ৰঞ্জন গগৈয়ে কয় যে লাচিত বৰফুকন কোনো এটা জনগোষ্ঠীৰ মাজতে সীমাবদ্ধ নহয়, তেওঁ সমগ্ৰ অসমীয়া জাতিৰ গৌৰৱ। কিন্তু নৱপ্ৰজন্মৰ মাজত অসমৰ বীৰ-বীৰাংগনাসকলৰ ইতিহাস আৰু অৱদানৰ চৰ্চা হ্ৰাস পোৱাত তেওঁ আক্ষেপ প্ৰকাশ কৰে। চাওলুং চুকাফা, লাচিত বৰফুকন, মূলাগাভৰু, চিলাৰায় আদি মহান ব্যক্তিসকলৰ ইতিহাস নতুন প্ৰজন্মৰ মাজত পৰিচিত কৰিবলৈ বুৰঞ্জী চৰ্চাৰ পৰিৱেশ গঢ়ি তোলাৰ আহ্বান জনায়। লাচিতৰ নামত প্ৰতিমূৰ্তি নিৰ্মাণ কৰাতকৈ তেওঁৰ আদৰ্শ বাস্তৱত প্ৰতিফলিত কৰাটোহে অধিক গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰি টাইপাৰ সভাপতিগৰাকীয়ে কয় যে চৰকাৰে 'শৰাইঘাটৰ শেষ ৰণ'ৰ শ্ল'গান দি ব্যাপক প্ৰচাৰ চলোৱা দেখা গৈছিল। কিন্তু সেই ৰণৰ পাছত কিমানজন বিদেশী বহিষ্কাৰ হ'ল, তাৰ উত্তৰ চৰকাৰে দিব লাগিব। তেওঁৰ দাবী অনুসৰি, কেন্দ্ৰত মোদী চৰকাৰৰ প্ৰায় ১৩ বছৰ আৰু অসমত বিজেপি চৰকাৰৰ প্ৰায় ১১ বছৰীয়া শাসনকালত মাত্ৰ ২,২০০জন বিদেশীকহে বহিষ্কাৰ কৰা হৈছে। অথচ এন আৰ চিৰ চূড়ান্ত তালিকাক কেন্দ্ৰ কৰি ১৪-১৫ লাখ লোকৰ নাম বাদ পৰাৰ প্ৰসংগ চৰ্চালৈ আহিছিল। বাকীসকলৰ ক্ষেত্ৰত চৰকাৰৰ স্থিতি কি বুলিও তেওঁ প্ৰশ্ন কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই টেলিভিছনৰ সাক্ষাৎকাৰত বিদেশী বহিষ্কাৰৰ ক্ষেত্ৰত সীমাবদ্ধতাৰ কথা কোৱা বুলি উল্লেখ কৰি গগৈয়ে কয় যে কেৱল ডি-ভোটাৰ হিচাপে চিহ্নিত কৰি ৰাখিলেই বিদেশী সমস্যা সমাধান নহয়। অসমৰ ভূমিপুত্ৰসকলৰ ভূমি আৰু অধিকাৰ সুৰক্ষিত কৰিবলৈ চৰকাৰে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিব লাগিব। লাচিতৰ আদৰ্শৰে চৰকাৰ চলোৱাৰ দাবী কৰা চৰকাৰে অসমক বিদেশীমুক্ত কৰি দেখুওৱাটোৱেই হ'ব প্ৰকৃত শ্ৰদ্ধাঞ্জলি। ইফালে, আহোমৰ সুকীয়া জনজাতিকৰণৰ দাবীক লৈও নিজৰ স্থিতি স্পষ্ট কৰে ৰাণা ৰঞ্জন গগৈয়ে। মোহন, দেওধাই, বাইলুংসকলে সুকীয়া জনজাতিকৰণৰ দাবী উত্থাপনৰ প্ৰসংগত তেওঁ কয় যে চাওলুং চুকাফা আৰু লাচিত বৰফুকনৰ আদৰ্শ আছিল বৃহত্তৰ অসমীয়া জাতিৰ ঐক্য। লাচিত বৰফুকনে কেৱল আহোম জনগোষ্ঠীৰ বাবেই শৰাইঘাটৰ যুদ্ধ কৰা নাছিল, বৰং সমগ্ৰ অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবেহে যুঁজিছিল। টাইপাই আহোম জনগোষ্ঠীৰ স্বাৰ্থত কাম কৰি যাব যদিও বৃহত্তৰ অসমীয়া জাতিৰ ঐক্যৰ আদৰ্শৰ পৰা বিচ্যুত নহয় বুলি স্পষ্ট কৰি দিয়ে। উল্লেখ্য যে অনুষ্ঠানত অসম জাতীয়তাবাদী যুৱ সন্মিলনৰ সম্পাদক মিণ্টু দত্ত, কৈৱৰ্ত যুৱ-ছাত্ৰ সন্মিলনৰ অনিত্য দাস, গণ সন্মিলনৰ সম্পাদক শৰৎ হাজৰিকা আৰু টাইপাৰ ডিব্ৰুগড় জিলা সমিতিৰ কাৰ্যকৰী সভাপতি দীপাংকৰ দুৱৰাৰ লগতে বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধি উপস্থিত থাকে।

বাবলু গড়ৰ মৃত্যুক লৈ

তুলিছে। তালাপ চাহ বাগিচাৰ কলঘৰত কৰ্মৰত অৱস্থাত দুৰ্ঘটনাত মৃত্যু হোৱা শ্ৰমিক বাবুল গড়ৰ পৰিয়ালক উচিত ক্ষতিপূৰণ, শ্ৰমিকৰ জীৱনৰ নিৰাপত্তা সুনিশ্চিত কৰা আৰু তালাপ চাহ বাগিচাৰ মুখ্য পৰিচালক ৰাজু গগৈক গ্ৰপ্তাৰৰ দাবীত আট্‌ছাৰ তালাপ শাখাৰ উদ্যোগত আৰু অসম চাহ জনজাতি মহিলা সমিতি (আটুৰা)ৰ তালাপ শাখাৰ সহযোগতিনিচুকীয়া জিলাৰ তালাপ আৰক্ষী চকীৰ অন্তৰ্গত তালাপ বালিবজাৰত আজি চতুৰ্থ দিনাও আট্‌ছাৰ অনিৰ্দিষ্টকালীন অৱস্থান ধৰ্মঘট কাৰ্যসূচী অব্যাহত ৰখা হয়। কালি পুৱা তালাপ টী ইষ্টেট কোম্পানীৰ স্বত্বাধিকাৰ অৰুণ কুমাৰ ৰায়ে তালাপ চাহ বাগিচাত উপস্থিত হৈ বাবলু গড়ৰ পত্নী আৰু পুত্ৰক সাক্ষাৎ কৰি শোকসন্তপ্ত পৰিয়ালটোলৈ উচিত ক্ষতিপূৰণসহ আইনগত সকলো সুবিধা প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিয়াৰ পিছতো আট্‌ছাৰ নেতৃত্বই তালাপত অনিৰ্দিষ্টকালীন অৱস্থান ধৰ্মঘট অব্যাহত ৰাখিছে। আট্‌ছাৰ নেতৃত্বই উল্লেখ কৰা মতে, তালাপ টী ইষ্টেট কোম্পানীৰ স্বত্বাধিকাৰীয়ে কালি বাবলু গড়ৰ পত্নী আৰু পুত্ৰক প্ৰদান কৰা প্ৰতিশ্ৰুতিৰ ওপৰত ভৰসা কৰিব নোৱাৰি। আট্‌ছাৰ নেতৃত্বই কয়, তালাপ টী ইষ্টেট কোম্পানীৰ তালাপ চাহ বাগিচাৰ কলঘৰত কৰ্মৰত অৱস্থাত সংঘটিত দুৰ্ঘটনাত শ্ৰমিক বাবুল গড়ৰ কৰুণ মৃত্যুৰ ঘটনাই শ্ৰমিক সমাজৰ মাজত গভীৰ শোক, ক্ষোভ আৰু তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি কৰিছে। কৰ্মস্থলীত শ্ৰমিকৰ জীৱনৰ সুৰক্ষা নিশ্চিত কৰাটো বাগিচা কৰ্তৃপক্ষৰ প্ৰাথমিক আৰু মৌলিক দায়িত্ব। কিন্তু কৰ্মৰত অৱস্থাত বাবলু গড়ৰ সৈতে সংঘটিত এনে মৰ্মান্তিক দুৰ্ঘটনাই কলঘৰৰ সুৰক্ষা ব্যৱস্থা, কৰ্তৃপক্ষৰ দায়িত্ব আৰু শ্ৰমিকৰ জীৱনৰ প্ৰতি থকা অৱহেলা বুলি আট্‌ছাৰ নেতৃত্বই গুৰুতৰ প্ৰশ্ন উত্থাপন কৰে। আট্‌ছাৰ নেতৃত্বই কয়— এজন শ্ৰমিকৰ কৰ্মস্থলীত মৃত্যু হোৱাটো কেৱল এটা পৰিয়ালৰ ব্যক্তিগত শোকৰ বিষয় নহয়, ই সমগ্ৰ শ্ৰমিক সমাজৰ জীৱন, নিৰাপত্তা, অধিকাৰ আৰু মৰ্যাদাৰ সৈতে জড়িত এক গুৰুতৰ প্ৰশ্ন। এনে ঘটনা বাগিচাখনত কোনো নতুন ঘটনা নহয়, চলিত বৰ্ষৰ ২৫ এপ্ৰিলত বাগিচাত কাম কৰি থকা অৱস্থাত অনিতা কৰ্মকাৰ নামৰ আন এগৰাকী শ্ৰমিক ঢলি পৰি মৃত্যু হৈছিল। স্বামীহাৰা অনিতা কৰ্মকাৰৰ এতিয়া ৪ শিশু সন্তানে অভিভাৰকহীনভাৱে জীৱন সংগ্ৰাম চলাব লগীয়া হৈছে। ইমানৰ পাছতো চাহ শ্ৰমিকক উপযুক্ত ক্ষতিপূৰণ আৰু নিৰাপত্তা ব্যৱস্থা নিশ্চিত কৰাত প্ৰশাসন তথা বাগিচা কৰ্তৃপক্ষই যথোচিত পদক্ষেপ লোৱা নাই বুলি অভিযোগ তুলিছে আট্‌ছাৰ নেতৃত্বই। অনিৰ্দিষ্টকালীন অৱস্থান ধৰ্মঘটত অংশগ্ৰহণ কৰি আট্‌ছাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য কনক কুমীয়ে কয়, তালাপ বাগিচাৰ কলঘৰত কৰ্মৰত অৱস্থাত দুৰ্ঘটনাত পতিত হৈ মৃত্যু হোৱা শ্ৰমিক বাবলু গড়ৰ ন্যায় যুঁজখন অব্যাহত থাকিব। কিন্তু পৰিতাপৰ বিষয় এই যে ন্যায় যুঁজখন চলি থকাৰ সত্ত্বেও বৰ্তমান শাসনাধিষ্ঠিত চৰকাৰ তথা শ্ৰম বিভাগৰ বিষয়াসকলে তালাপ টী ইষ্টেট কোম্পানীৰ তালাপ চাহ বাগিচাৰ পৰিচালকৰ বিৰুদ্ধে কোনো ধৰণৰ উচিত ব্যৱস্থা গ্ৰহণ কৰা নাই। আট্‌ছাৰ অনিৰ্দিষ্টকালীন অৱস্থান ধৰ্মঘটত শ্ৰমিকসকলক অংশগ্ৰহণৰ ক্ষেত্ৰত বাধা প্ৰদান কৰা বুলি অসম চাহ মজদুৰ সংঘৰ নেতৃত্বক সমালোচনা কৰে। ইফালে, আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সহকাৰী সাধাৰণ সম্পাদক সুৰজিৎ মৰাণে আট্‌ছাৰ অনিৰ্দিষ্টকালীন অৱস্থান ধৰ্মঘটৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি বাবলু গড়ৰ মৃত্যুৰ ন্যায়িক তদন্তৰ দাবী কৰে। তেওঁ বাবলু গড়ৰ বিধৱা পত্নী আৰু পিতৃহাৰা পুত্ৰক উচিত ক্ষতিপূৰণ প্ৰদান আৰু চাহ শ্ৰমিকৰ জীৱনৰ সুৰক্ষাৰ ব্যৱস্থা সুনিশ্চিত কৰিবই লাগিব বুলি কয়।

তামুলপু�ৰত ধান খেতিত

হয়। প্ৰায় ২০ বিঘাতকৈও অধিক কৃষিভূমিৰ পকা ধান সম্পূৰ্ণৰূপে জুইত ভস্মীভূত হয়। অগ্নিকাণ্ডৰ ফলত অঞ্চলটোৰ কেইবাগৰাকীও কৃষকৰ মূৰৰ ঘাম মাটিত পেলাই কৰা এবছৰীয়া পৰিশ্ৰম নিমিষতে ছাই হৈ যোৱাত মূৰে-কপালে হাত দিছে কৃষকসকলে। প্ৰাপ্ত তথ্য অনুসৰি, ভকতপাৰা গাঁৱৰ অনিল ওজা নামৰ ব্যক্তি এগৰাকীয়ে নিজৰ খেতিপথাৰত সৰিয়হ খেতি কৰাৰ উদ্দেশ্যে ধান চপোৱাৰ পাছত পথাৰত থকা নৰাসমূহত জুই লগাই দিছিল। কিন্তু অসাৱধানবশতঃ জুই নিয়ন্ত্ৰণৰ বাহিৰলৈ যোৱাৰ ফলত নিমিষতে জুইৰ লেলিহান শিখাই কাষৰীয়া পথাৰত থকা পকা ধানলৈ বিয়পি পৰে। প্ৰায় এশ বিঘা মাটিকালিজুৰি থকা সমগ্ৰ পথাৰখন জুইৰ কৱলত পৰাত অঞ্চলটোত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। জুইৰ তীব্ৰতা ইমানেই ভয়ংকৰ আছিল যে মুহূর্তৰ ভিতৰতে পথাৰত থকা পকা ধানসমূহ জুইত জাহ যায়। অগ্নিকাণ্ডৰ ফলত ভকতপাৰা গাঁৱৰ কবি দাস, নাৰায়ণ দাস, সত্য হুজুৰিকে ধৰি কেইবাগৰাকীও কৃষকৰ ২০ বিঘাতকৈও অধিক মাটিৰ পকা জহাধান, বৰাধান আৰু ৰঞ্জিত ধান সম্পূৰ্ণৰূপে ভস্মীভূত হয়। বহু কষ্টৰে খেতি কৰি সোণগুটি চপোৱাৰ সময়তে এনেদৰে অগ্নিকাণ্ডৰ ফলত সৰ্বস্বান্ত হ'বলগীয়া হোৱাত ক্ষতিগ্ৰস্ত কৃষকসকলৰ মাজত গভীৰ হতাশা আৰু হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। ইফালে, অগ্নিকাণ্ডৰ খবৰ লাভ কৰাৰ লগে লগে তামুলপু�ৰৰ অগ্নিনিৰ্বাপক বাহিনীৰ দল ঘটনাস্থলীত উপস্থিত হয়। সুচল পথৰ অভাৱত অগ্নিনিৰ্বাপক বাহিনীৰ বাহন পথাৰত প্ৰৱেশ কৰিব নোৱাৰিলে। ফলত জুই নিৰ্বাপণৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সৃষ্টি হয়। আনহাতে, ঘটনাৰ খবৰ পাই তামুলপুৰ আৰক্ষীৰ দলৰ লগতে তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ কেইবাগৰাকীও বিষয়বৰীয়া ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। অৱশেষত স্থানীয় গাঁওবাসী ৰাইজৰ তৎপৰতাৰ ফলত জুই নিৰ্বাপণ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ধান চপোৱাৰ পাছত পথাৰত ৰৈ যোৱা নৰা জ্বলোৱাৰ ফলত এনেদৰে ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হোৱা ঘটনাই কৃষক ৰাইজৰ মাজত উদ্বেগৰ সৃষ্টি কৰিছে। অগ্নিকাণ্ডত ক্ষতিগ্ৰস্ত কৃষকসকলে উপযুক্ত ক্ষতিপূৰণ লাভৰ বাবে চৰকাৰ তথা কৃষি বিভাগৰ ওচৰত দাবী জনাইছে।

দিখৌ-দিচাঙত পুনৰ বালি খনন

জিলাবাসীয়ে পাহৰিব পৰা নাই। ১৯ জুলাইৰ দিনটোত অতীজৰে পৰাই শান্ত-সমাহিত হিচাপে পৰিচিত দিখৌ নদীয়ে এক ভয়াৱহ ৰূপ ধা�ৰণ কৰি দুয়োখন জিলাক সৰ্বস্বান্ত কৰি গৈছিল। দুই লক্ষাধিক পৰিয়াল এই প্ৰলয়ংকৰী বানত ক্ষতিগ্ৰস্ত হৈছিল। বেচৰকাৰী সূত্ৰ মতে শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ ক্ষয়-ক্ষতিৰ পৰিমাণ পাঁচ হাজাৰ কোটিৰো অধিক হোৱাৰ বিপৰীতে চৰকাৰী তথ্যতে বানৰ গ্ৰাসত পৰি উজনিৰ জিলাকেইখনত তিনি হাজাৰ কোটি টকাৰ আন্তঃগাঁথনি বিধ্বস্ত হৈছিল। ৰাজ্য চৰকাৰৰ দুৰ্যোগ প্ৰশমন বিভাগৰ তথ্য মতেই শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউ জিলাত ২৬,৬৮১টা বাসগৃহৰ বিস্তৰ ক্ষতি হোৱাৰ উপৰি ৬০ হাজাৰ পৰিয়াল বানত বিধ্বস্ত হৈছিল। ১৫৫টা পথ, ঐতিহাসিক শিলৰ সাঁকোকে ধৰি বৃহৎসংখ্যক দলং আৰু মথাউৰি সেই প্ৰলয়ংকৰী বানত ধ্বংসস্তূপত পৰিণত হৈছিল। প্ৰলয়ংকৰী বানৰ প্ৰকোপৰ পৰা ৰে'লপথো ৰক্ষা পৰা নাছিল। সেই ভয়ংকৰ বানৰ প্ৰকোপত সৰ্বস্বান্ত হৈ গৈছিল শিৱসাগৰ জিলাৰ নাজিৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত নেপালীখুঁটি বস্তি, কমল চাপৰিৰ দৰে গাঁওসমূহ। ভয়াৱহ বানত প্ৰাণ হেৰুৱাইছিল শতাধিক লোকে। প্ৰায় দুটাকৈ মাহ দুৰ্বিষহ জীৱন কটোৱা শিৱসাগৰ জিলাবাসীয়ে জীৱনত কোনোকালেই পাহৰিব নোৱাৰে সেই দিনকেইটাৰ কথা। বান দুৰ্যোগৰ পাছত এই বান প্ৰকৃততে প্ৰাকৃতিক দুৰ্যোগ নে মানৱ সৃষ্টতাক লৈ সৰ্বত্ৰ চৰ্চিত হৈছিল। চুবুৰীয়া নগালেণ্ড ৰাজ্যত দীৰ্ঘসময় ধৰি চলি থকা অবৈধ শিল, বালি আৰু কয়লা খননকেই এই বানৰ মূল কাৰণ ৰূপে অভিহিত কৰি দল-সংগঠনে ৰাজপথ উত্তাল কৰাৰ লগতে এই বান দুৰ্যোগৰ প্ৰকৃত কাৰণ উদ্ধাৰৰ বাবে চি বি আই তদন্তৰ দাবী কৰিছিল। শিৱসাগৰৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে বাৰম্বাৰ সেই বান দুৰ্যোগৰ বাবে অবৈধ শিল, বালি, কয়লা খননকেই জগৰীয়া কৰিছিল। নগালেণ্ডৰ কাংগানবস্তি আৰু নামচাঙৰ মাজেদি উৎসস্থলীৰ পৰা বৈ অহা দিখৌ নদীক একাংশ কয়লা মাফিয়া আৰু শিল ব্যৱসায়ীয়ে ছটাকৈ স্থানত ভেটা দি দিখৌক পুতি পেলোৱাৰ ফলতেই ১৯ জুলাইৰ সংহাৰী বানৰ কৱলত পৰিছিল শিৱসাগৰকে ধৰি উজনিৰ তিনি জিলা। খিলঞ্জীয়াৰ পীঠস্থান হিচাপে পৰিচিত ঐতিহ্যমণ্ডিত ভৰপূৰ তিনি জিলা ধ্বংসস্তূপত পৰিণত হোৱাৰ কাৰক হিচাপে ৰাইজে কয়লা আৰু শিল খননকে দায়ী কৰি উচ্চস্তৰীয় তদন্তৰ দাবী জনাই আহিছে। লক্ষণীয় বিষয় যে উক্ত প্ৰলয়ংকৰী বানৰ ফলত উজনিৰ তিনি জিলাৰ গ্ৰাম্য অৰ্থনীতি সম্পূৰ্ণৰূপে ভাগি তনচন হোৱাৰ উপৰি কাতি বিহুত এগছি বস্তি জ্বলাবলৈও পথাৰসমূহ উদং হৈ থাকিল। হাঁহ, কুকুৰা, গাহৰি আৰু গৰু-ম'হ পালন কৰি পৰিয়াল পোহপাল দিয়া ৪০-৪৫ হাজাৰ পৰিয়াললৈ অমানিশা নামি আহিল। ক্ষুদ্ৰ উদ্যোগ, কুটীৰ শিল্পৰে আত্মপ্ৰতিষ্ঠা লভা বহু থলুৱা ব্যৱসায়ীৰ সপোন ১৯ জুলাইৰ বানত নিঃশেষ হৈ গ'ল। প্ৰায় ৬০০খন শিক্ষানুষ্ঠান জুলাইৰ বান ট্ৰেজেডীত বিধ্বস্ত হৈ পৰাৰ লগতে শিক্ষা ব্যৱস্থাত এক দুৰ্যোগপূৰ্ণ পৰিৱেশৰ সূচনা হ'ল। বিধায়ক গগৈ আৰু দল-সংগঠনৰ দাবীৰ প্ৰতি সঁহাৰি জনাই ৰাজ্য চৰকাৰে ১৯ জুলাইৰ বানৰ প্ৰকৃত কাৰণ আৰু উৎস নিৰূপণৰ বাবে কেবিনেটযোগে বিষয়টোত চি বি আইৰো তদন্ত দিয়াৰ ঘোষণা কৰিলে। কিন্তু দুৰ্ভাগ্যজনক বিষয় যে চি বি আইৰো তদন্ত আৰম্ভ কৰাতেই তথা বানৰ মূল কাৰণ নিৰূপণ নহয়, শিৱসাগৰ জিলাৰ নদীকাষবৰীয়া অঞ্চলসমূহৰ উপৰি অন্যান্য স্থানসমূহত অবৈধ ভূখননৰ ইতিমধ্যে আৰম্ভ হৈছে। শিৱসাগৰ জিলাৰ মাজে�ৰে বৈ যোৱা দিখৌ, দিচাং, দৰিকা, মিটং, জাঁজী নদীৰ দাঁতিত প্ৰতিবছৰে একাংশ ভূ-মাফিয়াই জে চি বি, ফকলেণ্ডেৰে খান্দি তহিলং কৰিলেও অন্ধ মুনিৰ ভাও ধৰে শিৱসাগৰ জিলা বন বিভাগে। এইসকল ভূ-মাফিয়াৰ আওতাৰ পাৰিপাৰ্শ্বিকতা, নদীকাষবীয়া অঞ্চলৰ ভাৰসাম্য আদি বিষয়বোৰ। কেৱল চুবুৰীয়া নগালেণ্ড ৰাজ্যত দীৰ্ঘসময় ধৰি চলি থকা অবৈধ শিল, বালি, কয়লাখননেই শিৱসাগৰ জিলাৰ বান দুৰ্যোগৰ একমাত্ৰ কাৰণ নহয়। খৰালি আহিলেই খাপ পিটি থকা এইসকল ভূ-মাফিয়াই জে চি বি, ফকলেণ্ডেৰে নদীকেইখনৰ বুকুত অত্যাচাৰ চলায়। যাৰ ফলত নদীকেইখনে প্ৰাকৃতিক ভাৰসাম্য হেৰুৱাই নদীকাষবীয়া অঞ্চলসমূহত বাঢ়নী পানীৰে তাণ্ডৱৰ সৃষ্টি কৰে। কিন্তু প্ৰলয়ংকৰী বান দুৰ্যোগৰ পাছত সকলোৱে আশা কৰিছিল যে লক্ষাধিক পৰিয়ালৰ জীৱনৰ সপোনবোৰ কাঢ়ি নিয়া সেই প্ৰলয়ংকৰী বানৰ প্ৰকৃত কাৰণবোৰ উদ্ধাৰ নোহোৱালৈকে চৰকাৰে নদীকাষবীয়া অঞ্চল আৰু চৰকাৰী ভূমিত চলা অবৈধ ভূখননৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি ধনৰ লেনদেনৰ জৰিয়তে চলা এই অশুভ পৰম্পৰাক নাকী লগাব। প্ৰলয়ংকৰী বানৰ সময়ত ঘঁৰিয়ালৰ চকুপানী টোকা একাংশ লোকে এতিয়া অবৈধ ভূখননৰ দৰে কাৰ্যত লিপ্ত হৈছে। বান দুৰ্যোগৰ মাত্ৰ চাৰি মাহ পাৰ নৌহওঁতেই এতিয়া শিৱসাগৰ জিলাৰ সৰ্বত্ৰ চলিছে অবৈধ ভূখনন। শিৱসাগৰ জিলাৰ দিখৌ নদীৰ দাঁতিকাষবীয়া শ্মশানঘাট, সিংহদুৱাৰ, লাহিঙীয়া, কোঁৱৰপুৰ, গটঙা, শান্তিপুৰ-মিটং নদীৰ দাঁতিকাষবীয়া খনামুখ, খৰখৰীজান, হাতীঘুলি আৰু আনহাতে দিচাং নদীৰ দাঁতিকাষবীয়া বেতবাৰী, কৈৱৰ্ত গাঁও আদি অঞ্চলত দৈনিক এক্সকেভেটৰ ফকলেণ্ড, ডাম্পাৰৰ দপদপনি চলি থকাৰ পাছতো জিলা বন বিভাগৰ উদাসীনতাৰ আঁৰত বহস্যৰ অৱকাশ থকাৰ সন্দেহ প্ৰকাশ কৰিছে শিৱসাগৰবাসী সচেতন ৰাইজে। ইতিমধ্যে 'দৈনিক অসম'ৰ হাতত আহি পৰা তথ্য মতে তিনিখন সুৱা বিপণীৰ স্বত্বাধিকাৰী ক্ৰমে জনৈক শৰ্মা, মাইনা আৰু য়েইনে দিখৌ নদীৰ বুকুত অবৈধ খনন চলাই থকাৰ পাছতো জিলা বন বিভাগৰ সাৰ-সিকটি নোহোৱাৰ দ্বাৰা এটা কথাই প্ৰমাণ কৰে যে এইসকল ভূ-মাফিয়াৰ সৈতে জিলা বন বিভাগৰ এক গোপন মিতিৰালি আছে। আনহাতে উজনি অসমৰ এগৰাকী কেবিনেট মন্ত্ৰীৰ সৈতে ঘনিষ্ঠতাৰ দোহাই দি জনৈক ডেকা নামৰ এজন স্বয়ম্ভু বিজেপি নেতাই অবৈধ ভূখননত হাত উজান দিয়াৰ লগতে সকলো মেনেজ কৰিব পাৰিম বুলি বিভিন্ন স্থানত দম্ভালি মাৰি ফুৰাৰ তথ্যও আহি পৰিছে। নিৰ্ভৰযোগ্য সূত্ৰৰ আধাৰত আহি পৰা তথ্য মতে শিৱসাগৰ জিলাৰ কোনো স্থানতেই বন বিভাগে বৰ্তমানলৈকে ভূখননৰ অনুমতি প্ৰদান কৰা নাই। তেনেস্থলত কিদৰে এইসকল দক্ষিণৰ চিনেমাৰ ভিলেইন স্বৰূপ সমাজবিৰোধী লোকে হেলাৰঙে অবৈধ ভূখনন অব্যাহত ৰাখিছে তাক লৈ সচেতন ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে। আনহাতে, শিৱসাগৰ জিলাৰ গৌৰীসাগৰৰ মাজেৰে বৈ যোৱা মিটং নদীৰ দাঁতিকাষবীয়া অঞ্চলত প্ৰতিবছৰে আলাউদ্দিনৰ চাকি লাভ কৰি মাত্ৰ কেইটামান বছৰতে সমৃদ্ধ হোৱা ইক্ৰামুল নামৰ অবৈধ ভূ-মাফিয়াজন পুনৰ সক্ৰিয় হৈ উঠিছে। প্ৰতিবছৰে চৰকাৰী ভূমি তথা মিটং নদীৰ দাঁতিকাষবীয়া অঞ্চলত অবৈধ খনন চলাই কোটি টকাৰ সম্পত্তিৰ গৰাকী হোৱা ব্যক্তিজনৰ বাহনসমূহৰ নথিপত্ৰৰ ম্যাদ উকলাৰ কিদৰে অবৈধ খনন চলাই আছে সেইয়াও ৰহস্যজনক জৈন উপাধিৰ শিৱসাগৰ জিলাৰ খণ্ড বনাঞ্চলিক বিষয়াগৰাকীৰ প্ৰকৃততে বন সুৰক্ষা নে বন ধ্বংসৰ বাবে শিৱসাগৰলৈ বদলি কৰা হৈছিল তাক লৈও শিৱসাগৰবাসী ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে। এইগৰাকী বিষয়াৰ নেতৃত্বতে এই অবৈধ ভূখনন চলি আছে নেকি বুলি ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে। আনহাতে জিলা আয়ুক্তগৰাকীৰ ভূমিকাক লৈও আপত্তি দৰ্শাইছে শিৱসাগৰবাসী ৰাইজে। জিলা আয়ুক্তগৰাকীৰ নিৰ্লিপ্ত ভূমিকাত ক্ষোভিত জিলাবাসী। এক ভয়ংকৰ দুৰ্যোগে সমাগত জিলাখনক কঁকাল পোনাবলৈ সময় প্ৰদান কৰাৰ পূৰ্বে শিৱসাগৰত ভূ-মাফিয়াৰ দপদপনি কিদৰে আৰম্ভ হ'ল তাক লৈ প্ৰশ্ন কৰিছে সচেতন ৰাইজে। শীঘ্ৰেই এইক্ষেত্ৰত বনমন্ত্ৰী তথা মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ কামনা কৰিছে শিৱসাগৰৰ সচেতন ৰাইজে।

আজিৰে পৰা নলবাৰীত

পাছত এইবাৰ নলবাৰীত প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। ঐতিহাসিক ৰাস মহোৎসৱৰে সংগতি ৰাখি কাইলৈ ২৫ নৱেম্বৰৰ পৰা ৬ ডিচেম্বৰলৈ শ্ৰীশ্ৰী হৰিমন্দিৰৰ ৰাসখলাত অনুষ্ঠিত হ'ব অসম গ্ৰন্থমেলা, নলবাৰী। এলানি বৰ্ণিল কাৰ্যসূচীৰে আয়োজন কৰা অসম গ্ৰন্থমেলা, নলবাৰীৰ কাইলৈ উদ্বোধনী অনুষ্ঠান। এই বিষয়ে সদৰি কবি অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই এক সংবাদ বিজ্ঞপ্তিত কয় যে ঐতিহাসিক ৰাস মহোৎসৱৰে সংগতি ৰাখি নলবাৰীত ১২ দিনীয়াকৈ আয়োজন কৰা এইবেলিৰ দ্বিতীয়খন অসম গ্ৰন্থমেলাৰ কাইলৈ দিনৰ ১১ বজাত অনুষ্ঠিত হ'বলগীয়া উদ্বোধনী সভাত কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ ৰমেশ চন্দ্ৰ ডেকাই মুখ্য অতিথি, বিশিষ্ট লেখক-গৱেষক ডঃ মালিনী গোস্বামীয়ে সম্মানীয় অতিথি আৰু সাহিত্য অকাডেমি বঁটাপ্ৰাপক ঔপন্যাসিক, গল্পকাৰ জয়ন্ত মাধৱ বৰাই বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব। বিজ্ঞপ্তিটোত লগতে ২৫ নৱেম্বৰৰ পৰা ৬ ডিচেম্বৰলৈ অনুষ্ঠিতব্য অসম গ্ৰন্থমেলা, নলবাৰীত ভাষা-সাহিত্য-সংস্কৃতি-ঐতিহ্য আদি ভিন্ন বিষয়ক সামৰি আলোচনা সত্ৰ আয়োজনৰ দিহা কৰা হৈছে। ইয়াৰ ভিতৰত আছে ২৮ নৱেম্বৰৰ বিয়লি ৩ বজাত 'সাহিত্য ৰত্ন হৰিনাৰায়ণ দত্ত বৰুৱা স্মৰণ' শীৰ্ষক আলোচনা সত্ৰ। এই সত্ৰখন সঞ্চালনা কৰিব বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ চিৰঞ্জীৱ জৈনে আৰু ইয়াত আলোচক হিচাপে অংশগ্ৰহণ কৰিব ডঃ বীৰেন চক্ৰৱৰ্তী, ডঃ সঞ্জীৱ কুমাৰ গোস্বামী আৰু ডঃ ৰঞ্জনা ভট্টাচাৰ্যই। ২৯ নৱেম্বৰত পুৱা ১০.৪৫ বজাত শিশুসকলৰ মাজত চিত্ৰাংকন, ১১ বজাত কবিতা আবৃত্তি প্ৰতিযোগিতাৰ আয়োজন কৰা হ'ব। ইয়াৰ পাছত বিয়লি ২ বজাত ডঃ সমুজ্জ্বল ভৰদ্বাজৰ পৰিচালনাত অনুষ্ঠিত হ'ব মুকলি কুইজ। ৩০ নৱেম্বৰৰ বিয়লি ৩ বজাত বিশিষ্ট কবি তথা নলবাৰী জিলাৰ আয়ুক্ত নিৱেদন দাস পাটোৱাৰীয়ে উদ্বোধন কৰিব কবি সন্মিলন। ডঃ অজিৎ ভৰালীয়ে সঞ্চালনা কৰিবলগীয়া এই অনুষ্ঠানত আমন্ত্ৰিত কবিসকলে কবিতা পাঠ কৰিব। ১ ডিচেম্বৰৰ বিয়লি ৩ বজাত অনুষ্ঠিত হ'ব 'ডঃ হৰিনাথ শৰ্মা দলৈঃ জন্ম শতবৰ্ষৰ স্মৰণ' অনুষ্ঠান। ডঃ লীনা ডেকাই সঞ্চালনা কৰিবলগীয়া এই আলোচনা স



ৰূপহীহাটৰ পশ্চিম শালপাৰাত ভয়ংকৰ অগ্নিকাণ্ড

দুই লক্ষাধিক টকাৰ সা-সম্পত্তি ভস্মীভূত

দৈনিক অসমৰ প্ৰতিনিধি

ৰূপহীহাট, ২৪ নৱেম্বৰ ঃ ৰূপহীহাটৰ পশ্চিম শালপাৰাত আজি পুৱা সংঘটিত এক ভয়ংকৰ অগ্নিকাণ্ডত দুই লক্ষাধিক টকাৰ সা-সম্পত্তি জুইত জাহ যায়। জানিব পৰা মতে, আজি পুৱা প্ৰায় ৯ বজাত তাফাজ্জুল ইছলাম নামৰ লোকজনৰ বাসগৃহত হঠাৎ জুইৰ সূত্ৰপাত ঘটে। বিদ্যুতৰ শ্ৰৰ্ট চাৰ্কিটৰ ফলতে অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱা বুলি সন্দেহ কৰা হৈছে। অগ্নিকাণ্ডৰ পাছতে স্থানীয় ৰাইজে জুই নিৰ্বাপণৰ বাবে আপ্ৰাণ চেষ্টা চলায় যদিও নিমিষতে জুই বিয়পি পৰাত সম্পূৰ্ণৰূপে বাসগৃহটো জাহ যায়। অৱশ্যে স্থানীয় ৰাইজৰ তৎপৰতাত এখন দুচকীয়া বাহন কোনোমতে ৰক্ষা কৰিবলৈ সক্ষম হয়। এই অগ্নিকাণ্ডৰ ফলত তাফাজ্জুল ইছলামৰ পৰিয়ালটো সৰ্বস্বান্ত হৈ পৰে।

গোৱালপাৰা পূব সমষ্টিত স্বাস্থ্যসেৱাৰ কৰুণ ছবি

বনগাঁৱত আজিও ৰোগীৰ বাবে শেষ ভৰসা বাঁহৰ সাঙী



■ ধূপধৰাৰ পৰা ভাগ্যৰ ৰাজবংশী

২৪ নৱেম্বৰ ঃ বিকশিত ভাৰতৰ স্বৰ্ণ যুগতো যেন উন্নয়নৰ মানচিত্ৰত উপেক্ষিত হৈ ৰৈছে বিজয়পুৰ বনগাঁও। গাঁওবাসীয়ে আজিও নেদেখিলে এম্বুলেন্স। কোনো লোক হঠাৎ অসুস্থ হৈ পৰিলে অথবা জৰুৰী চিকিৎসাৰ প্ৰয়োজন হ'লে ৰোগীক সাঙীত উঠাই কঢ়িয়াই নিবলগীয়া হয় স্বাস্থ্যকেন্দ্ৰলৈ। বিদ্যালয়লৈ অহা-যোৱা কৰা কণ কণ ছাত্ৰ-ছাত্ৰীৰ বাবেও দৈনিক যাতায়াত হৈ পৰিছে বিপদসংকুল। এয়া কোনো দুৰ্গম পাহাৰীয়া অঞ্চলৰ দৃশ্য নহয়, ৰৰং গোৱালপাৰা পূব বিধানসভা সমষ্টিৰ অন্তৰ্গত বিজয়পুৰ বনগাঁৱৰ আজিৰ কৰুণ বাস্তৱ ছবি। উল্লেখ্য যে গোৱালপাৰা জিলাৰ পূব প্ৰান্তত ধূপধৰাৰ সমীপৰ তথা পূৰ্বৰ দুধনৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত গাঁওখনৰ ৰাইজে বহুৰ বহুৰ ধৰি সুচল যাতায়াত ব্যৱস্থাৰ পৰা বঞ্চিত হৈ আহিছে। গাঁওখনলৈ যাতায়াতৰ ক্ষেত্ৰত এডাল লোৰ জইছৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে গাঁওবাসীয়ে। যাতায়াতৰ এনে দু�ৱস্থাই গাঁওখনৰ জনজীৱনলৈ কঢ়িয়াই আনিছে নানান সমস্যা। বিশেষকৈ জৰুৰীকালীন চিকিৎসাৰ ক্ষেত্ৰত গাঁওবাসীৰ দুৰ্ভোগৰ সীমা নোহোৱা হয়। গাঁওখনত এম্বুলেন্স প্ৰৰেশ কৰিব নোৱাৰাৰ ফলত ৰোগীক সাঙীৰে কঢ়িয়াই নিয়াৰ বাহিৰে পৰিয়ালৰ লোকসকলৰ হাতত আন কোনো বিকল্প নাথাকে।

উন্নয়নৰ মানচিত্ৰত উপেক্ষিত বিজয়পুৰ

ফলত সময়মতে চিকিৎসালয়ত উপস্থিত কৰোৱাটোও এক ডাঙৰ প্ৰত্যাহ্বান হৈ পৰে। আনহাতে, দৈনিক বিদ্যালয়লৈ অহা-যোৱা কৰা কণ কণ ছাত্ৰ-ছাত্ৰীসকলেও লোৰ জইছেৰে বিপদসংকুল যাতায়াত কৰিবলগীয়া হয়। যাৰ বাবে সন্তানৰ সুৰক্ষাক লৈ সততে উদ্বিগ্ন হৈ থাকে অভিভাৱকসকল। বহুৰ বহুৰ ধৰি এনে দুৰ্ভোগৰ সন্মুখীন হৈ অহাৰ পাছতো গাঁওখনৰ যাতায়াত সমস্যাৰ স্থায়ী সমাধান নোহোৱাত স্থানীয় ৰাইজৰ মাজত তীব্ৰ ক্ষোভ আৰু অসন্তুষ্টিৰ সৃষ্টি হৈছে। গাঁওখনলৈ সুচল যাতায়াতৰ ব্যৱস্থা নিশ্চিত কৰাৰ লগতে পথটো পকীকৰণৰ বাবে গোৱালপাৰা পূব বিধানসভা সমষ্টিৰ বিধায়ক এ কে ৰছিদ আলমৰ জৰুৰী হস্তক্ষেপ কামনা কৰিছে গাঁওবাসীয়ে। স্থানীয় ৰাইজৰ আশা, পথটোৰ স্থায়ী উন্নয়ন হ'লে কেৱল দৈনন্দিন যাতায়াতেই সুচল নহ'ব, জৰুৰীকালীন সময়ত এম্বুলেন্সৰ চলাচলৰো পথ মুকলি হ'ব। উন্নয়নৰ স্বৰ্ণময় যুগতো এখন গাঁৱৰ ৰাইজে ৰোগীক চিকিৎসালয়লৈ নিবৰ বাবে সাঙীৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হোৱা বিষয়টোৱে স্বাভাৰিকতে বহু প্ৰশ্নৰ অৱতাৰণা কৰিছে। এতিয়া সংশ্লিষ্ট বিভাগ আৰু জনপ্ৰতিনিধিৰ দৃষ্টি কেতিয়া পৰিব বিজয়পুৰ বনগাঁৱৰ এই দীৰ্ঘদিনীয়া জ্বলন্ত সমস্যাটোৰ ওপৰত, সেয়া লক্ষণীয় হ'ব।

মুকালমুৱাত হেৰ'ইন, নিচাযুক্ত টেবলেট জব্দ

দৈনিক অসমৰ প্ৰতিনিধি

মুকালমুৱা, ২৪ নৱেম্বৰ ঃ নলবাৰী জিলাৰ মুকালমুৱা থানাৰ অন্তৰ্গত ডিৰুৱা গাঁৱত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই সফলতা লাভ কৰিছে বৰ্ণিবাৰী আৰক্ষীয়ে। গোপন তথ্যৰ ভিত্তিত চলোৱা এই অভিযানত এজন ব্যক্তিৰ বাসগৃহৰ পৰা সন্দেহযুক্ত হেৰ'ইন, নিচাযুক্ত টেবলেট আৰু অন্যান্য আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰি জব্দ কৰিবলৈ সক্ষম হয় আৰক্ষীৰ দলটোৱে। ঘটনাৰ সৈতে জড়িত থকাৰ সন্দেহত আৰক্ষীয়ে এজন ২৮ বছৰীয়া যুৱকক আটক কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, মুকালমুৱা থানাৰ অধীনস্থ বৰ্ণিবাৰী পহৰা চকীৰ আৰক্ষীয়ে ডিৰুৱা গাঁৱৰ প্ৰয়াত মিৰ হুছেইন আলীৰ পুত্ৰ আব্দুল আলী হাপা(২৮) ৰ বাসগৃহত গোপন তথ্যৰ ভিত্তিত তালাচী অভিযান চলায়। অভিযানকালত আৰক্ষীয়ে ৩৮টা নাইট্ৰাজেপাম টেবলেট থকা চাৰিটা ষ্ট্ৰিপ উদ্ধাৰ কৰে। তদুপৰি আৰক্ষীয়ে সাতটা খালী ভাইল আৰু সন্দেহযুক্ত হেৰ'ইন থকা আঠটা ভাইল উদ্ধাৰ কৰে। আৰক্ষীয়ে এ এছ ১৪ বি ৪৮২৪ নম্বৰৰ এখন বাজাজ পালছাৰ মটৰচাইকেলো জব্দ কৰে।

■ বিধায়ক অখিল গগৈৰ অভিযোগ ■

কমিছন দিয়া কয়লাৰ ট্ৰাকৰ ক্ষেত্ৰত কোনো নীতি-নিয়ম নালাগে

মেঘালয়ৰ পৰা ৫০ টন পৰ্যন্ত কয়লা আনে ৯ টন বহন ক্ষমতাৰ বাহনে

দৈনিক অসমৰ প্ৰতিনিধি

বকো, ২৪ নৱেম্বৰ ঃ মেঘালয়ৰ পৰা বকো-হাহিম পথত দৈনিক শ শ অবৈধভাৱে আৰু অতিৰিক্ত কয়লাভৰ্তি ট্ৰাকৰ চলাচল হোৱা বুলি অভিযোগ কৰি ইয়াৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে স্থানীয় ৰাইজ। এই বিষয়ে নিখিল ৰাভা ছাত্ৰ সস্থাৰ প্ৰাক্তন সভাপতি তথা অঞ্চলটোৰ সচেতন ব্যক্তি ৰমেন সিং ৰাভাই ক্ষোভ প্ৰকাশ কৰি কয়, 'প্ৰায় ৬-৭ বছৰ পূৰ্বে হাহিম-বকো পথটো পকীকৰণ কৰা হৈছে, কিন্তু তাৰ পূৰ্বে হাহিম অঞ্চলৰ বাসিন্দাই প্ৰায় ২০ বছৰ ধৰি যমৰ যাতনা ভুগিব লগা হৈছে। বকোৰ পৰা হাহিমলৈ প্ৰায় ১০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথটো পাৰ হ'বলৈ ৩-৪ ঘণ্টা পৰ্যন্ত লাগিছিল। পথটো পকীকৰণ হোৱাৰ পাছত হাহিম অঞ্চলৰ ৰাইজে কিছু সকাহ পাইছিল যদিও মেঘালয়ৰ পৰা বকো-হাহিম পথেৰে চলাচল কৰা কয়লাৰ ট্ৰাকৰ বাবে অঞ্চলটোৰ ৰাইজে পথটোৰে আহ-যাহ কৰিবলৈ শংকিত হৈ পৰিছে। তদুপৰি দিনে-নিশাই চলি থকা এই কয়লাভৰ্তি ট্ৰাকবোৰ বিদ্যালয়, কলেজলৈ যোৱা ছাত্ৰ-ছাত্ৰীৰ বাবে মৃত্যুদূত হৈ পৰিছে। ৰমেন সিং ৰাভাই জানিবলৈ দিয়া অনুসৰি বৰ্তমানলৈ ১২ খন পৰ্যন্ত কয়লাভৰ্তি ট্ৰাক ইতিমধ্যে পথত বাগৰি পৰিছে। ৰাভাই অভিযোগ উত্থাপন কৰা অনুসৰি মেঘালয়ৰ চালাঙৰ পৰা কয়লা কঢ়িওৱা অধিকাংশ বাহনৰ নাই প্ৰয়োজনীয় নথিপত্ৰ। তদুপৰি তেওঁ অভিযোগ কৰে যে মেঘালয়ত ১ লাখ ১০ হাজাৰ টকা আদায় দিলেহে অসমলৈ আহিব পাৰে ট্ৰাকসমূহ। আনহাতে, ৯ টন বহন ক্ষমতাৰ ট্ৰাকখনে ৪২ৰ পৰা ৫০ টন পৰ্যন্ত কয়লা কঢ়িয়াই আনে। ৰমেন সিং ৰাভাই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰি ট্ৰাকসমূহৰ অতিৰিক্ত বহন কৰা ব্যৱস্থাটো বন্ধ কৰি ৰাইজক সুৰক্ষা প্ৰদান কৰাৰ বাবে ব্যবস্থা গ্ৰহণ কৰিব লাগে বুলি আহ্বান জনোৱাৰ লগতে অন্যথা ৰাইজে পথলৈ ওলাই আহি ব্যৱস্থা গ্ৰহণ কৰিব বুলি ক্ষোভ প্ৰকাশ কৰে। তদুপৰি ৰাভাই স্থানীয় বিধায়ক ৰাজু মেছক সকীয়াই দিয়ে যে যদিহে কোনো লোক কয়লাৰ ট্ৰাকৰ দৌৰাত্ম্যত মৃত্যু হয়, তেওঁৰে ভোটাৰৰ মৃত্যু হ'ব, সেয়েহে এই সন্দৰ্ভত স্থানীয় বিধায়ক হিচাপে তেওঁ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আনহাতে, যোৱা শনিবাৰে গোৱালপাৰা জিলাৰ কৃষ্ণাইত ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈ উপস্থিত হয়। গগৈয়ে মন্তব্য কৰে যে কাজিৰঙাৰ দুৰ্ঘটনাৰ পাছত দুৰ্ঘটনা প্ৰতিৰোধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ সলনি আৰম্ভ হৈছে 'ফাইন' কটাৰ কাম। কিন্তু ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত যমদূত হৈ উঠা অবৈধভাৱে আৰু অতিৰিক্ত কয়লাভৰ্তি ট্ৰাকৰ বিৰুদ্ধে কোনো ধৰণৰ বিহিত ব্যৱস্থা গ্ৰহণ নকৰাৰ ক্ষেত্ৰত অভিযোগ উত্থাপন কৰি তেওঁ কয় যে কমিছন দিয়া কয়লাৰ ট্ৰাকৰ ক্ষেত্ৰত কোনো নীতি-নিয়ম নালাগে, কিন্তু অলপ দূৰ পথত বাইক চলাওঁতে হেলমেটটো অলপ বেঁকা হৈ থাকিলেও ফাইন দিব লাগে। বিধায়ক অখিল গগৈয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে যে প্ৰত্যেকখন কয়লাৰ ট্ৰাকে প্ৰায় ২ লাখ টকাকে পৰিশোধ কৰিলেহে অসমলৈ আনিব পাৰে কয়লা। যাৰ বাবে প্ৰয়োজন নহয় বাহনৰ কোনো নথিপত্ৰ, নালাগে কোনো ধৰণৰ চালান, জি এছ টি, ই-ৰে বিল। উল্লেখযোগ্য যে বকো-হাহিম পথৰে দৈনিক সৰৱৰাহ হোৱা কয়লাভৰ্তি ট্ৰাক ইতিমধ্যে বহুকেইটা পথ দুৰ্ঘটনাত পতিত হৈছে। এই ক্ষেত্ৰত কামৰূপ তথা গোৱালপাৰা জিলাৰ বিভিন্ন লোকে অতিৰিক্ত কয়লাভৰ্তি ট্ৰাকসমূহৰ ভিডিঅ'সমূহ ছ'চিয়েল মিডিয়াৰ যোগেৰে প্ৰচাৰ কৰি ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত চলাচল কৰোঁতে সাৱধান হোৱাৰ বাবে আহ্বান জনোৱা দেখা গৈছে। জানিব পৰা মতে, ৬ চকীয়া ট্ৰাকসমূহৰ বহন ক্ষমতা ৯ টন যদিও ৪২ৰ পৰা ৫০ টন পৰ্যন্ত কয়লা কঢ়িয়ায় এই ট্ৰাকসমূহে আৰু ইয়াৰ ফলত মৰণফান্দত পৰিণত হৈছে বকো-হাহিম পথ তথা ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথ।



ভাৰত-ভূটান সীমাঞ্চলত বৃদ্ধি পাইছে হাতী-মানুহৰ সংঘাত

ডিমাকুছিত বনৰীয়া হাতীৰ আক্ৰমণত দুজনৰ মৃত্যু

দৈনিক অসমৰ প্ৰতিনিধি

টংলা, ২৪ নৱেম্বৰ ঃ ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমাৱৰ্তী অঞ্চলত বন্যহস্তী-মানুহৰ সংঘাতে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। খাদ্যৰ সন্ধানত বৰুনদী অভয়াৰণ্য তথা ননৈ সংৰক্ষিত বনাঞ্চলৰ পৰা আহি জনাঞ্চলত আশ্ৰয় লোৱা বনৰীয়া হাতীয়ে যোৱা কেইবাদিন ধৰি সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে। খাদ্যৰ সন্ধানত সন্ধিয়া হোৱাৰ লগে লগে গাঁৱত প্ৰৰেশ কৰা বন্যহস্তীৰ বৃহৎ জাকে এই বছৰতে ২৫জনৰো অধিক লোকৰ প্ৰাণ কাঢ়ি নিয়াৰ লগতে অগণন গৃহ তচনচ কৰিছে তথা খেতিপথাৰ তলিহং কৰি আহিছে। আজি পুৱা প্ৰায় ৫ বজাত ডিমাকুছিৰ তাৰখুঁটি অঞ্চলত বনৰীয়া হাতীয়ে এজনৰ প্ৰাণ লয়। তাৰখুঁটিৰ খড়গ বাহাদুৰ খড়কাই আজি পুৱা নিজৰ গৃহৰ পিছপিনে থকা পথাৰলৈ গৈ থকাৰ সময়তে বন্যহস্তীয়ে লোকজনক গচকি হত্যা কৰে। ৬৫ বছৰীয়া লোকজনৰ ঘটনাস্থলীতে মৃত্যু হয়। ইফালে ডিমাকুছি থানাৰ অন্তৰ্গত ২ নং বামুণজুলিতো আজি পুৱা প্ৰায় ৭ বজাত জিৎ বাহাদুৰ অধিকাৰী (৫৫) নামৰ লোকজনক পথেৰে গৈ থাকোঁতে খেদি গৈ গচকি হত্যা কৰে। উক্ত দুয়োটা ঘটনাৰ পাছতে বন বিভাগৰ বিৰুদ্ধে সৰৱ হৈছে স্থানীয় লোক। বনমন্ত্ৰী জয়ন্তমল্ল বৰুৱাক ঘটনাস্থলীলৈ আহিবলৈ আহ্বান জনোৱাৰ লগতে ভূটান সীমাৱৰ্তী অঞ্চলক বন্যহস্তীৰ পৰা সুৰক্ষা দিবলৈ উচিত ব্যৱস্থা হাতত ল'বলৈ স্থানীয় লোকে আহ্বান জনাইছে, অন্যথা বন বিভাগৰ বিৰুদ্ধে দল-সংগঠনে জংগী আন্দোলনৰ ভাবুকি দিছে। ওদালগুৰি জিলা আদিবাসী ছাত্ৰ সস্থাৰ সভাপতি শিৱদত তাঁতী, ওদালগুৰি জিলা গোৰ্খা ছাত্ৰ সস্থাৰ সম্পাদক ৰূপম আত্ৰেয়ই এই ঘটনাক দুৰ্ভাগ্যজনক বুলি কয় আৰু বন বিভাগৰ ব্যৰ্থতাক সমালোচনা কৰে। নিহতসকলৰ পৰিয়ালক উচিত ক্ষতিপূৰণৰ দাবী জনায় ছাত্ৰ সংগঠনটোৱে। ওদালগুৰি জিলাৰ ভূটান সীমাৱৰ্তী অঞ্চলত চলিত বছৰতে ২৫জনৰো অধিক লোকৰ মৃত্যু হোৱাৰ পাছতো বনমন্ত্ৰী ঘটনাস্থলীলৈ নোযোৱা বুলি ভূটান সীমান্তবাসীয়ে আক্ষেপ কৰিছে। পাছত ঘটনাস্থলীত ননৈ ছেৰফাং সমষ্টিৰ পাৰিষদ পল তপ্পো, ননৈৰ ৰেঞ্জাৰ মুনীন্দ্ৰ বৰ্মন আৰু ভেৰগাঁওৰ দণ্ডাধীশ উপস্থিত হৈ উত্তেজিত ৰাইজক সান্ত্বনা দিয়াৰ লগতে নিহত পৰিয়ালক উচিত ক্ষতিপূৰণ দিয়া হ'ব বুলি ঘোষণা কৰে।

নকছাৰিত এজন চাহ শ্ৰমিকৰ প্ৰাণহানি

দৈনিক অসমৰ প্ৰতিনিধি

নকছাৰি, ২৪ নৱেম্বৰ ঃ নকছাৰিৰ ভেলাগুৰি চাহ বাগিচাত বনৰীয়া হাতীৰ আক্ৰমণত প্ৰাণ হেৰুৱালে চুটু ছোৱেন নামৰ এগৰাকী ৬৮ বছৰীয়া ব্যক্তিয়ে। আজি দিনৰ প্ৰায় ২-৩০ বজাত সংঘটিত এই ঘটনাই সমগ্ৰ অঞ্চলটোতে গভীৰ শোকৰ ছাঁ পেলাইছে। জানিব পৰা মতে, নিজৰ ঘৰলৈ উভতি আহি থকা অৱস্থাতে হঠাৎ এটা বনৰীয়া হাতীয়ে চুটু ছোৱেনক আক্ৰমণ কৰে। ঘটনাৰ পাছতে তেওঁক সংকটজনক অৱস্থাত যোৱহাট চিকিৎসা মহাবিদ্যালয়লৈ লৈ যোৱাৰ ব্যৱস্থা কৰা হয় যদিও চিকিৎসালয়লৈ নিয়াৰ পথতে তেওঁৰ মৃত্যু হয়। উল্লেখযোগ্য যে যোৱা নিশাও বনৰীয়া হাতীৰ এটা জাকে ভেলাগুৰি চাহ বাগিচাৰ কেইবাটাও বাসগৃহৰ ক্ষতিসাধন কৰিছিল। হাতীৰ জাকটোৰ তিনিটা হাতীয়ে বাগিচাৰ শ্ৰমিক লাইনটোৰ সমীপৰ এখন সৰু হাবিত আশ্ৰয় লৈ আছিল। আজি সেই তিনিটা হাতীৰে এটাই চুটু ছোৱেনক আক্ৰমণ কৰে। চুটু ছোৱেনৰ মৃত্যুত ভেলাগুৰি চাহ বাগিচাত গভীৰ শোকৰ পৰিৱেশে বিৰাজ কৰিছে।

বন্যহস্তীৰ আক্ৰমণ

আ�ৰক্ষী-আবকাৰীৰ ছত্ৰছায়াত শুৱালকুছি-বংশৰত অবৈধ সু�ৰাৰ বেহা

পদূলিমুখতে সু�ৰাৰ হোম ডেলিভাৰী, ধ্বংসৰ গৰাহত নৱপ্ৰজন্ম, সচেতন ৰাইজৰ প্ৰতিক্ৰিয়া

দৈনিক অসমৰ প্ৰতিনিধি

শুৱালকুছি, ২৪ নৱেম্বৰ ঃ কামৰূপ জিলাৰ বস্ত্ৰ নগৰী শুৱালকুছি আৰু ইয়াৰ দাঁতি-কাষৰীয়া অঞ্চলসমূহত দীৰ্ঘদিন ধৰি অবৈধ বিলাতী সু�ৰাৰ ৰমৰমীয়া ব্যৱসায় চলি থকাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। কামৰূপ আবকাৰী বিভাগ আৰু শুৱালকুছি আৰক্ষীৰ ৰহস্যজনক নিষ্ক্ৰিয়তাৰ সুযোগ লৈ একাংশ অসাধু ব্যৱসায়ীয়ে প্ৰতি মাহে লাখ লাখ টকাৰ অবৈধ সু�ৰাৰ বেহা চলাই গৈছে। অভিযোগ অনুসৰি, শুৱালকুছিৰ লগতে বংশৰ, সানপাৰা, বড়ো চুপা আৰু ৰৰৰদ্দিয়া অঞ্চলত একাংশ সুৰা ব্যৱসায়ীয়ে আবকাৰী বিভাগ আৰু আৰক্ষীৰ একাংশ দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীক মাহেকীয়া কমিছন দি পুৱাৰে পৰা মাজনিশালৈকে এই অবৈধ ঘাটীসমূহ চলাই আছে। আনকি এটা ফোন কৰিলেই গ্ৰাহকৰ ঘৰৰ পদুলিমুখত বা বিচৰা স্থানতে সু�ৰা যোগান ধৰা বুলিও স্থানীয় লোকে জানিবলৈ দিছে। এই অবৈধ সুৰাৰ ঘাটীসমূহত নৱপ্ৰজন্মৰ যুবকৰ পৰা আৰম্ভ কৰি আদহীয়া লোকলৈকে সুৰা ক্ৰয় কৰিবলৈ ভিৰ কৰা পৰিলক্ষিত হয়। বিশেষকৈ শুৱালকুছি-গুৱাহাটী সংযোগী মূল পথৰ কাষতে মটৰচাইকেল, ই-ৰিক্সা আদি ৰখাই সুৰা ক্ৰয় কৰাৰ ফলত উক্ত অঞ্চলসমূহত প্ৰায়েই তীব্ৰ যান-জঁটৰ সৃষ্টি হয়। এই যান-জঁট আৰু সুৰাপায়ীৰ দৌৰাত্ম্যৰ বাবেই ইতিমধ্যে বহুকেইটা পথ দুৰ্ঘটনা সংঘটিত হৈছে, য'ত বহুজন গুৰুতৰভাৱে আহত হোৱাৰ লগতে কেইবাজনো লোকে প্ৰাণ হেৰুৱাবলগীয়া হৈছে। ইফালে, সহজলভ্য বিলাতী সুৰা আৰু নিচাযুক্ত দ্ৰব্যত আসক্ত হৈ অঞ্চলটোৰ যুৱ প্ৰজন্ম তিল তিলকৈ ধ্বংসৰ পিনে গতি কৰিছে। স্থানীয় সচেতন ৰাইজ তথা বিভিন্ন দল-সংগঠনে অভিযোগ কৰা মতে, আবকাৰী বিভাগ আৰু আৰক্ষীৰ বাবে এই অবৈধ ব্যৱসায়ীসকল এতিয়া 'সোণৰ কণী পৰা হাঁহ'ত পৰিণত হৈছে। মাজে সময়ে কেৱল লোকচক্ষুত ধূলি দিবলৈ নামমাত্ৰ অভিযান চলায়েই বিভাগীয় কৰ্তৃপক্ষই দায়িত্ব সামৰে। উঠি ৰজা-বহি ৰজা হোৱা এই অবৈধ সুৰা ব্যৱসায়ীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীক নাকী লগাবলৈ সচেতন মহলে জিলা প্ৰশাসনৰ ওচৰত দাবী জনাইছে।



মানকাচৰত গাঞ্জাসহ এজনক গ্ৰেপ্তাৰ

দৈনিক অসমৰ প্ৰতিনিধি

হাটশিঙিমাৰী, ২৪ নৱেম্বৰ ঃ মানকাচৰত ড্ৰাগছ বিৰোধী অভিযানত কালাপানী আৰক্ষীৰ বৃহৎ সফলতা লাভ কৰিছে। গাঞ্জা খেতি আৰু ব্যৱসায় চলোৱাৰ অভিযোগত এজন লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে ৭ কেজি ৪০০ গ্ৰাম গাঞ্জা জব্দ কৰিবলৈ সক্ষম হয়। মানকাচৰৰ কালাপানী আৰক্ষী চকীৰ অন্তৰ্গত তেলঢালা গাঁৱত সোমবাৰে নিশা কালাপানী আৰক্ষীয়ে গাঞ্জাৰ বিৰুদ্ধে অভিযান চলায়। অঞ্চলটোত গাঞ্জা খেতি কৰাৰ লগতে অবৈধ বেহা চলাই থকাৰ অভিযোগ উত্থাপন হৈছে ধৃত লোকজনৰ বিৰুদ্ধে। ইফালে, গ্ৰেপ্তাৰ হোৱা ছুকুত জামানক আজি ফেকামাৰী জিলা আদালতত হাজিৰ কৰোৱা হয়।

আকাশে-বতাহে ৰৰগীতৰ মূৰ্চ্ছনা, খোল-তাল, দৰা-শংখৰ ঐক্যতান, বাঁহীৰ সুমধুৰ সুৰ

টুনী নৈৰ বুকুত মহাৰাস উপভোগ কৰি মোহাচ্ছন্ন দৰ্শক

দৈনিক অসমৰ প্ৰতিনিধি

মাজুলী, ২৪ নৱেম্বৰ ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কাব্যিক বৰ্ণনাত শাৰদীয় নিৰ্মল আকাশত পূৰ্ণচন্দ্ৰই বাকি দিয়া ৰূপালী জোনাক আৰু ভুবন-মোহনৰ বাঁহীৰ মায়াসনা সুৰে মন-প্ৰাণ হৰি নিয়াৰ এক বিৰল দৃশ্যাংশ আজি প্ৰত্যক্ষ কৰিলে মাজুলীৰ উপৰি ৰাজ্য তথা দেশ-বিদেশৰ হাজাৰ হাজাৰ ৰাসপ্ৰেমীয়ে। মাজুলীৰ টুনী নৈক পুনৰুজ্জীৱিত কৰি ইয়াৰ সম্ভাৱনাময় নদীকেন্দ্ৰিক পৰ্যটনৰ প্ৰসাৰ আৰু দেশ-বিদেশী পৰ্যটকক আকৰ্ষণ কৰাৰ পৰিকল্পনাৰে মাজুলী জিলা প্ৰশাসন তথা স্থানীয় বিধায়কৰ উদ্যোগত আজি সন্ধ্যা টুনী নৈৰ বুকুত অনুষ্ঠিত হয় শ্ৰীকৃষ্ণৰ ৰাসলীলা। মাজুলীৰ মাজে�ৰে প্ৰৱাহিত টুনী নদীক ক্ষণিকৰ বাবে যমুনালৈ সলনি কৰি নদী পৰ্যটনৰ বিকাশ আৰু সম্ভাৱনাক প্ৰকট কৰি তুলিলে জিলা প্ৰশাসনে। টুনী নৈৰ কমলাবাৰী অংশৰ এটি ক্ষুদ্ৰ স্থলত কৃত্ৰিম পোহৰৰ লগতে শাৰদীয় জোনাকৰ সংমিশ্ৰণত ৰাধা-কৃষ্ণ আৰু গোপীৰ নৃত্যৰে মহাৰাস পৰিৱেশন কৰিলে মাজুলীৰ ভিন্ন প্ৰান্তৰ শিল্পী তথা কলা-কুশলীসকলে। টুনী দলং আৰু নদীৰ দুয়োটি পাৰত হাজাৰ হাজাৰ মাটি চাকিৰ পোহৰেৰে পোহৰাই তোলা পৰিৱেশত ৰাধা-কৃষ্ণ, গোপীৰ নৃত্যৰ উপৰি বসুদেৱে শিশু কৃষ্ণক কোলাত লৈ নদীৰ মাজেৰে গমন কৰা দৃশ্যও অতি মনোগ্ৰাহী হৈ পৰে। উক্ত কাৰ্যসূচীয়ে মাজুলীবাসীকে নহয়, দেশ-বিদেশৰো হাজাৰ হাজাৰ দৰ্শকক মোহাচ্ছন্ন কৰিবলৈ সক্ষম হয়। মাজুলীৰ কৃষ্টি-সংস্কৃতি আৰু পৰম্পৰা তথা টুনীৰ নৈসৰ্গিক শোভাক অধিক আকৰ্ষণীয় কৰি নদী পৰ্যটনক বিশ্বৰ দৰবাৰত দাঙি ধৰাৰ মানসেৰে আয়োজন কৰা উক্ত কাৰ্যসূচীয়ে মাজুলীৰ ৰাস মহোৎসৱক এক বিশেষ মাত্ৰা প্ৰদান কৰে। ইয়াৰ পূৰ্বে দিনৰ ২ বজাৰ পৰা টুনীৰ পাৰত দিহানাম পৰিৱেশন, চিত্ৰাংকন আৰু কবিতা পাঠ কাৰ্যসূচী অনুষ্ঠিত হয়। ইফালে, মাজুলীৰ বিধায়ক ভুৱন গামৰ উদ্যোগত আজি বিয়লি টুনী নৈৰ বুকুত নাৱৰ ওপৰত 'চিন্তন বৈঠক' শীৰ্ষক এটি আলোচনা অনুষ্ঠিত হয়। উক্ত বৈঠকত বিধায়ক ভুৱন গামৰ লগতে আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, সত্ৰাধিকাৰ জনার্দন দেৱগোস্বামী, হৰিদেৱ গোস্বামী, পৰমানন্দ দেৱ গোস্বামী, শৰৎ চন্দ্ৰ গোস্বামী, জিলা বিজেপিৰ সভাপতি দীপক গোস্বামী প্ৰমুখ্যে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উক্ত বৈঠকত মাজুলীৰ সামগ্ৰিক উন্নয়ন, পৰ্যটন, যাতায়াত আদি বিভিন্ন দিশত পৰ্যালোচনা কৰে।

১৮৪০ খ্ৰীষ্টাব্দত দক্ষিণপাট সত্ৰই ৰাস পূজাৰ লগত সংগতি ৰাখি পাতনি মেলা ৰাস অভিনয়ৰ ঐতিহাসিক পৰম্পৰা কালক্ৰমত মাজুলীৰ অন্যতম আধ্যাত্মিক উৎসৱ ৰূপে পৰিগণিত হৈ পৰে। শাৰদীয় পূৰ্ণিমাৰ শুভ্ৰ জোনাকত মাজুলীৰ আকাশে-বতাহে নিনাদিত হৈছে শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়াৰ সুললিত ৰৰগীতৰ মূৰ্চ্ছনা, খোল-তাল, দৰা-শংখৰ ঐক্যতান আৰু ভুৱন ভুলোৱা বাঁহীৰ সুমধুৰ সুৰ। ১৮২ বছৰে নিৰবচ্ছিন্নভাৱে সত্ৰখনিয়ে শ্ৰীকৃষ্ণৰ লীলাসমূহৰ অভিনয়ৰ দ্বাৰা দৃষ্টি আকৰ্ষণ কৰি আহিছে। ৰাস-বিধি অনুসৰি শৰতৰ ৰাস পূৰ্ণিমা তিথিৰ আগদিনাৰ পৰা পৰম্পৰাগতভাৱে অধিবাস কাৰ্যসূচীৰে ইতিহাসপ্ৰসিদ্ধ সত্ৰখনত ৰাসোৎসৱৰ পাতনি মেলে। তদনুৰূপে কালি আৰম্ভ কৰা সত্ৰখনৰ ৰাসোৎসৱ আজি দিনৰাসৰ জৰিয়তে সম্পন্ন হয়। আউনীআটী, গড়মূৰ বেঙেনাআটী সত্ৰতো কালি সন্ধিয়াৰ পৰা ৰাস পূজাৰ অন্তত মূল ৰাস আৰম্ভ হয়। আনহাতে দক্ষিণপাট, চামগুৰি, বিহিমপুৰ, ভোগপুৰ, উত্তৰ কমলাবা

মাধমাৰ ঃ ছমাহত দুগুণ বৃদ্ধি সাৰৰ দাম

আজি এই প্ৰতিনিধিয়ে অঞ্চলটোৰ চৰকাৰী পঞ্জীয়নভুক্ত পাঁচখন বীজ ভাণ্ডাৰ পৰিদৰ্শন কৰি বিগত ছমাহৰ ব্যৱধানত ৰাসায়নিক সাৰৰ আকাশলংঘী দামবৃদ্ধিৰ ছবিখনে কৃষকসকলৰ দুৰ্দশা অধিক প্ৰকট কৰি তোলাৰ সম্ভাৱনা প্ৰত্যক্ষ কৰে। এই প্ৰতিনিধিয়ে সৰুপেটাৰ চৰকাৰী পঞ্জীয়নভুক্ত তিনিখন আৰু ভৱানীপুৰৰ নাতিদূৰৈৰ ধূমাৰকুৰ বজাৰৰ দুখনকৈ বীজ ভাণ্ডাৰ পৰিদৰ্শনকালত বীজ ভাণ্ডাৰৰ স্বত্বাধিকাৰীসকলে ৰাসায়নিক সাৰৰ দামবৃদ্ধিৰ বিষয়ে তথ্য দাঙি ধৰে। অঞ্চলটোত কৃষকসকলৰ সৰ্বোচ্চ চাহিদাৰ প্ৰথম স্থানত থকা পৰশ, প্ৰফুল্ল আৰু কাঞ্চন নামৰ ৫০ কেজিকৈ থকা একোটা ৰাসায়নিক সাৰৰ পেকেটৰ দাম ছমাহৰ ব্যৱধানত প্ৰায় দুগুণলৈকে বৃদ্ধি হোৱাৰ কথা চৰকাৰী স্বীকৃতিপ্ৰাপ্ত বীজ ভাণ্ডাৰৰ স্বত্বাধিকাৰীসকলে জানিবলৈ দিয়ে। সেই অনুসৰি ছমাহ আগেয়ে ৬৫০-৭০০ টকা মূল্যৰ প্ৰতি ৫০ কেজি পেকেটৰ ছুপাৰ সাৰৰ দাম ছমাহৰ ব্যৱধানত ১,১০০-১,১৫০ টকা, ৫০০ টকা মূল্যৰ ৫০ কেজিৰ প্ৰফুল্ল নামৰ ছুপাৰ সাৰবিধৰ একোটা পেকেটৰ দাম বৰ্তমান ৯০০ টকা আৰু কাঞ্চন নামৰ ছুপাৰ সাৰবিধৰ দাম পূৰ্বৰ ৫৫০-৬০০ টকাৰ ঠাইত প্ৰতিটো পেকেটত ১,১০০-১,১৫০ টকা পৰ্যন্ত বৃদ্ধিৰ তথ্য লাভ কৰা গৈছে। আনহাতে, ৫০ কেজিকৈ থকা ডি এ পি সাৰৰ একোটা পেকেটত পূৰ্বৰ ১,৪০০-১,৫০০ টকাৰ ঠাইত ১,৯০০-২,০০০ টকা পৰ্যন্ত বৃদ্ধিৰ তথ্য লাভ কৰা গৈছে। তদুপৰি কৃষকৰ বাবে প্ৰয়োজনীয় পটাছ সাৰবিধৰ দাম ছমাহ আগেয়ে থকা ৩০ টকাৰ ঠাইত ৫০ টকা পৰ্যন্ত বৃদ্ধিৰ তথ্য পোৱা গৈছে। অৱশ্যে ইয়াৰ মাজতে ৰাজসাহায্যযুক্ত ইউৰিয়া সাৰৰ লগতে ব'ৰাক্স সাৰবিধৰ দাম মোটামুটি স্থিৰে থকাৰ কথাও প্ৰকাশ কৰিছে বীজ ভাণ্ডাৰসমূহৰ স্বত্বাধিকাৰীসকলে। উল্লেখ্য যে শালিধানৰ খেতি উঠোৱাৰ পাছতে অঞ্চলটোৰ কৃষক ৰাইজে ৰবি শস্যৰ অন্তৰ্গত মাহজাতীয় শস্যসমূহৰ ভিতৰত ঘাইকৈ সৰিয়হ খেতিৰ জৰিয়তে শালিধানৰ খেতিৰ লোকচান পুৰোৱাৰ চেষ্টা কৰি আহিছে যদিও এইবেলি ছমাহৰ ব্যৱধানত ৰাসায়নিক সাৰৰ আকাশলংঘী দামবৃদ্ধিয়ে অঞ্চলটোৰ আৰ্থিকভাৱে অনগ্ৰসৰ কৃষক ৰাইজলৈ ভয়ংকৰ বিপৰ্যয় কঢ়িয়াই অনাটো নিশ্চিত হৈ পৰিছে। আনহাতে, অঞ্চলটোত দীৰ্ঘদিন কৃষিকাৰ্যৰে জড়িত কেইবাগৰাকীও কৃষকে যোৱাবাৰ এবিঘা মাটিত সৰিয়হ উৎপাদন ব্যয় গড়ে ৬,০০০ টকাকৈ হোৱাৰ কথা জানিবলৈ দি এইবেলি তেনে উৎপাদন ব্যয় ১০,০০০ টকালৈকে বৃদ্ধি হোৱাৰ সম্ভাৱনা ব্যক্ত কৰিছে। তদুপৰি শালিধানৰ খেতিত বিপৰ্যস্ত অঞ্চলটোৰ বৃহৎসংখ্যক কৃষক ৰাইজে বিভিন্ন কাৰণত ফচল বীমা যোজনা আঁচনিখনৰ সুবিধা লাভৰ পৰাও বঞ্চিত হৈ থকাৰ কথাও জানিব পৰা গৈছে। ফলত কৃষকসকলৰ অৱস্থা দিনক দিনে অধিক বেয়ালৈ গতি কৰি থকাৰ লগতে এনেবোৰ কাৰণতে কৃষকসকলে কৃষিকাৰ্য এৰিবলগীয়া হোৱাৰ বিষয়ে জানিব পৰা গৈছে। আনহাতে, বিষয়টোত অসম ৰাজ্যিক কৃষক সভাৰ সভাপতি টিকেন দাসে মত প্ৰকাশ কৰি কয় যে কৃষকসকলৰ কৃষিকাৰ্যৰ বাবে প্ৰয়োজনীয় ৰাসায়নিক সাৰ, বীজ, কীটনাশককে ধৰি অন্যান্য আনুষংগিক সামগ্ৰীৰ দামৰ উচ্চহাৰত দামবৃদ্ধিৰ সময়ত আধিয়াৰ নতুবা ঠিকাভিত্তিত কৃষিকাৰ্য কৰি অহা সাধাৰণ শ্ৰেণীৰ কৃষকসকলৰ অধিকাংশৰেই নিজৰ নামত মাটি নথকাত চৰকাৰী নীতি অনুযায়ী চৰকাৰী 'পি এম কিষাণ যোজনা আঁচনি'খনৰ অধীনত নিজৰ নাম পঞ্জীয়নভুক্ত কৰিবলৈ সুবিধা নোপোৱাত চৰকাৰী কৃষিৰে জড়িত চৰকাৰী সা-সুবিধাসমূহৰ পৰা বঞ্চিত হৈ অহাটো চৰম বৈষম্যমূলক বুলি মন্তব্য কৰে। আনহাতে, চৰকাৰী বিধি অনুসৰি কৃষি উপযোগী আৰু চৰকাৰী নথিত ম্যাদীভুক্ত কৃষিভূমিৰ গৰাকীসকলেহে আঁচনিখনৰ সুবিধা লাভৰ বাবে যোগ্য বিবেচিত হ'ব বুলি চৰ্ত আৰোপ কৰাত এইসকল কৃষক সমূলি আঁচনিখনৰ সুবিধা লাভৰ পৰা বঞ্চিত হ'বলগীয়াত পৰিছে বুলিও তেওঁ মন্তব্য কৰে। তদুপৰি আধিয়াৰ অথবা ঠিকাভিত্তিত আনৰ মাটিত কৃষিকাৰ্য কৰি অহা কৃষকসকলে প্ৰকৃত মাটিৰ গৰাকীসকলৰ পঞ্জীয়ন নম্বৰত কৃষিৰ সুবিধা লাভৰ বাবে দিয়া পৰামৰ্শকো 'কাৰিকৰী' কাৰণত পোনছাটেই নাকচ কৰে ৰাজ্যিক কৃষক সভাৰ সভাপতিগৰাকীয়ে। কৃষক সভাৰ সভাপতিগৰাকীয়ে কোনো ধৰণৰ বৈষম্য অবিহনে কৃষিকাৰ্যত নিয়োজিত সৰ্বস্তৰৰ কৃষক ৰাইজক চৰকাৰৰ এনে সুবিধা লাভৰ ব্যৱস্থা কৰিবলৈ চৰকাৰলৈ আহ্বান জনাইছে।

ৰূপহীহাটত গৰু চুৰিত ব্যৱহৃত বাহন জব্দ

পৰৱৰ্তী সময়ত আৰক্ষীয়ে বাহনখন জব্দ কৰে। উল্লেখ্য যে নিশাৰ ভাগত বিলাসী বাহনেৰে গৰু চুৰ কৰি সৰবৰাহ কৰা চক্ৰটোৰ সৈতে কোন কোন জড়িত হৈ আছে, সেয়া আৰক্ষীৰ তদন্ততহে পোহৰলৈ আহিব। ঘটনা সন্দৰ্ভত আৰক্ষীৰ তদন্ত অব্যাহত আছে।

কথমপি প্ৰাণৰক্ষা পৰিল মহিলাসহ বাইক

ফ'ৰলেনযুক্ত ৫১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত বন্যহস্তীৰ আগভেটাৰ সন্মুখীন হৈ কথমপি বিপদৰ পৰা ৰক্ষা পৰে এগৰাকী মহিলাসহ এজন বাইক আৰোহী। হঠাৎ পথৰ ওপৰত বন্যহস্তীৰ উপস্থিতিয়ে বাইক আৰোহীসকলক আতংকিত কৰি তোলে। ফলত উক্ত পথছোৱাত যাতায়াত কৰা লোকসকলৰ মাজত নিৰাপত্তাক লৈ উদ্বেগৰ সৃষ্টি হৈছে। উল্লেখ্য যে পৰা বনাঞ্চলৰ দাঁতিকাষৰীয়া অঞ্চলটোত প্ৰায়ে বন্যহস্তীৰ বিচৰণ পৰিলক্ষিত হয়। খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা ওলাই অহা বন্যহস্তীয়ে ৰাষ্ট্ৰীয় ঘাইপথ পাৰাপাৰ হোৱাৰ সময়ত যান-বাহনৰ চলাচলৰ ক্ষেত্ৰত বিপদৰ আশংকা দিনকদিনে বৃদ্ধি পাইছে। বিশেষকৈ নিশা আৰু পুৱাৰ ভাগত এই পথছোৱাৰে অহা-যোৱা কৰা দুচকীয়া বাহনৰ আৰোহীসকল অধিক সতৰ্ক হোৱাৰ প্ৰয়োজনীয়তা দেখা দিছে। ইপিনে, ফ'ৰলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথটোৰ মাজত স্থাপন কৰা ডিভাইডাৰৰ বেৰিকেডে বন্যহস্তীৰ স্বাভাৱিক অহা-যোৱাত বাধাৰ সৃষ্টি কৰাৰ আশংকা প্ৰকাশ কৰিছে মিচিং জনগোষ্ঠীৰ ছাত্ৰ সংগঠন টি এম পি কেই। বন্যহস্তীৰ নিৰাপদ চলাচলৰ সুবিধাৰ্থে পথটোৰ ডিভাইডাৰত থকা বেৰিকেড আঁতৰোৱাৰ দাবী জনাইছে সংগঠনটোৱে।

মৰঙিত অব্যাহত বন্যহস্তীৰ সন্ত্ৰাস ঃ বনৰীয়া হাতীৰ আক্ৰমণত গৃহহীন গঞা

মৰঙিৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ আনহতে, গোলাঘাট জিলাৰ খুমটাই বিধানসভা সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ মৰঙি মৌজাত অব্যাহত আছে বনৰীয়া হাতীৰ উপদ্ৰৱ। বনৰীয়া হাতীৰ এটা জাকে সোমবাৰে দুৰ্লভ গঁগে নামৰ লোকজনৰ বাসগৃহত আক্ৰমণ চলাই ঘৰটো ভাঙি-ছিঙি সম্পূৰ্ণৰূপে লণ্ডভণ্ড কৰে। হাতীৰ জাকটোৱে ঘৰৰ বিভিন্ন সামগ্ৰীও ভাঙি বিস্তৰ ক্ষতিসাধন কৰে।

ডিগবৈত উদ্ধাৰ পশ্চিমবংগৰ নিৰুদ্দিষ্ট যুৱক

উপৰ শংকৰা গাঁৱৰ মাধৱ বাগতিৰ পুত্ৰ আশিস বাগতি (৩২) নামৰ যুৱকজন সন্ধানহীন হৈ আছিল। বিগত কিছু বছৰ ধৰি যুৱকজনে ডিগবৈ তথা আশে-পাশে অনাই-বনাই ঘুৰি-ফুৰা পৰিলক্ষিত হৈছিল। ডিগবৈ চাৰিআলি বজাৰৰ পিংকু দেৱনাথে যুৱকজনৰ সৈতে দীঘলীয়া কথা পাতি আশিস বাগতিৰ ঠিকনা সন্দৰ্ভত সোধা-পোছা কৰাত আশিসে তেওঁ বসবাস কৰা অঞ্চলটোৰ নাম উল্লেখ কৰে। পৰৱৰ্তী সময়ত পিংকু দেৱনাথে পশ্চিমবংগৰ পুৰুলীয়া জিলাৰ ৰঘুনাথপুৰ থানাৰ সৈতে যোগাযোগ কৰি যুৱকজনৰ বিষয়ে অৱগত কৰাত সেই অঞ্চলৰ আৰক্ষীয়ে তেওঁৰ পৰিয়ালৰ সৈতে তাৎক্ষণিকভাৱে যোগাযোগ কৰে। পৰৱৰ্তী সময়ত ডিগবৈ আৰক্ষীৰ জৰিয়তে পুৰুলীয়া জিলাৰ আৰক্ষীৰ সৈতে যোগাযোগ কৰি আশিসৰ পৰিয়ালবৰ্গই তেওঁলোকৰ সন্ধানহীন পুত্ৰৰ সন্ধেদ সন্দৰ্ভত নিশ্চিত হয়। আজি ডিগবৈ চাৰিআলি বজাৰৰ পিংকু দেৱনাথ, ৰাজু দেৱনাথ আৰু ভি ডি পিৰ সদস্য ৰিয়াজ উদ্দিনৰ সহযোগত পশ্চিমবংগ আৰক্ষীৰ সৈতে আশিসৰ পিতৃ তথা পৰিয়ালৰ লোকৰ উপস্থিতিত ডিগবৈ আৰক্ষীয়ে সম্পূৰ্ণ সুস্থ অৱস্থাত আশিসক পিতৃৰ হাতত অৰ্পণ কৰে। প্ৰায় ছবছৰ বিচ্ছেদৰ অন্তত নিজ পুত্ৰৰ সৈতে পুনৰ্মিলন হোৱাত পিতৃ উৎফুল্ল হৈ পৰাৰ লগতে সকলোকে ধন্যবাদ জনায়। ডিগবৈ থানাৰ অ' চি প্ৰাঞ্জল চেতিয়াই যাৱতীয় নথিপত্ৰ প্ৰদান কৰি আশিস বাগতিক বিদায় দিয়ে।

আমি দৈনিক ৩০ মিনিট সময় কিতাপৰ

কথাষাৰত আমি বিশেষ গুৰুত্ব আৰোপ কৰিব লাগিব।'— এই মন্তব্য ডঃ মৃণাল কলিতাৰ। পাঠশালা প্ৰেছ ক্লাবৰ ৩৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি আয়োজন কৰা 'পুথি অধ্যয়নৰ প্ৰয়োজনীয়তা' শীৰ্ষক বক্তৃতা প্ৰদান কৰি সাহিত্য অকাডেমি বঁটাপ্ৰাপক বিশিষ্ট সাহিত্যিক তথা অধ্যাপক ডঃ মৃণাল কলিতাই কয় যে আজি-কালিৰ ব্যস্ততাৰে ভৰা জীৱনত কিতাপ পঢ়িবৰ কাৰণে আমি সময় নাই বুলি কৈ থাকোঁ। কিন্তু, আমি যদি এটা হিচাপ কৰি চাওঁ, আমি যদি দিনত ৩০ মিনিট সময়ো কিতাপৰ নামত দিওঁ, এটা পৃষ্ঠা পঢ়িবৰ কাৰণে ৩ মিনিট সময় লাগে, সেই হিচাপত ৩০ মিনিটত আমি ১০ পৃষ্ঠা পঢ়িব পাৰোঁ। গতিকে এই হিচাপত আমি ২০ খন কিতাপ প্ৰতি বছৰে আৰামত পঢ়ি দিব পাৰোঁ। এতিয়া আমি জাতিৰ কথা কওঁ, ভাষাৰ কথা কওঁ। আমি যে ফেচবুকত লিখি থাকোঁ জাতিটো অমুক বিপদ, তমুক বিপদ, ভাষাটো এনেকুৱা হৈছে, কিন্তু আমি নিজে কি কৰিছোঁ? আমাৰ দায়িত্ব নাই নেকি? আমাৰ কথাটো ফেচবুকত লিখাটোৰেই আমাৰ সীমাবদ্ধতা নেকি? ভাষণতে আমাৰ কথাবিলাক সীমাবদ্ধ নেকি? ম'বাইল ৰিচাৰ্জ কৰিবৰ কাৰণে আমি মাহত ৩০০-৪০০ টকা খৰচ কৰিব পাৰোঁ। কিন্তু, কিতাপ কিনিবলৈ, বাতৰি কাকতখন কিনিবলৈ আমাৰ টকা নোজোৰে। ডঃ কলিতাই বিভিন্ন কালজয়ী গ্ৰন্থৰ উদাহৰণ দাঙি ধৰি গ্ৰন্থ অধ্যয়নৰ গুৰুত্ব সন্দৰ্ভত এক মননশীল বক্তব্য প্ৰদান কৰে। পাঠশালা প্ৰেছ ক্লাবৰ সভাপতি কল্যাণ কলিতাই আদৰণী ভাষণ প্ৰদান কৰা বক্তৃতানুষ্ঠানটো উদ্বোধন কৰে অসম বিধানসভাৰ অধ্যক্ষ ৰঞ্জিৎ কুমাৰ দাসে। পাঠশালা প্ৰেছ ক্লাবৰ উপদেষ্টা পুলু কুমাৰ শৰ্মাৰ সভাপতিত্বত সম্পাদক অখিল কাকতিয়ে আঁত ধৰা অনুষ্ঠানটোত ভাষণ প্ৰদান কৰে বজালী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ ৰয়ে। বজালী জিলাৰ জ্যেষ্ঠ আৱক্ষী অধীক্ষক পংকজ যাদৱ, অসম বাৰ্তাজীৱী সংঘৰ সাধাৰণ সম্পাদক অঞ্জন কুমাৰ শৰ্মায়ো ভাষণ প্ৰদান কৰা অনুষ্ঠানটোৰ আৱম্ভণিতে বন্তি প্ৰজ্বলন কৰি লাচিত বৰফুকন, সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা আৰু 'অমৃত কণ্ঠ' জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে অসম সৌৱভ কৃষ্ণ ৰয়ে। ইয়াৰ পূৰ্বে পতাকা উত্তোলন কৰে পাঠশালা প্ৰেছ ক্লাবৰ সভাপতি কল্যাণ কলিতাই। গছপুলি ৰোপণ কৰে জ্যেষ্ঠ সাংবাদিক ক্ৰমে কৈলাস চৌধুৰী, হিৰেন কলিতা আৰু ৰঞ্জিৎ দাসে। বিশিষ্ট শিক্ষাবিদ ডঃ ৰঞ্জিৎ ডেকা, অসম বাৰ্তাজীৱী সংঘৰ উপদেষ্টা মুকুটৰাজ শৰ্মা সমন্বিতে বহু বিশিষ্ট লোক উপস্থিত থকা অনুষ্ঠানত জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰে কণ্ঠশিল্পী বাৰী কলিতাই। আনহাতে, প্ৰতিষ্ঠা দিৱসৰ ক্ষণত বজালী অঞ্চলৰ কেইবাগৰাকী প্ৰাক্তন সাংবাদিক তথা বজালীৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ৱবীয়াসকলক পাঠশালা প্ৰেছ ক্লাবৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়।

প্ৰাক্তন সেনা জোৱান দিগন্ত লইঙৰ মৃত্যু

যোৰহাটৰ সামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল। যোৱা ২২ নৱেম্বৰত নিশা ১১ বজাত চিকিৎসকে লইঙক মৃত ঘোষণা কৰে। তেওঁৰ মৃত্যুত সমগ্ৰ মহুৱামুখ অঞ্চলৰ লোক শোকত ম্ৰিয়মাণ হৈ পৰিছে। প্ৰাক্তন সেনা জোৱানজনৰ মৃত্যুত জনকল্যাণ প্ৰাথমিক শাখা, ক'লীয়া কৃষ্ণ প্ৰাথমিক শাখা, কেৱলীয়া নাম, নামটেমেৰাৰ যুৱ মঞ্চ, জ্যোতি ক্লাব, অংকু ক্লাব, নামটেমেৰা ৰাস উদ্‌যাপন সমিতিয়ে শোক প্ৰকাশ কৰিছে। ৰাস উদ্‌যাপনৰ ঠাইত প্ৰয়াত জোৱানজনৰ বাবে মৌন প্ৰাৰ্থনা জনোৱা হয়। সেনা জোৱানজনে ইহসংসাৰত পত্নী, দুগৰাকী কন্যা সন্তানৰ সৈতে যৌথ পৰিয়ালক এৰি যায়।

বৰভাগত মহোহো উৎসৱ

সংস্কৃতিৰ বিষয়ে উত্তৰসুৰী ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জ্ঞানৰ প্ৰচাৰ তথা কৃষ্টি বিজড়িত মহীয়ান সংস্কৃতি যুৱ প্ৰজন্মৰ মাজত আদৰ্শেৰে জীয়াই ৰখাৰ লগতে কিতাপৰ শিক্ষাত মগন নাৰাখি, ব্যৱহাৰিক জ্ঞানসমৃদ্ধ শিক্ষা ব্যৱস্থাৰে নতুন প্ৰজন্মৰ মাজত এনে শিক্ষা উপভোগ্য কৰি তুলিবৰ বাবে ই এক প্ৰচেষ্টা বুলি একাডেমীৰ পৰিচালক বুবুল কলিতাই কয়। আৰম্ভণিতে একাডেমীৰ ছাত্ৰ-ছাত্ৰীসকলে মহ খেদা গীত পৰিৱেশন কৰে। অভিভাৱক-অভিভাৰিকাসকলে একাডেমীৰ এই প্ৰচেষ্টাৰ শলাগ লয়। তদুপৰি নামনি অসমৰ এই লোক-উৎসৱটি যাতে লুপ্ত নহয়, তাৰ বাবে সকলোৱে উচিত পদক্ষেপ ল'ব লাগে বুলি অভিভাৱকৰ মত। নতুন প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলক মহোহো উৎসৱটিৰ প্ৰতি আকৰ্ষণ হ'বৰ বাবে আহ্বান জনায়। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিয়ে বিদ্যালয়ৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানৰ আঁত ধৰে বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ নগেন্দ্ৰ কলিতাই।

চৰাইদেউ জিলা ভিত্তিত

প্ৰাইজমানি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ নিয়মাৱলী অনুসৰি, এটা দলত দুগৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগিতা ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ মুকলি থাকিব। প্ৰতিযোগিতাত ক্ৰছ টীময়েও অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগিতাৰ প্ৰশ্নসমূহ ৪০ শতাংশ অসম বুৰঞ্জী আৰু ৬০ শতাংশ সাধাৰণ জ্ঞান বিষয়ক হ'ব। প্ৰতিযোগিতাত যোগদান বিনামূলীয়া। কুইজ প্ৰতিযোগিতাখন পৰিচালনা কৰিব পেছাদাৰী কুইজ গ্ৰুপ 'ক্লিক অন কুইজ'ৰ হৈ জনপ্ৰিয় কুইজ মাষ্টাৰ নৱজ্যোতি ভৰালীয়ে আৰু কাৰিকৰী দিশটো পৰিচালনা কৰিব ৰবিজিত বৰুৱাই। প্ৰতিযোগিতাত আগতীয়াকৈ যোগাযোগ কৰিবলৈ ৮৪৫৩৫০৯৬৯৪ নম্বৰত যোগাযোগ কৰিব পাৰিব।

সম্প্ৰীতি-সমন্বয়ৰ বাৰ্তাৰে ৰাজ্যজুৰি আৰম্ভ ৰাসোৎসৱ

উত্তোলন কৰে। একে সময়তে পাৰ্শ্ববৰ্তী গাঁওসমূহৰ লগতে হাউলী নগৰতো পতাকা উত্তোলন কৰা হয়। ইয়াৰ পাছতে অনুষ্ঠিত হয় স্মৃতি তৰ্পণ কাৰ্যসূচী। উক্ত কাৰ্যসূচীত তৰ্পক হিচাপে অংশগ্ৰহণ কৰে উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি তৰণী কুমাৰ পাঠকে। আনহাতে, শ্বহীদ তৰ্পণৰ মুখ্য তৰ্পক হিচাপে উপস্থিত থাকে অসম উন্নতি সভাৰ সম্পাদক দীপক ঠাকুৰীয়া। পুৱা ১০ বজাত ভাৰত ৰত্ন ডঃ ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে ৯৯ সংখ্যক হাউলী ৰাস মহোৎসৱ উদ্‌যাপন সমিতিৰ উপদেষ্টা খনীন্দ্ৰ কুমাৰ ৰায়নে। তাৰ পাছতে মহাপ্ৰভু শ্ৰীকৃষ্ণৰ স্তুতিমূলক প্ৰায় এক কিলোমিটাৰজোৰা 'অমৃত যাত্ৰা'ই হাউলী নগৰ পৰিভ্ৰমণ কৰে। সন্ধিয়া মাংগলিক উপ-সমিতিৰ সভাপতি প্ৰভাত নাথে বন্তি প্ৰজ্বলন কৰাৰ পাছত সন্ধিয়া ৫ বজাৰ পৰা অপূৰ্ব শৰ্মা আৰু হাউলী ৰাস মন্দিৰৰ পূজাৰী ভগৱান চন্দ্ৰ গোস্বামীৰ মন্ত্ৰোচ্চাৰণেৰে পূজা-অৰ্চনা আৰম্ভ হোৱাৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

কমলপুৰৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ আনহাতে আজি কামৰূপ জিলাৰ পুঠিমাৰীত ৪৪সংখ্যক ৰাসোৎসৱ উদ্বোধন কৰে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই। ভাষণ প্ৰসংগত ৰাজ্যপালগৰাকীয়ে শ্ৰীকৃষ্ণৰ কলা-সংস্কৃতি অসমৰ প্ৰতিটো স্থানতে বিদ্যমান বুলি উল্লেখ কৰে। মুখ্য সভাপতি তথা স্থানীয় বিধায়ক ভৰেশ কলিতাই ৰাজ্যপালগৰাকীক ফুলাম গামোচা, পাতৰ চেলেং, জাপি, পিতলৰ শৰাই, গঁড় প্ৰতীকেৰে সম্বৰ্দ্ধনা জনায়। সভাত হৰিমন্দিৰ সমিতিৰ সভাপতি হেমন্ত কলিতা, উদ্‌যাপন কমিটীৰ সভাপতি খৰ্গেশ্বৰ কলিতা আৰু পুঠিমাৰী বাৰোৱাৰী পূজা সমিতিৰ সভাপতি চৰিত্ৰ কলিতা উপস্থিত থাকে।

৫১ সংখ্যক পাঠশালা ৰাস মহোৎসৱৰ উদ্বোধন ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ

বজালীৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ নামনি অসমৰ অন্যতম পাঠশালাৰ ঐতিহ্যমণ্ডিত ৫১ সংখ্যক ৰাস মহোৎসৱৰ আজি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই। ঢোল-খোলেৰে আদৰি অনা ৰাজ্যপালগৰাকীয়ে অসমীয়াতে ভাষণ আৰম্ভ কৰি সমূহ অসমবাসীলৈ ৰাস মহোৎসৱৰ শুভেচ্ছা জ্ঞাপন কৰে। ব্যক্তিত্ব প্ৰেম, ভক্তি, সমন্বয়ৰ এক অনন্য উৎসৱ ভগৱান শ্ৰীকৃষ্ণৰ এই ৰাসলীলাতে জীৱন-দৰ্শন নিহিত হৈ আছে বুলি ৰাজ্যপালগৰাকীয়ে আত্মাৰ লগত পৰমাত্মাৰ মিলনকে জীৱনৰ মূল উদ্দেশ্য আৰু মনুষ্য জীৱনত ইয়াক পোৱাটো অতিকৈ কঠিন বুলি উল্লেখ কৰি যাৰ ওপৰত ঈশ্বৰৰ কৃপা আছে, তেওঁহে ধৰ্মীয় দিশত আগবাঢ়ি যাব পাৰে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৰে মাজত মিলন, সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ বাৰ্তা কঢ়িয়াই অনা এই মহোৎসৱে নতুন প্ৰজন্মৰ মাজত অসমৰ সাংস্কৃতিক ঐতিহ্যৰ পৰিচয় দাঙি ধৰাতো বিশেষ ভূমিকা পালন কৰাৰ লগতে ভগৱান শ্ৰীকৃষ্ণৰ লীলা-মাহাত্ম্যৰ আধাৰত উদ্‌যাপিত এই মহোৎসৱৰ জৰিয়তে ভক্তি, আধ্যাত্মিকতা, শিল্প-সৌন্দৰ্য আৰু সাংস্কৃতিক সমন্বয়ে ভক্তিপ্ৰাণ ৰাইজৰ মাজত এক অনন্য মিলনভূমিত পৰিণত কৰিব বুলি ভাষণ প্ৰসংগত ৰাজ্যপালগৰাকীয়ে মন্তব্য কৰে। শিক্ষক ধ্ৰুৱজিৎ অধিকাৰী, শিক্ষয়িত্ৰী সাগৰিকা গোস্বামীয়ে আঁত ধৰা আৰু উদ্‌যাপন সমিতিৰ সভাপতি গিৰিধৰ চৌধুৰীয়ে আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানত 'কৃষ্ণ সংস্কৃতি' সন্দৰ্ভত আধ্যাত্মিক ভাষণ প্ৰদান কৰে ভাগৱত ব্যাখ্যাকাৰক জগত বণিয়াই। অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ ৰঞ্জিৎ কুমাৰ দাস, বজালী বিধানসভা সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ ৰয়, কাৰ্যকৰী সভাপতি প্ৰদীপ কুমাৰ ডেকা, পাঠশালা বজাৰ সমিতিৰ সভাপতি গিৰীশ পাটগিৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাৰ শেষত শলাগ জ্ঞাপন কৰে যুটীয়া সম্পাদক সঞ্জীৰ শৰ্মাই। ইয়াৰ পাছতে বাৰেৱহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে ৰাস মহোৎসৱৰ কাৰ্যকৰী সভাপতি প্ৰদীপ কুমাৰ ডেকাই। উল্লেখ্য যে ৰাস মহোৎসৱ উপলক্ষে সমগ্ৰ পাঠশালা নগৰখনত এক উখল-মাখল পৰিৱেশৰ লগতে এক আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি হয়। আনহাতে, আজিৰে পৰা ১৭দিনীয়াকৈ অনুষ্ঠিত হ'ব পাঠশালাৰ ৰাস মহোৎসৱ।

আধ্যাত্মিক পৰিৱেশত নলবাৰীৰ হৰি মন্দিৰৰ তেৰদিনীয়া ৰাস আৰম্ভ

নলবাৰীৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ আজিৰে পৰা এক আধ্যাত্মিক পৰিৱেশত নলবাৰী চহৰৰ শ্ৰীশ্ৰীহৰি মন্দিৰ প্ৰাংগনত ৯৩ সংখ্যক ৰাস মহোৎসৱ আৰম্ভ হৈছে। আজি সন্ধিয়া বিশিষ্ট নৃত্যশিল্পী, 'পদ্মভূষণ' যতীন গোস্বামীয়ে ৰাস মহোৎসৱৰ মূলদ্বাৰ উদ্‌ঘাটন কৰাৰ পাছতে নলবাৰীৰ শ্ৰীশ্ৰীহৰি মন্দিৰৰ তেৰদিনীয়া ৰাস মহোৎসৱ ভক্ত, দৰ্শনাৰ্থীৰ বাবে মুকলি হৈ পৰে। মূলদ্বাৰ উদ্বোধনৰ পাছতে হাজাৰ হাজাৰ ভক্ত-দৰ্শনাৰ্থীয়ে হৰি মন্দিৰ প্ৰাংগনত ভিৰ কৰা পৰিলক্ষিত হয়। নলবাৰীৰ ৰাস উদ্‌যাপন সমিতিৰ সভাপতি জয়ন্তমল্ল বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত সাংসদ দিলীপ শইকীয়া অতিথি হিচাপে উপস্থিত থাকে। ৰাস মহোৎসৱ উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়াই। ৰাস মহোৎসৱ উদ্বোধনৰ পূৰ্বে উদ্বোধক তথা আন অতিথিসকলক এখন বিশেষভাৱে সজ্জিত বাহনেৰে নলবাৰী মহাবিদ্যালয় খেলপথাৰৰ পৰা এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাৰে আদৰি অনা হয়। সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে নলবাৰী জিলাৰ আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে। ইফালে, ৰাস মহোৎসৱক লৈ সন্ধিয়াৱে পৰা নলবাৰী চহৰত এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। চহৰখনৰ বিভিন্ন পথত স্থাপন কৰা বং-বিৰঙৰ বৈদ্যুতিক তোৰণসমূহে চহৰখন আলোকিত কৰি তুলিছে। এইবাৰ নলবাৰীৰ ৰাস মহো





সোণালী আঘোণ

চহাৰ সপোন সোণালী আঘোণ
মনত দিয়ে জুৰণি
জহা ৰঙা শালি নাচে হালিজালি
পথাৰ হয় শুৱনি।

মুঠি মুঠি কৰি ভাগৰ পাহৰি
দাৱনীয়ে ধান দাই
সৰু সৰু আলি ধান ফালি ফালি
উৰে বিবিধ চৰাই।

পুৱাৰে পৰাই দেউতা খুৰাই
কঢ়িয়াব গুটিধান
মাজ-পথাৰত ককাৰ লগত
দি আহিম জলপান।

ভৰ দুপৰীয়া ৰ'দ চৌফলীয়া
ৰবাব চকলা খাম
লেছেৰি বুটলি কৰিম ধেমালি
নৰা পেঁপা ঐ বজাম।

■ **অৰুণ গগৈ**
ফোন ঃ ৯৭০৭৩৯০৫৪০

মাতৃস্নেহ



মাকৰ নিথৰ দেহটোৰ কাষত বহি কণমানিজনীয়ে উচুপি আছে। চাৰিওফালে মানুহৰ ভিৰ। সকলোৱে বুজাইছে, কিন্তু তাই মাকৰ কাষ এৰি যাবলৈ মান্তি নহয়। বাৰে বাৰে মাকৰ মুখখন চুই চায়, ৰ লাগি চাই ৰয় নিথৰ দেহটোলৈ। যেন মাক এতিয়াই সাৰ পাই উঠিব, তাইক কোলাত তুলি লব। কণমানিজনীৰ নাম পৰী। বয়স মাথোঁ দহ বছৰ। তাই তিনি-চাৰি বছৰীয়া হওঁতেই মাক কিড্‌নী ৰোগত আক্ৰান্ত হৈছিল। মাকৰ বুকুৰ উম ভালকৈ পোৱাই নহ'ল। ৰুগীয়া মাকৰ চিকিৎসাৰ বাবে বহু টকাৰ প্ৰয়োজন হৈছিল। ঔষধৰ বাবদেই মাহে মাহে অজস্ৰ টকা খৰচ হৈছিল। এই কথাবোৰে কণমানিজনীৰ মনত গভীৰ সাঁচ বহুৱাইছিল। পখিলা খেদি ফুৰাৰ বয়সতেই পৰিস্থিতিয়ে তাইক পৈণত কৰি তুলিছিল। তেতিয়াৰ পৰাই তাই সপোন দেখিছিল— ডাক্তৰ হ'ব, ডাঙৰ মানুহ হ'ব। মাকৰ বেমাৰ ভাল কৰিব, দুখীয়া মানুহক চিকিৎসা কৰিব। কুমলীয়া মনটোত দোলা দি থকা কথাবোৰক তাই কবিতাৰ ৰূপ দিছিল। কিজানি সপোনবোৰ সাকাৰ কৰাৰ সংকল্পতে। সময় বাগৰাৰ লগে লগে মাকৰ অসুখ আগতকৈ বাঢ়ি আহিল। মাকক লৈ তাইৰ বহু চিন্তা আছিল। মাক ডাক্তৰৰ ওচৰলৈ গ'লে ঘৰলৈ ঘূৰি নহালৈকে তাই চিন্তাত ডুবি থাকিছিল। মৰমবোৰো যেন দিনে দিনে গভীৰ হৈ গৈছিল। কিন্তু সকলো চেষ্টা, সকলো প্ৰাৰ্থনা বিফল হ'ল। নিয়তিৰ ওচৰত হাৰ মানি কণমানিজনীৰ বুকু উদং কৰি মাক গুচি গ'ল তৰাৰ দেশলৈ। সেইদিনা তাইৰ চকুৰ আগতেই নভৱা কথাবোৰ ঘটি গ'ল। সেয়েহে মাকৰ নিথৰ দেহটোৰ কাষতে বহি তাই উচুপি কান্দিছিল। সেই ৰাতি তাই শুব পৰা নাছিল। কথাবোৰ বিশ্বাস কৰিব পৰা বিধৰ একেবাৰেই নাছিল। ইমানবোৰ ডাক্তৰ, ইমানবোৰ ঔষধ খাই থকাৰ পাছতো...? কথাবোৰ যেন ক'ৰবাত আউল লগা দি লাগিছিল। কথাবোৰ ভাবি ভাবিয়েই তাই শুই পৰিছিল। পুৱা শুই উঠি পুনৰ মাকৰ নিথৰ দেহটো দেখি তাইৰ মনটো বিদ্ৰোহী হৈ উঠিল। মাকৰ যিমানবোৰ ঔষধ আছিল সকলোবোৰ তাই মাটিত দলিয়াই দিলে। উচুপি উঠিল। সেই সময়খিনি বৰ হৃদয়স্পৰ্শী আছিল। আজিও তাই কেতিয়াবা মাকৰ সমাধিলৈ যায়। মাকৰ সমাধিত ৰুই থোৱা ফুলবোৰত পানী দিয়ে। কিজানি এদিন মাক ফুল হৈ ফুলিব আৰু সেই ফুলৰ মাজতেই তাই মাকক বিচাৰি চাব ভৱিষ্যৎ সপোনৰ জালিকটা ৰ'দৰ বাটত।

■ **ৰাতুল মৰাং**



■ **ৰিতিক্ষা মালাকাৰ**
দ্বিতীয় শ্ৰেণী, অজগৰ ভেলী একাডেমী, আগিয়া, গোৱালপাৰা

লেছেৰি বুটলি

বেলি ওলাল পুব আকাশত
কুঁৱলী গ'ল গুচি
জোলোঙা লৈ ওলালোঁ আমি
পথাৰলৈ বুলি !



মুকলি মূৰীয়া শৈশৱ
নিভাঁজ বন্ধুত্বৰ পৰশ
হাঁহি-ধেমালিতে উপচি পৰে
অযুত সুখৰ বৈভৱ !

দুভৰিত নৰাই আঁচোৰে
কপালত বিৰিঙে ঘাম
তথাপি নালাগে ভাগৰ
এয়াই আমাৰ আমোদৰ সমল !

নৰাৰে ভৰা পথাৰত
গৰু-ম'হৰ বিচৰণ
চৰাই-চিৰিকটিৰ কলৰৱত
শৈশৱেও শিকি লয়
প্ৰকৃতিৰ প্ৰতিটো নিয়ম !

লেছেৰি বুটলি বুটলি
জোলোঙা ভৰাওঁ ধানৰ
সেই ধানকে বজাৰত বেচি
সপোন কিনোঁ হেঁপাহৰ !

■ **ৰঞ্জিতা দাস**
ফোন ঃ ৮৭৪৯৯৮৬৪৬৬

ৰঙে-ৰঙেলৈ শৈশৱ



■ **মৃত্তিকা শৰ্মা**
দ্বিতীয় শ্ৰেণী, বিষ্ণু জ্যোতি একাডেমী, চামতা (নলবাৰী)

চিকিৎসা বিজ্ঞানৰ কাহিনী



ডাঃ অজয় কুমাৰ ভূঞা

ইমিউন ছিষ্টেম বা ৰোগ প্ৰতিৰোধ ব্যৱস্থা আমাৰ শৰীৰৰ এক উল্লেখযোগ্য দিশ। এখন দেশৰ সীমান্তত যেনেকৈ প্ৰহৰী সৈনিকসকলে অহৰহ পহৰা দি থাকে, তেনেকৈ আমাৰ শৰীৰৰো প্ৰথম সৈনিক হ'ল আমাৰ দেহৰ ছালখন। সুস্থ ছালে বহু বীজাণুক শৰীৰৰ ভিতৰলৈ সোমোৱাত বাধা দিয়ে। নাকৰ শ্লেষ্মা, চকুপানী আৰু শৰীৰৰ আন কিছুমান প্ৰাকৃতিক ব্যৱস্থাইও বীজাণুৰ বিৰুদ্ধে কাম কৰে। প্ৰথমে আহিল নিউ ট্ৰ'ফিল নামৰ সৈনিকসকল। আঘাত পোৱা ঠাইত শৰীৰৰ বিভিন্ন কোষে কিছুমান ৰাসায়নিক সংকেত এৰি দিয়ে। এই সংকেত পোৱাৰ লগে লগে তেজৰ দ্বাৰা প্ৰতিৰক্ষা কোষবোৰে আঘাত পোৱা ঠাইলৈ আহিবলৈ আৰম্ভ কৰে। প্ৰথমে উপস্থিত হোৱা গুৰুত্বপূৰ্ণ সৈনিকবোৰৰ ভিতৰত এই নিউট্ৰ'ফিল অন্যতম। নিউট্ৰ'ফিল এবিধ শ্বেত ৰক্তকণিকা। ইহঁতে বীজাণু চিনাক্ত কৰি গ্ৰাস কৰিব পাৰে। তাৰ পৰিস্থিতিত এণ্টিবডী উৎপাদন কৰা কোষলৈ ৰূপান্তৰ হ'ব পাৰে। এণ্টিবডীয়ে নিৰ্দিষ্ট বীজাণু চিনাক্ত কৰি সেইবোৰ নিষ্ক্ৰিয় কৰাত বা ধ্বংস কৰাত সহায় কৰে। আনহাতে কিছুমান T-Cell-এ ভাই�ৰাছৰ দ্বাৰা সংক্ৰমিত কোষ চিনাক্ত কৰি ধ্বংস কৰিব পাৰে। আন কিছুমানে প্ৰতিৰক্ষা ব্যৱস্থাৰ কাম নিয়ন্ত্ৰণ কৰে। কিন্তু এই সৈনিকবোৰৰ এটা আশ্চৰ্যজনক ক্ষমতাও আছে। ইহঁতৰ কিছুমানে আগতে লগ পোৱা শত্ৰুক মনত ৰাখিব পাৰে! অৰ্থাৎ শৰীৰৰ সৈনিকবোৰৰ স্মৃতিশক্তিও আছে! ধৰা, তোমাৰ শৰীৰত এবিধ বিশেষ ভাই�ৰাছে প্ৰৱেশ কৰিলে। প্ৰথমবাৰ সেই ভাইৰাছৰ বিৰুদ্ধে প্ৰতিৰক্ষা গঢ়ি তুলিবলৈ শৰীৰক কিছু সময় লাগিব পাৰে। কিন্তু সংক্ৰমণৰ পাছত কিছুমান B-Cell আৰু T-Cell স্মৃতিকোষ হিচাপে থাকি যায়। পাছত একে বীজাণু পুনৰ প্ৰৱেশ কৰিলে এই স্মৃতিকোষবোৰে তাক সোনকালে চিনাক্ত কৰি অধিক দ্ৰুতভাৱে প্ৰতিৰোধ গঢ়ি তুলিব পাৰে। ইয়াক কোৱা হয় Immunological Memory। এই বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰিয়েই প্ৰতিষেধক টিকা বা ভেকচিনবোৰে কাম কৰে। টিকাই শৰীৰৰ প্ৰতিৰক্ষা ব্যৱস্থাক নিৰ্দিষ্ট বীজাণু চিনাক্ত কৰিবলৈ আগতীয়াকৈ প্ৰস্তুত কৰে। ফলত ভৱিষ্যতে সেই বীজাণুৱ আক্ৰমণ হ'লে শৰীৰে অধিক ফলপ্ৰসূভাৱে যুঁজিব পাৰে। এইদৰেই প্ৰতিষেধক টিকাই বহু গুৰুতৰ সংক্ৰামক ৰোগৰ পৰা আমাক ৰক্ষা কৰাত সহায় কৰে। এই প্ৰতিৰক্ষা ব্যৱস্থাৰ স্বাভাৱিক কাৰ্যক্ষমতা বজাই ৰাখিবলৈ সুষম আহাৰ, পৰ্যাপ্ত টোপনি, নিয়মিত খেলা-ধূলা আৰু প্ৰয়োজনীয় প্ৰতিষেধক টিকা গ্ৰহণ কৰাটো গুৰুত্বপূৰ্ণ। হাত পৰিষ্কাৰকৈ ধোৱা আৰু আঘাত পালে ঘাডোখৰ পৰিষ্কাৰ কৰাটোও প্ৰয়োজনীয়। মনত ৰাখিবা, কোনো বিশেষ খাদ্য বা ঔষধে ৰাতিটোৰ ভিতৰতে ৰোগ প্ৰতিৰোধ ক্ষমতা অসাধাৰণভাৱে বৃদ্ধি কৰিব নোৱাৰে।

আমাৰ শৰীৰৰ অদৃশ্য সেনাবোৰ



পাছত বিশেষ এনজাইম আৰু ৰাসায়নিক পদাৰ্থৰ সহায়ত বীজাণুবোৰ ধ্বংস কৰে। এই প্ৰক্ৰিয়াক কোৱা হয় ফেগ'চাইট'ছিছ। যুদ্ধক্ষেত্ৰত কেৱল শত্ৰুক পৰাস্ত কৰিলেই নহয়, ধ্বংসাৱশেষ আঁতৰোৱাৰো প্ৰয়োজন হয়। আমাৰ শৰীৰতো তেনে কাম কৰা বিশেষ কোষ আছে। ইহঁতৰ নাম মেক্ৰ'ফেজ। মেক্ৰ'ফেজে বীজাণু, মৃত কোষ আৰু ক্ষতিগ্ৰস্ত কোষৰ অংশ গ্ৰাস কৰি আঁতৰোৱাত সহায় কৰে। কিন্তু ইহঁতৰ কাম ইয়াতেই শেষ নহয়। মেক্ৰ'ফেজে আন প্ৰতিৰক্ষা কোষবোৰলৈ ৰাসায়নিক সংকেত প্ৰেৰণ কৰি প্ৰতিৰক্ষা ব্যৱস্থাক সংগঠিত কৰাতো সহায় কৰে। অৰ্থাৎ, মেক্ৰ'ফেজ একাধাৰে সৈনিক, চাফাই কৰ্মী আৰু বাৰ্তাবাহক। আঘাত পোৱা ঠাইডোখৰ ৰঙা হৈ ফুলে কিয়? আঘাত পোৱা ঠাইডোখৰ ৰঙা পৰিছিল, গৰম হৈছিল আৰু সামান্য ফুলি উঠিছিল। ইয়াৰ কাৰণ হৈছে প্ৰদাহ বা Inflammation। আঘাত পোৱা ঠাইৰ সৰু সৰু ৰক্তনলীবোৰ বহল হয়। সেই অংশলৈ তেজৰ প্ৰবাহ বৃদ্ধি পায়। ফলত ঠাইডোখৰ ৰঙা আৰু গৰম হয়। ৰক্তনলীৰ পৰা কিছু তৰল পদাৰ্থ চাৰিওফালৰ কলালৈ ওলাই অহাৰ বাবে ফুলিব পাৰে। এই প্ৰদাহ শৰীৰৰ স্বাভাৱিক প্ৰতিৰক্ষা আৰু মেৰামতি প্ৰক্ৰিয়াৰ অংশ। অৱশ্যে প্ৰদাহ মানেই সংক্ৰমণ নহয়। বীজাণু নোসোমোৱাকৈও আঘাতৰ ফলত প্ৰদাহ হ'ব পাৰে। আমাৰ শৰীৰত আন দুবিধ গুৰুত্বপূৰ্ণ প্ৰতিৰক্ষা কোষ আছে। ইহঁতৰ নাম B-Cell আৰু T-Cell। B-Cell-এ বিশেষ ধৰণৰ প্ৰটিন নিঃসৰণ কৰি ৰোগজীৱাণুৰ বিষাক্ততা নষ্ট কৰে। T-Cell-এ সংক্ৰমিত কোষ চিনাক্ত কৰি ধ্বংস কৰে। এই দুয়োটা কোষেই শৰীৰৰ দীঘলীয়া সুৰক্ষা প্ৰদান কৰে।

শোণিতপুৰী

শীতকালত কেতিয়াবা শোণিতপুৰলৈ গৈছা?
যদি গৈছা, উত্তৰ দিশে চাইছা?
যদি চাইছা, সেউজীয়াৰ সিপাৰে বগা পাহাৰ দেখিছা?
যদি দেখিছা;
এতিয়াও সময় আছে, বুজিছা?
প্ৰকৃতিৰ ক্ষতি হোৱাবোৰ ওভতাবলৈ,
উদং পথাৰ সেউজীয়া শস্যৰে ভৰাবলৈ,
ওভতনি যাত্ৰা আৰম্ভ কৰিবলৈ,
সময়, এয়া বুজিছা, সময়।
নাথাকিবা আনৰ অপেক্ষাত ৰৈ,
যেতিয়া লোভৰ ক'লা ডাৱৰ আঁতৰিব,
যেতিয়া অহংকাৰৰ গ্ৰীষ্ম আঁতৰিব,
যেতিয়া আকৌ শীতকাল আহিব,
যেতিয়া তুমি জীৱনত উত্তৰ বিচাৰিবা,
উত্তৰ দিশে চাবা,
বগা পাহাৰ দেখিবা,
জীৱনৰ লক্ষ্য বিচাৰি পাবা।
নিকা পৰি�ৱেশ পাবলৈ,
মনটো নিৰ্মল কৰিব লাগিব,
তেতিয়াই চাৰিওদিশ পৰিষ্কাৰ হ'ব।

■ **ধোৰোম চুলা বড়ো**
ফোন ঃ ৮৮৭৬৮৭০১৪৩





মাখন চোৰ

শুৱনি বাঁহীৰে তোমাৰ মুখনি
চাই মন ভৰি যায়,
তাকে দেখি গোপী সৰে
দৌৰি কাষ পায়।
ৰাম ৰূপে ধনু লোৱা
কৃষ্ণ ৰূপে বাঁহী
বিষ্ণু ৰূপে চক্ৰধাৰী
কৃষ্ণ ৰূপে হাঁহি।
বৃন্দাবনত থাকা তুমি
মাখন চুৰ কৰি
তাকে লৈয়ে নানা নাম
আছে তোমাৰ 'হৰি'।

■ **এইচ্‌ বি হিমবৰ্ণা চৌধুৰী**
তৃতীয় শ্ৰেণী, দক্ষিণ গুৱাহাটী জাতীয় বিদ্যালয়, দাঁতালপাৰা, গুৱাহাটী



■ **বনপংখী দাস**
দ্বিতীয় শ্ৰেণী, পাঠশালা পাব্লিক স্কুল, পাঠশালা, বজালী

জিজ্ঞাসা




■ **দীপাংকৰ কৌশিক**

নলবাৰীৰ ৰৱনৰ্দ্দীত ২২ নৱেম্বৰত অনুষ্ঠিত গিৰীশ চন্দ্ৰ ডেকা সোঁৱৰণী বিদ্যালয়ভিত্তিক কুইজত সোধা কেইটামান প্ৰশ্নৰে সজোৱা হৈছে আজিৰ শিতান—

১। প্ৰথম অসমীয়া চলচ্চিত্ৰ 'জয়মতী' এখন নাটকৰ কাহিনীৰ আধাৰত নিৰ্মাণ কৰা হৈছিল। নাট্যকাৰ কোন আছিল বাৰু?
২। ভূপালৰ হবিবগঞ্জ নামৰ ৰে'ল ষ্টেচনটোৰ বিশেষত্ব কি?
৩। ভাৰত ৰত্ন আমাৰ দেশৰ আৰু নিচান-ই-পাকিস্তান পাকিস্তানৰ সৰ্বোচ্চ অসামৰিক সন্মান। এই দুয়োটা সন্মান এই পৰ্যন্ত মাত্ৰ দুগৰাকী ব্যক্তিয়ে লাভ কৰিছে। কোন কোন?
৪। ১৯৬৯ চনৰ বাবে যদি 'ছামথিং টু এনছাৰ ফৰ' হয়, তেন্তে ২০২৬ চনৰ বাবে কি হ'ব?
৫। 'মিষ্টাৰ ৰাটছন, কাম হিয়েৰ, আই ৰাণ্ট টু ছী ইউ' — এই বাক্যটোৰ বিশেষত্ব কি বাৰু?
৬। হীৰেন চৌধুৰীৰ 'চেং' নামৰ অসমীয়া গ্ৰন্থখন কাৰ জীৱন আধাৰিত?
৭। হেৰী কেনে এইবাৰৰ বেলন ডিঅ'ৰ বঁটা লাভ কৰিছে। মহিলাৰ শাখাত এই বঁটা কোনে লাভ কৰিছে?
৮। ৰাংগালা — মেঘালয়ৰ কোনটো জনগোষ্ঠীৰ এটা জনপ্ৰিয় উৎসৱ?
৯। জ্ঞানপীঠ বঁটা বিজয়ী মামণি ৰয়ছম গোস্বামীয়ে কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

চিত্ৰ সংকেত

১০। বাদ্যযন্ত্ৰবিধৰ নাম কি বাৰু?



উত্তৰ


১। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা ২। এইটো ভাৰতৰ একমাত্ৰ ব্যক্তিগত ৰে'ল ষ্টেচন ৩। মোৰাৰজী দেশাই, নেলছন মেণ্ডেলা ৪। দি এণ্ড অৱ এভ্রিথিং। বুকাৰ বঁটাপ্ৰাপ্ত গ্ৰন্থ ৫। টেলিফোনত গ্ৰাহাম বেলে কোৱা প্ৰথম বাক্য ৬। চাওলুং ছুকাফা ৭। এলেক্সিয়া পুটেয়াছ ৮। গাৰো ৯। মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস ১০। সন্তৱ।

পটুৱৈৰ বাবে প্ৰশ্ন

১১। বিজ্ঞান বিষয়ত ন'বেল বঁটা লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় ব্যক্তি কোন বাৰু? (অহা সোমবাৰৰ ভিতৰত আমালৈ ৯৮৬৪৩-২৩৪৯৯ ফোন নম্বৰত হোৱাট্‌ছএপ কৰি উত্তৰ পঠিয়াব পাৰিব।)

যোৱা সংখ্যাৰ 'পটুৱৈৰ বাবে প্ৰশ্ন'ৰ শুদ্ধ উত্তৰ— দি গড অৱ স্মল থিংছ।

আমালৈ শুদ্ধ উত্তৰ পঠিয়াইছে— জালাহৰ প্ৰাঞ্জল দাস, বাইহাটাৰ ৰামানুজন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ তৃষ্ণা দেৰী, পাঠশালাৰ কংকণা শালৈ, নলবাৰীৰ বি এম গ্ল'বেল একাডেমীৰ আয়ান চক্ৰৱৰ্তী, শুৰালকুছিৰ কুঞ্জমোহন ডেকা, নলবাৰী ৰৱনৰ্দ্দীৰ জয়ন্ত ডেকা, মুকালমুৰা লাওপাৰাৰ জুস্মিতা কলিতা, হৃষিতা কলিতা, গুৱাহাটী ছয়মাইলৰ প্ৰিয়াংশু বৈশ্য, নলবাৰী ৰৱনৰ্দ্দীৰ অনন্যা শৰ্মা, অসম জাতীয় বিদ্যালয়ৰ জিজ্ঞাসা ৰয়, অৰিয়ন অনুভৰ কলিতা, গুৱাহাটীৰ গণেশপাৰাৰ ৰুমা দেৰী, টিহু মাখিবাহাৰ সৌম্যদীপ কলিতা, ধেমাজিৰ বিকাশ গোহাঁই, দৰঙৰ দীঘিৰপাৰৰ ধীৰাজ ডেকা, আনন্দৰাম বৰুৱা একাডেমীৰ অৰ্ণৱ হৃষীকেশন, বলয় বৈভৱ মেধি, নলবাৰী ৰৱমূৰিকোণাৰ কৰেন্দ্ৰ চক্ৰৱৰ্তী, চানমাৰিৰ ভনিতা দাস, নলবাৰী দেহাৰকুছি কলবাৰীৰ কনক চন্দ্ৰ শৰ্মা, মমাতনগৰৰ সুৰেশ চন্দ্ৰ ডেকা, টিহুৰ অশ্বিনী ডেকা, পুৱণিগুদামৰ কবিতা ৰবা কলিতা, সৰভোগৰ গীতাঞ্জলি দাস, গণেশপাৰাৰ ৰুমা দেৰী, জাপৰিগোগৰ মুকুট চৌধুৰীয়ে।



ৰঙা বেলি

পুৱাৰ আকাশৰ ৰঙা বেলি
ওলাই আহা আঁচল মেলি,
মেঘ, কুঁৱলীৰ ওৰণি ফালি
ধৰাৰলৈ দিয়া পোহৰ ঢালি।

ভৰ দুপৰীয়া অ' ৰঙা বেলি
ৰংবোৰ তোমাৰ যায় কেনি?
ৰূপালী ৰ'দেৰে টো খেলাহি
খৰাঙত শুকায় ধৰাৰ পানী।

সন্ধিয়া পৰত পশ্চিম আকাশত
আহা ধৰণীৰ ওচৰ চাপি,
সাতো ৰঙেৰে মেলা পাতা তুমি
ৰংবোৰ দিয়া আমাক সপি।

নিশাৰ আকাশত এন্ধাৰ ঢালি
ক'লৈ যোৱা অ' ৰঙা বেলি,
গোটেই নিশা জিৰণি লোৱা
দিনৰ দিনটো ৰঙেৰে খেলি।

■ **ৰমেন কলিতা**
ফোন ঃ ৯৮৬৪১৭১৫৫৯



■ **নৱজিৎ বিশ্বাস**
ষষ্ঠ শ্ৰেণী, শংকৰদেৱ শিশু নিকেতন, ৰঙিয়া

তুমিও বেলেগৰ কথা শুনা নেকি!

মৰমৰ অকণিহঁত, তোমালোকে যদি বেলেগ মানুহৰ কথা বেছিকৈ শুনা, তেন্তে জীৱনত আগবাঢ়ি যোৱাত অসুবিধাৰ সৃষ্টি হ'ব। এটি সৰু কাহিনী পঢ়োঁ আহাচোন—এখন গাঁৱত দুজন বন্ধু আছিল। এজন ল'ৰাৰ বয়স ৮ বছৰ আৰু আনজনৰ বয়স ১১ বছৰ। দুয়ো এদিন খেলি থাকোঁতে সিহঁতৰ বলটো এটা পুৰণি কুঁৱাত সোমাই পৰিল। গাঁৱৰ সেই ঠাইখিনিত একেবাৰে মানুহ নাছিল। ডাঙৰ ল'ৰাটো বল আনিবলৈ কুঁৱাৰ ভিতৰত সোমাল, কিন্তু সি তললৈ পৰিহে গ'ল। সৰুটোৱে বৰ ভয় খালে, সি কিংকৰ্তব্যবিমূঢ় হৈ পৰিল। এনেতে সি এডাল ৰছী দেখা পালে। সি ৰছীডাল কুঁৱাৰ ভিতৰত সুমুৱাই দি ডাঙৰ ল'ৰাটোক সেইডালত ধৰি আহিবলৈ ক'লে। নিশকতীয়া কম বয়সৰ ল'ৰাটোৰ এইটো কাম প্ৰায় অসম্ভৱ আছিল, কিন্তু সি নিজৰ সমস্ত শক্তি ব্যৱহাৰ কৰি দেখুৱালে। দুয়ো গাঁৱলৈ ঘূৰি গ'ল। ইতিমধ্যে গাঁৱত সিহঁতক বিচাৰিবলৈ ধৰিছিল। দুয়োকে সুস্থ অৱস্থাত দেখি পৰিয়াল তথা গাঁৱৰ মানুহ সুখী হ'ল। সিহঁতে সকলো কথা বিৱৰি ক'লে। কোনেও বিশ্বাস কৰা নাই তেও সৰু ল'ৰাটোৱে বয়সত ডাঙৰ হৃষ্টপুষ্ট ল'ৰাটোক ৰছীৰে টানি আনিব পাৰিব! এনেতে গাঁৱৰ এজন জ্ঞানী ব্যক্তিয়ে ক'লে— এয়া অসম্ভৱ নহয়, কিয়নো সেইখিনি সময়ত সি নিজৰ দেহ-মনৰ সমস্ত শক্তি একত্ৰিত কৰিছিল। তাতোকৈ ডাঙৰ কথা, তাক তেতিয়া তই নোৱাৰিবি বুলি ক'বলৈ কোনো নাছিল।

কিছুমান চতুৰ মানুহে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে তোমাৰ প্ৰশংসাত পঞ্চমুখ হৈ উঠিব অথবা তোমাৰ সফলতাত বাধা দিবলৈ নেতিবাচক কথা ক'ব। তোমাৰ জীৱনত যিটো নাই সেইটোৰ কথা জানিও বাৰে বাৰে সুধিব।



বেলেগে কি কৈছে ভাবিবলৈ বাদ দি কোনটো উচিত, কোনটো তোমাৰ মনে বিচাৰে সেইটোতহে গুৰুত্ব দিয়াটো উচিত।

মানুহৰ কথা শুনিও নিজকে মানসিকভাৱে শক্তিশালী কৰি ৰখাৰ কেইটামান উপায় আলোচনা কৰোঁ আহা—

● প্ৰথমতে তোমাৰ আত্মবিশ্বাস থকাটো জৰুৰী। ● তোমাৰ দুৰ্বল দিশটো বেছিকৈ উনুকিয়াই থাকিলে নম্ৰভাৱে প্ৰত্যুত্তৰ দিয়াটো উচিত। ● আনৰ কথা শুনি কেতিয়াও মন বেয়া নকৰিবা, নেতিবাচক কথাবোৰ পাহৰি ইতিবাচক চিন্তাধাৰাৰে নিজকে সজাব লাগে। ● নিজৰ সুখ-দুখবোৰ সকলো মানুহৰ আগত ব্যক্ত নকৰিবা। ● মানুহে ভাল ক'লেও আনন্দত আত্মহাৰা নহ'বা আৰু বেয়া ক'লেও বেদনাত ভাগি নপৰিবা। ● নিজকে সৃষ্টিমূলক কাম-কাজত ব্যস্ত ৰাখিবা। ● বিভিন্ন প্ৰেৰণাদায়ক কাহিনী অথবা মহান ব্যক্তিৰ জীৱনী পঢ়িব পাৰা, যাৰ দ্বাৰা জীৱনত আগবাঢ়ি যাবলৈ মানসিক শক্তি পোৱা যায়। ● ধৰ্মত বিশ্বাস ৰাখিবা, মন শান্ত হৈ থাকিব। মানুহ সামাজিক প্ৰাণী। সমাজত ভাল-বেয়া দুয়ো ধৰণৰ মানুহ থাকিবই। তোমালোকে সদায়েই মা-দেউতা তথা গুৰুজনৰ কথা শুনিবা। সকলোৰে দেহ-মন সুস্থ হৈ থাকক...

■ **জোনাকী দেৰী কাশ্যপ**
ফোন ঃ ৮৭২৪০-৮৬৬৩০



উচ্চ শিক্ষাৰ প্ৰশাসনিক সংস্কাৰ -প্ৰযুক্তিগত বিপ্লৱৰ স্বীকৃতি

ডঃ শশীকান্ত শইকীয়ালৈ বিশেষ সন্মান

দৈনিক অসমৰ প্ৰতিনিধি

ডিব্রুগড়, ২৪ নৱেম্বৰ ঃ উচ্চ শিক্ষাৰ পৰম্পৰাগত প্ৰশাসনিক গাঁথনিত আধুনিকতাৰ সংযোজন আৰু শিক্ষা-প্ৰযুক্তিৰ সফল প্ৰয়োগেৰে অসমৰ শৈক্ষিক ক্ষেত্ৰখনত এক নতুন দিগন্তৰ সূচনা কৰা, পৃথিৱীৰ বিখ্যাত ফৰ্বছ আলোচনীৰ পাতত জিলিকি উঠা আউটলুকত বিশেষভাৱে চৰ্চিত, ডিব্রুগড় হনুমানবক্স সু�ৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ কৰ্মসূর্য ডঃ শশীকান্ত শইকীয়াক সংবাদগোষ্ঠী 'নিউজ-১৮'ৰ তৰফৰ পৰা বিশেষভাৱে সন্মানিত কৰা হয়। ডিব্রুগড়ৰ অত্যাধুনিক তথা বিলাসী মনোহাৰী ৰিজ টৰ এক গাম্ভীৰ্যপূৰ্ণ সভাকক্ষত আয়োজিত বিশেষ অনুষ্ঠানত ডঃ শইকীয়াক 'চেঞ্জমেকাৰ ইন হায়াৰ এডুকেচন গভৰ্নেন্স এণ্ড এডুটেক' শীৰ্ষক বঁটাৰে বিভূষিত কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, প্ৰাক্তন কেবিনেট মন্ত্ৰী তথা বৰ্তমান ডিব্রুগড় সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন, মাকুম সমষ্টিৰ বিধায়ক সঞ্জয় কিষাণ, খোৱাং সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈ আৰু নিউজ-১৮ অসম নৰ্থ-ইষ্টৰ মুখ্য সম্পাদক পৰাগমণি আদিত্যই আনুষ্ঠানিকভাৱে ডঃ শইকীয়াৰ হাতত এই সন্মানীয় বঁটা তুলি দিয়ে। বঁটা প্ৰদান কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে উপস্থিত গণ্য-মান্য ব্যক্তিসকলৰ স'তে মত বিনিময় কৰি কয়— বৰ্তমান সময়ত শিক্ষা ব্যৱস্থাক কেৱল পাঠ্যপুথিৰ মাজতে সীমাবদ্ধ নাৰাখি ইয়াক প্ৰযুক্তি আৰু সুশাসনৰ সৈতে সংযুক্ত কৰাটো অতি প্ৰয়োজনীয়। অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই নিজৰ দূৰদৰ্শী নেতৃত্বৰে কানৈ মহাবিদ্যালয়ক স্বায়ত্ত শাসনৰ মৰ্যাদালৈ উন্নীত কৰাই নহয়; তেওঁ যি শৈক্ষিক, প্ৰযুক্তি, স্বচ্ছতা, আন্তঃগাঁথনিৰ যি পৰিৱৰ্তন কৰিবলৈ সক্ষম হৈছে, সেই পৰিৱৰ্তনত মহাবিদ্যালয়খনৰ এজন প্ৰাক্তন ছাত্ৰ হিচাপে সুখী অনুভৱ কৰিছোঁ। অধ্যক্ষ ডঃ শইকীয়াৰ কৰ্মৰাজি সমগ্ৰ ৰাজ্যখনৰ বাবেই এক অনুকৰণীয় আৰ্হি হোৱা উচিত বুলি কয়। বঁটা গ্ৰহণ কৰি নিজৰ অনুভৱ ব্যক্ত কৰি অধ্যক্ষ ডঃ শইকীয়াই ভৱিষ্যৎ প্ৰজন্মক বিশ্বমানৰ প্ৰত্যাহ্বানৰ বাবে সাজু কৰি তুলিবলৈ হ'লে শিক্ষানুষ্ঠানসমূহ কেৱল ডিগ্ৰী প্ৰদানৰ কেন্দ্ৰ নহৈ উদ্ভাৱন আৰু মানৱীয় মূল্যবোধৰ প্ৰাণকেন্দ্ৰ হ'ব লাগিব বুলিও তেওঁ তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। উজনি অসমৰ বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী, সংবাদকৰ্মী আৰু বহুসংখ্যক গণ্য-মান্য ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত এই সভাখনে ডিব্রুগড়ৰ বৌদ্ধিক আৰু শৈক্ষিক মহলত বিশেষ উৎসাহৰ সঞ্চাৰ কৰিছে।


ক্ষুব্ধ ৰাইজৰ দলবদ্ধ আক্ৰমণত ধৰাশায়ী বনৰজা, চিকিৎসালয়ত ভর্তি

ডিব্রুগড়ত নাহৰফুটুকীৰ আক্ৰমণত আহত ৫

■ খাদ্যৰ সন্ধানত জনাঞ্চলত বনৰজাৰ বিচৰণ ■

দৈনিক অসমৰ প্ৰতিনিধি

ডিব্রুগড়, ২৪ নৱেম্বৰ ঃ খাদ্যৰ সন্ধানত জনাঞ্চললৈ ওলাই অহা এটা নাহৰফুটুকীক কেন্দ্ৰ কৰি কালি ডিব্রুগড় দেৱানবাৰীত সৃষ্টি হয় এক হুৱাদুৱা পৰিস্থিতিৰ। নাহৰফুটুকীটোৰ আক্ৰমণত পাঁচজনকৈ লোক আহত হয়। পথৰ কাষৰ ধাননিত নাহৰফুটুকীটোৱে মুক্তভাৱে বিচৰণ কৰি থকা অৱস্থাত স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰাৰ পাছতে বন বিভাগক খবৰ দিয়াত ডিব্রুগড়ৰ আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ পৰা এটা বন বিভাগৰ দল ঘটনাস্থলীত উপস্থিত হয়। উল্লেখ্য যে দেৱানবাৰী অঞ্চলত দীৰ্ঘদিন ধৰি নাহৰফুটুকীয়ে ছাগলী, কুকুৰকে ধৰি বিভিন্ন পোহনীয়া জীৱ-জন্তু ভক্ষণ কৰি আহিছিল, যাৰ বাবে অঞ্চলটোৰ ৰাইজৰ মাজত নাহৰফুটুকীৰ বিচৰণক লৈ পূৰ্বৰে পৰা শংকাৰ পৰিৱেশে বিৰাজ কৰি আহিছিল। ইফালে নাহৰফুটুকীটোৰ উপস্থিতিৰ খবৰ বিয়পি পৰাৰ লগে লগে ঘটনাস্থলীত সহস্ৰাধিক লোকৰ সমাগম ঘটে আৰু বন বিভাগৰ দলে বন্যপ্ৰাণীটো উদ্ধাৰৰ চেষ্টা চলায়। কিন্তু ইমান বৃহৎসংখ্যক লোকৰ উপস্থিতিৰ মাজতো নাহৰফুটুকীটো উদ্ধাৰৰ বাবে বন বিভাগৰ হাতত পৰ্যাপ্ত সা-সঁজুলি আৰু প্ৰস্তুতি নথকাৰ অভিযোগ উত্থাপন হৈছে। নাহৰফুটুকীটো কৰায়ত্ত কৰিবলৈ প্ৰয়োজনীয় পিঞ্জৰা অথবা ট্ৰেংকুলাইজ কৰাৰ ব্যৱস্থা নকৰাকৈ বন বিভাগৰ লোকে এখন জালৰ সহায়ত উদ্ধাৰৰ চেষ্টা চলোৱাত পৰিস্থিতি অধিক জটিল হৈ পৰে। আনহাতে একাংশ লোকে হাতে হাতে যাঠি-জোং লৈ নাহৰফুটুকীটোৰ কাষ চাপিবলৈ চেষ্টা কৰাত বন্যপ্ৰাণীটোৰ স্বাভাৱিক বিচৰণত বাধাৰ সৃষ্টি হোৱাৰ লগতে ঘটনাস্থলীত এক উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয়। বন বিভাগৰ লোকে জালৰ সহায়ত নাহৰফুটুকীটো কৰায়ত্ত কৰাৰ চেষ্টা চলাইছিল যদিও সেই প্ৰচেষ্টা সফল নহ'ল। ইয়াৰ মাজতে হোৱা খেদাখেদিৰ ফলত নাহৰফুটুকীটোৰ আক্ৰমণত পাঁচজনকৈ লোক আহত হয়। আহত লোককেইজন ৰূপেশ্বৰ দাস, কুলামণি দাস, ফুলেশ্বৰ দাস, উৎপল দাস আৰু জয় দাস বুলি জানিবলৈ দিয়াৰ লগতে আহত আটাইকেইজনকে ততাতৈয়াকৈ স্থানীয় লেজাই কলাখোৱা মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়লৈ লৈ যোৱা হয়। আনহাতে একাংশ উত্তেজিত লোকে হাতে হাতে যাঠি-জোং লৈ নাহৰফুটুকীটোক আক্ৰমণ কৰাত বন্যপ্ৰাণীটোও গুৰুতৰভাৱে আহত হয়। পৰৱৰ্তী সময়ত বন বিভাগৰ লোকে প্ৰায় পাঁচ বছৰীয়া মতা নাহৰফুটুকীটোক আহত অৱস্থাত উদ্ধাৰ কৰি উন্নত চিকিৎসাৰ বাবে ডিগবৈৰ লক্ষীপথাৰত অৱস্থিত বন্যপ্ৰাণী পুনৰ্সংস্থাপন কেন্দ্ৰলৈ লৈ যায়। উল্লেখ্য যে বৰ্তমান ধান পকাৰ বতৰ হোৱাৰ লগতে পথাৰত ধান দোৱাৰ কাম চলি থকাৰ সময়তে খাদ্যৰ সন্ধানত নাহৰফুটুকী জনাঞ্চলৰ কাষলৈ ওলাই অহাৰ সম্ভাৱনা থাকে। এনে পৰিস্থিতিত বন্যপ্ৰাণীটোক ঘেৰাও কৰি উত্তেজিত কৰা বা আক্ৰমণ কৰাৰ পৰিৱৰ্তে নিৰাপদে আঁতৰি যাবলৈ সুবিধা দিয়াৰ লগতে বন বিভাগক উদ্ধাৰৰ বাবে প্ৰয়োজনীয় সময় আৰু পৰিৱেশ প্ৰদান কৰাটো অত্যন্ত জৰুৰী। ইফালে দেৱানবাৰী অঞ্চলত আন নাহৰফুটুকীৰো অৱস্থিতি থাকিব পাৰে বুলি সন্দেহ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। সেয়ে বন বিভাগে অঞ্চলটোত নাহৰফুটুকীৰ গতি-বিধি নিৰীক্ষণ কৰাৰ লগতে জনসাধাৰণৰ সুৰক্ষা আৰু বন্যপ্ৰাণীৰ নিৰাপদ উদ্ধাৰৰ বাবে পৰ্যাপ্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে স্থানীয় ৰাইজে।



সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনী প্ৰচাৰ তুংগত

দৈনিক অসমৰ প্ৰতিনিধি

টেঙাখাত, ২৪ নৱেম্বৰ ঃ সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনক কেন্দ্ৰ কৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত তীব্ৰতৰ হৈ পৰিছে নিৰ্বাচনী তৎপৰতা। ৩০ নৱেম্বৰত মুঠ ৬টা পৰিষদীয় সমষ্টিত অনুষ্ঠিত হ'ব নিৰ্বাচন। আনহাতে ৩ ডিচেম্বৰত ঘোষণা কৰা হ'ব নিৰ্বাচনৰ ফলাফল। নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে প্ৰতিগৰাকী প্ৰাৰ্থীয়ে নিজ নিজ সমষ্টিত নিৰ্বাচনী প্ৰচাৰ তুংগত তুলিছে। টেঙাখাত আৰু চাবুৱা অঞ্চলক সামৰি থকা দুটা পৰিষদীয় সমষ্টিতো নিৰ্বাচনী তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ৭ নং ৰংচঙী পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী ঋতু পন বৰুৱা আৰু দীপক সোণোৱালে ইতিমধ্যে সমষ্টিটোৰ বিভিন্ন অঞ্চলত নিৰ্বাচনী সভা অনুষ্ঠিত কৰি প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। সভাসমূহত দুয়োগৰাকী প্ৰাৰ্থীয়ে ৰাইজৰ বিপুল সঁহাৰি লাভ কৰাৰ লগতে জ্যেষ্ঠজনৰ আশীৰ্বাদ গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। আনহাতে ৮ নং টেঙাখাত পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী যজমান সোণোৱাল আৰু হিৰণ্য সোণোৱালেও নিৰ্বাচনী প্ৰচাৰত ব্যাপক তৎপৰতা প্ৰদৰ্শন কৰিছে। সমষ্টিবাসীৰ ঘৰে ঘৰে পদযাত্ৰা কৰি ভোটাৰৰ সৈতে মত বিনিময় কৰাৰ লগতে জ্যেষ্ঠজনৰ আশীৰ্বাদ গ্ৰহণ কৰিছে দুয়োগৰাকীয়ে। তদুপৰি বিভিন্ন স্থানত চোতাল বৈঠক অনুষ্ঠিত কৰি ৰাইজৰ সৈতে মত বিনিময়ৰ জৰিয়তে নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। সামগ্ৰিকভাৱে সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনক কেন্দ্ৰ কৰি টেঙাখাত আৰু চাবুৱা অঞ্চলত ৰাজনৈতিক পৰিৱেশ ক্ৰমাৎ উত্তপ্ত হৈ উঠিছে। নিৰ্বাচনত ভোটাৰে কাক আঁকোৱালি লয় সেয়া অৱশ্যে ডিচেম্বৰৰ ফলাফলতহে স্পষ্ট হ'ব।

কেৱেপ নকৰে মুখ্যমন্ত্রীৰ নির্দেশলৈ

নাৰায়ণপুৰৰ শিমলুগুৰিত একাংশ শিক্ষক-কর্মচাৰীৰ মইমতালি

দৈনিক অসমৰ প্ৰতিনিধি

নাৰায়ণপুৰ, ২৪ নৱেম্বৰ ঃ লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ বৃহত্তৰ শিমলুগুৰি অঞ্চলৰ একাংশ বিদ্যালয়ত অৰাজক পৰিস্থিতি সৃষ্টি হোৱাৰ অভিযোগ উত্থাপন হৈছে। একাংশ শিক্ষক-কর্মচাৰীৰ বিৰুদ্ধে উত্থাপন হৈছে গুৰুতৰ অভিযোগ। উল্লেখ্য যে বিদ্যালয় চলি থকা অৱস্থাত শিক্ষক অথবা কর্মচাৰীয়ে বিদ্যালয় চৌহদ এৰি যাব নালাগে। কিন্তু শিমলুগুৰি অঞ্চলৰ কেইবাখনো বিদ্যালয়ৰ বহুকেইগৰাকী শিক্ষক আৰু কর্মচাৰীয়ে বিভিন্ন অজুহাত দেখুৱাই বিদ্যালয়ৰ পাঠদান চলি থকাৰ মাজতে শিমলুগুৰি ব্যৱসায়িক কেন্দ্ৰস্থলীলৈ হওক অথবা আন ঠাইত অন্যান্য কামত সময় অতিবাহিত কৰে। এইসকল শিক্ষক-কর্মচাৰীয়ে পাহৰি যায় তেওঁলোকৰ পৰিত্ৰ বৃত্তিটোৰ কথা। বিদ্যালয়ত পাঠদান নকৰি অন্য কামত ঘূৰি ফুৰিলে দৰমহা বন্ধ কৰাৰ কথাও অৱগত কৰিছিল মুখ্যমন্ত্রীগৰাকীয়ে। তেনেস্থলত একাংশ শিক্ষক-কর্মচাৰীয়ে মইমতালিৰে ঘণ্টাৰ পাছত ঘণ্টা হোটেল, পাণ দোকান আদিত বহি অবাবত সময় নষ্ট কৰাৰ লগতে শৈক্ষিক পৰিৱেশ বিনষ্ট কৰি আহিছে। তাতোতকৈ ডাঙৰ কথাটো হ'ল কেইবাগৰাকীও শিক্ষক-কর্মচাৰীয়ে বিদ্যালয়ত প্ৰৱেশ নকৰাকৈয়ে প্ৰক্সী উপস্থিতি প্ৰদান কৰে। যাক লৈ অঞ্চলটোত সৃষ্টি হৈছে প্ৰতিক্ৰিয়াৰ। অঞ্চলটোৰ বহু শিক্ষক-শিক্ষয়িত্ৰীয়ে নির্দিষ্ট সময়ত বিদ্যালয়ত উপস্থিত নোহোৱাৰো অভিযোগ উত্থাপন হৈছে। ইয়াৰ লগতে নির্দিষ্ট সময়ৰ পূৰ্বেই একাংশই বিদ্যালয় ত্যাগ কৰে। জানিব পৰা মতে বিদ্যালয়ৰ অধ্যক্ষ বা প্ৰধান শিক্ষকে নিয়মানুৱর্তিতা অবলম্বন কৰি শৈক্ষিক পৰিৱেশ বিনষ্ট হোৱা কাম নকৰিবলৈ বহু শিক্ষকক আহ্বান জনাই আহিছে যদিও তেওঁলোকৰ কথাতো গুৰুত্ব নিদিয়ে। যিসকল শিক্ষক-কর্মচাৰীয়ে বিদ্যালয়ত মনোযোগ নিদি অন্য কামত ব্যস্ত থাকে সেইসকলৰ দৰমহা কর্তন বা বন্ধ কৰিবৰ বাবে স্থানীয় ৰাইজে দাবী জনাইছে।

প্ৰাক্তন মুখ্যমন্ত্রী তৰুণ গগৈৰ মৃত্যু তিথি

যোৰহাট জিলা কংগ্ৰেছৰ শ্ৰদ্ধাঞ্জলি

দৈনিক অসমৰ প্ৰতিনিধি

যোৰহাট, ২৪ নৱেম্বৰ ঃ অসমৰ ৰাজনৈতিক ইতিহাসৰ বিশিষ্ট ব্যক্তিত্ব, প্ৰাক্তন মুখ্যমন্ত্রী তৰুণ গগৈৰ মৃত্যুতিথি উপলক্ষে কালি যোৰহাট জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। এই উপলক্ষে যোৰহাট জিলা কংগ্ৰেছ কমিটীৰ সভাপতি পুতুল বুঢ়াগোহাঁয়ে প্ৰয়াত নেতাগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি পুষ্পাঞ্জলি অৰ্পণ কৰে। তিতাবৰ ব্লক কংগ্ৰেছ কমিটীৰ উদ্যোগত তিতাবৰস্থিত ৰাজীৰ ভৱনত পৰম্পৰাগত নাম-প্ৰসংগৰে দিনজোৰা কাৰ্যসূচীৰে প্ৰয়াত নেতাগৰাকীৰ মৃত্যুতিথি পালন কৰা হয়। অনুষ্ঠানত যোৰহাট জিলা কংগ্ৰেছ কমিটীৰ সকলো বিষয়ববীয়া, জিলাখনৰ অন্তর্গত বিভিন্ন মণ্ডল কংগ্ৰেছ কমিটীৰ প্ৰতিনিধি তথা কংগ্ৰেছ দলৰ ভাতৃ-ভগ্নী সংগঠনসমূহৰ সভাপতি আৰু বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানত যোৰহাট জিলা কংগ্ৰেছ কমিটী আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ বিষয়ববীয়াসকলৰ লগতে দলৰ বিভিন্ন পর্যায়ৰ নেতা-কর্মীসকল উপস্থিত থাকে। সকলোৱে প্ৰয়াত নেতাগৰাকীৰ কর্মময় জীৱন, ৰাজনৈতিক আদর্শ আৰু অসমৰ প্ৰতি আগবঢ়াই যোৱা অবদান গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰে।

শীঘ্ৰে সুব্যৱস্থাৰ দাবী ৰাইজৰ


বিহপুৰীয়াত ডাকঘৰ স্থানান্তৰক লৈ বয়োজ্যেষ্ঠৰ হাহাকাৰ

দৈনিক অসমৰ প্ৰতিনিধি

বিহপুৰীয়া, ২৪ নৱেম্বৰ ঃ বিহপুৰীয়া নগৰত ডাক বিভাগে ৭০ বছৰ ধৰি ডাকসেৱা প্ৰদান কৰি আহিছে। স্থানীয় ৰাইজৰ সহযোগত ভাৰাঘৰে ভাৰাঘৰে চলি অহা ডাকসেৱাৰ কার্যালয়টোৰ বাবে এটুকুৰা স্থায়ী মাটিৰ আবণ্টন হৈছিল। কিন্তু ভাৰাঘৰৰ মালিকৰ মুনাফা লাভৰ পৰা বঞ্চিত হোৱাৰ আশংকাত ভাৰাঘৰৰ মালিক আৰু ডাক বিভাগৰ পোষ্টমাষ্টৰৰ গোপন মিতিৰালিৰ অংকত উক্ত চৰকাৰী মাটিত গৃহ নির্মাণ নহ'ল। এই লৈ ২০ বছৰৰ পূর্বে পোষ্টমাষ্টৰগৰাকীক প্ৰশ্ন কৰাত বিভাগৰ পৰা পুঁজিৰ আবণ্টন নোপোৱাত ঘৰটো বনাব পৰা নাই বুলি দায়সৰা মন্তব্য কৰি বিষয়টো তল পেলায়।



পৰৱর্তী সময়ত ডাক বিভাগে উক্ত মাটিত গৃহ নির্মাণ কিম্বা কজা নকৰাত সেই মাটি টুকুৰা এতিয়া বেলেগ লোকে দখল কৰা পৰিলক্ষিত হয়। ইফালে পূর্বৰ নগৰ প্ৰাথমিক বিদ্যালয়ৰ সমীপৰ পৰা বিহপুৰীয়া-লালুক সংযোগী পথৰ এটি ভাৰাঘৰলৈ ডাক বিভাগৰ কার্যালয়টো স্থানান্তৰ কৰে। নানা সমস্যাৰ মাজতো ৰাইজে ডাক বিভাগৰ সেৱা উভোগ কৰি থকাৰ মাজতে বিভাগৰ এক অধিসূচনা অনুসৰি বিহপুৰীয়া সমষ্টিৰ আটাইকেইটা গুৰুত্বপূর্ণ স্থানত উপ-ডাকঘৰ খুলি ৰাইজক ডাকসেৱাৰ নিচেই কাষ চপাবলৈ বিভাগ সক্ষম হয়। নিয়মিত ডাকগাড়ীৰ প্ৰৱেশ নঘটা এই কার্যালয়টোৰ প্ৰয়োজনীয় নথিপত্ৰ নিতৌ ডাকোৱালে নাৰায়ণপুৰ ডাকঘৰৰ পৰা সংগ্ৰহ কৰি আহিব লাগে। প্ৰয়োজনীয় কর্মচাৰীৰ অভাৱে সাধাৰণ গ্ৰাহকক জলাকলা খুৱাই আহিছে। নিতৌ পুৱা ১০ বজাৰ পাছত মূল দুৱাৰৰ তলা খুলি দুই বজাত সামৰণি মাৰি কর্মচাৰীকেইজন ঘৰমুৱা হয়। এনে কিছু সমস্যাৰ মাজতে বিভাগে পুৰণা ভাৰাঘৰটো এৰি এইবাৰ বিহপুৰীয়াৰ ইণ্ডিয়ান অইলৰ তেল ডিপোৰ সম্মুখত তিনিমহলীয়া গৃহৰ ওপৰ মহললৈ ডাকঘৰটো স্থানান্তৰ কৰিলে। ফলত তিনিটা মহলাৰ চিৰি বগাই ডাকঘৰলৈ যোৱা বয়োজ্যেষ্ঠ ব্যক্তিসকল হাৱাশাস্তিৰ সন্মুখীন হৈছে। বর্তমানৰ পোষ্টমাষ্টৰ ওপৰত ঘৰভাৰাৰ অনুমোদন নিদিয়াত গ্ৰাউণ্ড ফ্লৰত পাঁচ হাজাৰ টকাত কোনো কোঠা ভাৰালৈ নোপোৱাত আৰু আগৰ ভাৰাঘৰটো মালিকে মেৰামতিৰ নামত খালী কৰাৰ নির্দেশ দিয়াৰ বাবে ততাতৈয়াকৈ এটা গৃহৰ ওপৰ মহলত কার্যালয়টো চলাই থকা হৈছেবুলি জানিবলৈ দিয়ে। বয়োজ্যেষ্ঠসকলৰ সুবিধাৰ বাবে উক্ত গৃহত লিফটৰ ব্যৱস্থা নতুবা ডাকঘৰটো অনতিপলমে তলৰ মহলৰ কোনোবা গৃহলৈ স্থানান্তৰ কৰি ৰাইজক সকাহ দিবৰ বাবে দাবী জনাইছে।



খুমটাইত আদর্শ অংগনৰাড়ী কেন্দ্ৰ উদ্বোধন

দৈনিক অসমৰ প্ৰতিনিধি

খুমটাই, ২৪ নৱেম্বৰ ঃ সমাজ কল্যাণ বিভাগৰ সংহত শিশু বিকাশ কল্যাণ আঁচনিৰ অধীনত খুমটাই গাঁও পঞ্চায়তৰ অন্তর্গত আঁঠুকচাচুকত নৱনির্মিত খুমটাই ন গাঁও (বি) আদর্শ অংগনৰাড়ী কেন্দ্ৰ কালি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে স্থানীয় বিধায়ক মৃণাল শইকীয়াই। ৭নং খুমটাই জিলা পৰিষদৰ সদস্য মুনীন্দ্ৰ মোহন গগৈয়ে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত গোলাঘাট কেন্দ্ৰীয় সংহত শিশু উন্নয়ন প্ৰকল্পৰ মুখ্য সেৰিকা জনতা চাংমাই, বিজেপিৰ খুমটাইৰ শক্তি কেন্দ্ৰৰ পৰিচালক বিপ্লৱ শইকীয়া, মণ্ডল আৰু বুথ কমিটীৰ সদস্য-সদস্যা আৰু মাতৃগোটৰ সদস্যাসকলৰ লগতে অংগনৰাড়ী কর্মী-সহায়িকা আৰু স্থানীয় ভালেসংখ্যক লোক উপস্থিত থাকে।

শ্ৰীনাথ দেৱগোস্বামী স্মাৰক বক্তৃতানুষ্ঠানৰ আয়োজন

দৈনিক অসমৰ প্ৰতিনিধি

পুলিবৰ (যোৰহাট), ২৪ নৱেম্বৰ ঃ কৃতী শিক্ষক, বিশিষ্ট সাহিত্যিক, শাস্ত্ৰজ্ঞ পণ্ডিত শ্ৰীশ্ৰী মধুমিশ্ৰ সত্ৰৰ বৈকুণ্ঠগামী সত্ৰাধিকাৰ শ্ৰীনাথ দেৱগোস্বামীৰ স্মাৰক বক্তৃতা প্ৰদান অনুষ্ঠানটি ২৯ নৱেম্বৰত মহাপুৰুষ শংকৰদেৱে কলা-কৃষ্টি গৱেষণা কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। 'বিশ্বমানসত অনন্ত সত্তাৰ ধাৰণা' শীৰ্ষক বিষয়ত এই বক্তৃতা প্ৰদান কৰিব বিশিষ্ট নিবন্ধকাৰ ডাঃ অজিত বৰুৱাই। গ্ৰন্থ প্ৰকাশক জ্যোতিপ্ৰসাদ বৰকটকীৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানটোতে যোৰহাটৰ দুজন বিশিষ্ট শিক্ষাগুৰু নাজিমুদ্দিন খনিকৰ আৰু বীণাপাণি শইকীয়াক শৈক্ষিক ন্যাসৰ তৰফৰ পৰা সম্বর্দ্ধনা জনোৱা হ'ব। অনুষ্ঠানটোতে প্ৰয়াত গোস্বামীদেৱে জন্মলগ্নৰ পৰা জড়িত থকা বিদ্যালয়কেইখনৰ পৰা যোৱা বর্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সর্বোচ্চ নম্বৰপ্ৰাপ্ত কৃতী শিক্ষার্থীক মেধাবৃত্তি প্ৰদান কৰা হ'ব। শৈক্ষিক ন্যাসৰ হৈ ত্ৰৈলোক্য শর্মা আৰু বাসৰ গোস্বামীয়ে উক্ত অনুষ্ঠানটোত শুভাকাংক্ষী ৰাইজৰ উপস্থিতি কামনা কৰিছে।

ভগামুখত ৰাষ্ট্ৰভাষা বিদ্যালয় মুকলি

দৈনিক অসমৰ প্ৰতিনিধি

জাঁজী, ২৪ নৱেম্বৰ ঃ যোৰহাট জিলাৰ টীয়ক শিক্ষা খণ্ডৰ অন্তর্গত ভগামুখত ৰাষ্ট্ৰভাষা হিন্দী শিক্ষাৰ এখন বিদ্যালয় ২২ নৱেম্বৰত মুকলি কৰা হয়। ৰাষ্ট্ৰ ভাষা প্ৰচাৰ সমিতিৰ ৰাৰ্ধা, মহাৰাষ্ট্ৰৰ অধীনত স্থাপন হোৱা এই বিদ্যালয়খন ক্ৰমে প্ৰাথমিক, প্ৰাৰম্ভিক, প্ৰৱেশ, পৰিচয় আৰু কোবিদ শ্ৰেণীৰ শিক্ষাদান কৰা হ'ব। এই উদ্দেশ্যে এগছি বস্তি প্ৰজ্বলনেৰে বিদ্যালয় দ্বাৰ উন্মোচন কৰে ভগামুখ আদর্শ বিদ্যা মন্দিৰৰ অধ্যক্ষ ৰবীন চন্দ্ৰ হাজৰিকাই। উন্মোচনী ভাষণত হাজৰিকাই হিন্দী শিক্ষাৰ ক্ষেত্ৰত এনে পদক্ষেপ লোৱাৰ বাবে উদ্যোক্তা সাৰিত্ৰী দত্ত গগৈ আৰু ৰুণজুন ৰৌমুৰীয়া শইকীয়াৰ শলাগ লয়। অনুষ্ঠানত হিন্দী শিক্ষাৰ প্ৰয়োজনীয়তা, ছাত্ৰ-ছাত্ৰীসকলে পাব পৰা জ্ঞান আৰু ভৱিষ্যতৰ কর্মসংস্থাপন সম্পর্কে বিশেষ ভাষণ দিয়ে মাজনৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক ললিত চন্দ্ৰ গগৈয়ে। সভাত সাংবাদিক গকুল চন্দ্ৰ বৰাই বক্তব্য আগবঢ়াই বিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰে। সাৰিত্ৰী দত্ত গগৈয়ে আঁত ধৰা সভাখনত বহুসংখ্যক ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাৰিকা উপস্থিত থকাৰ লগতে স্থানীয় শুভাকাংক্ষী যুবক সঞ্জীৰ বৰুৱা, সৌৰভ ৰাজগুৰু, বিদ্যুৎ বিকাশ বৰা, শিল্পীশিখা বৰা, বনশ্ৰী গগৈ আৰু অন্যান্য লোক উপস্থিত থাকে।



চাহ জনজাতি জাতীয় সন্মিলনীৰ প্ৰতিষ্ঠা দিৱস

লক্ষেশ্বৰ তাঁতীক সম্বর্দ্ধনা

দৈনিক অসমৰ প্ৰতিনিধি

মৰাণ, ২৪ নৱেম্বৰ ঃ চাহ জনগোষ্ঠীৰ শ্ৰমিক সমাজৰ সেৰাত দীর্ঘদিন ধৰি নিষ্ঠা, সততা আৰু দায়বদ্ধতাৰে আগবঢ়াই অহা বিশিষ্ট শ্ৰমিক নেতা লক্ষেশ্বৰ তাঁতীক চাহ জনজাতি জাতীয় সন্মিলনী, অসমে বিশেষভাৱে সম্বর্দ্ধনা জনায়। ডিব্রুগড় জিলাৰ বগপৰা চাহ বাগিচাৰ কৰমা ভৱনত অনুষ্ঠিত সন্মিলনীৰ পঞ্চম বার্ষিক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ বর্ণাঢ্য কার্যসূচীত কেইবাহাজাৰ লোকৰ উপস্থিতিত এই সন্মান প্ৰদান কৰা হয়। সন্মিলনীৰ ৰাজ্যিক সভাপতি ডঃ ভগীৰথ কৰণৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত অসম চাহ মজদুৰ সংঘৰ ৰাজ্যিক সভাপতি পৰন সিং ঘাটোৱাৰ, সাধাৰণ সম্পাদক বিধায়ক ৰূপেশ গোৱালা, সাংসদ কামাখ্যা তাছা, আটছাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক সুনীল তিৰ্কী, সন্মিলনীৰ সাধাৰণ সম্পাদক নবীন চন্দ্ৰ কেওট, চাহ জনগোষ্ঠী সাহিত্য সভাৰ প্ৰধান সম্পাদক সঞ্জীৰ কৈৰী, আটছাৰ কেন্দ্ৰীয় উপ-সভাপতি লাজাৰ নন্দকে ধৰি চাহ জনগোষ্ঠীৰ বিভিন্ন সংগঠনৰ শীর্ষ নেতৃত্ব উপস্থিত থাকে। উল্লেখ্য যে ছাত্ৰাৱস্থাৰ পৰাই চাহ শ্ৰমিক সমাজৰ হকে কাম কৰি অহা প্ৰাক্তন আটছা নেতা তথা অসম চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় কোষাধ্যক্ষ আৰু মৰাণ শাখাৰ জ্যেষ্ঠ সম্পাদক লক্ষেশ্বৰ তাঁতীৰ দীর্



নীৱেন বৰুৱা সোঁৱৰণী কবিতা আবৃত্তি প্ৰতিযোগিতা

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ নিউ আৰ্ট প্লেয়ার্ছ সাংস্কৃতিক প্ৰকল্পৰ প্ৰেক্ষাগৃহত আজি 'নীৱেন বৰুৱা সোঁৱৰণী আবৃত্তি প্ৰতিযোগিতা' অনুষ্ঠিত হয়। প্ৰতিযোগিতাত মুঠ ২৯ গৰাকী আবৃত্তিকাৰে অংশগ্ৰহণ কৰে। উদ্বোধনী অনুষ্ঠানত সাধাৰণ সম্পাদক ৰথীন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্যই উপস্থিত অভ্যাগতসকলক আদৰণি জনায় আৰু সুনয়না গোস্বামী শৰ্মাই মঙ্গলাচৰণ পৰিৱেশন কৰে। অনুষ্ঠানত প্ৰয়াত নীৱেন বৰুৱাৰ আজিৰ দিনটোতে পৰা জন্মদিন উপলক্ষে সংঘৰ সদস্য নৱজ্যোতি কলিতাই নিৰ্মাণ কৰা দৃশ্য-শ্ৰাব্য ভিডিঅ' প্ৰদৰ্শনৰ জৰিয়তে তেওঁলৈ বিশেষভাৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। আবৃত্তি প্ৰতিযোগিতাত প্ৰথম পু�ৰস্কাৰ লাভ কৰে কস্তুৰীমা দাস, দ্বিতীয় পুৰস্কাৰ ঝুনাকংকন ভূঞা আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে জুহিতা কলিতাই। লগতে মনীষা কলিতা, কৰবী শইকীয়া, উপাসনা মহন্ত আৰু প্ৰজ্ঞানজ্যোতি ভূঞাক বিচাৰকৰ বিশেষ প্ৰশংসিত প্ৰতিযোগী হিচাপে সন্মানিত কৰা হয়।

উত্তৰ গুৱাহাটী কবি সন্মিলনৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস

গীত, কবিতা-কথাৰে জীপাল আউনীআটী সত্ৰৰ বাকৰি

দৈনিক অসমৰ প্ৰতিনিধি

উত্তৰ গুৱাহাটী, ২৪ নৱেম্বৰ ঃ উত্তৰ গুৱাহাটী কবি সন্মিলনৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস যোৱা ২২ নৱেম্বৰত শ্ৰীশ্ৰী আউনীআটী সত্ৰ, উত্তৰ গুৱাহাটী শাখাৰ ঐতিহ্য ভৱনত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে বৰগীত পৰিৱেশন কৰে আউনীআটী সত্ৰৰ ভকত-বৈষ্ণৱ উদ্ধাৰ কলিতাই। উত্তৰ গুৱাহাটী কবি সন্মিলনৰ সভাপতি অৰূপ ধৰ বৰুৱাই সঞ্চালনা কৰা সভাত আদৰণী ভাষণ আৰু বছৰেকীয়া প্ৰতিবেদন পাঠ কৰে উত্তৰ গুৱাহাটী কবি সন্মিলনৰ সাধাৰণ সম্পাদিকা জয়শ্ৰী শৰ্মা ভট্টাচাৰ্যই। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী ধীৰেশ্বৰ বড়োৱে পৰিচালনা কৰা সমৰেত সংগীত পৰিৱেশন কৰে উত্তৰ গুৱাহাটী কবি সন্মিলনৰ শিল্পীসকলে। উত্তৰ গুৱাহাটীৰ কবি উষা দেৱীয়ে আঁতধৰা সভাত নৃত্যশিল্পী দৃষ্টিমণি হালৈ, অভিনন্দা কলিতা আৰু উত্তৰ গুৱাহাটী কবি সন্মিলনৰ সদস্য গংগা ভৰালীয়ে নৃত্য প্ৰদৰ্শন কৰি উপস্থিত সকলোকে আপ্লুত কৰে। অনুষ্ঠানত কেইবাজনো বিশিষ্ট ব্যক্তিক বিশেষভাৱে সম্বৰ্দ্ধনা জনোৱা হয়। অনুষ্ঠানত উত্তৰ গুৱাহাটী কবি সন্মিলনৰ সভাপতি অৰূপ ধৰ বৰুৱাই সম্পাদনা কৰা 'কবিৰ অনুভৱ কবিতাৰ মায়া' শীৰ্ষক এখন পুস্তিকা উন্মোচন কৰা হয়।

■ ৰাণী-মাইৰাং, সৰুপানী-বগডোবা পথ ছানি ধৰিছে হাবি-জংঘলে ■

কুম্ভকৰ্ণ নিদ্ৰাত পথ নিৰ্মাণ বিভাগৰ কৰ্মচাৰী

দৈনিক অসমৰ প্ৰতিনিধি

ৰাণী, ২৪ নৱেম্বৰ ঃ অসম-মেঘালয় আন্তঃৰাজ্যিক সংযোগী ৰাণী-মাইৰাং পথ আৰু চানডুবিলৈ যোৱা সৰুপানী-বগডোবা পথৰ দুয়োপাৰ হাবি-জংঘলে আৱৰি ধৰাত এতিয়া আহল-বহল পথছোৱা লুংলুঙীয়া পথক পৰিণত হৈছে। বিশেষকৈ বেলগুৰিৰ পৰা আন্তঃৰাজ্যিক সীমান্তৰ শুকুৰবৰীয়া আৰু সৰুপানী-বগডোবা পথৰ ঠায়ে ঠায়ে বাঢ়ি অহা এই জোপোহা গছবোৰৰ বাবে এতিয়া সাধাৰণ পথচাৰী, চাইকেল, বাইক আৰোহীকে ধৰি যান-বাহন চলাচলৰ ক্ষেত্ৰত যথেষ্ট অসুবিধা সৃষ্টি হোৱা দেখা গৈছে। এই জোপোহাবোৰ পথৰ ফালে বাঢ়ি অহাত বিপৰীত দিশৰ পৰা অহা যান-বাহনক বাট এৰি দিয়াৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। বৰ্তমান এই পথকেইটাৰে মেঘালয়লৈ দিনে-নিশাই একাধিক সৰু-বৰ মালবাহী বাহন চলাচল কৰে। তেনেক্ষেত্ৰত চাইকেল, বাইক আৰোহীসকলে সেই যান-বাহনসমূহক বাট এৰি দিয়াৰ সময়ত অধিক অসুবিধা সন্মুখীন হয়। তদুপৰি নিশাৰ ভাগত চলাচল কৰা যান-বাহনৰ তীব্ৰ পোহৰে সাধাৰণ পথচাৰী, চাইকেল, বাইক আৰোহীৰ বাবে পথছোৱা অধিক বিপজ্জনক কৰি তোলে। ইপিনে এই পথ এলেকাসমূহ বন্যহস্তী চলাচলৰো মুখ্য ক'ৰিডৰ। তেনেক্ষেত্ৰত সন্ধিয়া জোপোহাৰ কাষত বন্যহস্তী থিয় হৈ থাকিলেও পথচাৰীসকলে চকুত নপৰে। ইতিমধ্যে নিশাৰ ভাগত বহু লোক বন্যহস্তী আৰু বিপৰীতমুখী যান-বাহনৰ তীব্ৰ পোহৰত দুৰ্ঘটনাৰ সন্মুখীন হোৱাৰ পৰা কোনোমতে ৰক্ষা পৰিছে। অতি দুৰ্ভাগ্যজনক কথাটো হ'ল হাবি-জংঘলে পথৰ আধালৈকে বাঢ়ি আহি বিপজ্জনক ৰূপ লোৱাৰ সময়তো কুম্ভকৰ্ণ নিদ্ৰা ভংগ হোৱা নাই লোক নিৰ্মাণ বিভাগৰ । বিভিন্ন পথচাৰীয়ে অভিযোগ কৰা অনুসৰি খৰালিকালতহে শ্ৰমিকসকলে পথছোৱাৰ হাবি-জংঘল চাফা কৰি থকা দেখিবলৈ পাওঁ। কিন্তু বাৰিষা বন্যহস্তীৰ অধিক বিচৰণ ঘটাৰ সময়তো পথছোৱাৰ মাজলৈকে বাঢ়ি অহা হাবি-জংঘল চাফা কৰিবলৈ বিভাগীয়ভাৱে ব্যৱস্থা গ্ৰহণ নকৰাত উপায়হীন হৈ জয়পুৰ গাঁৱৰ একাংশ লোক ওলাই আহি পথটোৰ মাজলৈকে বাঢ়ি অহা ওখ ওখ হাবিৰ জোপোহাবোৰ চাফা কৰিবলগীয়া হৈছে।



এন এফ আৰ ই ইউৰ দুই প্ৰভাৱশালী নেতাৰ পি এছ আৰ কে এছত যোগদান



দৈনিক অসমৰ প্ৰতিনিধি

উত্তৰ গুৱাহাটী, ২৪ নৱেম্বৰ ঃ উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ শ্ৰমিক সংগঠনৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ সাংগঠনিক পৰিৱৰ্তনৰ সূচনা কৰি এন এফ ৰে'লৰে এমপ্লয়ীজ ইউনিয়নৰ কেন্দ্ৰীয় কমিটীৰ সাংগঠনিক সম্পাদক টংকেশ্বৰ বৈশ্য আৰু শেহতীয়াকৈ সাংগঠনিক সম্পাদকৰ পদৰ পৰা পদত্যাগ কৰা শ্ৰমিক নেতা শ্যামল কান্তি দাসে ২৩ নৱেম্বৰত পূৰ্বোত্তৰ সীমান্ত ৰে'ল কৰ্মচাৰী সংঘত আনুষ্ঠানিকভাৱে যোগদান কৰে। দুই নেতাই পূৰ্বোত্তৰ সীমান্ত ৰে'ল কৰ্মচাৰী সংঘৰ সভাপতি জিতু হাজৰিকা আৰু সাধাৰণ সম্পাদক হৰিশ ভূঞাৰ উপস্থিতিত সংগঠনটোত যোগদান কৰি ভাৰতীয় ৰে'লৰে মজদুৰ সংঘৰ নীতি, আদৰ্শ আৰু ৰাষ্ট্ৰবাদী শ্ৰমিক আন্দোলনৰ প্ৰতি আস্থা প্ৰকাশ কৰে। সংগঠনটোৰ নেতৃত্বই আশা প্ৰকাশ কৰে যে নতুনকৈ যোগদান কৰা দুই অভিজ্ঞ নেতাৰ নেতৃত্বৰ দক্ষতা, সাংগঠনিক অভিজ্ঞতা আৰু সক্ৰিয় সহযোগিতাই আগন্তুক দিনত সংঘটোক অধিক শক্তিশালী কৰি তুলিব।

অসম দৰ্শন আঁচনিৰ অধীনত ৩ লাখ টকাৰ অনুদান

বি আৰ ফুকন পথৰ প্ৰগতি নামঘৰৰ নৱীকৰণ সম্পূৰ্ণ

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ 'অসম দৰ্শন'ৰ অধীনত অনুমোদিত ৩ লাখ টকাৰ আৰ্থিক অনুদানেৰে গুৱাহাটী মহানগৰীৰ বি আৰ ফুকন পথৰ প্ৰগতি নামঘৰৰ নৱীকৰণৰ কাম সফলতাৰে সম্পূৰ্ণ হৈ উঠিছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মধ্য গুৱাহাটী সমষ্টিৰ বিধায়ক বিজয় কুমাৰ গুপ্তা আৰু ১৫ নং ৱাৰ্ডৰ পাৰিষদ সৌৰভ ঝুনঝুনৱালা উপস্থিত থাকে। নামঘৰটোৰ নৱীকৰণৰ কাম সফলতাৰে সম্পন্ন হোৱাৰ ফলত ভক্তপ্ৰাণ ৰাইজ আৰু স্থানীয় বাসিন্দাসকলে উন্নত সা-সুবিধা লাভ কৰিবলৈ সক্ষম হ'ব। ইয়াৰ জৰিয়তে প্ৰগতি নামঘৰে ভৱিষ্যতেও ভক্তি, সাংস্কৃতিক মূল্যবোধ আৰু সামাজিক একতাৰ এক অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে সেৱা আগবঢ়াই যাব বুলি স্থানীয় ৰাইজে আশা প্ৰকাশ কৰিছে।

দ্বাৰকানগৰ অংগনৱাড়ী কেন্দ্ৰত সজাগতা অনুষ্ঠান

দৈনিক অসমৰ প্ৰতিনিধি

জালুকবাৰী, ২৪ নৱেম্বৰ ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি কোষৰ উদ্যোগত আজি গুৱাহাটীৰ দ্বাৰকানগৰস্থিত অংগনৱাড়ী কেন্দ্ৰত শিশুসকলৰ সৰ্বাংগীণ বিকাশৰ লক্ষ্যৰে এক প্ৰসাৰমূলক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিশ্ববিদ্যালয় শ্ৰেণীসমূহৰ সচিব তথা এন এছ এছ কোষৰ কাৰ্যসূচী সমন্বয়ক ডঃ ৰঞ্জন কুমাৰ কাকতিৰ তত্ত্বাৱধানত এই কাৰ্যসূচীৰ আয়োজন কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে দিছপুৰ মহাবিদ্যালয়ৰ এন এছ এছ স্বেচ্ছাসেৱিকা হিমাশ্ৰী কাশ্যপ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ হিমাক্ষী চৌধুৰীয়ে নৃত্য আৰু সংগীতৰ জৰিয়তে শিশুসকলৰ সৈতে মত-বিনিময় আৰু আনন্দময় কাৰ্যকলাপত অংশগ্ৰহণ কৰে। তদুপৰি, শিশুসকলৰ মাজত এখন চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হয় আৰু প্ৰতিযোগিতাত শ্ৰেষ্ঠ প্ৰদৰ্শন কৰা চাৰিগৰাকী বিজয়ীক পু�ৰস্কাৰ প্ৰদান কৰা হয়। অংগনৱাড়ী কেন্দ্ৰৰ বিনীতা কলিতা আৰু মীনাক্ষি কলিতাই কাৰ্যসূচীটো সফলভাৱে সম্পন্ন কৰাত সহযোগিতা আগবঢ়ায়।

ৰামায়ণ সম্পৰ্কীয় গ্ৰন্থ উন্মোচন

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ ৰূপনগৰ শতদল শাখা সাহিত্য সভাৰ সাহিত্য ভৱনত ভাষা প্ৰকাশনৰ সহযোগত আজি বিয়লি আয়োজিত এক সভাত ৰামায়ণী সাহিত্যৰ চৰ্চাকাৰ জ্যোতি প্ৰকাশ মহন্তৰ 'শংকৰদেৱৰ উত্তৰাকাণ্ড আৰু বাল্মীকিৰ উত্তৰকাণ্ড ৰামায়ণৰ কথাৰূপসম্মত অধ্যয়ন' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই আশা প্ৰকাশ কৰে যে গ্ৰন্থখনে শংকৰীয় সাহিত্যৰ সুবিশাল ক্ষেত্ৰখনলৈ ইতিবাচক তথা সুস্থ চিন্তা-চৰ্চাৰ মাধ্যমেৰে তুলনামূলক অধ্যয়নৰ নৱৰূপ বাট মুকলি কৰিবলৈ সক্ষম হ'ব। মহাপুৰুষীয়া সাহিত্যৰ বিশিষ্ট চিন্তাবিদ, গৱেষক ডঃ দয়ানন্দ পাঠকে গ্ৰন্থখনিৰ চমু পৰ্যালোচনা আগবঢ়াই কয়— গ্ৰন্থকাৰে ব্যতিক্ৰমী চিন্তাৰে দুয়োখন ৰামায়ণৰ সমীক্ষাত্মক আলোচনা বিজ্ঞানসম্মত তথ্যনিষ্ঠতাৰে সামৰিবলৈ প্ৰয়াস কৰি, অসমীয়া সাহিত্যলৈ বিশিষ্টৰূপৰ এক অৱদান আগবঢ়াই দিছে। আন এগৰাকী বক্তা বিশিষ্ট আলোচক মুকুট শৰ্মাই গ্ৰন্থখনি অসমীয়া ৰামায়ণী সাহিত্য চৰ্চাৰ ক্ষেত্ৰখনত এক মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'ব বুলি মত প্ৰকাশ কৰে। ৰূপনগৰ শ্ৰীমন্তপুৰ বিৰুৱাৰী জ্যেষ্ঠ নাগৰিক সংস্থাৰ প্ৰাক্তন সভাপতি ৰজনীকান্ত শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনিত গ্ৰন্থকাৰ জ্যোতি প্ৰকাশ মহন্তই বাল্মীকি ৰামায়ণৰ কথকতা সন্দৰ্ভত চমু বক্তব্য প্ৰদান কৰে। গুৱাহাটী মহাবিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ দীনেশ কাকতীয়ে আঁত ধৰা সভাখনিক বিকালি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক এম গোপাল সিং আৰু নীহাৰেন্দ্ৰ চৌধুৰী আদিসকলেও বক্তব্য আগবঢ়ায়। ৰূপনগৰ শতদল শাখা সাহিত্য সভাৰ সম্পাদক অনিল গোস্বামীয়ে শলাগনি বক্তব্য প্ৰদান কৰাৰ পাছত ভামিনী দাস, সবিতা দাস, মঞ্জুশ্ৰী দত্তবৰুৱা আদিসকলৰ অসম সংগীত পৰিৱেশনেৰে সভাৰ সামৰণি পৰে।

ক্ষিতীন্দ্ৰ কলিতা সোঁৱৰণী চিত্ৰাংকন প্ৰতিযোগিতা সম্পন্ন

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ গুৱাহাটীৰ লতাশিলস্থিত বিষ্ণু-নিৰ্মলা ভৱন প্ৰেক্ষাগৃহত ১৫ সংখ্যক ক্ষিতীন্দ্ৰ কলিতা সোঁৱৰণী চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাখন তিনিটা শাখাত অনুষ্ঠিত হয়। 'এ' শাখাত প্ৰি-নাৰ্ছাৰী, নাৰ্ছাৰী আৰু কিণ্ডাৰগাৰ্টেন, 'বি' শাখাত প্ৰথমৰ পৰা পঞ্চম শ্ৰেণী আৰু 'চি' শাখাত ষষ্ঠৰ পৰা দশম শ্ৰেণীলৈ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। প্ৰতিটো শাখাতে প্ৰথমৰ পৰা দশম স্থানলৈ মুঠ ৩০গৰাকী প্ৰতিযোগীক পু�ৰস্কৃত কৰা হয়। আৰম্ভণিতে প্ৰয়াত ক্ষিতীন্দ্ৰ কলিতাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলিৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। চিত্ৰাংকন প্ৰতিযোগিতাৰ বিচাৰকৰ দায়িত্ব পালন কৰে চিত্ৰশিল্পী সংগ্ৰামজ্যোতি চৌধুৰীয়ে। অনুষ্ঠানত যুৱশিল্পী হৃদয়েশা কাশ্যপৰ দ্বাৰা এখন বিশেষ চিত্ৰ প্ৰদৰ্শনীৰো আয়োজন কৰা হয়।

হিন্দু যুৱ-ছাত্ৰৰ লাচিত দিৱস উদ্‌যাপন

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ হিন্দু যুৱ-ছাত্ৰ পৰিষদ, অসমৰ উদ্যোগত আজি দিছপুৰত লাচিত দিৱস উদ্‌যাপন কৰা হয়। সাংবাদিক নিৰ্মলেশ্বৰ গোস্বামীৰ সঞ্চালনাত অনুষ্ঠিত হোৱা মুকলি সভাত হিন্দু যুৱ-ছাত্ৰ পৰিষদ, অসমৰ মুখ্য উপদেষ্টা বলেন বৈশ্য, সাংবাদিক বিশ্বজিত নাথ, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ কাৰ্যকৰ্তা জয়ন্ত কুমাৰ শৰ্মা, বিপিন বিহাৰী কলিতা আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ একালৰ প্ৰচাৰক মহেশ ডুবেও ভাষণ দিয়ে।

অসম জাতীয় বিদ্যালয়ত লাচিত দিৱস

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ অসম জাতীয় বিদ্যালয় প্ৰাংগনত আজি 'লাচিত দিৱস' উপলক্ষে দিনৰ ২ বজাৰ পৰা আয়োজন কৰা হয় কাৰ্যসূচীৰ। এই অনুষ্ঠানৰ আৰম্ভণিতে অসম জাতীয় বিদ্যালয় পৰিচালনা সমিতিৰ সচিব ডাঃ নাৰায়ণ শৰ্মা, অধ্যক্ষ ঘনশ্যাম মেধি আৰু শৈক্ষিক বিষয়া ৰোহিনী কুমাৰ গোস্বামীয়ে বীৰ লাচিতৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বিদ্যালয়ৰ উপাধ্যক্ষ পংকজ দত্তই আদৰণী ভাষণত শিক্ষাৰ্থীসকলক লাচিত বৰফুকনৰ অতুলনীয় বীৰত্ব, অসীম সাহস, কৰ্তব্যনিষ্ঠা আৰু সন্মুখৰ পৰা নেতৃত্ব দিব পৰা গুণেৰে অনুপ্ৰাণিত হৈ কৰ্মত ব্ৰতী হ'বলৈ আহ্বান জনায়। আজিৰ এই অনুষ্ঠানত নৱম শ্ৰেণীৰ শিক্ষাৰ্থী নৈঋত নিৰ্যাসে 'লাচিত দিবস'ৰ তাৎপৰ্য ব্যাখ্যা কৰে।





লাচিত সংঘত লাচিত দিৱস

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ গুৱাহাটী লাচিত সংঘৰ উদ্যোগত আজি সংঘৰ প্ৰাংগনত এদিনীয়া কাৰ্যসূচীৰে লাচিত দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে পুৱা লাচিত সংঘৰ পতাকা উত্তোলন কৰে সভাপতি কল্যাণ দত্তই। বীৰ লাচিত বৰফুকনৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে বিশিষ্ট অতিথি ডাঃ নাৰায়ণ শৰ্মা আৰু প্ৰাক্তন মেজৰ জেনেৰেল ভাস্কৰ কলিতা আৰু সংঘৰ সাধাৰণ সম্পাদক মৃণাল পাটোৱাৰীয়ে। দিৱস উপলক্ষে আয়োজিত মুকলি সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে ডাঃ নাৰায়ণ শৰ্মা আৰু মেজৰ জেনেৰেল (অৱসৰপ্ৰাপ্ত) ভাস্কৰ কলিতাই।

টাই আহোম যুৱ পৰিষদ-লাচিত সেনাৰ লাচিত দিৱস

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ টাই আহোম যুৱ পৰিষদ, অসমৰ কেন্দ্ৰীয় সমিতিৰ আহ্বানত টাইপাৰ কামৰূপ জিলা সমিতিৰ উদ্যোগত ফুৱালুং সমাজ আৰু গুৱাহাটীবাসীৰ সহযোগত লাচিত দিৱস পালন কৰা হয়। বিশেষকৈ মহানগৰীৰ দক্ষিণ গাঁৱৰ পৰা জ্যোতি চিত্ৰবনলৈ সাংস্কৃতিক শোভাযাত্ৰা কৰি লাচিত দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। ইপিনে লাচিত সেনাৰ উদ্যোগত আজি লাচিত দিৱস আৰু লাচিত সেনাৰ সপ্তদশ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস উপলক্ষে গুৱাহাটীৰ লাচিতঘাটত ব্ৰহ্মপুত্ৰত বিশাল নৌকা যাত্ৰাৰে লাচিত দিৱস উদ্‌যাপন কৰা হয়। কাৰ্যসূচীত লাচিত সেনাৰ বিষয়ৱবীয়াসকলৰ উপৰি বিভিন্ন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

আজিৰে পৰা ঐতিহ্য সংগ্ৰহালয় মহোৎসৱ-২০২৬

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ সংগ্ৰহালয় সঞ্চালকালয়, অসমে আয়োজন কৰিছে তৃতীয় সংস্কৰণৰ 'ঐতিহ্য— সংগ্ৰহালয় মহোৎসৱ, ২০২৬'। ২৫ নৱেম্বৰত পুৱা ১১-৩০ বজাত গুৱাহাটীৰ অসম ৰাজ্যিক সংগ্ৰহালয়ত এই মহোৎসৱৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হ'ব। অসম চৰকাৰৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ আয়ুক্ত সচিব মানস নাথে মহোৎসৱটি উদ্বোধন কৰিব। উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অসমৰ ৰাজ্যিক নিৰ্বাচন আয়ুক্ত ৰঞ্জন শৰ্মা, পদ্মশ্ৰী হেমপ্ৰভা চুতীয়া, নগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য ডঃ সমুদ্ৰগুপ্ত কাশ্যপ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক অধ্যাপক ৰাজীৱ সন্দিকৈ। মহোৎসৱৰ অন্যতম আকৰ্ষণ হ'ব 'দৃশ্যতে পুনঃ' শীৰ্ষক এখন বিশেষ প্ৰদৰ্শনী। ইয়াৰ লগতে জল ৰঙৰ চিত্ৰ আৰু এন্ড্ৰইডাৰী কৰ্মশালাৰো শুভাৰম্ভ কৰা হ'ব। এই উপলক্ষে মহোৎসৱটিক কেন্দ্ৰ কৰি প্ৰকাশ কৰা এখনি স্মৃতিগ্ৰন্থও উন্মোচন কৰা হ'ব।

কৃষ্ণ নগৰত শ্ৰীশ্ৰী মহাবিষ্ণু যজ্ঞৰ আয়োজন

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ গুৱাহাটীৰ কৃষ্ণনগৰ (জাৰিগোগ)ত অহা ১৮, ১৯, ২০ ফেব্ৰুৱাৰীত শ্ৰীশ্ৰী মহাবিষ্ণু যজ্ঞ অনুষ্ঠিত হ'ব। উক্ত যজ্ঞানুষ্ঠানটো সুকলমে অনুষ্ঠিত কৰাৰ বাবে বিশিষ্ট সংস্কৃত পণ্ডিত ডঃ নৃপেন্দ্ৰ নাথ শৰ্মাক মুখ্য উপদেষ্টা, চন্দ্ৰনাথ বুজৰবৰুৱাক মুখ্য সভাপতি, প্ৰদীপ শৰ্মাক কাৰ্যকৰী সভাপতি, মুকুট কুমাৰ শৰ্মাক মুখ্য সম্পাদক, মাণিক চন্দ্ৰ শৰ্মাক কাৰ্যকৰী সম্পাদক হিচাপে লৈ এখনি ৪৩জনীয়া উদ্‌যাপন সমিতি গঠন কৰা হৈছে। যোৱা ১৫ নৱেম্বৰত বিশিষ্ট ব্যৱসায়ী তথা সমাজকৰ্মী অজিত শৰ্মা বৰুৱাৰ কৰ কমলেৰে অনুষ্ঠিত শ্ৰী গণেশ অনুষ্ঠানৰ দ্বাৰা শ্ৰীশ্ৰী মহাবিষ্ণু যজ্ঞানুষ্ঠানৰ প্ৰস্তুতি আৰম্ভ কৰি ৰাই জৰ সহায়-সহযোগিতা তথা উপস্থিতি শ্ৰদ্ধাৰে কামনা কৰিছে।

শ্ৰী সত্য সাই বাবাৰ ১০১ সংখ্যক জন্ম দিৱস উদ্‌যাপন

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ শ্ৰী সত্য সাই সেৱা সমিতি, গুৱাহাটীৰ উদ্যোগত ২৩ নৱেম্বৰত শ্ৰী সত্য সাই বাবাৰ ১০১ সংখ্যক জন্ম দিৱস গুৱাহাটীৰ যোৰপুখুৰীস্থিত সাধনা নিলয়মত উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি পুৱা ৪-৩০ বজাত ওঁকাৰম, সুপ্ৰভাতম আৰু নগৰ সংকীৰ্তনেৰে এই অনুষ্ঠানৰ আৰম্ভ কৰা হয়। ৯ বজাত পতাকা উত্তোলন কৰে অসম উত্তৰ-পূৰ্বাঞ্চলৰ উপদেষ্টা সত্যেন শৰ্মাই। আবেলি ৪-৩০ বজাত স্বামীৰ জন্মদিনৰ কেক কটা হয়। সাধনা নিলয়ম প্ৰাংগনত ১০১ গছি মাটিৰ চাকি জ্বলাই সম্পূৰ্ণ প্ৰাংগন উজলাই তোলা হয়। ইয়াৰ পাছত ৫ বজাৰ পৰা ৫-৩০ বজালৈ বেদপাঠ আৰু ৫-৩০ বজাৰ পৰা ৭ বজালৈ জন্ম দিৱসৰ বিশেষ ভজন অনুষ্ঠিত কৰা হয়। স্বামীৰ বেদীত আৰতি প্ৰদান কৰে সৌমিত্ৰ শইকীয়া, সত্যেন শৰ্মা, নাৰায়ণ পেগু, গিৰিধৰ তালুকদাৰ, মুনি কৃষ্ণ শৰ্মা, আৰু ৰাজীৱ গোস্বামীয়ে।

গুৰুকুল গ্ৰামাৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ১১০গৰাকী শিক্ষাৰ্থীৰ অংশগ্ৰহণ

আই আই টিত বিজ্ঞানৰ ব্যৱহাৰিক প্ৰদৰ্শনী-মত বিনিময়

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ গুৰুকুল গ্ৰামাৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, গুৱাহাটীৰ দ্বাদশ শ্ৰেণীৰ বিজ্ঞান শাখাৰ ১১০ গৰাকী শিক্ষাৰ্থীয়ে কালি ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (আই আই টি) গুৱাহাটীত উপস্থিত হৈ 'পণ্ডিত হেমচন্দ্ৰ মিছন ফৰ পপুলাৰাইজেচন অব ছায়েন্স এণ্ড আছামিজ কালচাৰ' শীৰ্ষক প্ৰকল্পৰ অধীনত অনুষ্ঠিত এক বিশেষ বিজ্ঞান প্ৰদৰ্শনী আৰু মত-বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰে। আই আই টি গুৱাহাটীৰ আউটৰীচ এডুকেচন শাখাই শিক্ষাৰ্থীসকলৰ বাবে এই ভ্ৰমণৰ আয়োজন কৰে। উল্লেখ্য যে 'পণ্ডিত হেমচন্দ্ৰ মিছন' প্ৰকল্পটো ভাৰতীয় জ্ঞান ব্যৱস্থা কেন্দ্ৰৰ অধীনত ৰূপায়ণ হৈ আছে। অনুষ্ঠানত ডাঃ নৰ গোস্বামী আৰু প্ৰকল্পটোৰ ফেল' তথা কামৰূপ মহানগৰৰ আৱক্ষী আয়ুক্ত ডঃ পাৰ্থ সাৰথি মহন্ত উপস্থিত থাকে। পণ্ডিত হেমচন্দ্ৰ গোস্বামী চেৰিটেবল ফাউণ্ডেচনৰ সদস্যা অঞ্জুলিনা দেৱ চৌধুৰীয়েও অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত শিক্ষাৰ্থীসকলক উদ্দেশ্যি দিয়া ভাষণত ডঃ মহন্তই ক্ৰমান্বয়ে প্ৰতিযোগিতামূলক হৈ অহা বৰ্তমানৰ পৰিৱেশত সফলতা অৰ্জনৰ বাবে কঠোৰ পৰিশ্ৰম, অধ্যৱসায় আৰু একাগ্ৰতাৰ ওপৰত গুৰুত্ব দিয়ে। তেওঁ শিক্ষাৰ্থীসকলক নিজৰ লক্ষ্যত উপনীত হ'বলৈ নিৰন্তৰ প্ৰচেষ্টা চলোৱাৰ লগতে প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ মানসিক দৃঢ়তা গঢ়ি তুলিবলৈ আহ্বান জনায়। প্ৰতিযোগিতা কোনো নতুন ধাৰণা নহয় বুলি উল্লেখ কৰি তেওঁ ৰামায়ণৰ সীতাৰ সয়ম্বৰ অনুষ্ঠানৰ এক আকৰ্ষণীয় উদাহৰণ দাঙি ধৰে। তেওঁ কয় যে

ছিনিয়ৰ মহিলাৰ আন্তঃমাণ্ডলিক টী-২০ ঃ উত্তৰ, দক্ষিণ মণ্ডলৰো অগ্ৰগতি



জেমিমাৰ অৰ্দ্ধশতকেৰে পশ্চিম মণ্ডলৰ সহজ জয়

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ পশ্চিম মণ্ডল মহিলা দলে গুৱাহাটীৰ বৰ্ষাপাৰা এ চি এ ষ্টেডিয়ামত আজিৰে পৰা আৰম্ভ হোৱা ছিনিয়ৰ মহিলাৰ আন্তঃমাণ্ডলিক টী-২০ ট্ৰফী ক্ৰিকেট টুৰ্নামেণ্টত সুন্দৰ আৰম্ভণি কৰিছে। স্মৃতি মান্ধানা নেতৃত্বাধীন পশ্চিম মণ্ডলে পূব মণ্ডল মহিলা দলক ৫ উইকেটত পৰাস্ত কৰে। মেচখনত প্ৰথমে বেট ধৰি পূব মণ্ডলে অসমৰ উমা চেত্ৰীৰ ৫৭ (৪৩ বলত ৭টা চাৰি, এটা ছয়), ৰিচা ঘোষৰ ৪৪ আৰু মিতা পালৰ অপৰাজিত ২৭ ৰানৰ সহায়ত নিৰ্দ্ধাৰিত ২০ অভাৰত ৫ উইকেটত ১৪৯ ৰান কৰে। পশ্চিম মণ্ডলৰ ছাইমা ঠাকুৰ আৰু অনুজা পাটিলে দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত পশ্চিম মণ্ডলে জেমিমা ৰড্ৰিগুৱেজৰ ৫৯, স্মৃতি মান্ধানাৰ ৩৭ আৰু তেজাল হাছাবনিছৰ ২৪ ৰানৰ সহায়ত ১৬.৪ অভাৰত ৫ উইকেটত ১৫০ ৰান কৰি জয়ী হয়। পূব মণ্ডলৰ অনুশ্ৰী সৰকাৰে দুটা, জিন্টিমণি কলিতা, টিতাছ সাধু, পায়েল ভাখাৰিয়াই একোটাকৈ উইকেট লয়। ইফালে বৰ্ষাপাৰাত অনুষ্ঠিত আন এখন মেচত উত্তৰ মণ্ডলে মধ্য মণ্ডলক ৬ উইকেটত পৰাস্ত কৰে। মধ্য মণ্ডলে ১৯.৫ অভাৰত আটাইকেইটা উইকেটত ১৫৫ ৰান কৰাৰ প্ৰত্যুত্তৰত উত্তৰ মণ্ডলে কণিকা আহুজাৰ অপৰাজিত ১০৫ ৰানৰ সহায়ত ৪ উইকেটত ১৫৯ ৰান কৰি জয়ী হয়। উত্তৰ গুৱাহাটীৰ ফুলুংস্থিত এ চি এ একাডেমী গ্ৰাউণ্ডত অনুষ্ঠিত আন এখন খেলত দক্ষিণ মণ্ডলে উত্তৰ-পূব মণ্ডলক ৫৮ ৰানত হৰুৱায়।



৯১ ৰানতে ইনিংছ সামৰিলে বাংলাদেশে

চেঞ্চুৰিয়ন টেষ্টত দক্ষিণ আফ্ৰিকাৰ আধিপত্য

দৈনিক অসমৰ প্ৰতিনিধি

চেঞ্চুৰিয়ন, ২৪ নৱেম্বৰ ঃ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে চেঞ্চুৰিয়নত অনুষ্ঠিত ছিৰিজৰ দ্বিতীয় টেষ্টত বাংলাদেশ প্ৰথম ইনিংছত ৯১ ৰানতে আল আউট হয়। মহফিজুল ইছলামে ২৩, মমিনুল হকে ১৮ আৰু তৌহিদ হৃদয়ে ১৯ ৰান কৰে। বাকী বেটাৰসকল ব্যৰ্থ হয়। দক্ষিণ আফ্ৰিকাৰ হে কাগিছো ৰাবাডা আৰু মাৰ্কো জেনছেনে তিনিটাকৈ উইকেট দখল কৰে। ইফালে ঘৰুৱা দলটোৱে ইনিংছ আৰম্ভ কৰি অধিনায়ক এইডেন মাৰ্কৰামৰ উইকেট আৰম্ভণিতে হেৰুৱায় যদিও মাৰ্কুছ একাৰমেনে ১৫০ ৰানৰ দুৰ্দান্ত ইনিংছ খেলে। ১৩৮টা বলত ২৩টা বাউণ্ডেৰী আৰু চাৰিটা অভাৰ-বাউণ্ডেৰীৰে ইনিংছটো সজায় তেওঁ। দিনান্তত ঘৰুৱা দলটোৱে ৭ উইকেটত ৪৯৪ ৰান কৰে। উয়ান মুল্ডাৰে ১০০ আৰু মাৰ্কো জেনছেনে ৬৭ ৰানৰ ইংনিছ খেলে। এনেদৰে দ্বিতীয় দিনাৰ অন্তত দক্ষিণ আফ্ৰিকাই ৪০৩ ৰানৰ বৃহৎ অগ্ৰগতি লাভ কৰে। আলহী দলটোৰ হে শ্বৰিফুল ইছলাম, খালেদ আহমেদে দুটাকৈ উইকেট লাভ কৰে। উল্লেখ্য যে চলিত টেষ্ট চিৰিজৰ প্ৰথমখনত দক্ষিণ আফ্ৰিকা ৯ উইকেটত সহজে জয়ী হৈছিল।

■ ছৈয়দ মুস্তাক আলী ট্ৰফীত ১৯টা ছিক্সাৰেৰে ৬৮টা বলত ১৮১ ৰান সংগ্ৰহ ■

সংহাৰী ইনিংছেৰে প্ৰিয়াংশৰ অভিলেখ

নতুন দিল্লী, ২৪ নৱেম্বৰ ঃ দিল্লীৰ তাৰকা বেটাৰ প্ৰিয়াংশ আৰ্যই ছৈয়দ মুস্তাক আলী ট্ৰফীৰ আজিৰ মেচত তামিলনাড়ুৰ বিৰুদ্ধে মাত্ৰ ৬৮টা বলতে ১৮১ ৰানৰ সংহাৰী ইনিংছ খেলে। টী-২০ ক্ৰিকেটত এয়া কোনো ভাৰতীয় বেটাৰৰ সৰ্বোচ্চ ব্যক্তিগত স্ক'ৰ। আনহাতে টী-২০ ফৰ্মেটত এয়া হৈছে বিশ্বৰ দ্বিতীয় সৰ্বোচ্চ ব্যক্তিগত স্ক'ৰ। আকৌ অধিনায়ক হিচাপেও এয়া হৈছে সৰ্বোচ্চ ব্যক্তিগত স্ক'ৰৰো অভিলেখ। এইক্ষেত্ৰত তেওঁ এৰন ফিন্সৰ নামত থকা অভিলেখ ভংগ কৰে। ২০১৮ চনত ফিন্সে ১৭২ ৰানৰ ইনিংছ খেলিছিল। সামগ্ৰিকভাৱে টী-২০ ক্ৰিকেটত সৰ্বোচ্চ ব্যক্তিগত স্ক'ৰৰ অভিলেখ আছে দক্ষিণ আফ্ৰিকাৰ লুহান ডি প্ৰ'টোৰিয়ামৰ নামত। টাইটানছ দলৰ হৈ খেলি তেওঁ নাইট্ছৰ বিৰুদ্ধে ৭৯টা বলত ১৮৮ ৰানৰ অপৰাজিত ইনিংছ খেলিছিল। এই তালিকাৰ তৃতীয় স্থানত আছে ৰেষ্ট ইণ্ডিজৰ ক্ৰিছ গেইলে। ৬৬টা বলত ১৭৫ ৰানৰ অপৰাজিত ইনিংছ খেলিছিল ৰেষ্ট ইণ্ডিজৰ বিস্ফোৰক বেটাৰজনে। আজি প্ৰিয়াংশৰ সংহাৰী ইনিংছৰ জৰিয়তে দিল্লীয়ে ২০ অভাৰত ৫ উইকেটত ২৭৫ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত তামিলনাড়ুৰে ১৫৯ ৰানতে অল আউট হয়। এনেদৰে দিল্লী ১১৬ ৰানত জয়ী হয়। ইফালে প্ৰিয়াংশে আজিৰ ইনিংছটোত ৭টা বাউণ্ডেৰী আৰু ১৯টা অভাৰ-বাউণ্ডেৰী কোবায়। ষ্ট্ৰাইক ৰেট ২৬৬.১৮। কোনো ভাৰতীয় বেটাৰৰ সৰ্বোচ্চ টী-২০ স্ক'ৰৰ ক্ষেত্ৰত প্ৰিয়াংশই কে এল ৰাহুলৰ অভিলেখ ভংগ কৰে। ৰাহুলে বিগত আই পি এলত ১৫২ ৰানৰ মাৰাথন ইনিংছ খেলিছিল। আনহাতে ছৈয়দ মুস্তাক আলী ট্ৰফীত সৰ্বোচ্চ ব্যক্তিগত স্ক'ৰ ইয়াৰ পূৰ্বে আছিল তিলক বাৰ্মাৰ নামত। ২০২৪ চনত তেওঁ মেঘালয়ৰ বিৰুদ্ধে ৬৭টা বলত ১৫১ ৰান কৰিছিল। ১৪৮ ৰানেৰে অভিষেক শৰ্মা তালিকাৰ তৃতীয় স্থানত আছে। আনহাতে চলিত ছিজনত মধ্য প্ৰদেশৰ অধিনায়ক ৰজত পাটীদাৰে অসমৰ বিৰুদ্ধে ৪৮টা বলত ১৩৫ ৰান কৰিছিল। সেই অভিলেখক আজি প্ৰিয়াংশই ভংগ কৰে। মুস্তাক আলী ট্ৰফী আৰু ভাৰতৰ ঘৰুৱা টী-২০ ক্ৰিকেট সৰ্বাধিক ১৯টা ছিক্সাৰেৰে আজি অভিলেখ গঢ়ে প্ৰিয়াংশে। তেওঁৰ পূৰ্বে পুনীত বিস্তে ১৭টা ছিক্সাৰ কোবাইছিল।





ড'নাল্ডৰ বিস্ফোৰক ইনিংছ

দ্বিতীয় টী-২০ত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ৮ উইকেটত জয় ইংলেণ্ডৰ

পাৰ্থ, ২৪ নৱেম্বৰ ঃ টী-২০ ছিৰিজৰ দ্বিতীয়খন মেচত আজি অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ইংলেণ্ড ৮ উইকেটত জয়ী হয়। প্ৰথমে বেটিং কৰি অষ্ট্ৰেলিয়াই ২০ অভাৰত ৮ উইকেটত ১৮৪ ৰান সংগ্ৰহ কৰে। দলৰ হৈ নিখিল চৌধাৰীয়ে ৪৫, জোৱেল ডেভিছে ৩৯ ৰান কৰে। ইংলেণ্ডৰ হৈ হেনৰী এক'ম্বে আৰু ছেম কাৰেনে দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত আলহী দলটোৱে ১৩.১ অভাৰতে মাত্ৰ দুটা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। ফিল ছল্টে ৩০টা বলত ৫৮ আৰু এনুৰিন ড'নাল্ডে ৩২টা বলত ৮৫ ৰানৰ বিস্ফোৰক ইনিংছ খেলে। এনেদৰে ৫খন মেচৰ ছিৰিজত দুয়োটা দলে এখনকৈ মেচত জয়লাভ কৰে আৰু ব্যৰধান ১-১ হয়। ড'নাল্ডে লাভ কৰে আজিৰ প্লেয়াৰ অব দ্য মেচ বঁটা।



ছিনিয়ৰ মহিলাৰ আন্তঃমাণ্ডলিক টী-২০ মেচত ৰিচা ঘোষৰ সৈতে জিন্টিমণি কলিতা, বৰ্ষাপাৰাত মণ্ডলবাৰে।

৪১ সংখ্যক ৰাজ্যিক টাইকো�ৱানডো প্ৰতিযোগিতা

পদকৰ শীৰ্ষত নগাঁও, দ্বিতীয়ত শোণিতপুৰ

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ সদৌ অসম টাইকোৱানডো সস্থাৰ ৪১ সংখ্যক ৰাজ্যিক টাইকোৱানডো প্ৰতিযোগিতাখনৰ সামৰণি পৰিছে। গুৱাহাটীৰ এছ বি অ' এ পাব্লিক স্কুল প্ৰাংগণত অনুষ্ঠিত প্ৰতিযোগিতাখনত নগাঁও জিলাৰ দলে প্ৰথম স্থান অধিকাৰ কৰে। কামৰূপ মহানগৰ আৰু কামৰূপ জিলা টাইকোৱানডো সস্থাৰ আতিথ্যত অনুষ্ঠিত প্ৰতিযোগিতাখনত নগাঁও জিলাই ২০টা স্বৰ্ণ, ১৭টা ৰূপ আৰু ২৮টা ব্ৰঞ্জৰ পদকসহ মুঠ ২১৯ পইণ্টেৰে শ্ৰেষ্ঠত্ব অৰ্জন কৰে। শোণিতপুৰ জিলাৰ দলে ২১টা স্বৰ্ণ, ১৩টা ৰূপ আৰু ১৮টা ব্ৰঞ্জৰ পদক জয় কৰি ২০৪ পইণ্টেৰে দ্বিতীয় আৰু কামৰূপ মহানগৰ জিলাই ১৭টা স্বৰ্ণ, ১০টা ৰূপ আৰু ২৩টা ব্ৰঞ্জৰ পদকেৰে ১৭২ পইণ্টেৰে তৃতীয় স্থান দখল কৰে। সদৌ অসম ভিত্তিত আয়োজিত প্ৰতিযোগিতাখনত ল'ৰা-ছোৱালীৰ কিড্ছ, ছাব-জুনিয়ৰ শাখাৰ কিউৰোগী আৰু পুমছে ইভেণ্ট সামৰি লোৱা হৈছিল আৰু ৰাজ্যৰ বিভিন্ন জিলাৰ প্ৰায় ১,২০০ খেলু�ৰেয়ে অংশগ্ৰহণ কৰিছিল । সদৌ অসম টাইকোৱানডো সস্থাৰ সাধাৰণ সম্পাদক হিৰণ্য শইকীয়া উপস্থিত থকা সামৰণী অনুষ্ঠানত প্ৰাক্তন ৰাষ্ট্ৰীয় খেলুৰে তথা আন্তঃৰাষ্ট্ৰীয় ৰেফাৰী প্ৰয়াত জয়ন্ত দাসলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়।



শ্ৰমিকপ্ৰাণ মহেন্দ্ৰনাথ শৰ্মা সোঁৱৰণী আন্তঃবাগিচা ফুটবল

গোসাঁইবাৰী চাহ বাগিচাৰ ৰোমাঞ্চকৰ জয়

দৈনিক অসমৰ প্ৰতিনিধি

মৰাণ, ২৪ নৱেম্বৰ ঃ শ্ৰমিকপ্ৰাণ মহেন্দ্ৰনাথ শৰ্মা সোঁৱৰণী ৩৮ সংখ্যক আন্তঃবাগিচা ফুটবল প্ৰতিযোগিতাত আজি গোসাঁইবাৰী চাহ বাগিচা দলে ৰোমাঞ্চকৰ জয় সাব্যস্ত কৰে। খোৱাং চাহ বাগিচাৰ খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন উত্তেজনাপূৰ্ণ খেলত গোসাঁইবাৰী চাহ বাগিচাই ডবা চাহ বাগিচাক ২-১ গ'লৰ ব্যৰধানত পৰাস্ত কৰে। খেলৰ ১৪ মিনিটত ডবা চাহ বাগিচাৰ ৰোহিত ধানে প্ৰথমটো গ'ল দি দলক অগ্ৰগতি প্ৰদান কৰে। ইয়াৰ পাছতে প্ৰত্যাবৰ্তন কৰি খেলৰ ২৮ মিনিটত গোসাঁইবাৰী চাহ বাগিচাৰ অজয় ভূমিজে গ'ল কৰি খেলখন ১-১ গ'লত সমতা স্থাপন কৰে। পৰৱৰ্তী সময়ত খেলৰ ৫৩ মিনিটত অমল মুৰাৰীয়ে গোসাঁইবাৰী দলৰ হৈ দ্বিতীয়টো গ'ল দিয়াত দলটোৱে ২-১ গ'লৰ অপ্ৰতিবিৰোধী অগ্ৰগতি লাভ কৰে। কাইলৈ খুমটাই চাহ বাগিচা আৰু ৰজাবাৰী চাহ বাগিচাৰ মাজত খেল অনুষ্ঠিত হ'ব।



মুস্তাক আলী ট্ৰফী

অসমৰ ক্ৰমাগত ষষ্ঠ পৰাজয়

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ ছৈয়দ মুস্তাক আলী ট্ৰফী টী-২০ ক্ৰিকেটত অসমক বিপৰ্যয়ে লগ এৰা নাই। এখনৰ পাছত এখন মেচ হেৰুৱাই অসমৰ দলটো এতিয়া পইণ্ট তালিকাৰ একেবাৰে শেষৰ ফালে স্থান সুৰক্ষিত কৰিছে। টুৰ্নামেণ্টখনত এয়া অসমৰ ক্ৰমাগত ষষ্ঠখন মেচত পৰাজয়। আজি মোহালিত কেৰালমৰ বিৰুদ্ধে অনুষ্ঠিত মেচখনত অসমৰ দলটো ৯ উইকেটত শোচনীয়ভাৱে পৰাস্ত হয়। মেচখনত প্ৰথমে বেট ধৰি অসমে অধিনায়ক ডেনিছ দাসৰ অপৰাজিত ৪৯, ৰোহিত সেনৰ ২৯, আয়ুস আগৰৱালাৰ ২১ আৰু আকাশ সেন গুপ্তাৰ ৫ অপৰাজিত ২৯ ৰানৰ সহায়ত ২০ অভাৰত ৫ উইকেটত ১৬৫ ৰান কৰে। বিপক্ষৰ ভি চন্দ্ৰণে তিনিটা উইকেট লয়। প্ৰত্যুত্তৰত কেৰালামেয়ে মহম্মদ আজাহাৰ উদ্দিনৰ অপৰাজিত ৯৩ আৰু ৰোহন কুন্নুম্মালৰ ৫৩ ৰানৰ সহায়ত ১২.৩ অভাৰত ১ উইকেটৰ বিনিময়ত বিজয় লক্ষ্যত উপনীত হয়।

ছেমিত টুৰিয়া, অইল ইণ্ডিয়া

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ ৭১ সংখ্যক ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ ৰৱদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেলত উপনীত হৈছে টুৰিয়া এফ চি আৰু অইল ইণ্ডিয়া এফ চি। আজি জজ খেলপথাৰত অনুষ্ঠিত প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত টুৰিয়া এফ চিয়ে শিলং লাজং এফ চিক ১-০ গ'লত পৰাস্ত কৰে। দলৰ হৈ গ'ল কৰে ৰ'নাল্ড কাইডন লিংডোৱে। দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত এন এফ ৰে'লৰেক ১-০ গ'লত হৰুৱায় অইল ইণ্ডিয়াই। দলটোৰ হৈ জয়দীপ গগৈয়ে বিজয়সূচক গ'লটো কৰে।

কুঠৰী ফুটবল একাদশ বিজয়ী

দৈনিক অসমৰ প্ৰতিনিধি

মৰিগাঁও, ২৪ নৱেম্বৰ ঃ জাগী কল্পতৰু পুথিভঁৰাল আৰু কৃষ্টি চ'ৰাৰ দ্বাৰা পৰিচালিত বিপিন চন্দ্ৰ বৰা আৰু মিনাৰাম বৰা সোঁৱৰণী ফুটবল প্ৰতিযোগিতাত বিজয়ী হৈছে কুঠৰী ফুটবল একাদশ। চূড়ান্ত খেলত কুঠৰি দলে দন্দুৰা ফুটবল একাদশক ২-১ গ'লত পৰাস্ত কৰে। বিজয়ী দলৰ অংকুৰ পাটৰে প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৰে আৰু চিনভেষ্টাৰে শ্ৰেষ্ঠ গ'লকীপাৰৰ বঁটা লাভ কৰে।

স্বাধীনতা দিৱস কাপ ফুটবল

গ্ল'বেল কোৱাৰ্টাৰত

দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি

নগাঁও, ২৪ নৱেম্বৰ ঃ নগাঁও ক্ৰীড়া সংস্থাৰ নুৰুল আমিন ষ্টেডিয়ামত অনুষ্ঠিত ৭৮ সংখ্যক স্বাধীনতা দিৱস কাপ প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত গোসাঁইগাঁৱৰ গ্ল'বেল ফুটবল ক্লাবে মেঘালয়ৰ লিনটিজান ফুটবল ক্লাব (নংপো)ক ১-০ গ'লত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। মেঘালয় দলৰ ৰক্ষণ বিভাগক পৰাস্ত কৰি জয়সূচক গ'লটো দিয়ে ইয়প ৰাভাই ৪৩ মিনিটত। দলটোৰ অধিনায়ক কমলা দৈমাৰীয়ে ৰাইট ফ্লেঙ্কৰ পৰা বিপক্ষৰ বক্সত দিয়া বল ইয়পে গ'ললৈ ৰূপান্তৰ কৰে। বিৰতিৰ পাছত দুয়োটা দলেই গ'ল দিয়াত ব্যৰ্থ হোৱাত গ্ল'বেল দলে ১-০ গ'লৰ জয়েৰে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। কাইলৈ কোৱাৰ্টাৰ ফাইনেল লীগৰ প্ৰথমখন মেচত যোৰহাট টাউন ক্লাব ব্ৰহ্মপুত্ৰ ডলফিন ফুটবল একাডেমীৰ মুখামুখি হ'ব।

বিশ্বৰ কুৰিগৰাকী ধনী এথলীট

শীৰ্ষত মাইকেল জৰ্ডান



নতুন দিল্লী, ২৪ নৱেম্বৰ ঃ বিশ্বৰ সবাতোকৈ ধনী এথলীটৰ তালিকাৰ শীৰ্ষত স্থান পাইছে প্ৰাক্তন বাস্কেটবল তাৰকা মাইকেল জৰ্ডানে। তেওঁৰ বৰ্তমান সম্পত্তিৰ পৰিমাণ প্ৰায় ৩.৬ বিলিয়ন ডলাৰ। চিকাগো বুলছৰ প্ৰাক্তন তাৰকাজনে নাইকী আৰু জৰ্ডান ব্ৰেণ্ডৰ সৈতে থকা ব্যৱসায়িক চুক্তিৰ ফলতে ইমান বৃহৎ পৰিমাণৰ ধন উপাৰ্জন কৰিছে। দ্বিতীয় স্থানত আছে ভিন্স মেকমোহন। ব্যৱসায়িক বিনিয়োগ আৰু পেছাদাৰী ৰেষ্টলিঙৰ জৰিয়তে তেওঁৰ উপাৰ্জন প্ৰায় ৩.২ বিলিয়ন ডলাৰ। শীৰ্ষৰ ২০জন ধনী এথলীটৰ তালিকাত মেজিক জনছন, জুনিয়ৰ ব্ৰীজমেন, টাইগাৰ উডছ, ক্ৰিষ্টিয়ানো ৰোনাল্ডো, লায়োনেল মেছি, লেব্ৰন জেমছ, ৰ'জাৰ ফেডেৰাৰ, ডেভিদ বেকহাম, মাইকেল শ্বুমেগাৰ, এডী জৰ্ডান, লিৱিছ হেমিল্টন, শ্বাকিল অ'নীল, ভিনী জনছনো আছে।

বিজনীত ৰাষ্ট্ৰীয় ক্লাব পৰ্যায়ৰ ফুটবল

উদ্বোধনী খেলত জয়ী মাইনাও এফ চি

দৈনিক অসমৰ প্ৰতিনিধি

চিৰাং, ২৪ নৱেম্বৰ ঃ চিৰাঙৰ বিজনী জিলা ক্ৰীড়া সস্থাৰ খেলপথাৰত কালি নিশাৰে পৰা আৰম্ভ হৈছে 'শৰৎ চন্দ্ৰ ৰায় সোঁৱৰণী' চেম্পিয়নছ ট্ৰফী ৰাষ্ট্ৰীয় ক্লাব পৰ্যায়ৰ নৈশ ফুটবল টুৰ্নামেণ্ট। বিজনী জয়কিষাণ ক্লাবৰ উদ্যোগত অনুষ্ঠিত টুৰ্নামেণ্টখন বিজনীৰ বিধায়ক অৰূপ কুমাৰ দেয়ে উদ্বোধন কৰে। উদ্বোধনী খেলত পি আৰ ৰাই এ ইম্ফল পূব মণিপুৰ আৰু মাইনাও এফ চি বঙাইগাঁও অৱতীৰ্ণ হয়। খেলত মাইনাও এফ চিয়ে পূব মণিপুৰক ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে। উদ্বোধনী অনুষ্ঠানত চিৰাঙৰ জিলা আয়ুক্ত গকুল চন্দ্ৰ ব্ৰহ্ম, চিৰাঙৰ অতিৰিক্ত জিলা আয়ুক্ত ইমকুম আই ওজুকুমসহ অতিথিবৃন্দ উপস্থিত থাকে।

ভুৱনেশ্বৰত উজলিল নাজিৰাৰ নাবীহা

দৈনিক অসমৰ প্ৰতিনিধি

নাজিৰা, ২৪ নৱেম্বৰ ঃ ভুৱনেশ্বৰত উজলিল নাজিৰাৰ নাবীহা ৰহমান। ২১ আৰু ২২ নৱেম্বৰত ওড়িশাৰ ভুৱনেশ্বৰত অনুষ্ঠিত চতুৰ্থ দামোদৰ সোঁৱৰণী অল ইণ্ডিয়া অ'পেন কাৰাটে চেম্পিয়নশ্বিপৰ ১৩-১৫ বছৰ বয়সৰ শাখাত নাবীহাই কাটা আৰু কুমিটেত দুটাকৈ স্বৰ্ণপদক অৰ্জন কৰি নাজিৰালৈ গৌৰৰ কঢ়িয়াই আনিবলৈ সক্ষম হয়। নাজিৰা নগৰৰ ৮ নং ৰাৰ্ডৰ নিৰাসী মুইনুৰ ৰহমান আৰু নাফিয়া হকৰ তেওঁ জ্যেষ্ঠ কন্যা নাবীহা। নাবীহাৰ এনে পাৰদৰ্শিতাত তেওঁৰ পিতৃ-মাতৃ তথা পৰিয়ালৰ লগতে উৎফুল্লিত হৈ পৰিছে স্থানীয় ৰাইজ।



১ ডিচেম্বৰৰ পৰা গুৱাহাটীত ৰাজ্যিক জুনিয়ৰ ৰেংকিং টেনিছ

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ গুৱাহাটীৰ চচলস্থিত সদৌ অসম টেনিছ সংস্থাৰ প্ৰকল্পত নৰ্থ-ইষ্ট টেনিছ ফাউণ্ডেচন (এনইটিএফ)ৰ উদ্যোগত ১-৪ ডিচেম্বৰত ৩৬ সংখ্যক সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ল'ৰা, ছোৱালীৰ ৰাজ্যিক প্ৰতিযোগিতাখনত ১২, ১৪ আৰু ১৮ বছৰ অনূর্দ্ধৰ মুঠ ছটা শাখাত খেলসমূহ অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখনত জলপানি ৰূপে মুঠ ৯৫ হাজাৰ টকাৰ নগদ বৃত্তি আগবঢ়োৱা হ'ব। আনহাতে, অংশগ্ৰহণকাৰী খেলুৰৈসকলে এএটিএ ৰেংকিং পইণ্ট তথা প্ৰমাণপত্ৰ লাভ কৰিব। ১২ বছৰ অনূর্দ্ধৰ ল'ৰাৰ চেম্পিয়নে হৰেন চন্দ্ৰ কলিতা সোঁৱৰণী ট্ৰফী আৰু ছোৱালীয়ে ভানু শইকীয়া সোঁৱৰণী ট্ৰফী লাভ কৰিব। একেদৰে ল'ৰাৰ ১৪ বছৰ অনূর্দ্ধৰ বিজয়ীয়ে ৰাজেশ দহোটীয়া সোঁৱৰণী ট্ৰফী আৰু ছোৱালীৰ খিতাপ জয়ীয়ে অঞ্জলি মোহন সোঁৱৰণী ট্ৰফী লাভ কৰিব। ১৮ বছৰ অনূর্দ্ধৰ ল'ৰাৰ চেম্পিয়নে নাৰায়ণ দাস সোঁৱৰণী ট্ৰফী আৰু ছোৱালী শাখাৰ বিজয়ীয়ে ডনছাইন্দি থাওছেন সোঁৱৰণী ট্ৰফী অৰ্জন কৰিব। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা খেলুৰৈসকলে ২৯ নৱেম্বৰৰ ভিতৰত দিব্যজ্যোতি দাস (৯০৮৫৮-৩৬৬০৬)ৰ লগত যোগাযোগ কৰি নাম পঞ্জীয়ন কৰিবলৈ আয়োজকে অনুৰোধ জনাইছে।

দিছপুৰ প্ৰেছ ক্লাবৰ আন্তঃসংবাদ মাধ্যম ফুটছাল প্ৰতিযোগিতা

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৪ নৱেম্বৰ ঃ দিছপুৰ প্ৰেছ ক্লাবৰ উদ্যোগত আৰু ষ্ট্ৰাইড এৰিনাৰ সহযোগত আয়োজন কৰা কৃতী শিক্ষক মকবুল হুছেইন সোঁৱৰণী আন্তঃসংবাদ মাধ্যম ফুটছাল প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ খেল আজি সফলতাৰে সম্পন্ন হয়। প্ৰতিযোগিতাত মুঠ ২০টা দলে অংশগ্ৰহণ কৰে। প্ৰথম ৰাউণ্ডৰ খেলত ২৪লাইভে এনডি২৪ দলক ৬-১ গ'লত পৰাস্ত কৰে। আনখন খেলত ফ'ৰ নেচনৰ দলে ডিৰাইভ৩৬৫ দলক ৩-১ গ'লত পৰাস্ত কৰে। বশিষ্ঠ প্ৰেছ ক্লাবৰ অনুপস্থিতিৰ বাবে টাইম৮ৰ দলে ৰাক-অভাৰ লাভ কৰে। একেদৰে প্ৰাগ নিউজৰ অনুপস্থিতিত অসম লাইভ২৪ৰ দলে ৰাক-অভাৰ লাভ কৰে। প্ৰতিযোগিতাৰ আন এখন খেলত নিউজ টাইম এন-ইয়ে নিউজ১৮ অসমক ৫-০ গ'লত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে। পূব গুৱাহাটী প্ৰেছ ক্লাবে ৬-০ গ'লত পৰাস্ত কৰে দিছপুৰ প্ৰেছ ক্লাবক। অলিম্পিয়া স্প'টছৰ দলৰ অনুপস্থিতিৰ বাবে এন-ই ভাৰত২৪ৰ দলে ৰাক-অভাৰ লাভ কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে। প্ৰথম খবৰৰ দলৰ অনুপস্থিতিতি আছাম টকছৰ দলে ৰাক-অভাৰ লাভ কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে। আনহাতে মহিলা শাখাত ফাইনেলত প্ৰৱেশ কৰে আছাম টকছ আৰু দিছপুৰ প্ৰেছ ক্লাবে। কাইলৈ ফুটছাল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেল, ছেমি ফাইনেল আৰু ফাইনেল খেলসমূহ অনুষ্ঠিত হ'ব। আজি পুৱা আয়োজিত প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে অসম পশুধন উন্নয়ন নিগমৰ অধ্যক্ষ মনোজ শইকীয়া, ৰাষ্ট্ৰীয় স্বয়ংসেৰক সংঘৰ উত্তৰ-পূব প্ৰান্তৰ বৌদ্ধিক প্ৰচাৰ প্ৰমুখ শংকৰ দাস, দিছপুৰ প্ৰেছ ক্লাবৰ সভাপতি প্ৰণয় ৰবদলৈ।



দৈনিক অসম প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক কিশোৰ বৰাৰ হৈ জ্যোতিষ পৰন বৰদলৈৰ দ্বাৰা আৰ্কন আৰ্কেড, ২-এ, দ্বিতীয় মহলা, ডাঃ বি বৰুৱা ৰোড, গুৱাহাটী, অসম, পিন-৭৮১০০৭ৰপৰা প্ৰকাশিত আৰু জি এল পাব্লিকেচন্ছ লিমিটেড, সাতগাঁও, গুৱাহাটী-২৭ত মুদ্ৰিত। টেলিফোন ঃ ৮৮১১৮-৮১০২৪, ০৩৬১-৩২৪৪৬৩৩। ই-মেইল ঃ dainikasam@gmail.com, dainikasam.marketing@gmail.com
কাৰ্যবাহী সম্পাদক ঃ শংকৰ লস্কৰ